GED S3 02

ভাৰতীয় শিক্ষা ব্যৱস্থাৰ কিছু নির্বাচিত বিষয়

তৃতীয় ষান্মাসিক

শিক্ষা

খণ্ড-২

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপিকা স্বর্ণলতা দাস, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপিকা গায়ত্রী গোস্বামী, গুৱাহাটী বিশ্ববিদ্যালয়
ড° সাধনা গোস্বামী, কটন মহাবিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° ৰীতিমণি বৰদলৈ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
৯	ইন্দ্রানী কলিতা কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	গীতাঞ্জলী মেধি কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
১০	ড° নীলিমা ডেকা, আৰু দেবযানী দুৱৰা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	অপৰাজিতা শর্মা
১১	ড° মধুস্মিতা দেৱী, বি বৰুৱা কলেজ আৰু ড° ৰীতিমণি বৰদলৈ	ড° ৰীতিমণি বৰদলৈ আৰু ভাৰতী দাস
১২	ড° ইন্দ্রানী শর্মা	ইদন চুলতানা আহমেদ
১৩	ড° ৰীতিমণি বৰদলৈ	অপৰাজিতা শর্মা
১৪	ড° মৰমী গোস্বামী	গীতাঞ্জলী মেধি
১৫	ড° নীলিমা ডেকা, আৰু কৰবী দেবী	গীতাঞ্জলী মেধি

সম্পাদনাঃ

বিষয়বস্তু সম্পাদনা ঃ ড° নীলিমা ডেকা, এল চি বি মহাবিদ্যালয়
ড° ৰীতিমণি বৰদলৈ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
ভাষা সম্পাদনা ঃ ড° ৰীতিমণি বৰদলৈ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
গাঁথনিক সম্পাদনা ঃ ড° ৰীতিমণি বৰদলৈ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রথম প্রকাশ ঃ জুন, ২০১৮

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-NonCommercial-ShareAlike4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মূখ্য কার্যালয় ঃ পাটগাঁও, ৰাণীগেট, গুৱাহাটী-৭৮১০১৭
উপমূখ্য কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী-৭৮১০০৬
Web : www.kkhsou.in

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা ব্যুৰো, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

খণ্ড পৰিচয় (খণ্ড-২)

দ্বিতীয় খণ্ডত, নবম অধ্যায়টিত শিক্ষকৰ শিক্ষা আৰু ভাৰতত শিক্ষকৰ শিক্ষাৰ সমস্যা আৰু শিক্ষাৰ সম্ভাৱনীয়তা বিষয়ে আলোচনা কৰা হৈছে। দশম অধ্যায়টিত শিক্ষক প্ৰশিক্ষণৰ এটি চমু আভাস দাঙি ধৰা হৈছে। একাদশ অধ্যায়টিৰ দ্বাৰা ভাৰতবৰ্ষত নাৰী শিক্ষা আৰু নাৰী সবলীকৰণৰ বাবে শিক্ষাৰ গুৰুত্ব সম্পৰ্কে এটি সমীক্ষাত্মক ৰূপ অংকিত কৰাৰ প্ৰয়াস কৰা হৈছে । দ্বাদশ অধ্যায়টিৰ দ্বাৰা গ্ৰাম্য উন্নয়ন আঁচনি, সংহত গ্ৰাম্য উন্নয়ন আঁচনিৰ বিশেষ দিশ, ন্যূনতম প্ৰয়োজনীয়তাৰ আঁচনি, ৰাষ্ট্ৰীয় সাধাৰণ ন্যূনতম আঁচনি, গ্ৰাম্য সমাজত মহিলা আৰু শিশুৰ উন্নয়ন আদি বিভিন্ন বিষয় সমূহৰ ওপৰত এটি বিস্তৃত আলোচনা দাঙি ধৰা হৈছে। ত্ৰয়োদশ অধ্যায়টিত শিক্ষাত কৌশলৰ বিকাশ, ইয়াৰ অৰ্থ আৰু গুৰুত্ব, কৌশলৰ বিভিন্ন প্ৰকাৰসমূহৰ বিষয়ে সুক্ষ্মভাৱে এটি আলোচনা দাঙি ধৰা হৈছে। চতুদৰ্শ আৰু পঞ্চদশ অধ্যায়টিৰ দ্বাৰা শিক্ষাৰ্থীৰ অনুশাসনহীনতাৰ কাৰণ আৰু অশান্তিৰ কাৰণসমূহৰ বিষয়ে এটি আলোকপাত আগবঢ়োৱা হৈছে।

এই পাঠ্যভাগটি অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অৰ্থ সন্নিবিষ্ট হৈছে। সেইদৰে— 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। অধ্যায়ত থকা 'চিন্তা-চৰ্চা কৰক' সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ফ-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্ৰগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্ফৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্ৰসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন অধ্যয়ন কৰিব পাৰিব।

কলা শাখাৰ স্নাতক পাঠ্যক্ৰম
শিক্ষা
খণ্ড - ২

বিষয় সূচী

পৃষ্ঠা নং

অধ্যায় ৯ ঃ **শিক্ষকৰ শিক্ষা-ভাৰতত ইয়াৰ সমস্যা আৰু সম্ভাৱনীয়তা** **১৩৭-১৫৫**

শিক্ষকৰ শিক্ষাৰ অৰ্থ, শিক্ষকৰ শিক্ষাৰ উদ্দেশ্য আৰু গুৰুত্ব, শিক্ষকৰ প্ৰশিক্ষণ আৰু শিক্ষকৰ শিক্ষাৰ মাজত থকা প্ৰভেদ, একবিংশ শতিকাত শিক্ষকৰ ভূমিকা,ভাৰতত শিক্ষকৰ শিক্ষাৰ সমস্যা আৰু সম্ভাৱনীয়তা।

অধ্যায় ১০ ঃ **শিক্ষকৰ বাবে প্ৰশিক্ষণ** **১৫৬-১৭১**

শিক্ষক প্ৰশিক্ষণৰ ধাৰণা, শিক্ষক প্ৰশিক্ষণৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব, শিক্ষক সমৰ্থিত কাৰ্যক্ৰমৰ প্ৰকাৰ, শিক্ষক শিক্ষাৰ কাৰ্যক্ৰমৰ কাৰ্যসমূহ, শিক্ষকক সমৰ্থন কৰাৰ বাবে থকা শিক্ষক শিক্ষাৰ অনুষ্ঠানসমূহ ।

অধ্যায় ১১ ঃ **নাৰী সবলীকৰণৰ বাবে শিক্ষা** **১৭২-১৮২**

নাৰী শিক্ষাৰ প্ৰয়োজন আৰু গুৰুত্ব, নাৰী শিক্ষাৰ সমস্যা, শিক্ষাৰ জৰিয়তে নাৰী সবলীকৰণৰ কৌশল।

অধ্যায় ১২ ঃ **গ্ৰাম্য উন্নয়ন** **১৮৩-২০৮**

গ্ৰাম্য উন্নয়ন আঁচনি, সংহত গ্ৰাম্য উন্নয়ন আঁচনিৰ বিশেষ দিশ,ৰাষ্ট্ৰীয় সাধাৰণ ন্যূনতম আঁচনি,গ্ৰাম্য সমাজত মহিলা আৰু শিশুৰ উন্নয়ন, গ্ৰাম্য উন্নয়নত স্বেচ্ছাসেৱী সংগঠন আৰু ৰাইজৰ অংশগ্ৰহণ ।

অধ্যায় ১৩ ঃ **শিক্ষাত কৌশলৰ বিকাশ** **২০৯-২২৩**

কৌশলৰ বিকাশ ঃ ইয়াৰ অৰ্থ আৰু গুৰুত্ব, কৌশলৰ বিভিন্ন প্ৰকাৰসমূহ, শিক্ষাত NSQFৰ পৰামৰ্শৱলী আৰু ইয়াৰ তাৎপৰ্যসমূহ ।

অধ্যায় ১৪ ঃ **শিক্ষাৰ্থীৰ অশান্তিৰ** **২২৪-২৪২**

শিক্ষাৰ্থীৰ অশান্তিৰ কাৰণ ঃ শৈক্ষিক , ৰাজনৈতিক, অৰ্থনৈতিক আৰু অন্য কাৰণ, শিক্ষাৰ্থীৰ অশান্তি দূৰ কৰাৰ উপায় ।

অধ্যায় ১৫ ঃ **শিক্ষাৰ্থীৰ অনুশাসনহীনতাৰ** **২৪৩-২৫৬**

অনুশাসনহীনতাৰ অৰ্থ আৰু ধাৰণা, বিদ্যালয়ত অনুশাসন বৰ্তাই ৰখাৰ প্ৰয়োজনীয়তা, অনুশাসনহীন আচৰণৰ প্ৰকাৰ, শিক্ষাৰ্থীৰ অনুশাসনহীনতাৰ কাৰণ, বিদ্যালয়ত অনুশাসন কেনেদৰে বৰ্তাই ৰাখিব পাৰি ।

অধ্যায় ৯ ঃ শিক্ষকৰ শিক্ষা - ভাৰতত ইয়াৰ সমস্যা আৰু সম্ভাৱনীয়তা

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ শিক্ষকৰ শিক্ষাৰ অর্থ

৯.৩.১ শিক্ষকৰ শিক্ষাৰ সংজ্ঞা

৯.৪ শিক্ষকৰ শিক্ষাৰ উদ্দেশ্য

৯.৫ শিক্ষকৰ শিক্ষাৰ গুৰুত্ব

৯.৬ শিক্ষকৰ প্রশিক্ষণ আৰু শিক্ষকৰ শিক্ষাৰ মাজত থকা প্রভেদ

৯.৭ একবিংশ শতিকাত শিক্ষকৰ ভূমিকা

৯.৮ ভাৰতত শিক্ষকৰ শিক্ষাৰ সমস্যা

৯.৮.১ ভাৰতত শিক্ষকৰ শিক্ষাৰ সম্ভাৱনীয়তা

৯.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.১০ অধিক জানিবলৈ

৯.১১ অগ্রগতিৰ খতিয়ান

৯.১০ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- শিক্ষকৰ শিক্ষাৰ অর্থ ব্যাখ্যা কৰিব পাৰিব।
- শিক্ষকৰ শিক্ষাৰ উদ্দেশ্য আৰু গুৰুত্ব বুজিব পাৰিব।
- শিক্ষক প্রশিক্ষণ আৰু শিক্ষকৰ শিক্ষাৰ মাজত থকা প্রভেদ নির্ণয় কৰিব পাৰিব।
- ভাৰতত শিক্ষকৰ শিক্ষাৰ সমস্যা আৰু সম্ভাৱনীয়তাবোৰ চিনাক্ত কৰিব পাৰিব।

৯.২ পৰিচয়

অধ্যাপক হুমায়ুঁ কবীৰৰ ভাষাত 'শিক্ষকসকল শাব্দিক অর্থত হ'ল এখন ৰাষ্ট্রৰ ভাগ্য নির্ণায়ক। শুনাত এক স্বতঃসিদ্ধ কথা যেন লাগিলেও এই কথাত জোৰ দিয়াৰ প্রয়োজনীয়তা আছে যে যিকোনো শৈক্ষিক পুনর্গঠনতে শিক্ষকে প্রধান ভূমিকা পালন কৰে। সমাজত শিক্ষকৰ এখন অতি গুৰুত্বপূর্ণ আসন আছে। কাৰণ, তেওঁ এটা প্রজন্মৰ পৰা আনটো প্রজন্মলৈ বৌদ্ধিক পৰম্পৰা প্রবাহিত হোৱাত সহায় কৰে। সেয়েহে এই অধ্যায়টিত এগৰাকী শিক্ষকক কেনেদৰে

শিক্ষা প্রদান কৰিব পৰা যায়, সেই বিষয়ে আলোচনা কৰা হৈছে। এই কাৰ্যই এসময়ত জাতি এটাক/ৰাষ্ট্ৰ এখনক সামগ্রিকভাৱে গঢ় দিব। অধ্যায়টি পঢ়ি আপুনি ভাৰতৰ বিশেষ উল্লেখেৰে সৈতে শিক্ষকৰ শিক্ষাৰ প্রয়োজনীয়তা, গুৰুত্ব, উদ্দেশ্য, সমস্যা তথা সম্ভাৱনীয়তাবোৰৰ বিষয়েও জানিব পাৰিব।

৯.৩ শিক্ষকৰ শিক্ষাৰ অর্থ

শিক্ষকৰ শিক্ষা বুলি কওঁতে মনলৈ অহা সাধাৰণ ধাৰণাটো হ'ল ইয়াৰ জৰিয়তে শিক্ষকসকলক কেনেকৈ শিক্ষার্থীক শিকাব লাগে সেয়া শিকাব খোজা হৈছে। কিন্তু শিক্ষকৰ শিক্ষাই কেৱল শিক্ষকৰ শিক্ষণ দক্ষতাৰে উপযোগী কৰি তোলাটোকেই নুবুজায়। ধাৰণাটোৰ অর্থ যথেষ্ট বহল। একেবাৰে সৰল ভাষাত শিক্ষকৰ শিক্ষা মানে হ'ল শিক্ষণ বৃত্তিটোৰ অনুকূলে শিক্ষকৰ আগ্রহ তথা ব্যুৎপত্তি বৃদ্ধি কৰা, তেওঁৰ আচৰণ তথা অভ্যাসৰ নতুন আৰ্হি গঢ় দিয়া আৰু তেওঁৰ ব্যক্তিত্ব পুনর্গঠিত তথা পুনর্সংৰচনাৱদ্ধ কৰি দিয়া। ইয়াৰ উপৰি আমি এইবুলিও ক'ব পাৰো যে শিক্ষকৰ শিক্ষাই শিক্ষণ-শিকন কার্যকলাপবোৰক অধিক ফলপ্রসূ আৰু শিক্ষকৰ ব্যক্তিত্ব অধিক সবল কৰি তোলাত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। ই শিক্ষকক বিদ্যালয়ৰ ভৌতিক পৰিস্থিতি আৰু সমাজৰ সাংস্কৃতিক পৰিৱেশৰ সৈতে খাপ খোৱাত সহায় কৰে। শিক্ষকৰ শিক্ষাই শিক্ষা বৃত্তিৰ বাবে প্রয়োজনীয় শৈক্ষিক সমন্বয় সাধন কৰি লোৱাত শিক্ষকক সহায় কৰে। শিক্ষকক শিক্ষাপ্রদান ব্যৱস্থাটোৰ বর্তমান অধিক বৃত্তিমুখীকৰণ ঘটাৰ লগতে ইয়াক প্রযুক্তিভিত্তিক কৰি তোলা হৈছে। ইয়াৰ জৰিয়তে শিক্ষকক শিক্ষণৰ আধুনিক প্রযুক্তিবোৰৰ সৈতে ফলপ্রসূ সমন্বয় সাধন কৰিব পৰাকৈ ব্যৱহাৰিক অভিজ্ঞতা আহৰণৰ সুবিধা দিয়া হয়।

শিক্ষকৰ শিক্ষাই শিক্ষণ দক্ষতা বৃদ্ধি, পুথিগত তত্ত্বৰ নির্ভুল জ্ঞান আৰু বৃত্তিজীৰী দক্ষতা বৃদ্ধিক সামৰি লয়। অর্থাৎ, শিক্ষকৰ শিক্ষা = শিক্ষা দক্ষতা + পুথিগত তত্ত্বৰ জ্ঞান + বৃত্তিজীৰী দক্ষতা।

শিক্ষণ দক্ষতা বৃদ্ধিৰ বাবে শিক্ষকসকলক শিক্ষণৰ বিভিন্ন কাৰিকৰী কৌশল, দৃষ্টিভংগী আৰু কার্যপৰিকল্পনাৰ প্রশিক্ষণ দিয়া তথা অনুশীলন কৰোৱা হয়। ই শিক্ষকক শিকন নির্দেশনাবোৰৰ পৰিকল্পনা তথা প্রয়োগ কৰাত শিক্ষার্থীক সবল কৰি তোলাত উপযুক্ত কৌশল ব্যৱহাৰ কৰাত আৰু শিক্ষার্থীৰ ফলপ্রসূ মূল্যায়ন কৰাত সহায় কৰিব। শিক্ষণ দক্ষতাই ফলপ্রসূ শ্রেণীকোঠা ব্যৱস্থাপনা দক্ষতা, নির্দেশনামূলক সামগ্রী/আহিলাৰ প্রস্তুতি তথা প্রয়োগ দক্ষতা আৰু সংযোগ দক্ষতা বৃদ্ধিকো সামৰি লয়।

পুথিগত তত্ত্বই দার্শনিক, সমাজতাত্ত্বিক আৰু মনোবৈজ্ঞানিক দিশেৰে বিচার্য বিষয়বোৰৰ জ্ঞান সামৰি লয়। এইবোৰে শিক্ষকক শ্রেণীকোঠাত পাঠদান কৰাৰ দক্ষতা অনুশীলনৰ বাবে এক নির্ভুল ভেটি গঢ়ি তোলাত সহায় কৰে। পুথিগত তত্ত্ব হ'ল স্তৰ নির্দিষ্ট। শিক্ষার্থীৰ অধ্যয়ন স্তৰটোৰ বৈশিষ্ট্য প্রদর্শনকাৰী প্রয়োজনীয়তা তথা অভাৱ হ'ল এনে তত্ত্বৰ ভেটি।

বৃত্তিজীৱী দক্ষতাই কাৰিকৰী কৌশল, কার্য পৰিকল্পনা আৰু দৃষ্টিভংগীক সামৰি লয়। এই দক্ষতাই শিক্ষকক বৃত্তিটোত উন্নতি লাভ কৰাত তথা বৃত্তিটো উন্নততৰ কৰি তোলাৰ বাবে কাম কৰি যোৱাত সহায় কৰে। এই দক্ষতাই শিক্ষকৰ নমনীয় দক্ষতা, পৰামর্শদান দক্ষতা, আন্তঃব্যক্তিক দক্ষতা, কম্পিউটাৰ দক্ষতা, তথ্য বাহিৰ কৰাৰ দক্ষতা, ব্যৱস্থাপনা দক্ষতাৰ লগতে জীৱনজোৰা শিকন দক্ষতাক সামৰি লয়।

শিক্ষণ দক্ষতা, পুথিগত তত্ত্বৰ নির্ভুল জ্ঞান তথা বৃত্তিজীৱী দক্ষতাৰ মিলনে শিক্ষকক শুদ্ধ জ্ঞান, মনোভাৱ তথা দক্ষতাৰ গৰাকী কৰি তোলে। ই শিক্ষকৰ সর্বাত্মক বিকাশৰ পোষকতা কৰে।

৯.৩.১ শিক্ষকৰ শিক্ষাৰ সংজ্ঞা

শিক্ষকৰ শিক্ষাৰ ৰাষ্ট্রীয় পৰিষদৰ সংজ্ঞা অনুসৰি শিক্ষকৰ শিক্ষা হ'ল এনে এক শিক্ষাদান, গৱেষণা আৰু প্রশিক্ষণ কার্যসূচী যিটোৱে প্রাক্-প্রাথমিকৰ পৰা উচ্চ শিক্ষাৰ পর্যায়লৈকে ব্যক্তিক শিক্ষাদান কৰিবলৈ শিকায়।

Goods Dictionary of Educationৰ মতে শিক্ষকৰ শিক্ষা মানে হ'ল সেই আটাইবোৰ আনুষ্ঠানিক আৰু অনানুষ্ঠানিক কার্যকলাপ তথা অভিজ্ঞতা যিবোৰে এগৰাকী ব্যক্তিক শৈক্ষিক বৃত্তিটোৰ সৈতে জড়িত সদস্য হিচাপে নিজৰ দায়িত্ব গ্রহণ কৰিবলৈ অথবা দায়িত্ব আগতকৈ অধিক ফলপ্রসূভাৱে পালন কৰি যাবলৈ উপযুক্ত অর্হতাৰ গৰাকী হোৱাত সহায় কৰে।

UNESCO(২০০৫)ৰ মতে শিক্ষকৰ শিক্ষাই 'শিক্ষাবৃত্তিত জড়িত হ'ব খোজা আৰু শিক্ষাদানত ব্রতী হৈ থকা দুয়ো ধৰণৰ শিক্ষকৰ বাবে থলুৱাভাৱে প্রাসংগিক তথা সাংস্কৃতিকভাৱে উপযুক্ত শিক্ষকৰ শিক্ষা কার্যসূচী তৈয়াৰ কৰিবলৈ পাৰিপার্শ্বিক কেন্দ্রিক, সামাজিক আৰু অর্থনৈতিক পটভূমিবোৰৰ কথা বুজায়।'

৯.৪ শিক্ষকৰ শিক্ষাৰ উদ্দেশ্য

শিক্ষণৰ বিভিন্ন পর্যায়ত শিক্ষকৰ শিক্ষাৰ সাধাৰণ উদ্দেশ্যবোৰ একে। কিন্তু এটা কথা জানি থোৱাটো ভাল হ'ব যে শিক্ষকৰ শিক্ষাৰ প্রতিটো পর্যায়েই এক নির্দিষ্ট বয়স গোটৰ অন্তর্ভুক্ত ল'ৰা-ছোৱালীৰ শৈক্ষিক প্রয়োজনীয়তা পূৰণ কৰে। সেই দিশেৰে শিক্ষণৰ বিভিন্ন পর্যায়ত শিক্ষকৰ শিক্ষাৰ সুনির্দিষ্ট উদ্দেশ্য থকা উচিত।

এইখিনিতে শিক্ষকৰ শিক্ষাৰ ৰাষ্ট্রীয় পৰিষদে আগবঢ়োৱা পৰামর্শৰ আধাৰত শিক্ষকৰ শিক্ষাৰ সাধাৰণ তথা সুনির্দিষ্ট উদ্দেশ্যবোৰ পৰিষ্কাৰকৈ বুজাৰ চেষ্টা কৰোঁ আহক। উদ্দেশ্যবোৰ তলত দিয়া ধৰণৰ ঃ

সাধাৰণ উদ্দেশ্যসমূহ ঃ

পৃষ্ঠভূমি, বিবেচনাৰ বিষয় আৰু শিক্ষাৰ পৰিসৰৰ পৰা বাহিৰ কৰা শিক্ষকৰ শিক্ষাৰ সাধাৰণ উদ্দেশ্যসমূহ তলত দিয়া হ'ল। এই উদ্দেশ্যসমূহ শিক্ষণৰ বিভিন্ন পর্যায়/স্তৰৰ ক্ষেত্ৰত প্ৰযোজ্য।

- জীৱনৰ বাস্তৱিকতাবোৰৰ বিষয়ে শিক্ষকৰ মনত গভীৰ সজাগতা বিকশিত কৰা।
- ভাৰতীয় সংবিধানত লিপিবদ্ধ ৰাষ্ট্ৰীয় প্ৰমূল্য তথা লক্ষ্যবোৰক বাস্তৱ কৰিব পৰাকৈ শিক্ষকৰ সামৰ্থ্য বৃদ্ধিৰ পোষকতা কৰা।
- শিক্ষকসকলক আধুনিকীকৰণ, সামাজিক পৰিৱৰ্তন আৰু উন্নয়নৰ প্ৰতিভূৰূপে কাম কৰিব পৰাকৈ তথা প্ৰাকৃতিক আৰু সাংস্কৃতিক ঐতিহ্যৰ প্ৰবাহত সহায় কৰিব পৰাকৈ সমর্থ কৰি তোলা।
- শিক্ষক প্ৰশিক্ষার্থীসকলৰ মনত যুক্তিসংগত চিন্তা আৰু বৈজ্ঞানিক মনোভাৱৰ কর্ষণ কৰা।
- তেওঁলোকৰ সমসাময়িক ভাৰতীয় শিক্ষামূলক পটভূমিত প্ৰয়োজন হোৱা পৰিচালনা তথা সাংগঠনিক দক্ষতা বৃদ্ধিৰ পোষকতা কৰা।
- তেওঁলোকৰ মাজত ধাৰাবাহিকতা আৰু পৰিৱৰ্তনে কঢ়িয়াই অনা প্ৰত্যাহ্বানৰ মুখামুখি হ'ব পৰাকৈ এখন গতিশীল সমাজত নিজৰ ভূমিকা পালন কৰিবলৈ প্ৰয়োজন হোৱা সামৰ্থ্যবোৰৰ বিকাশ ঘটোৱা।
- শিক্ষক প্ৰশিক্ষার্থীসকলক পাৰিপার্শ্বিক কেন্দ্ৰিক আৰু জৈৱ-বৈচিত্ৰ্যভিত্তিক সমস্যাবোৰৰ বিষয়ে সজাগ কৰি তোলা আৰু এই সমস্যাবোৰৰ উপযুক্ত সমাধান বাহিৰ কৰিব পৰাকৈ সক্ষম কৰি তোলা।
- এগৰাকী পাৰদর্শী শিক্ষক হ'বলৈ প্ৰয়োজন হোৱা ব্যুৎপত্তি তথা দক্ষতাৰ বিকাশত সহায় কৰা।
- শিক্ষার্থীৰ প্ৰতি ইতিবাচক দৃষ্টিভংগী গঢ়ি তোলা।
- হাতে-কামে কৰা গৱেষণাৰ জৰিয়তে বিভিন্ন আগ্ৰহ তথা দক্ষতাৰ বিকাশ ঘটোৱা।
- শিক্ষার্থীৰ মনত নান্দনিকবোধৰ বিকাশ ঘটাব পৰাকৈ শিক্ষকক সমর্থ কৰি তোলা।
- দেশপ্ৰেমমূলক অনুভৱ, ৰাষ্ট্ৰীয় সংহতি, বিশ্ব শান্তি আৰু মানৱ অধিকাৰৰ পৃষ্ঠপোষকতা কৰিবলৈ শিক্ষক প্ৰশিক্ষার্থীসকলক এই বিষয়বোৰৰ প্ৰতি সংবেদনশীল কৰি তোলা।

ওপৰত উল্লেখ কৰা সাধাৰণ উদ্দেশ্যবোৰৰ লগতে শিক্ষকৰ শিক্ষাৰ কেইটামান বিশেষ উদ্দেশ্যও আছে। এই উদ্দেশ্যবোৰ শিক্ষণৰ বিভিন্ন পর্যায়ত প্ৰযোজ্য। এই উদ্দেশ্যবোৰ হ'ল—

প্রাক্-প্রাথমিক পর্যায়ৰ শিক্ষকৰ শিক্ষা পাঠ্যক্রমৰ সুনির্দিষ্ট উদ্দেশ্যসমূহ ঃ

- শিশুৰ শাৰীৰিক, মানসিক, নৈতিক, সামাজিক, নান্দনিক আৰু ভাষিক বিকাশত সহায় কৰিব পৰাকৈ শিক্ষক প্রশিক্ষার্থীসকলক সংবেদনশীল কৰি তোলা।
- শিশুৰ সমুচিত বিকাশৰ বাবে উপযোগী সামাজিক অভ্যাস গঢ়ি তোলাত সহায় কৰিব পৰাকৈ শিক্ষার্থী-শিক্ষক দুয়োকে সমর্থ কৰি তোলা।
- শিক্ষক প্রশিক্ষার্থীৰ মনত সামাজিক সংবেদনশীলতাৰ কর্ষণ কৰা, শিশুৰ প্রতি মৰমৰ ভাব জগাই তোলা আৰু প্রতিটো শিশুৰ অনন্য বৈশিষ্ট্যবোৰৰ প্রতি সন্মানৰ ভাব গঢ়ি তোলা।
- শিক্ষক প্রশিক্ষার্থীক শিশুৰ ব্যক্তিগত তথা সমূহীয়া বিকাশত সহায় কৰিব পৰা বিভিন্ন ধৰণৰ শিক্ষামূলক কার্যকলাপৰ আয়োজন কৰিব পৰাকৈ সমর্থ কৰি তোলা।
- শিক্ষক প্রশিক্ষার্থীক শিশুযত্ন তথা শিশুস্বাস্থ্য নীতিবোৰৰ সৈতে পৰিচয় কৰাই দিয়া।
- শিশুৰ মনত সৃজনশীলতা, উদ্ভাৱনী শক্তি আৰু কল্পনাশক্তিৰ বিকাশ ঘটাব পৰাকৈ শিক্ষার্থী-শিক্ষক উভয়কে সবল কৰি তোলা।
- শিক্ষক প্রশিক্ষার্থীয়ে যাতে শিকন প্রক্রিয়াটো শিশুহঁতৰ বাবে এটা আনন্দদায়ক কার্য কৰি তুলিব পাৰে তাৰবাবে তেওঁলোকৰ দক্ষতা তথা ব্যুৎপত্তিৰ বিকাশ ঘটোৱা।

প্রাথমিক পর্যায়ৰ শিক্ষকৰ শিক্ষা পাঠ্যক্রমৰ সুনির্দিষ্ট উদ্দেশ্যসমূহ ঃ

- শিক্ষকসকলক পর্যাপ্ত তাত্ত্বিক জ্ঞান, ব্যৱহাৰিক জ্ঞান তথা দক্ষতাৰে সাজু কৰি তোলা।
- প্রাথমিক শিক্ষাত নিহিত হৈ থকা মনোবৈজ্ঞানিক আৰু সমাজতাত্ত্বিক নীতিবোৰ সঠিকভাৱে বুজি পোৱাত শিক্ষক প্রশিক্ষার্থীসকল সহায় কৰা।
- শিশুৰ সর্বাংগীন বিকাশৰ পোষকতা কৰিব পৰাকৈ শিক্ষকক সবল কৰি তোলা।
- শিক্ষার্থীক অধিক উদ্বুদ্ধ তথা অনুপ্রাণিত কৰি তুলিব পৰাকৈ, সিহঁতৰ মনত প্রমূল্যৰ প্রতি দায়বদ্ধতাবোধ গঢ়ি তুলিব পৰাকৈ শিক্ষকৰ সামর্থ বৃদ্ধি কৰা।
- শিক্ষার্থীৰ নিজাববীয়াকৈ সমস্যা সমাধান কৰিব পৰা সামর্থ বিকশাই তুলিব পৰাকৈ শিক্ষকক সমর্থ কৰি তোলা।
- বিশেষ যত্নৰ প্রয়োজন থকা শিশুৰ তদাৰক কৰাৰ পদ্ধতি আৰু কৌশলবোৰৰ সৈতে শিক্ষকক পৰিচয় কৰাই দিয়া।

- শিক্ষকক হাতে-কামে কৰা গৱেষণা তথা উদ্ভাৱনীমূলক অনুশীলন প্ৰয়োগৰ বাবে উদ্বুদ্ধ কৰা।

উচ্চ মাধ্যমিক পৰ্যায়ৰ শিক্ষকৰ শিক্ষা পাঠ্যক্ৰমৰ সুনিৰ্দিষ্ট উদ্দেশ্যসমূহ ঃ

- শিক্ষাৰ্থীৰ মনোবিজ্ঞান স্পষ্টকৈ বুজিব পৰাকৈ শিক্ষকৰ আকলন ক্ষমতা বিকশিত কৰা।
- সামাজিকীকৰণ প্ৰক্ৰিয়াটো ভালদৰে বুজিব পৰাকৈ শিক্ষকক সমৰ্থ কৰি তোলা।
- পুথিগত তত্ত্ব, পাঠ্যক্ৰম বিকাশ, পাঠ্যক্ৰম প্ৰয়োগ আৰু মূল্যাংকনৰ নীতিবোৰৰ বিষয়ে স্পষ্টকৈ বুজাত শিক্ষকক সহায় কৰা।
- শিক্ষকৰ দিক্-নিৰ্দেশনা আৰু পৰামৰ্শদান দক্ষতাৰ বিকাশ ঘটোৱা।
- জ্ঞানৰ পুনৰ্নিৰ্মাণৰ বাবে শিক্ষাৰ্থীৰ মনত সৃজনশীল চিন্তাৰ বিকাশ ঘটাব পৰাকৈ শিক্ষকসকলক সমৰ্থ কৰি তোলা।
- শিক্ষকসকলক শৈক্ষিক আহিলা/তথ্য হিচাপে সমূহীয়া সমলবোৰ ব্যৱহাৰ কৰিব পৰাকৈ সমৰ্থ কৰি তোলা।
- শিক্ষকৰ সংযোগ দক্ষতাৰ বিকাশ ঘটোৱা আৰু তেওঁলোকক আধুনিক তথ্য প্ৰযুক্তি ব্যৱহাৰ কৰিব পৰাকৈ সমৰ্থ কৰি তোলা।

উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ শিক্ষকৰ শিক্ষা পাঠ্যক্ৰমৰ সুনিৰ্দিষ্ট উদ্দেশ্যসমূহ ঃ

শৈক্ষিক শাখা

- শিক্ষকসকলৰ মাজত শৈক্ষিক আগ্ৰহ আৰু প্ৰমূল্যৰ পোষকতা কৰা।
- শিক্ষকসকলৰ পঠন আৰু উল্লেখ দক্ষতাৰ বিকাশ ঘটোৱা।
- শিক্ষকসকলৰ পাঠ্যক্ৰম বিকাশ আৰু প্ৰচলন দক্ষতাৰ বিকাশ ঘটোৱা।
- বিভিন্ন প্ৰকাৰৰ পৰীক্ষা পদ্ধতি বিকাশ তথা প্ৰয়োগ কৰিব পৰাকৈ শিক্ষকসকলক সমৰ্থ কৰি তোলা।
- নতুন শৈক্ষিক পটভূমিৰ অধীনত জ্ঞান তথা অভিজ্ঞতাৰ পুনৰ্নিৰ্মাণ কৰিব পৰাকৈ শিক্ষকসকলক সমৰ্থ কৰি তোলা।

বৃত্তিমুখী শাখা

- শিক্ষকসকলক বৃত্তিমুখী শিক্ষাৰ দৰ্শন তথা সামাজিক প্ৰাসংগিকতা বুজাত সহায় কৰা।
- শিক্ষকসকলৰ কৰ্মদক্ষতাবোধ বিকশিত কৰা আৰু তেওঁলোকক শ্ৰমৰ মৰ্যাদা বুজাত সহায় কৰা।
- শিক্ষকক বৃত্তিমুখী বিষয় শিকোৱাৰ সময়ত প্ৰয়োজন হোৱা জ্ঞান আহৰণত তথা দক্ষতা বিকাশত সহায় কৰা।
- তেওঁলোকক নিজ পছন্দৰ বৃত্তিত সফলতা লাভৰ বাবে প্ৰয়োজনীয় প্ৰাসংগিক তথ্যৰ যোগান ধৰা।
- বৃত্তিমুখী শিক্ষাৰ ভাৰসাযোগ্যতাত বিশ্বাস জন্মোৱা।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ শিক্ষকৰ শিক্ষা বুলিলে কি বুজে বাখ্যা কৰক।

.....

.....

.....

প্রশ্ন নং ২ ঃ শিক্ষকৰ শিক্ষা কার্যসূচীৰ যিকোনো তিনিটা সাধাৰণ উদ্দেশ্য উল্লেখ কৰক।

.....

.....

.....

প্রশ্ন নং ৩ ঃ সঁচানে মিছা কওক —

(ক) শিক্ষকৰ শিক্ষাই শিক্ষকৰ শিক্ষণ দক্ষতা আৰু কার্যকলাপৰ বিকাশ সাধন কৰে।
সঁচা / মিছা

(খ) শিক্ষকৰ শিক্ষাৰ পুথিগত তত্ত্বৰ সৈতে সম্পর্ক আছে। সঁচা / মিছা

(গ) শিক্ষক শিক্ষাৰ ৰাষ্ট্রীয় পৰিষদে শিক্ষকৰ শিক্ষাৰ উদ্দেশ্যসমূহ নির্ধাৰণ কৰে।
সঁচা / মিছা

৯.৫ শিক্ষকৰ শিক্ষাৰ গুৰুত্ব

শিক্ষকৰ শিক্ষা পাঠ্যক্রম প্রণয়নত এগৰাকী শিক্ষকক শিক্ষাপ্রদান কৰা শিক্ষাবিদে গুৰুত্বপূর্ণ ভূমিকা পালন কৰিব পাৰে। সেয়েহে শিক্ষক প্রশিক্ষণ অথবা শিক্ষকৰ দিক্‌বলন (orientation of teachers) কার্যসূচীবোৰত যিকোনো ধৰণৰ উপযুক্ত পৰিৱর্তন সাধন কৰিবলৈ তেওঁলোকৰ শিক্ষা অথবা প্রশিক্ষণত যথেষ্ট গুৰুত্ব দিব লাগে। শিক্ষকৰ শিক্ষাৰ প্রয়োজনীয়তা তথা গুৰুত্বসমূহ তলত আলোচনা কৰা হ'ল ঃ

- **শিক্ষার্থী সম্পর্কে উন্নততৰ আকলন ঃ** শিক্ষকৰ শিক্ষা কার্যসূচীৰ অধীনত শিক্ষালাভ কৰা শিক্ষকসকলে ল'ৰা-ছোৱালীৰ মানসিক অৱস্থা আৰু আচৰণ অন্যতকৈ ভালদৰে বুজিব পাৰে।

- **আত্মবিশ্বাসৰ অধিকাৰী হয় ঃ** শিক্ষকৰ শিক্ষা কার্যসূচীৰ অধীনত শিক্ষালাভ কৰা শিক্ষকসকলে বহু মানুহৰ সন্মুখত মুকলিকৈ ল'ৰা-ছোৱালীক শিকোৱাৰ ক্ষেত্রত আত্মবিশ্বাসৰ পৰিচয় দিব পাৰে। এনে শিক্ষকে প্রয়োজন সাপেক্ষে শৈক্ষিক সামগ্রীৰ প্রয়োগ আৰু শিক্ষণ প্রতিভা প্রদর্শন কৰিব পাৰে।

- **শিক্ষণৰ প্ৰণালীবিদ্যা সম্পৰ্কীয় জ্ঞান ঃ** প্ৰশিক্ষণ লাভ কৰাৰ পাছত শিক্ষকসকল উপযুক্ত শিক্ষণ পদ্ধতিবোৰৰ বিষয়ে ভালদৰে জনা হয়। তেওঁলোকে কোনো এক নিৰ্দিষ্ট বিষয় শিকাওঁতে কি পদ্ধতি প্ৰয়োগ কৰা উচিত সেই সম্পৰ্কীয় প্ৰয়োজনীয় জ্ঞানৰ গৰাকী হৈ পৰে।

- **অনুকূল মনোভাৱ গঠন ঃ** শিক্ষকৰ শিক্ষা অতি প্ৰয়োজনীয়। ই প্ৰতিগৰাকী শিক্ষককে শিক্ষণ অনুকূল মনোভাব গঢ়ি লোৱাত সহায় কৰে। ইয়াৰ উপৰি তেওঁলোক শিক্ষাৰ্থী অনুকূল মনোভাৱৰো অধিকাৰী হৈ পৰে।

- **শিক্ষাৰ শেহতীয়া ধাৰাৰ সৈতে পৰিচয় ঘটে ঃ** শিক্ষকৰ শিক্ষা কাৰ্যসূচীবোৰে শিক্ষক প্ৰশিক্ষাৰ্থীসকলক বিদ্যালয় প্ৰতিষ্ঠান তথা প্ৰশাসনৰ সৈতে পৰিচয় কৰাই দিয়ে।

- **সামাজিক অন্তৰ্দৃষ্টি গঢ়ি তোলে ঃ** শিক্ষকৰ শিক্ষা কাৰ্যসূচীবোৰে শিক্ষকসকলক সমূহীয়া জীৱন যাপন কৰাৰ কথা বুজোৱাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। শিক্ষকৰ এক সামাজিক অন্তৰ্দৃষ্টি গঢ়ি তোলাৰ বাবে শিক্ষক প্ৰশিক্ষণ অতি প্ৰয়োজনীয়।

- **শিক্ষণৰ মান উন্নত কৰে ঃ** শিক্ষকৰ শিক্ষা কাৰ্যসূচীৰ অধীনত শিক্ষা লাভ কৰা শিক্ষকে সহজলভ্য সমল ব্যৱহাৰ কৰি শিক্ষাৰ বৰ্তমান ব্যৱস্থাটো উন্নত কৰি তুলিব পাৰে।

- **গণতন্ত্ৰৰ প্ৰশিক্ষণ ঃ** শিক্ষকৰ শিক্ষা কাৰ্যসূচীবোৰ উৎসাহ-উদ্দীপনাৰে শিক্ষাদান কৰিব পৰা শিক্ষক গঢ়ি তোলাৰ বাবে অতি প্ৰয়োজনীয় এনে শিক্ষকে দেশৰ গণতান্ত্ৰিক সংৰচনাটো শক্তিশালী কৰি তুলিব পাৰে। এগৰাকী ভাল শিক্ষক গঢ়ি তোলাৰ লক্ষ্যত উপনীত হ'বলৈকে এনে কাৰ্যসূচীৰ প্ৰয়োজন নহয়, এগৰাকী শিক্ষকক সুনাগৰিক কৰি গঢ়ি তোলাতো এনে কাৰ্যসূচীয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।



চিন্তা-চৰ্চা কৰক ৯.১

ভাৰতত সাম্প্ৰতিক পটভূমিত শিক্ষকৰ শিক্ষাৰ প্ৰয়োজনীয়তা আছে বুলি আপুনি ভাবেনে? নিজৰ উত্তৰ সপক্ষে অধ্যায়টিত উল্লেখ কৰা কথাবোৰৰ উপৰিও নিজৰ ভাষাত বহলাই যুক্তি দাঙি ধৰক।

.....

.....

.....

৯.৬ শিক্ষক প্রশিক্ষণ আৰু শিক্ষকৰ শিক্ষাৰ মাজত থকা প্রভেদ

'শিক্ষক প্রশিক্ষণ' (Teacher Training) বোলা অভিধাটোৰে আগতে শিক্ষকসকলক শিক্ষণৰ আধুনিক পদ্ধতিবোৰৰ বিষয়ে শিকোৱা নাইবা প্রশিক্ষণ দিয়া কার্যটোৰ কথা বুজোৱা হৈছিল। শিক্ষক বৃত্তিটোৰ কার্যদক্ষতা উন্নত কৰাৰ লক্ষ্যৰে এনে প্রশিক্ষণ আগবঢ়োৱা হৈছিল। প্রতিটো বৃত্তিতেই ব্যক্তিৰ কার্যদক্ষতা উন্নত কৰিবৰ বাবে প্রশিক্ষণ প্রদানৰ প্রয়োজনীয়তা থাকে। এনে প্রশিক্ষণ বৃত্তিটোৰ সৈতে মিলা হ'ব লাগে। বৃত্তিগতভাৱে আগবঢ়োৱা এনে প্রশিক্ষণে কার্যৰ সংশ্লিষ্ট ক্ষেত্রবোৰৰ ফলাফল উন্নত কৰি তুলিব বুলি আশা কৰা হয়। 'প্রশিক্ষণ' শব্দটোৰ সৈতে জড়িত থকা ধাৰণাটোক সেয়েহে সংকীর্ণ আৰু প্রয়োগৰ দিশেৰে বৃত্তিগত কার্য বুলি ধৰা হয়। এইটো কাৰণতে বর্তমান শিক্ষাৰ এক নতুন ধাৰণাই গা কৰি উঠিছে।

'শিক্ষকৰ শিক্ষা' (Teacher Education) বোলা অভিধাটো এক বহল আৰু সর্বাত্মক অর্থত প্রয়োগ কৰা হয়। এগৰাকী শিক্ষকৰ মানসিক আবেগিক, সামাজিক আৰু আচৰণগত দিশবোৰক সামৰি তেওঁৰ সামগ্রিক ব্যক্তিত্বৰ গুণগত উৎকর্ষ সাধনৰ বাবে প্রয়োজন হোৱা পুথিগত তত্ত্ব, জ্ঞানৰ অনুশীলন আৰু অভিজ্ঞতাক 'শিক্ষকৰ শিক্ষা'ই সামৰি লয়। শিক্ষকক শিক্ষাদান কৰাৰ সুবিধা আৰু পৰিসৰ আগতকৈ ব্যাপক হৈ পৰিছে। ইয়াত শিক্ষাৰ দার্শনিক, মনোবৈজ্ঞানিক তথা প্রযুক্তিগত নীতি আৰু পদ্ধতিবোৰৰ অধ্যয়নক সামৰি লোৱা হয়। শিক্ষাৰ এই নতুন প্রযুক্তিৰ সৈতে জড়িত বিস্তৃত দিশবোৰক 'প্রশিক্ষণ' বোলা অভিধাটোৰে সামৰিব পৰা নাযায়। সেয়েহে 'শিক্ষক প্রশিক্ষণ ধাৰণাটো আজিকালি বহল কৰি তোলা হৈছে আৰু ইয়াক 'শিক্ষকৰ শিক্ষা' নাম দিয়া হৈছে। নতুন ধাৰণাটোৰ অধীনত শিক্ষকৰ দক্ষতা আৰু সামর্থ বৃদ্ধি কৰাৰ বাবে এক বিস্তৃত তথা গতিশীল প্রকৃতিৰ অধ্যয়নক সামৰি লোৱা হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ খালী ঠাই পূৰণ কৰক—

(ক) 'শিক্ষকৰ শিক্ষা' আৰু 'শিক্ষক প্রশিক্ষণে' সাধাৰণতে ..... দক্ষতাবোৰৰ বিকাশ ঘটায়।

(খ) 'শিক্ষকৰ শিক্ষা'ই তাত্ত্বিক, ব্যৱহাৰিক আৰু ..... দিশবোৰ বিকশিত কৰে।

(গ) 'শিক্ষক প্রশিক্ষণ' মানে হ'ল .....

৯.৭ একবিংশ শতিকাত শিক্ষকৰ ভূমিকা

১৯৯৬ চনত জেনেভাত UNESCO/IBE-এ আয়োজন কৰা 'শিক্ষা বিষয়ক আন্তঃৰাষ্ট্ৰীয় সন্মিলন'ৰ ৪৫ সংখ্যক অধিৱেশন বিতৰণ কৰা তথ্যত শিক্ষাকে ধৰি আধুনিক জীৱনৰ সকলো ক্ষেত্ৰকে প্ৰভাৱিত কৰা বিশ্বায়নৰ উত্থানৰ সৈতে ফেৰ মাৰিব পৰাকৈ শিক্ষক সমাজৰ পৰা সাধাৰণভাৱে কেনে ভূমিকা আশা কৰা হৈছে সেয়া সন্নিৱিষ্ট কৰা আছিল। শিক্ষক সমাজৰ পৰা প্ৰত্যাশিত ভূমিকাবোৰ তলত দিয়া ধৰণৰ ঃ

- শিক্ষাৰ্থীৰ সাক্ষৰতা আৰু সংখ্যাজ্ঞান দক্ষতা তথা পাৰদৰ্শিতাৰ পোষকতা কৰা; শিক্ষাৰ্থীক পাৰিপাৰ্শ্বিকৰ প্ৰতি সংবেদনশীল কৰি তোলা; বিদ্যালয় তথা বিদ্যালয়ৰ সৈতে জড়িত সম্প্ৰদায়ৰ মাজত সমন্বয় স্থাপন কৰা।
- শিক্ষাৰ্থীৰ প্ৰজ্ঞাত্মক, সামাজিক, নৈতিক আৰু আবেগিক বিকাশ সমুচিত তথা অবিৰত কৰিবলৈ সিহঁতৰ মৌলিক দক্ষতা তথা মনোভাৱ উন্নততৰ কৰাত সহায় কৰা।
- সংস্কৃতি আৰু জ্ঞানৰ প্ৰচাৰ কৰা; শিক্ষাৰ্থীসকলক বিশ্ব সম্প্ৰদায়ৰ বিষয়ে সজাগ হোৱাত সহায় কৰা।
- শিক্ষাৰ্থীৰ সৃজনশীল তথা বিচাৰ-বিবেচনামূলক সামৰ্থবোৰৰ আপডাল কৰা।
- শিক্ষাৰ্থীক এখন গতিশীল আৰু অনবৰতে পৰিৱৰ্তনশীল সমাজৰ সৈতে খাপ খাই চলিবলৈ উৎসাহিত কৰা।
- প্ৰতিটো শিশু/প্ৰতিগৰাকী ব্যক্তিকে সমাজৰ একোজন সম্পূৰ্ণ সক্ৰিয় সদস্যত পৰিণত হ'ব পৰাকৈ সম্পূৰ্ণ আত্মপ্ৰত্যয়ৰ গৰাকী হোৱাত সহায় কৰা।
- এগৰাকী বৃত্তিজীৱী শিক্ষক হিচাপে শিক্ষাৰ্থী আৰু সম্প্ৰদায়ৰ আগত এক অনুকৰণযোগ্য আদৰ্শ দাঙি ধৰা।
- শিক্ষাৰ্থীৰ শাৰীৰিক কল্যাণ সুনিশ্চিত কৰা।
- সম্প্ৰদায় আৰু শিক্ষাৰ্থীৰ অভিভাৱকৰ ভাৰসা জয় কৰা।

সন্মিলনখনৰ আঞ্চলিক পৰ্যালোচনা সভাবোৰত ভাগ লোৱা বিশেষজ্ঞসকলৰ মতে এই কামবোৰ ফলপ্ৰসূভাৱে কৰিবলৈ শিক্ষকসকলে তলত উল্লেখ কৰা আন কিছুমান কথা আয়ত্ত কৰিব লাগিব ঃ

- জ্ঞান তথা শিক্ষণ দক্ষতাকে ধৰি নিজৰ সৰ্বাত্মক অবিৰত ব্যক্তিগত বিকাশ সুনিশ্চিত কৰিব লাগিব।
- এখন সুস্থ মানৱ সমাজ গঢ়াত সহায় কৰা প্ৰমূল্য আৰু মনোভাৱবোৰৰ বিষয়ে সজাগ হ'ব লাগিব।
- স্থানীয় সম্প্ৰদায় আৰু সমাজখনৰ বিভিন্ন কাৰ্যকলাপত সক্ৰিয়ভাৱে জড়িত হ'ব লাগিব।

- শিকন পৰিৱেশ আৰু সমলৰ ফলপ্ৰসূ ব্যৱস্থাপনা আগবঢ়াব পাৰিব লাগিব।
- সম্প্ৰদায়ৰ প্ৰয়োজনীয়তাৰ সৈতে খাপ খোৱাকৈ বিদ্যালয়ৰ পাঠ্যক্ৰম মিলাই লোৱাত দক্ষ হ'ব লাগিব।
- ল'ৰা-ছোৱালীক ব্যক্তিগতভাৱে পৰামৰ্শ দানত আৰু ল'ৰা-ছোৱালীৰ দল সুচাৰুৰূপে নিয়ন্ত্ৰণ তথা পৰিচালনা কৰাত দক্ষ হ'ব লাগিব।
- বিভিন্ন ধৰণৰ শিক্ষণ পদ্ধতিৰ মাজৰ পৰা উপযুক্ত পদ্ধতি বাছি লোৱা তথা প্ৰয়োগ কৰাত দক্ষ হ'ব লাগিব।
- ল'ৰা-ছোৱালীৰ অভিভাৱক/পিতৃ-মাতৃ আৰু সম্প্ৰদায়ৰ অন্য সদস্যৰ সৈতে মিলি কাম কৰাত দক্ষ হ'ব লাগিব।
- বিভিন্ন ধৰণৰ উপযুক্ত গৱেষণা প্ৰণালীবিদ্যা প্ৰয়োগত দক্ষ হ'ব লাগিব।

সেয়েহে, সাধাৰণ প্ৰত্যাশা অনুসৰি 'শিক্ষকৰ শিক্ষা' ব্যৱস্থাটোক এনেদৰে সংশোধন কৰা উচিত যাতে ই সকলো শিক্ষকৰে জ্ঞান, ব্যুৎপত্তি আৰু সংবেদনশীলতা সুনিশ্চিত কৰি 'শিক্ষকৰ ভূমিকা'ৰ সৈতে জড়িত সকলো দিশ বাস্তৱ কৰি তুলিব পাৰে।

৯.৮ ভাৰতত শিক্ষকৰ শিক্ষাৰ সমস্যা

ভাৰতত প্ৰচলিত 'শিক্ষকৰ শিক্ষা' ব্যৱস্থাটো বিভিন্ন দিশৰ পৰা কঠোৰ সমালোচনাৰ সন্মুখীন হৈ আহিছে। ই শিক্ষাৰ সাম্প্ৰতিক গুণগত উৎকৰ্ষ সাধনৰ প্ৰয়োজনীয়তা পূৰণ কৰিব পৰা নাই। 'শিক্ষকৰ শিক্ষা'ৰ সৈতে জড়িত ক্ষেত্ৰখন এতিয়াও অবহেলিত। 'শিক্ষক প্ৰশিক্ষণ' নামটো সলাই বৰ্তমান 'শিক্ষকৰ শিক্ষা' কৰা হৈছে যদিও শিক্ষকৰ সুস্থ বৃত্তিগত বিকাশৰ বাবে প্ৰয়োজন হোৱা মনোভাৱ এতিয়াও এই ক্ষেত্ৰখনক কেন্দ্ৰ কৰি গঢ় লৈ উঠা নাই। ইয়াৰ পৰিৱৰ্তে ক্ষেত্ৰখনৰ প্ৰতি থকা নিৰৰ্থকবাদী আৰু গুৰুত্বহীন মনোভাৱৰ বাবে উদ্যম তথা উদ্দেশ্যৰ নাটনি হৈছে। এই নেতিবাচক কথাবোৰে সমগ্ৰ কাৰ্যসূচীখনকে আচ্ছাদিত কৰি ৰাখিছে। সেয়েহে ব্যৱস্থাটোৰে ভূঞ্জিবলগীয়া হোৱা কেইটামান গুৰুতৰ বিসংগতি সম্পৰ্কে আলোচনা কৰাটো জৰুৰী হৈ পৰিছে। তলত এই বিসংগতিসমূহ আলোচনা কৰা হ'ল ঃ

- **তত্ত্ব আৰু অনুশীলনকে ধৰি অধ্যয়নৰ বাবে প্ৰস্তুত কৰা পাঠ্যবিষয়বোৰত থকা কৃত্ৰিমতা ঃ**

  আমাৰ দেশৰ 'শিক্ষকৰ শিক্ষা' কাৰ্যসূচীখনৰ এটা প্ৰধান বিসংগতি হ'ল ইয়াৰ নিৰ্দেশনাবোৰৰ প্ৰকৃতি অতি পৰম্পৰাগত। 'শিক্ষকৰ শিক্ষা' কাৰ্যসূচীৰ বাবে শিক্ষাবিদসকলে গ্ৰহণ কৰা পদ্ধতি আওপুৰণি আৰু অতি তাত্ত্বিক। তাত্ত্বিক পাঠ্যবিষয়বোৰত বিশেষভাৱে ব্যৱহাৰিক কাৰ্য তথা শিক্ষণ দক্ষতা উন্নত কৰাৰ কৌশল সন্নিৱিষ্ট কৰা হোৱা নাই।

- **অবিৰত সমিলমিলৰ অভাৱ ঃ**

প্রশিক্ষণ প্রতিষ্ঠানবোৰৰ তেনে বিদ্যালয়বোৰৰ সৈতে কোনো সম্পর্ক নাই, যিবোৰ বিদ্যালয়ৰ বাবে শিক্ষকসকলক প্রশিক্ষণ দিয়া হয়। সেয়েহে শিক্ষকৰ শিক্ষা কার্য আৰু ক্ষেত্রভিত্তিক কার্যৰ মাজত এক বৃহৎ ব্যৱধান থাকে। বিদ্যালয় পৰিস্থিতিৰ প্রকৃত প্রয়োজনীয়তা তথা বাস্তৱিকতাৰ আধাৰত প্রশিক্ষণ পাঠ্যক্রমবোৰ প্রস্তুত কৰা নহয়। সেয়েহে এনে প্রশিক্ষণ কার্যসূচীবোৰে অতি অবাস্তৱ ৰূপ এটা ধাৰণ কৰে আৰু অৱশেষত ই এক শৈক্ষিক অপচয়ত পৰিণত হয়।

- **শিক্ষণৰ অফলপ্রসূ পদ্ধতি ঃ**

আমাৰ দেশৰ শিক্ষকক শিক্ষাদান কৰা শিক্ষাবিদসকল উদ্ভাৱন তথা শিক্ষণৰ পৰীক্ষামূলক পদ্ধতি প্রয়োগৰ বিৰোধী। তেওঁলোকে কেৱল নির্দেশনা, বক্তৃতা আৰু প্রশ্ন উত্তৰৰ শ্রুতলিপি দিয়া আদিৰ দৰে পৰম্পৰাগত পদ্ধতি প্রয়োগতহে জোৰ দিয়ে। আধুনিক শ্রেণীকোঠা সংযোগ আহিলাবোৰৰ বিষয়ে তেওঁলোকৰ জ্ঞান তেনেই সীমিত। নির্দেশনাজ্ঞাপক প্রযুক্তি বিষয়ত শিক্ষকক শিক্ষাদান কৰা শিক্ষাবিদসকলৰ কোনো পৰিকল্পিত আৰু প্রণালীবদ্ধ সজাগতা তথা নিয়ন্ত্রণ নাই।

- **বৃত্তিজীৱী মনোভাৱৰ অভাৱ ঃ**

ভাৰতৰ সমগ্র 'শিক্ষকৰ শিক্ষা' কার্যসূচীতেই বৃত্তিজীৱী মনোভাৱৰ অভাৱ দেখা যায়। কিন্তু এটা উপযুক্ত শিক্ষকৰ শিক্ষা কার্যসূচীৰ বাবে এনে মনোভাৱৰ প্রয়োজনীয়তা সর্বাধিক। এটা সমূহীয়া জীৱনৰ জৰিয়তে এক উপযুক্ত গণতান্ত্রিক মনোভাৱ গঢ়াৰ প্রয়াসক এই কার্যসূচীয়ে সমুচিত গুৰুত্ব প্রদান কৰা নাই। 'শিক্ষকৰ শিক্ষা' কার্যসূচীৰ কাম চলি থকাৰ সময়ত এক সুস্থ বৃত্তিজীৱী ন্যায়নিষ্ঠতা গঢ়ি তোলাৰ কোনো প্রচেষ্টা চলা পৰিলক্ষিত হোৱা নাই।

- **পাঠ্যক্রমত গতিশীলতাৰ অভাৱ ঃ**

'শিক্ষকৰ শিক্ষা'ৰ বর্তমান পাঠ্যক্রমটোক প্রায়েই অফলপ্রসূ আৰু আওপুৰণি বুলি সমালোচনা কৰা হয়। বর্তমানৰ পাঠ্যক্রমটো তাত্ত্বিক, পৰম্পৰাগত আৰু বিভিন্ন ধৰণৰ অসংলগ্ন উপাদানেৰে মাত্রাধিক্যৰে জুৰুলা। পাঠ্যবিষয়ৰ সৈতে জড়িত কার্যকলাপবোৰ প্রধানতঃ পৰীক্ষাৰ প্রয়োজনীয়তাই নিয়ন্ত্রণ কৰে। এই পাঠ্যক্রমত নিত্য নতুন পৰীক্ষাৰ আগ্রহ, উদ্ভাৱন তথা শৈক্ষিক নীতিবোৰৰ ব্যৱহাৰিক প্রয়োগক স্থান দিয়া হোৱা নাই। এই পাঠ্যক্রমৰ জীৱন তথা সমাজৰ সৈতে কোনো সংগতি নাই আৰু ই শিক্ষকৰ বৃত্তিগত জীৱনতো একো প্রভাৱ পেলাব নোৱাৰে।

- **পৰিদর্শনৰ অভাৱ ঃ**

পাঠ্যবিষয়ৰ অধ্যয়ন শেষ কৰাৰ পাছত শিক্ষক প্রশিক্ষার্থীসকলে নিজৰ অভিজ্ঞতা নিজ নিজ বিদ্যালয়ত প্রয়োগ কৰিব বুলি আশা কৰা হয়। ইয়াৰ বাবে 'শিক্ষকৰ শিক্ষা বিভাগে' উপযুক্ত 'অনুগামী' কার্যসূচী (follow-up programme) প্রস্তুত কৰা দৰকাৰ। শিক্ষকসকলে শিখা নীতি তথা পদ্ধতিবোৰৰ উপযুক্ত ব্যৱহাৰ কৰিব পাৰিছেনে নাই তাৰ উমান লোৱাটো শিক্ষাবিদ/প্রশিক্ষকৰ দায়িত্ব। কিন্তু বাস্তৱ ক্ষেত্রত এই প্রশিক্ষণ কার্যসূচীৰ কোনো পৰৱর্তী পৰিদর্শন কার্যকলাপ নাই।

- **উপযুক্ত সা-সুবিধাৰ অভাৱ ঃ**

বহুতো প্রশিক্ষণ প্রতিষ্ঠানত শিক্ষকৰ পঠন অভ্যাসৰ বিকাশ ঘটাব পৰা উপযুক্ত পুথিভঁৰাল নাই। কিন্তু ভূগোল আৰু বিজ্ঞানৰ দৰে বিষয়ৰ প্রশিক্ষণ প্রণালীবিদ্যা অধ্যয়নৰ বাবে সকলো আধুনিক সা-সুবিধা থকা গৱেষণাগাৰ নিতান্তই প্রয়োজনীয়। কিন্তু বহুতো প্রশিক্ষণ প্রতিষ্ঠানত উপযুক্ত গৱেষণাগাৰবো অভাৱ। সেয়েহে এই প্রশিক্ষণ কার্যসূচীবোৰে শিক্ষক প্রশিক্ষার্থীসকলক প্রয়োজনীয় বৃত্তিগত দক্ষতা আহৰণত সহায় কৰাত ব্যর্থ হৈছে।

- **সীমিত সংখ্যক প্রশিক্ষণ প্রতিষ্ঠান ঃ**

বর্তমান সময়ৰ দাবী হ'ল অধিক সংখ্যক প্রশিক্ষণপ্রাপ্ত শিক্ষকৰ সৃষ্টি কৰা। এইটো কথা মনত ৰাখি থোৱা ভাল হ'ব যে দেশৰ উচ্চ মাধ্যমিক বিদ্যালয়বোৰত কাম কৰি থকা অধিকাংশ শিক্ষকেই আজি পর্যন্ত বৃত্তিগত দিশেৰে অপ্রশিক্ষণপ্রাপ্ত। সেয়েহে সময়ৰ দাবী পূৰণ কৰিবলৈ প্রশিক্ষণ প্রতিষ্ঠানৰ সংখ্যা বৃদ্ধি কৰাটো জৰুৰী হৈ পৰিছে।

- **গৱেষণা আৰু পৰীক্ষা-নিৰীক্ষাৰ অভাৱ ঃ**

শিক্ষণ বৃত্তিটোক নতুন ৰূপ দিবলৈ তথা বৃত্তিটোৰ প্রতি নতুন মনোভাব গঢ়ি তুলিবলৈ দেশত বিস্তৃত গৱেষণা আৰু পৰীক্ষা-নিৰীক্ষা চলা দৰকাৰ। পাশ্চাত্যকেন্দ্রিক নতুন শিক্ষা পদ্ধতি তথা কৌশলবোৰ ভাৰতীয় সংস্কৃতি আৰু অর্থনৈতিক পৰিস্থিতিৰ সৈতে খাপ খুৱাই লোৱাৰ প্রয়োজনীয়তা বাঢ়িছে। এনে পদ্ধতি তথা কৌশলবোৰক ব্যয়সাধ্যও কৰি তুলিব লাগিব। এই দিশত অধিক গৱেষণা চলোৱাৰ সম্ভাৱনীয়তা আৰু অৱকাশ আছে। কিন্তু শিক্ষকক শিক্ষাদান কৰা শিক্ষাবিদ/প্রশিক্ষকসকলৰ এই দিশত প্রয়োজনীয় পদক্ষেপ গ্রহণত অনীহা থকা দেখা গৈছে। ইয়াৰ ফলতেই আজি দেশৰ শিক্ষা ব্যৱস্থাটোৰ প্রতিটো দিশতে বিশৃংখলা আৰু দোমোজাৰ সৃষ্টি হৈছে।

- **অপ্রচুৰ বিত্তীয় সুযোগ-সুবিধা ঃ**

ভাৰতৰ অধিকাংশ ৰাজ্যতে শিক্ষার্থী আৰু শিক্ষক উভয়ৰে পৰা সংগ্রহ কৰা মাচুলৰ দ্বাৰাহে 'শিক্ষকৰ শিক্ষা' কার্যসূচীখন চলাই থকা হৈছে। এই দিশত ৰাষ্ট্রীয় অনুদানৰ পৰিমাণ নিচেই কম। ফলত শিক্ষকৰ শিক্ষা প্রতিষ্ঠানসমূহত তীব্র বিত্তীয় সংকটৰ সৃষ্টি হৈছে। এইটো কাৰণতে শিক্ষকৰ শিক্ষা বিভাগৰ সকলো সা-সুবিধা নিম্নমানৰ হৈ পৰিছে।

৯.৮.১ ভাৰতত শিক্ষকৰ শিক্ষাৰ সম্ভাৱনীয়তা

ওপৰৰ আলোচনাৰ পৰা এই কথা সহজেই অনুমান কৰিব পাৰি যে শিক্ষকৰ শিক্ষাৰ সৈতে জড়িত থকা সমস্যাৰ সংখ্যা যথেষ্ট বেছি। এই আটাইবোৰ সমস্যাৰ সমাধান বাহিৰ কৰাটো সহজ কাম নহয়। কিন্তু দেশৰ শিক্ষাৰ মান উন্নত কৰিবলৈ শিক্ষকসকলক বৃত্তিগত দিশেৰে প্ৰশিক্ষণপ্ৰাপ্ত কৰি তোলাৰো আন কোনো বিকল্প নাই। ১৯৫৩ চনৰ উচ্চ মাধ্যমিক শিক্ষা আয়োগৰ মতে, 'শিক্ষাৰ্থীৰ শিক্ষাগত স্তৰ যিমানেই তলখাপৰ হ'ব সিমানেই শিক্ষকৰ সিহঁতক শিকোৱাৰ দক্ষতা আহৰণৰ প্ৰয়োজনীয়তা অধিক হ'ব। সেয়েহে প্ৰাক্-প্ৰাথমিক পৰ্যায়ৰ পৰা বিশ্ববিদ্যালয় পৰ্যায়ৰ শিক্ষণ প্ৰদান কৰিব পৰাকৈ শিক্ষকৰ বাবে এক বিস্তৃত শিক্ষকৰ শিক্ষা কাৰ্যসূচীৰ পৰিকল্পনা কৰা তথা বিকাশ ঘটোৱা উচিত। 'শিক্ষকৰ শিক্ষা'ৰ সৈতে জড়িত সমস্যাবোৰ সমাধান কৰাৰ ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে এলানি পৰামৰ্শৱলী আগবঢ়োৱা হ'ল ঃ

- **পাঠ্যবিষয়বোৰৰ পুনৰ্বিন্যাস ঃ** প্ৰচলিত শিক্ষকৰ শিক্ষা/প্ৰশিক্ষণ পাঠ্যক্ৰমটোক এক গতিশীলতা প্ৰদান কৰাৰ লগতে ইয়াক নমনীয় কৰি তোলা উচিত। পাঠ্যক্ৰমটোৰ পৰা পৰীক্ষাকেন্দ্ৰিক কাৰ্যকলাপবোৰ আঁতৰাই ইয়াৰ ব্যৱহাৰোপযোগিতা বৃদ্ধি কৰা উচিত। প্ৰশিক্ষাৰ্থীৰ ব্যক্তিগত তথা সামাজিক প্ৰয়োজনীয়তাবোৰৰ সৈতে ৰজিতা খোৱাকৈ পাঠ্যক্ৰম প্ৰস্তুত কৰা উচিত। অধ্যয়নৰ বিষয়সূচী আৰু শিক্ষণ পদ্ধতি ভাৰতীয় পৰিৱেশৰ অনুকূল হোৱা উচিত।

- **শিক্ষণৰ উপযুক্ত পদ্ধতি ঃ** শিক্ষকৰ শিক্ষা বিভাগে শিক্ষণৰ উপযুক্ত পদ্ধতি গ্ৰহণ কৰা উচিত। বিভাগে বিশেষ উদ্ভাৱনীমূলক কাৰ্যসূচী, আলোচনা চক্ৰ, বক্তৃতা, দলীয় শিক্ষণ, বিশেষজ্ঞ মণ্ডলীৰ মাজত চলা আলোচনা আদিৰ আয়োজন কৰা উচিত।

- **সহ-পাঠ্যক্ৰমভিত্তিক কাৰ্যকলাপৰ প্ৰশিক্ষণ ঃ** শিক্ষকসকলক সহ-পাঠ্যক্ৰমভিত্তিক কাৰ্যকলাপ চলাই নিয়াৰ প্ৰশিক্ষণ দিয়াৰ সুযোগো থকা উচিত। এনে প্ৰশিক্ষণৰ মূল উদ্দেশ্য হ'ল বিদ্যালয়ত শিক্ষাৰ্থীসকলক মূল্যৱান সহায়-সহযোগিতা আগবঢ়োৱা। সহ-পাঠ্যক্ৰমভিত্তিক কাৰ্যকলাপত ঠাই পাবলগীয়া কাৰ্য দুটামান হ'ল— নেতৃত্ব দিব পৰা গুণ বিকাশৰ প্ৰশিক্ষণ, শাৰীৰিক শিক্ষা, সামাজিক শিক্ষা, স্কাউট আৰু গাইডৰ প্ৰশিক্ষণ, কনিষ্ঠ ৰেডক্ৰ'ছ স্বেচ্ছাসেৱক প্ৰশিক্ষণ, সুনাগৰিক হোৱাৰ প্ৰশিক্ষণ, শিক্ষাৰ্থীৰ ক্লাব পৰিচালনা কৰাৰ প্ৰশিক্ষণ, তৰ্ক-সমাজ পৰিচালনা কৰাৰ প্ৰশিক্ষণ আৰু সমূহীয়াভাৱে বসবাস কৰাৰ প্ৰশিক্ষণ আদি।

- **সমন্বয় স্থাপন ঃ** বৰ্তমান দেশত সক্রিয় হৈ থকা 'শিক্ষকৰ শিক্ষা' বিষয়ক সকলো অভিকৰণ তথা অনুষ্ঠান/প্রতিষ্ঠানবোৰক বিচ্ছিন্নভাৱে কাম কৰিবলৈ দিব নালাগে। শিক্ষক মহাবিদ্যালয়বোৰৰ বিষয়া-কর্মচাৰীসকলক বিদ্যালয়বোৰৰ সৈতে ঘনিষ্ঠ সম্পর্ক স্থাপন কৰিবলৈ দিয়া উচিত। অধ্যয়নৰ পাঠ্যবিষয়সমূহ, ব্যৱহাৰিক কার্য আৰু শিক্ষণৰ অনুশীলনবোৰ নিয়ন্ত্রিত প্রকৃতিৰ হ'ব লাগে যাতে এইবোৰক বিদ্যালয়ত চলি থকা অনুশীলনবোৰ উন্নত কৰি তোলাৰ কামত উপযোগী হোৱাকৈ প্রয়োগ কৰিব পৰা যায়।

- **বৃত্তিজীৱী মনোভাৱৰ বিকাশ ঃ** শিক্ষা মহাবিদ্যালয়বোৰত বিভিন্ন ধৰণৰ কার্যকলাপৰ আয়োজন কৰিব পৰাকৈ নানা সা-সুবিধা থকা উচিত। যেনে - দৈনিক সমবেত হোৱাৰ কার্যসূচী, সমূহীয়াভাৱে বাস কৰাৰ সুযোগ, সামাজিক কার্য, পুথিভঁৰাল সংগঠন আৰু অন্য পাঠ্যক্রমভিত্তিক কার্যসূচীবোৰ। এইবোৰ মানুহৰ মাজত পাৰস্পৰিক প্রশংসাৰ এক গণতান্ত্রিক পৰিৱেশ আৰু সমূহীয়া একতাৰ ভাব গঢ়ি তোলে।

- **শিক্ষক প্রশিক্ষার্থীৰ ফলপ্রসূ বাছনি ঃ** শিক্ষক প্রশিক্ষণ প্রতিষ্ঠানবোৰত নামভর্তিৰ প্রক্রিয়াটো যুক্তিসংগতভাৱে নিয়ন্ত্রিত হ'ব লাগে। শিক্ষণৰ প্রতি আগ্রহ থকা ব্যক্তিকহে নামভর্তিৰ বাবে বাছনি কৰা উচিত। শিক্ষার্থীসকলৰ শিক্ষণ আগ্রহৰ গম ল'বলৈ প্রয়োজন হ'লে মনোবৈজ্ঞানিক পৰীক্ষা পতা উচিত।

- **আধুনিক শৈক্ষিক প্রযুক্তিৰ প্রশিক্ষণ ঃ** আধুনিক শৈক্ষিক প্রযুক্তি ব্যৱহাৰৰ প্রশিক্ষণ দিয়াটো সুনিশ্চিত কৰিব পাৰিলেহে আমাৰ দেশৰ শিক্ষকৰ শিক্ষা কার্যসূচীৰ গুণগত উৎকর্ষ সাধন হ'ব। কম্পিউটাৰ শিক্ষাৰ প্রযুক্তিগত ব্যৱহাৰৰ সাম্প্রতিক সম্ভাৱনীয়তাৰ প্রতি লক্ষ্য ৰাখি ইয়াক শিক্ষকসকলক দিবলগীয়া সবাতোকৈ জৰুৰী প্রশিক্ষণ বুলি গণ্য কৰা উচিত। নতুন প্রযুক্তিৰ ব্যৱহাৰৰ জৰিয়তে শিক্ষকে কম্পিউটাৰৰ দ্বাৰা কৰিব পৰা কার্যকলাপবোৰৰ ব্যৱহাৰিক জ্ঞান লাভ কৰিব আৰু কম্পিউটাৰৰ কার্যসম্পাদন পদ্ধতিও বুজি পাব।

- **'অনুগামী' কার্যসূচী সংগঠিতকৰণ ঃ** সংশ্লিষ্ট বিদ্যালয়বোৰত প্রশিক্ষণপ্রাপ্ত শিক্ষকসকলে কেনেদৰে বিভিন্ন কার্য সম্পাদন কৰি আছে আৰু শৈক্ষিক কার্যকলাপবোৰ আগবঢ়াই লৈ গৈ আছে সেয়া পৰিদর্শন কৰাৰ উন্নততৰ ব্যৱস্থা গঢ়ি তোলা উচিত। চৰকাৰৰ শিক্ষা বিভাগৰ সহযোগত শিক্ষকক প্রশিক্ষণ দিয়া প্রশিক্ষণ মহাবিদ্যালয়বোৰে শ্রেণীকোঠাত শিক্ষকৰ পাৰদর্শিতা ধাৰাবাহিকভাৱে পৰিদর্শন কৰিব পৰাকৈ উপযুক্ত কার্যসূচী প্রস্তুত কৰিব লাগে। বিদ্যালয়বোৰেও প্রশিক্ষণৰ সময়ছোৱাত শিক্ষকসকলে শিক্ষা শৈক্ষিক নীতি আৰু পদ্ধতিবোৰ ফলপ্রসূভাৱে শ্রেণীকোঠাত প্রয়োগ কৰিব পৰাকৈ শিক্ষকৰ বাবে ন্যূনতম প্রয়োজনীয় সা-সুবিধাবোৰ আগবঢ়াব লাগে।

- **গৱেষণাৰ প্ৰয়োজনীয়তা ঃ** শিক্ষকৰ শিক্ষা বিভাগে এনে এক গৱেষণা কেন্দ্ৰ গঢ়ি তোলা উচিত য'ত শিক্ষণ, পাঠ্যক্ৰম আৰু মূল্যায়নৰ লগতে শিক্ষা সম্প্ৰসাৰণৰ পৃষ্ঠপোষকতা লাভ কৰা অন্য কাৰ্যসূচীবোৰৰ বিষয়ে গৱেষণা চলে। পৃষ্ঠপোষকতাৰে চলা কাৰ্যসূচীবোৰৰ ভিতৰত সম্প্ৰদায় এটাৰ মাজৰ ঐক্য বৃদ্ধিকাৰী প্ৰচেষ্টাৰ নাম ল'ব পাৰি। গৱেষণা কাৰ্যত বিশ্ববিদ্যালয় পৰ্যায়ৰ শৈক্ষিক দিশৰ সৈতে জড়িত বিশিষ্ট লোকসকলৰ সহায় লোৱা উচিত। লগতে শিক্ষকৰ শিক্ষা কাৰ্যসূচীৰ মান উন্নত কৰিবলৈ বিভিন্ন বিভাগৰ পণ্ডিত/গৱেষকৰ মুকলি বিনিময় ঘটাৰ সুযোগ থকা উচিত। প্ৰাকৃতিক তথা জৈৱিক বিজ্ঞান আৰু ভাষাৰ দৰে বিষয়ৰ ক্ষেত্ৰত এই কথা বিশেষভাৱে প্ৰযোজ্য।

- **পুঁজিৰ সুবিধা ঃ** ৰাজ্য চৰকাৰে শিক্ষকৰ শিক্ষা বিভাগক পৰ্যাপ্ত পুঁজি যোগান ধৰাৰ ব্যৱস্থা কৰা উচিত। সকলো ধৰণৰ অনুদানৰ ক্ষেত্ৰত এই বিভাগটোক অন্য মহাবিদ্যালয় অথবা বিশ্ববিদ্যালয়ৰ বিভাগবোৰৰ সৈতে একেশাৰীতে ৰখা উচিত। এখন পৰীক্ষামূলক বিদ্যালয় চলোৱা আৰু বিভিন্ন বিদ্যালয়ত ব্যৱহাৰিক শিক্ষণ কালৰ ব্যৱস্থা কৰাত চৰকাৰে বিভাগটোক বিশেষ আৰ্থিক সাহায্য প্ৰদান কৰা উচিত।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ ভাৰতত শিক্ষকৰ শিক্ষাৰ দুটা নিৰ্দিষ্ট সমস্যাৰ বিষয়ে উল্লেখ কৰক।

.....

.....

.....

প্ৰশ্ন নং ৬ ঃ ভাৰতত শিক্ষকৰ শিক্ষাৰ সৈতে জড়িত সমস্যাবোৰৰ সমাধান কৰিব পৰা দুটা উপায়ৰ বিষয়ে লিখক।

.....

.....

.....



৯.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- শিক্ষকৰ শিক্ষা মানে হ'ল শিক্ষণ বৃত্তিটোৰ অনুকূলে শিক্ষকৰ আগ্রহ তথা ব্যুৎপত্তি বৃদ্ধি কৰা, তেওঁৰ আচৰণ তথা অভ্যাসৰ নতুন আৰ্হি গঢ়ি দিয়া আৰু তেওঁৰ ব্যক্তিত্ব পুনৰ্গঠিত তথা পুনৰ্সংৰচনাৱদ্ধ কৰি দিয়া।
- শিক্ষকৰ শিক্ষাই শিক্ষা বৃত্তিৰ বাবে প্রয়োজনীয় শৈক্ষিক সমন্বয় সাধন কৰি লোৱাত শিক্ষকক সহায় কৰে।
- শিক্ষকক শিক্ষা প্রদান ব্যৱস্থাটোৰ বর্তমান অধিক বৃত্তিমুখীকৰণ ঘটাৰ লগতে ইয়াক প্রযুক্তিভিত্তিক কৰি তোলা হৈছে। ইয়াৰ জৰিয়তে শিক্ষকক শিক্ষণৰ আধুনিক প্রযুক্তিবোৰৰ সৈতে ফলপ্রসূ সমন্বয় সাধন কৰিব পৰাকৈ ব্যৱহাৰিক অভিজ্ঞতা আহৰণৰ সুবিধা দিয়া হয়।
- শিক্ষকৰ শিক্ষাই শিক্ষণ দক্ষতা বৃদ্ধি, পুথিগত তত্ত্বৰ নির্ভুল জ্ঞান আৰু বৃত্তিজীৱী দক্ষতা বৃদ্ধিক সামৰি লয়। অর্থাৎ শিক্ষকৰ শিক্ষা = শিক্ষণ দক্ষতা + পুথিগত তত্ত্বৰ জ্ঞান + বৃত্তিজীৱী দক্ষতা।
- শিক্ষকৰ শিক্ষা পাঠ্যক্রম প্রণয়নত এগৰাকী শিক্ষকক শিক্ষাপ্রদান কৰা শিক্ষাবিদে গুৰুত্বপূর্ণ ভূমিকা পালন কৰিব পাৰে। সেয়েহে শিক্ষক প্রশিক্ষণ অথবা শিক্ষকৰ দিক্‌বলন কার্যসূচীবোৰত যিকোনো ধৰণৰ উপযুক্ত পৰিৱর্তন সাধন কৰিবলৈ তেওঁলোকৰ শিক্ষা অথবা প্রশিক্ষণত যথেষ্ট গুৰুত্ব দিব পাৰে।
- 'শিক্ষক প্রশিক্ষণ' বোলা অভিধাটোৰে আগতে শিক্ষকসকলক শিক্ষণৰ আধুনিক পদ্ধতিবোৰৰ বিষয়ে শিকোৱা নাইবা প্রশিক্ষণ দিয়া কার্যটোৰ কথা বুজোৱা হৈছিল। 'শিক্ষকৰ শিক্ষা' বোলা অভিধাটো এক বহল আৰু সর্বাত্মক অর্থত প্রয়োগ কৰা হয়। এগৰাকী শিক্ষকৰ মানসিক আবেগিক, সামাজিক আৰু আচৰণগত দিশবোৰক সামৰি তেওঁৰ সামগ্রিক ব্যক্তিত্বৰ গুণগত উৎকর্ষ সাধনৰ বাবে প্রয়োজন হোৱা পুথিগত তত্ত্ব, জ্ঞানৰ অনুশীলন আৰু অভিজ্ঞতাক 'শিক্ষকৰ শিক্ষা'ই সামৰি লয়।
- শিক্ষকৰ শিক্ষাৰ সৈতে জড়িত সমস্যাবোৰ হ'ল— পাঠ্যবিষয়ৰ কৃত্রিমতা, অবিৰত সমিলমিলৰ অভাৱ, শিক্ষণৰ অফলপ্রসূ পদ্ধতি, বৃত্তিজীৱী মনোভাৱৰ অভাৱ, পৰিদর্শনৰ অভাৱ, চৰকাৰী পুঁজিৰ নাটনি, গৱেষণা আৰু পৰীক্ষা-নিৰীক্ষাৰ অভাৱ ইত্যাদি।
- শিক্ষকৰ শিক্ষাৰ সৈতে জড়িত সমস্যাবোৰ সমাধান কৰিবলৈ আগবঢ়াব পৰা পৰামর্শ কেইটামান হ'ল— পাঠ্যবিষয়বোৰৰ পুনর্বিন্যাস, শিক্ষণৰ উপযুক্ত পদ্ধতি, সহ-পাঠ্যক্রমভিত্তিক কার্যকলাপৰ প্রশিক্ষণ, সমন্বয় স্থাপন, বৃত্তিজীৱী মনোভাৱৰ বিকাশ, শিক্ষকৰ শিক্ষা ক্ষেত্রখনত গৱেষণাৰ সূত্রপাত ইত্যাদি।



৯.১০ অধিক জানিবলৈ

1) Sharma Prabha Shashi (2003): "Teacher Education-Principles, Theories and Practices, kanishka Publishers, New Delhi.

2) Tewari A.D. & Panda B.N (2009): "Teacher Education" A.P.H Publishing Corporation, New Delhi.

3) Sharma Promila (2010): "Teacher Education", Balaji Offset, New Delhi.

4) Sharma. Dr. R.A (2010): "Teacher Education &Pedagogical Training" Raj Printers, Meerut.



৯.১১ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ Goods Dictionary of Educationৰ মতে শিক্ষকৰ শিক্ষা মানে হ'ল সেই আটাইবোৰ আনুষ্ঠানিক আৰু অনানুষ্ঠানিক কার্যকলাপ তথা অভিজ্ঞতা যিবোৰে এগৰাকী ব্যক্তিক শৈক্ষিক বৃত্তিটোৰ সৈতে জড়িত সদস্য হিচাপে নিজৰ দায়িত্ব গ্ৰহণ কৰিবলৈ অথবা দায়িত্ব আগতকৈ অধিক ফলপ্ৰসূভাৱে পালন কৰি যাবলৈ উপযুক্ত অৰ্হতাৰ গৰাকী হোৱাত সহায় কৰে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ শিক্ষকৰ শিক্ষাৰ তিনিটা সাধাৰণ উদ্দেশ্য হ'ল—

- জীৱনৰ বাস্তৱিকতাবোৰৰ বিষয়ে শিক্ষকৰ মনত গভীৰ সজাগতা বিকশিত কৰা।
- ভাৰতীয় সংবিধানত লিপিবদ্ধ ৰাষ্ট্ৰীয় প্ৰমূল্য তথা লক্ষ্যবোৰক বাস্তৱ কৰিব পৰাকৈ শিক্ষকৰ সামৰ্থ বৃদ্ধিৰ পোষকতা কৰা।
- শিক্ষকসকলক আধুনিকীকৰণ, সামাজিক পৰিৱৰ্তন আৰু উন্নয়নৰ প্ৰতিভূৰূপে কাম কৰিব পৰাকৈ তথা প্ৰাকৃতিক আৰু সাংস্কৃতিক ঐতিহ্যৰ প্ৰবাহত সহায় কৰিব পৰাকৈ সমৰ্থ কৰি তোলা।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) সঁচা, (খ) সঁচা, (গ) সঁচা।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) শিক্ষণ, (খ) প্ৰভাৱকাৰী, (গ) শিক্ষকক শিকোৱা নাইবা প্ৰশিক্ষণ দিয়া কার্য।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতত শিক্ষকৰ শিক্ষাৰ দুটা নিৰ্দিষ্ট সমস্যা হ'ল— শিক্ষণৰ অফলপ্ৰসূ পদ্ধতি আৰু গৱেষণা তথা পৰীক্ষা নিৰীক্ষাৰ অভাৱ।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতত শিক্ষকৰ শিক্ষাৰ সৈতে জড়িত সমস্যাবোৰৰ সমাধান কৰিব পৰা দুটা উপায় হ'ল— শিক্ষণৰ উপযুক্ত পদ্ধতি গ্ৰহণ আৰু শিক্ষকৰ শিক্ষণ ক্ষেত্ৰত গৱেষণা তথা পৰীক্ষা-নিৰীক্ষাৰ সূত্ৰপাত।



৯.১২আৰ্হি প্ৰশ্ন

ক) **চুটি প্ৰশ্ন** (১৫০টা শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন নং ১ ঃ শিক্ষকৰ শিক্ষা বুলিলে কি বুজে?

প্ৰশ্ন নং ২ ঃ শিক্ষণ দক্ষতাই কোনবোৰ কথাক সামৰি লয়?

প্ৰশ্ন নং ৩ ঃ পুথিগত তত্ত্ব আৰু বৃত্তিজীৰী দক্ষতাক কিহে সংঘবদ্ধ কৰে?

খ) **ৰচনাধৰ্মী প্ৰশ্ন** (৩০০-৫০০ টা শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন নং ১ ঃ শিক্ষকৰ শিক্ষাৰ অৰ্থ ব্যাখ্যা কৰক। শিক্ষক প্ৰশিক্ষণ আৰু শিক্ষকৰ শিক্ষাৰ মাজত থকা প্ৰভেদ নিৰ্ণয় কৰক।

প্ৰশ্ন নং ২ ঃ শিক্ষকৰ শিক্ষাৰ গুৰুত্ব আলোচনা কৰক।

প্ৰশ্ন নং ৩ ঃ শিক্ষকৰ শিক্ষাৰ সাধাৰণ উদ্দেশ্যসমূহ আলোচনা কৰক।

প্ৰশ্ন নং ৪ ঃ শিক্ষণৰ বিভিন্ন পৰ্যায়ত শিক্ষকৰ শিক্ষাৰ সুনিৰ্দিষ্ট উদ্দেশ্যসমূহ বহলাই আলোচনা কৰক।

প্ৰশ্ন নং ৫ ঃ একবিংশ শতিকাত শিক্ষকৰ ভূমিকা সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন নং ৬ ঃ ভাৰতত শিক্ষকৰ শিক্ষাৰ সৈতে জড়িত সমস্যাবোৰ কি কি? ইয়াৰ কাৰণবোৰ বিশ্লেষণ কৰক।

প্ৰশ্ন নং ৭ ঃ ভাৰতত শিক্ষকৰ শিক্ষাৰ মান উন্নত কৰিব পৰা কিছুমান ব্যৱহাৰিক পন্থা আৰু উপায় প্ৰয়োগৰ পৰামৰ্শ দিয়ক।

*** ***** ***

অধ্যায় ১০ ঃ শিক্ষকৰ বাবে প্ৰশিক্ষণ

অধ্যায় গাথনি ঃ

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ শিক্ষক প্ৰশিক্ষণৰ এটি চমু আভাস

১০.৪ শিক্ষক প্ৰশিক্ষণৰ ধাৰণা

- ১০.৪.১ শিক্ষক প্ৰশিক্ষণৰ অৰ্থ
- ১০.৪.২ শিক্ষক প্ৰশিক্ষণৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব

১০.৫ শিক্ষক সমৰ্থিত কাৰ্যক্ৰম

- ১০.৫.১ শিক্ষক সমৰ্থিত কাৰ্যক্ৰমৰ প্ৰকাৰ
- ১০.৫.২ শিক্ষক শিক্ষাৰ কাৰ্যক্ৰমৰ কাৰ্যসমূহ
- ১০.৫.৩ শিক্ষকক সমৰ্থন কৰাৰ বাবে থকা শিক্ষক শিক্ষাৰ অনুষ্ঠানসমূহ

১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১০.৭ অধিক জানিবলৈ

১০.৮ অগ্ৰগতিৰ খতিয়ান

১০.৯ আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি

- ভাৰত আৰু অসমত শিক্ষক প্ৰশিক্ষণৰ কাৰ্যক্ৰমৰ বিকাশ সম্পৰ্কে বৰ্ণনা কৰিব পাৰিব।
- শিক্ষক প্ৰশিক্ষণৰ অৰ্থ আৰু সংজ্ঞা বৰ্ণনা কৰিব পাৰিব।
- শিক্ষক প্ৰশিক্ষণৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব ব্যাখ্যা কৰিব পাৰিব।

১০.২ পৰিচয়

শিকন হৈছে এক জটিল প্ৰক্ৰিয়া, যিয়ে শিক্ষক আৰু শিক্ষাৰ্থীক অন্তৰ্ভুক্ত কৰে। আমি জানো যে গছৰ পুলিটো কেনেদৰে ডাঙৰ হয় তাক মালীয়ে জানিব লাগে, শৰীৰতত্ত্ববিদ গৰাকীয়ে শৰীৰ কাৰ্য সম্বন্ধে জানিব লাগে, অভিযন্তাজনে মেচিনৰ কাৰ্য সম্পৰ্কে জানিব লাগে। ঠিক সেইদৰে, শিক্ষাৰ্থীক কেনেদৰে শিকাব লাগে সেই বিষয়ে শিক্ষকে জানিব লাগে। শিকন কাৰ্যটো ভালদৰে সম্পাদন কৰিবলৈ, শিক্ষকগৰাকী উপযুক্তভাবে শিকনৰ কলা আৰু কৌশলৰ সৈতে পৰিচিত হ'ব লাগে। এই প্ৰয়োজনীয়তাই শিক্ষকসকলৰ শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ দুৰ্বোধ্য দিশবোৰৰ সৈতে পৰিচিত কৰি তোলে। কোৱা হয় যে এখন দেশৰ গুণগত মানদণ্ড সেই দেশৰ বিদ্যালয়সমূহৰ

গুণগত দিশৰ ওপৰত নিৰ্ভৰ কৰে। বিদ্যালয়ৰ গুণগত মান প্ৰধানকৈ তাৰ শিক্ষকসকলৰ গুণমানৰ ওপৰত নিৰ্ভৰ কৰে। ই বিশেষকৈ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক প্ৰস্তুতিৰ কাৰ্যক্ৰমৰ ক্ষেত্ৰত প্ৰযোজ্য কাৰণ প্ৰাথমিক শিক্ষাৰ ওপৰত ভিত্তি কৰিয়েই সমগ্ৰ শৈক্ষিক ব্যৱস্থা গঢ় লয়। সেইবাবে এখন ৰাষ্ট্ৰ গঢ় আৰু তাৰ বিকাশ প্ৰক্ৰিয়াৰ অগ্ৰগতিৰ ক্ষেত্ৰত ইয়াৰ ভূমিকা সৰ্বজনবিদিত। এই অধ্যায়টো শিক্ষক প্ৰশিক্ষণ সমৰ্থিত, শিক্ষক সমৰ্থিত কাৰ্যক্ৰম, আনুষ্ঠানিক নীতিসমূহ আৰু শিক্ষক সমৰ্থিত কাৰ্যক্ৰমৰ অনুশীলনৰ সৈতে জড়িত।

১০.৩ শিক্ষক প্ৰশিক্ষণৰ এটি চমু আভাস

শিক্ষক প্ৰশিক্ষণৰ আনুষ্ঠানিক ব্যৱস্থাৰ প্ৰথম আৰম্ভণি হৈছিল জাৰ্মানিত য'ত ১৭০৬ চনত শিক্ষক প্ৰস্তুতিৰ এখন স্কুল স্থাপিত হৈছিল। পৰবৰ্তী সময়ত ১৭৯৪ চনত ফ্ৰান্সৰ শিক্ষা বিভাগে 'নৰ্মাল স্কুল' নামে শিক্ষক প্ৰশিক্ষণৰ অনুষ্ঠান স্থাপন কৰিছিল। এই স্কুলখনত শিকনৰ পদ্ধতি সম্পৰ্কে প্ৰশিক্ষণ দিয়া হৈছিল আৰু প্ৰাথমিক স্কুলৰ অভিজ্ঞ শিক্ষকসকলে প্ৰশিক্ষাৰ্থীসকলৰ সৈতে নিজৰ অভিজ্ঞতা আলোচনা কৰিছিল। এই পাঠ্যক্ৰমৰ সময় তিনিবছৰীয়া আছিল আৰু প্ৰশিক্ষণৰ অন্তত প্ৰশিক্ষাৰ্থীসকলক শিক্ষাৰ্থী হিচাবে নিযুক্তি দিয়া হৈছিল।

প্ৰাচীন ভাৰতত শিক্ষক প্ৰশিক্ষণৰ আনুষ্ঠানিক ব্যৱস্থা প্ৰায় নাছিল বুলি ক'ব পাৰি। সেই সময়ত স্কুলবোৰক 'গুৰুকূল' হিচাবে জনা গৈছিল, কাৰণ শিক্ষাৰ্থীসকলে গুৰু গৃহত থাকি শিক্ষা লাভ কৰিছিল। এই ব্যৱস্থাত, শিক্ষকে প্ৰত্যেক গৰাকী ছাত্ৰক ব্যক্তিগতভাবে গুৰুত্ব দিব পাৰিছিল আৰু এই কাৰ্যত তেওঁ ওপৰৰ শ্ৰেণীৰ আৰু মেধাবী শিক্ষাৰ্থীৰ সহায় লয়। ওপৰৰ শ্ৰেণীৰ ছাত্ৰসকলে 'মনিটৰ' হিচাবে কাম কৰে আৰু শিক্ষকৰ অনুপস্থিতিত শিক্ষাদানো কৰিছিল। এনেদৰে ছাত্ৰসকলে প্ৰত্যক্ষভাবে শিক্ষক প্ৰশিক্ষণৰ সুযোগ পাইছিল। একে ধৰণৰ ব্যৱস্থা মধ্যবৰ্তী সময়ছোৱাতো আছিল। এই ব্যৱস্থাটোক বৃটিছৰ সময়ছোৱাত 'মনিটৰিয়েল প্ৰথা' হিচাবে জনা গৈছিল, যেতিয়া ভাৰতত খৃষ্টিয়ান মিছনাৰীসকলে স্কুল স্থাপন কৰিছিল, তাত শিক্ষকৰ অভাব হ'লে তলৰ শ্ৰেণীৰ ছাত্ৰসকলক বাবে ওপৰৰ শ্ৰেণীৰ ছাত্ৰসকলক নিয়োগ কৰা হৈছিল। এই প্ৰথাটোক এনড্ৰিঅ' বেলৰ (Dr. Andrew Bell) নামেৰে 'বেল প্ৰথা' হিচাবে জনা যায়, যিগৰাকীয়ে পোনপ্ৰথমে ইয়াক ব্যৱহাৰ কৰিছিল। ১৮১৫ আৰু ১৮৫৪ চনৰ ভিতৰত দেশত লাহে লাহে শিক্ষক প্ৰশিক্ষণৰ ব্যৱস্থা আৰম্ভ হয় 'নৰ্মাল স্কুল' স্থাপনৰ যোগেদি। ১৮২৬ চনত শ্ৰীৰামপুৰত (পশ্চিমবংগ) প্ৰথমখন নৰ্মাল স্কুল স্থাপিত হৈছিল। ইয়াৰ পিছত ১৮৫০ ৰ পৰা ১৮৫৭ চনৰ ভিতৰত পুনা, বম্বে, আগ্ৰা, মিৰাট আৰু বেনাৰচত অধিক সংখ্যক নৰ্মাল স্কুল স্থাপন হোৱাৰ ফলত ভাৰতীয় শিক্ষা ব্যৱস্থাত শিক্ষক প্ৰশিক্ষণ এক এৰাব নোৱাৰা অংগ হৈ পৰে।

স্বাধীনতাৰ পৰবৰ্তী সময়ছোৱাত, স্কুলৰ সংখ্যা বৃদ্ধিৰ ফলত নতুন স্কুলসমূহত শিক্ষকৰ প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ শিক্ষক শিক্ষা আৰু প্ৰশিক্ষণবোৰ প্ৰসাৰ ঘটে। সময়ে সময়ে বিভিন্ন শিক্ষাৰ আয়োগ আৰু কমিটিসমূহৰ পৰামৰ্শৰ ভিত্তিত ৰাজ্যিক আৰু ব্যক্তিগত পৰিচালনা উদ্যোগত শিক্ষক প্ৰশিক্ষণৰ অনুষ্ঠানসমূহ আৰম্ভ কৰা হয়। ইয়াৰ ওপৰত ভিত্তি কৰি ভাৰত চৰকাৰৰ মানৰ

সম্পদ বিকাশ মন্ত্ৰালয়ে ১৯৭৩ চনত ৰাষ্ট্ৰীয় শিক্ষক শিক্ষাৰ প্ৰতিষ্ঠন (NCTE) স্থাপন কৰে। ই হৈছে শিক্ষক শিক্ষাৰ কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰৰ উপদেষ্টা পৰিষদ আৰু ১৯৯৫ চনত ভাৰতৰ সংসদে ইয়াক এখন আইনৰ জৰিয়তে নীতি নিয়ম আৰু মানদণ্ড নিৰ্ধাৰণৰ ক্ষেত্ৰক বিধি সন্মত ক্ষমতা প্ৰদান কৰে যাতে দেশৰ শিক্ষক প্ৰশিক্ষণ আৰু শিক্ষক শিক্ষাৰ উপযুক্ত মানদণ্ড নিৰ্ধাৰণ হয়।

অসমতো ১৮৮৮-৮৯ চনত খৃষ্টীয়ান মিছনেৰীসকলে কিছু সংখ্যক শিক্ষক প্ৰশিক্ষণৰ অনুষ্ঠান স্থাপন কৰাৰ ক্ষেত্ৰত অগ্ৰনী ভূমিকা গ্ৰহণ কৰে। কুৰি শতিকাৰ প্ৰথমাৰ্দ্ধত, তেতিয়াৰ চৰকাৰে MV আৰু ME স্কুলৰ শিক্ষকৰ প্ৰশিক্ষণৰ বাবে কিছুসংখ্যক নৰ্মাল স্কুল স্থাপন কৰিছিল। স্বাধীনতাৰ পৰবৰ্তী সময়ছোৱাত অসমত বুনীয়াদী শিক্ষা আইন, ১৯৫৪ অনুসৰি কিছু সংখ্যক বুনীয়াদী প্ৰশিক্ষণ কেন্দ্ৰ (BTC) প্ৰাথমিক পৰ্যায়ৰ কৰ্মৰত শিক্ষকৰ প্ৰশিক্ষণৰ বাবে স্থাপন কৰা হৈছিল। দেশত মধ্য ইংৰাজী বিদ্যালয় স্তৰৰ শিক্ষকসকলক প্ৰাক-চাকৰিকালীন আৰু কৰ্মৰত দুয়োটাকে সামৰি নৰ্মাল স্কুলত প্ৰশিক্ষণ দিয়া হৈছিল। কিন্তু সেই প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকসকলৰ চাকৰিৰ সৈতে জড়িত কিছুমান সমস্যাৰ বাবে ১৯৭০ চনত এই পাঠ্যক্ৰম বন্ধ হৈ গৈছিল। যিয়েই নহওক, অপ্ৰশিক্ষণপ্ৰাপ্ত বোজা কমাবলৈ অসম চৰকাৰে জিলা শিক্ষা আৰু প্ৰশিক্ষণ অনুষ্ঠান (DIET)ৰ জৰিয়তে প্ৰাথমিক স্তৰৰ শিক্ষকক প্ৰশিক্ষণ দিবলৈ দুবছৰীয়া প্ৰশিক্ষণৰ পুনৰ ব্যৱস্থা কৰিছিল, ১৯৮৯ চনৰ পৰা ১৯৯৬ চনৰ ভিতৰৰ সময়ছোৱাত। সৰ্বশিক্ষা অভিযান আমাৰ দেশৰ প্ৰাথমিক শিক্ষাৰ দায়িত্ব লোৱাৰ পিছত, সময়ে সময়ে কৰ্মৰত শিক্ষকৰ প্ৰশিক্ষণৰ ক্ষেত্ৰত কিছুমান কম সময়ৰ পাঠ্যক্ৰমৰ ব্যৱস্থা কৰিছিল।

কিন্তু মুখামুখি শিক্ষক প্ৰশিক্ষণ কাৰ্যক্ৰমে বাঢ়ি অহা প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ চাহিদা পূৰণ কৰিব নোৱাৰে, বিশেষকৈ ২০১০ চনৰ এক এপ্ৰিলত শিক্ষাৰ অধিকাৰ আইন বলবৎ হোৱাৰ পিছত। এই আইনখনৰ এক বৈশিষ্ট্য হৈছে শিক্ষাৰ অধিকাৰ আইন বলবৎ হোৱাৰ পাঁচবছৰৰ ভিতৰত প্ৰত্যেক স্কুল শিক্ষকে বৃত্তীয় অৰ্হতা অৰ্জন কৰিব লাগিব, যাতে মুক্ত আৰু বাধ্যতামূলক শিক্ষাত শিক্ষাৰ্থীয়ে গুণমান বিশিষ্ট শিক্ষা লাভ কৰিব পাৰে। কিন্তু এইটো পোৱা গৈছে যে বৰ্তমান অসমত নিম্ন আৰু উচ্চ প্ৰাথমিক স্তৰৰ ৬১ শতাংশ শিক্ষকেই অপ্ৰশিক্ষণপ্ৰাপ্ত। সেইবাবে বৰ্তমানৰ শিক্ষক প্ৰশিক্ষণৰ ব্যৱস্থাৰ দ্বাৰা আইনখন ফলপ্ৰসু কৰি তোলাটো সম্ভৱ নহয়। সেইবাবে অসম চৰকাৰে সিদ্ধান্ত লৈ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ক দূৰত্ব শিক্ষণৰ জৰিয়তে প্ৰাথমিক স্তৰৰ শিক্ষক প্ৰশিক্ষণৰ দায়িত্ব অৰ্পণ কৰে। এই প্ৰশিক্ষণ কাৰ্যসূচীৰ সময় দুবছৰীয়া আৰু 'প্ৰাথমিক পৰ্যায়ৰ শিক্ষক প্ৰশিক্ষণৰ ডিপ্লোমা' (D El Ed) বুলি জনা যায়।

১০.৪ শিক্ষক প্ৰশিক্ষণৰ ধাৰণা

এখন দেশৰ গুণগত মানদণ্ড তাত বাস কৰা নাগৰিকৰ গুণমানৰ ওপৰত নিৰ্ভৰ কৰে আৰু নাগৰিকৰ গুণমান নিৰূপন হয় সেই দেশৰ শিক্ষা ব্যৱস্থাৰ দ্বাৰা। সেইদৰে শিক্ষা ব্যৱস্থাও শিক্ষকৰ গুণগত মানদণ্ডৰ ওপৰত নিৰ্ভৰ কৰে। দেশৰ ভৱিষ্যৎ প্ৰজন্মৰ ওপৰত শিক্ষকৰ সামৰ্থ আৰু ব্যক্তিত্বৰ প্ৰত্যক্ষ আৰু প্ৰৰোক্ষ প্ৰভাৱ পৰে। উঠি অহা শিক্ষাৰ্থীসকলৰ ৰুচি, অভ্যাস, ব্যৱহাৰ

আৰু এইবোৰৰ উপৰিও চৰিত্ৰ আৰু ব্যক্তিত্ব গঠনত শিক্ষকে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। সেইবাবে আমি ক'ব পাৰো যে ৰাষ্ট্ৰ আৰু মানৱ জাতিৰ উন্নতি শিক্ষকৰ ওপৰতে নিৰ্ভৰ কৰে।

১৯৫২-৫৩ চনৰ মাধ্যমিক শিক্ষা আয়োগে ইয়াৰ প্ৰতিবেদনত কৈছিল যে —"শিক্ষাৰ আটাইতকৈ ডাঙৰ কাৰক হৈছে শিক্ষক - তেওঁৰ ব্যক্তিগত গুণাৱলী, তেওঁৰ শৈক্ষিক অৰ্হতা, তেওঁৰ বৃত্তিগত প্ৰশিক্ষণ আৰু স্থান যিটো তেওঁ সমাজ তথা বিদ্যালয়ত অধিকাৰ কৰে। স্কুলৰ মানদণ্ড আৰু সামাজিক জীৱনত ইয়াৰ প্ৰভাৱ নিৰ্ভৰ কৰে কেনে প্ৰকাৰৰ শিক্ষক তাত কাম কৰি আছে।"

এনেদৰে, সম্প্ৰদায় আৰু শৈক্ষিক ব্যৱস্থাৰ ক্ষেত্ৰত শিক্ষকৰ ভূমিকা অনস্বীকাৰ্য। শিক্ষকে ভবিষ্যত নাগৰিক গঢ়াত সহায় কৰে, যাৰ ওপৰত ৰাষ্ট্ৰৰ প্ৰগতি নিৰ্ভৰশীল। এই ক্ষেত্ৰত কোঠাৰী আয়োগে উল্লেখযোগ্য মন্তব্য দিছে— "ভাৰতৰ ভাগ্য ইয়াৰ শ্ৰেণীকোঠাতে নিৰ্মাণ হয়" আৰু শ্ৰেণীকোঠা শিক্ষকৰ দ্বাৰা নিয়ন্ত্ৰিত হয়। সেইবাবে শিক্ষকৰ ব্যক্তিত্ব আৰু বৃত্তীয় সামৰ্থ হৈছে লাগতিয়াল দিশ যাৰ অবিহনে উত্তম পাঠ্যক্ৰম, পাঠ্যসূচী বা শিক্ষণৰ সামগ্ৰী থাকিলেও শিক্ষাৰ্থীৰ পৰা উপযুক্ত শিক্ষণ ফলাফল পাব পৰা নেযায়। সেইবাবে উপযুক্ত শিক্ষক হ'বলৈ আৰু শিক্ষাৰ্থীৰ পৰা আকাংক্ষিত শিক্ষণৰ ফলাফল লাভ কৰিবলৈ প্ৰত্যেক শিক্ষককে বৃত্তীয় প্ৰশিক্ষণৰ প্ৰয়োজন।

১০.৪.১ শিক্ষক প্ৰশিক্ষণৰ অৰ্থ

শিক্ষক প্ৰশিক্ষণ বা শিক্ষা, সাধাৰণতে নীতি আৰু প্ৰক্ৰিয়াৰ লগত জড়িত যিবোৰে শিক্ষকসকলক জ্ঞান, অভিৰুচি, আচৰণ আৰু কৌশল আদি আয়ত্ত কৰাত সহায় কৰে আৰু স্কুল আৰু শ্ৰেণীকোঠাত উপযুক্ত দায়িত্ব পালনৰ বাবে এইসমুহ শিক্ষকৰ বাবে প্ৰয়োজনীয়। চি ভি গুডৰ (১৯৭৩) (C V Good) শিক্ষাৰ অভিধানে সংজ্ঞা দিয়ে যে "সকলো আনুষ্ঠানিক আৰু অনানুষ্ঠানিক কাৰ্যাৱলী আৰু অভিজ্ঞতাসমূহ যিবোৰে এজন ব্যক্তিৰ উপযুক্ততা বিচাৰত সহায় কৰে, যিজন শৈক্ষিক বৃত্তিত দায়িত্বশীল আৰু যিয়ে নিজৰ দায়িত্ব সফলতাৰে পালন কৰে।"

ৰাষ্ট্ৰীয় শিক্ষক শিক্ষাৰ পৰিষদ, ১৯৯৩ (NCTE)এ সংজ্ঞা দিয়ে যে — শিক্ষক শিক্ষা হৈছে শিক্ষাৰ কাৰ্যক্ৰম, গৱেষণা বা ব্যক্তিৰ প্ৰশিক্ষণ, যাৰ দ্বাৰা তেওঁলোকক স্কুলৰ প্ৰাক্ প্ৰাথমিক, প্ৰাথমিক, মাধ্যমিক, উচ্চ মাধ্যমিক স্তৰ আৰু অগতানুগতিক শিক্ষা, প্ৰাপ্তবয়স্ক শিক্ষা আৰু দূ�ৰত্ব শিক্ষা যোগেদি যোগাযোগ পাঠ্যক্ৰম আদিত নিয়োগ কৰিব পাৰি।

চমুকৈ আমি ক'ব পাৰো যে শিক্ষক প্ৰশিক্ষণ বা শিক্ষক শিক্ষা হৈছে সেই জ্ঞান, কৌশল আৰু সামৰ্থ যিয়ে শিক্ষকৰ জীৱন হিচাবে গঢ়ি তোলে। শিক্ষক প্ৰশিক্ষণৰ পাঠ্যক্ৰমে শিক্ষকৰ ৰুচি-অভিৰুচি, অভ্যাস ইত্যাদিৰ পৰিবৰ্তন ঘটাই শিক্ষকৰ ব্যক্তিত্ব পুনৰ গঠন কৰি তোলে।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ শিক্ষক প্ৰশিক্ষণ বুলিলে কি বুজে?

.....

.....

.....

১০.৪.২ শিক্ষক প্ৰশিক্ষণৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব

কিছুমানে বিশ্বাস কৰে যে শিক্ষক প্ৰশিক্ষণৰ কোনো প্ৰয়োজনীয়তা নাই। তেওঁলোকৰ কেৱল বিষয়বস্তুৰ ওপৰত জ্ঞান থাকিব লাগে। এটা জনপ্ৰিয় কথা আছে যে শিক্ষক জন্মে, গঢ়ি নুঠে। কিন্তু এই কথাষাৰ খুব কম ক্ষেত্ৰতহে সত্য। প্ৰকৃততে, প্ৰত্যেক শিক্ষকৰ বাবে প্ৰশিক্ষণৰ প্ৰয়োজন আছে। শিক্ষক হিচাবে জন্মা শিক্ষকসকলেও শিকনৰ পদ্ধতি অধ্যয়ন কৰিব লাগিব। প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকসকলে অপ্ৰশিক্ষণপ্ৰাপ্ত শিক্ষতকৈ অধিক কাৰ্য কৰিব পাৰে। কিন্তু প্ৰশিক্ষণে এজন ভাল শিক্ষক গঢ়ি তুলিব বুলি ক'ব নোৱাৰি। সাধাৰণতে এইটো লক্ষ্য কৰা হয় যে প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকসকল নিজৰ কাৰ্যক্ষেত্ৰত অতি পৰিপক্ক আৰু আত্মবিশ্বাসী হয়। এইটো মন্তব্য কৰা হয় যে 'যদি আপুনি এজন ল'ৰাক শিক্ষা দিয়ে, তেন্তে এগৰাকী ব্যক্তিক শিক্ষা দিয়া, যদি আপুনি এজনী ছোৱালীক শিক্ষা দিয়ে তেতিয়া গোটেই পৰিয়ালটোকে শিক্ষা দিয়া হয়, যেতিয়া এজন শিক্ষকক শিক্ষা দিয়া হয় তেন্তে সমগ্ৰ সম্প্ৰদায়কে শিক্ষা প্ৰদান কৰা হয়।" সেইবাবে আমি ক'ব পাৰো যে বৃত্তিৰ চাহিদা উদ্দেশ্যসমূহ আৰু আশাই শিক্ষক প্ৰশিক্ষণৰ প্ৰয়োজনীয়তা স্পষ্টভাবে দাঙি ধৰে। শিক্ষক প্ৰশিক্ষণৰ প্ৰয়োজনীয়তা আৰু গুৰুত্বতা তলত দাঙি ধৰা হ'ল—

- **প্ৰশিক্ষণে শিক্ষাৰ্থীসকলক বুজাত সহায় কৰে ঃ** শিকন কেৱল বিষয়বস্তুৰ ওপৰত জ্ঞান প্ৰদানতে আবদ্ধ নেথাকে। শিকনৰ লক্ষ্য হৈছে শিক্ষাৰ্থীৰ সৰ্বতোপ্ৰকাৰৰ বিকাশ। সেইবাবে শিশু মনোবিজ্ঞান আৰু শিকনৰ নীতিসমূহৰ ওপৰত শিক্ষকৰ সম্পূৰ্ণ জ্ঞান থাকিব লাগিব যাতে শিশুসকলক ভালদৰে বুজি তেওঁলোকৰ সৰ্বতোপ্ৰকাৰৰ বিকাশ সম্ভৱ কৰি তুলিব পাৰে। তেওঁলোকৰ সৰ্বতোমুখী বিকাশৰ ক্ষেত্ৰত শিক্ষকে প্ৰধান ভূমিকা গ্ৰহণ কৰে।
- **প্ৰশিক্ষণে শিক্ষকৰ আত্মবিশ্বাস বঢ়াই তোলে ঃ** শিক্ষকৰ আত্মবিশ্বাস গঢ়ি তুলিবলৈ প্ৰশিক্ষণৰ প্ৰয়োজন। স্কুল-পৰিয়ালৰ বিজ্ঞানসন্মত জ্ঞানেৰে প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষকে নিজ আত্মবিশ্বাসৰ সৈতে শ্ৰেণীৰ যিকোনো সমস্যাজনিত পৰিবেশ সহজে সমাধান কৰিব পাৰে।
- **শিকন কৌশলৰ পাৰ্গতালি অৰ্জনৰ বাবে প্ৰশিক্ষণৰ প্ৰয়োজন ঃ** শিকাবলগীয়া

বিষয়বস্তুৰ পাৰ্গতালি আৰু শিক্ষাৰ্থীৰ সৈতে ফলপ্ৰসূ যোগাযোগ একে নহয়। উপযুক্ত যোগাযোগৰ বাবে বহুতো কৌশলৰ প্ৰয়োজন, যেনে— এটা পাঠ আৰম্ভণিৰ কৌশল, প্ৰশ্নসোধা, ব্যাখ্যা কৰা, নিৰ্দেশনা প্ৰদান, ব্যাখ্যা আৰু ব্লেকবোৰ্ডৰ উপযুক্ত ব্যৱহাৰ, ক্ৰম আৰু যুক্তি অনুসৰি বিষয়বস্তুৰ পৰিকল্পনা, মূল্যায়ন আৰু মাননিৰ্ধাৰণ ইত্যাদিৰ উপযুক্ততা আদি। প্ৰশিক্ষণৰ কাৰ্যক্ৰমৰ যোগেদিহে শিক্ষকে এইবোৰ কৌশল আয়ত্ব কৰিব পাৰে।

- **শিকনৰ পদ্ধতি বুজাৰ বাবে প্ৰশিক্ষণৰ প্ৰয়োজন ঃ** উপযুক্ত শিকনৰ পদ্ধতি আৰু কৌশল শিক্ষকে প্ৰয়োগ কৰিব পাৰিব লাগে। শিক্ষক প্ৰশিক্ষণে শিক্ষকক শিকনৰ পদ্ধতিৰ সৈতে পৰিচয় কৰাব পাৰিব লাগে, এনেদৰে বিষয়বস্তুৰ চাহিদা অনুযায়ী উপযুক্ত পদ্ধতি আৰু কৌশল নিৰ্বাচন কৰাত শিক্ষকক সহায় কৰে। প্ৰশিক্ষণে শিক্ষকৰ প্ৰস্থুত কৰণ সামৰ্থৰ বিকাশ কৰে, শিক্ষক এজনে স্কুলত সহপাঠ্যক্ৰম কাৰ্যসূচী প্ৰস্তুতকৰণত অংশগ্ৰহণ আৰু নিৰীক্ষণ কৰিব পাৰিব লাগে আৰু স্কুলৰ নিৰ্দেশনা কাৰ্যসূচীত সহায় কৰিব পাৰিব লাগে। এনেধৰণৰ গুণবোৰৰ বিকাশৰ বাবে প্ৰশিক্ষণৰ প্ৰয়োজন।

- **প্ৰশিক্ষণে স্কুল সংগঠনৰ সৈতে পৰিচিত কৰি তোলে ঃ** এজন শিক্ষকৰ স্কুলৰ সাংগঠনিক আৰু প্ৰশাসনিক দিশৰ উপযুক্ত জ্ঞান থাকিব লাগে। প্ৰশিক্ষণৰ সময়ছোৱাত নিজৰ স্কুলৰ কাৰ্যাৱলীৰ সৈতে পৰিচিত হ'বলৈ শিক্ষকসকলক প্ৰশিক্ষণ দিয়া হয়।

- **প্ৰশিক্ষণে শিক্ষকৰ জ্ঞান প্ৰয়োজন মতে বৃদ্ধি কৰি শিক্ষাৰ গুণমান আৰু মানদণ্ডৰ উন্নতি কৰে ঃ** শিক্ষক প্ৰশিক্ষণে শিক্ষকৰ নতুন বিকাশৰ ক্ষেত্ৰত প্ৰয়োজন মতে বৃদ্ধি কৰে আৰু এনেদৰে পৰোক্ষ শিক্ষাৰ গুণমানৰ উন্নতি সাধন কৰে।

- **প্ৰশিক্ষণে সামাজিক অন্তদৰ্শন সৃষ্টি কৰে ঃ** শিক্ষকসকলে সামাজিক জীৱন নিৰ্বাহত প্ৰশিক্ষণৰ প্ৰয়োজন। প্ৰশিক্ষণে তেওঁলোকৰ সামাজিক অন্তদৰ্শনৰ সৃষ্টি কৰে।

- **গণতান্ত্ৰিক দেশত শিক্ষা প্ৰদানৰ বাবে প্ৰশিক্ষণৰ প্ৰয়োজন ঃ** গণতান্ত্ৰিক দেশৰ শিক্ষকে উৎসাহৰ সৈতে শিক্ষা দি দেশ ৰ গণতান্ত্ৰিক ধাৰা সবল কৰি তুলিব পাৰিব লাগে। ইয়াৰ বাবে প্ৰশিক্ষণ দৰকাৰী। কেৱল মাত্ৰ ভাল শিক্ষক হ'বলৈ প্ৰশিক্ষণৰ প্ৰয়োজন এনে নহয়, ছাত্ৰ-ছাত্ৰীসকলক সু-নাগৰিক হিচাবে গঢ়াৰ বাবেও প্ৰশিক্ষণৰ প্ৰয়োজন।

- **প্ৰশিক্ষণে শিকন বৃত্তিৰ প্ৰতি সন্তোষজনক মনোভাৱ গঢ়ি তোলে ঃ** এগৰাকী শিক্ষকৰ জ্ঞান আৰু কৌশল থকাৰ উপৰিও শিক্ষাৰ্থী আৰু বৃত্তিৰ প্ৰতি ইতিবাচক মনোভাব থাকিব লাগে। অভিজ্ঞতাৰ যোগেদি মনোভাব গঠিত হয়। উপযুক্ত শিক্ষক প্ৰশিক্ষণে শিক্ষকসকলক তেনে অভিজ্ঞতা প্ৰদান কৰে যাৰ দ্বাৰা তেওঁলোকে নিজৰ প্ৰতি, বৃত্তিৰ প্ৰতি আৰু শিক্ষাৰ্থীৰ প্ৰতি ইতিবাচক মনোভাবৰ বিকাশ কৰিব পাৰে।

চমুকৈ, আমি ক'ব পাৰো যে শিক্ষকক সজীৱ কৰি ৰাখিবলৈ, এই প্ৰক্ৰিয়াৰ পৰা কঠিনতা আঁতৰ কৰিবলৈ, শিক্ষকতা বৃত্তিৰ প্ৰতি স্থিতি ৰাখিবলৈ শিক্ষক প্ৰশিক্ষণৰ প্ৰয়োজন। এইবোৰৰ উপৰিও শিক্ষক আৰু শিক্ষাৰ্থীৰ সময় আৰু শক্তিৰ উপযুক্ত প্ৰয়োগৰ বাবে শিক্ষক প্ৰশিক্ষণৰ প্ৰয়োজন।



জানি থোৱা ভাল

'Teacher' শব্দটোৰ প্ৰত্যেকটো আখৰৰ তাৎপৰ্য, 'Teacher' শব্দটোৰ কিছুমান সংলক্ষণ আৰু মূল্যবোধ থাকে, যিবোৰ এগৰাকী শিক্ষকৰ থকাটো প্ৰয়োজনীয়।

T ৰ অৰ্থ হৈছে - কৌশল, সহ্য, সত্য।

E ৰ অৰ্থ হৈছে - সামৰ্থ, উৎসাহ, নৈতিকতা, আচৰণ।

A ৰ অৰ্থ হৈছে - সক্ৰিয়তা, ভালপোৱা, গ্ৰহণযোগ্যতা।

C ৰ অৰ্থ হৈছে - চৰিত্ৰ, স্পষ্টতা, সৃজনশীলতা, গঠনাত্মক।

H ৰ অৰ্থ হৈছে - কঠোৰ কৰ্ম, মানবীয়তা, সাধুতা, ৰস, সম্পৰ্ক।

E ৰ অৰ্থ হৈছে - আবেগিক স্থিৰতা, কৌতুহ'ল।

R ৰ অৰ্থ হৈছে - সম্পদশীল, জ্ঞানী।

শিক্ষক এগৰাকীৰ এই সকলো সংলক্ষণ থাকিব লাগে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ উপযুক্ত শিকনৰ ক্ষেত্ৰত শিক্ষক প্ৰশিক্ষণে কেনেদৰে সহায় কৰে?

.....

.....

.....

১০.৫ শিক্ষক সমৰ্থিত কাৰ্যক্ৰম

শিক্ষক সমৰ্থিত কাৰ্যক্ৰমৰ বিষয়ে আলোচনা কৰাৰ আগতে আমি শিক্ষাৰ প্ৰাথমিক স্তৰত শিক্ষনীয় বৃত্তিৰ চাহিদা সম্পৰ্কে জানিব লাগিব যাতে সেই অনুসৰি শিক্ষক সমৰ্থিত কাৰ্যক্ৰম সংগঠিত কৰিব পাৰি। বৰ্তমান ভাৰতীয় সমাজত শিক্ষকৰ বৃত্তিগত শিক্ষাৰ চাহিদা আছে।

১০.৫.১ শিক্ষক সমৰ্থিত কাৰ্যক্ৰমৰ প্ৰকাৰ

শিক্ষক সমৰ্থিত কাৰ্যক্ৰমৰ দুটা স্পষ্ট দিশ আছে— (ক) প্ৰাক্ চাকৰিকালীন শিক্ষক শিক্ষা আৰু (খ) চাকৰি কালীন শিক্ষক শিক্ষা।

(ক) প্ৰাক্ চাকৰিকালীন শিক্ষক শিক্ষা ঃ প্ৰাক্ চাকৰিকালীন শিক্ষক শিক্ষা সেই শিক্ষক শিক্ষাৰ কাৰ্যক্ৰমৰ সৈতে জড়িত যিবোৰ এজন ব্যক্তি শিক্ষক হিচাবে নিয়োগ হোৱাৰ আগতে লাভ কৰে, শিক্ষক হিচাবে নিজকে নিযুক্ত কৰিবলৈ প্ৰস্তুত কৰে। এইটো বৰ্তমান অনুভব কৰা হৈছে যে কেৱল শিক্ষক প্ৰশিক্ষণতকৈ শিক্ষক শিক্ষা কিছু গভীৰ। বৰ্তমান প্ৰশিক্ষণতকৈ শিক্ষাৰ বেছি গুৰুত্ব দিয়া হৈছে। ই সাধাৰণতে তেনেধৰণৰ জ্ঞান, তথ্য, কৌশল সামৰ্থ আহৰণক বুজায় যিবোৰে এজন ব্যক্তিক শিক্ষক হিচাবে বৃত্তিগত কৰ্তব্য আৰু দায়িত্ব পালন কৰাত সহায় কৰে। ইয়াৰ অৰ্থ হৈছে শিক্ষকৰ মনোভাব, অভ্যাস আৰু ব্যক্তিত্বৰ পুনৰ গঠন কৰা।

(খ) চাকৰিকালীন শিক্ষক শিক্ষা ঃ শিক্ষকতা বৃত্তিত নিয়োজিত হোৱাৰ পিছত যি শিক্ষা লাভ কৰা হয় সেয়া হৈছে চাকৰিকালীন শিক্ষক শিক্ষা। প্ৰশিক্ষণ অনুষ্ঠানত প্ৰশিক্ষণ সমাপ্তিৰ পিছতে শিক্ষকৰ বৃত্তিগত বিকাশৰ সমাপ্তি নঘটে। শিক্ষকৰ প্ৰকৃত বৃত্তিগত বিকাশৰ বাবে শিক্ষকৰ আৰু অধিক জানিবৰ বাবে ইচ্ছা থাকিব লাগিব যাতে নতুন জ্ঞান আৰু অভিজ্ঞতাৰ দ্বাৰা নিজৰ শিক্ষকতা বৃত্তি সজীৱ আৰু সতেজ কৰি ৰাখিব পাৰে। প্ৰকৃততে প্ৰাক্ চাকৰিকালীন আৰু চাকৰিকালীন শিক্ষক শিক্ষা দুয়োটা হৈছে এটা মুদ্ৰাৰ ইপিঠি আৰু সিপিঠি।

১০.৫.২ শিক্ষক শিক্ষা কাৰ্যক্ৰমৰ কাৰ্যসমূহ

শিক্ষক শিক্ষা কাৰ্যক্ৰমৰ প্ৰধান কাৰ্য হৈছে ভাল শিক্ষক তৈয়াৰ কৰা। অন্য বৃত্তিৰ দৰে শিক্ষকতাও এক বৃত্তি সেইবাবে শিক্ষকসকলক তেওঁলোকৰ বৃত্তিগত বিকাশৰ ক্ষেত্ৰত সহায়ৰ চাহিদা আছে। প্ৰয়োজনীয় বৃত্তীয় প্ৰশিক্ষণ থকাৰ উপৰিও তেওঁলোকক জ্ঞান আৰু অভিজ্ঞতাৰ সময়ে সময়ে পুনৰ সজীৱকৰণৰ প্ৰয়োজন। তেওঁলোকক বিস্তৃত দৃষ্টিৰ বাবে অবিৰত বিকাশৰ প্ৰয়োজন, অন্য অভিজ্ঞতাৰ পৰা পোৱা উপকাৰিতা, নতুন সমস্যাৰ প্ৰতি প্ৰতিফলিত হোৱা, নতুন তথ্য আহৰণ আৰু এই সকলোবোৰ নিজক পুনৰ উদ্দীপন কৰাৰ বাবে প্ৰয়োজনীয়।

প্ৰাথমিক শিক্ষক শিক্ষাৰ অনুষ্ঠানে অন্তৰ্ভুক্ত কৰা কাৰ্যসমূহ ঃ

- আনুষ্ঠানিক স্কুলৰ শিক্ষকৰ বাবে প্ৰাক্ চাকৰিকালীন আৰু চাকৰিকালীন শিক্ষা।
- অগতানুগতিক আৰু প্ৰাপ্তবয়স্ক শিক্ষাৰ নিৰ্দেশক আৰু নিৰীক্ষকৰ বাবে অবিৰত শিক্ষা আৰু দায়িত্বৰ স্তৰ।
- আনুষ্ঠানিক পৰিকল্পনা আৰু পৰিচালনা আৰু সুক্ষ্ম স্তৰৰ পৰিকল্পনাৰ প্ৰধানসমূহক প্ৰশিক্ষণ আৰু পুনৰীক্ষণ।

- সম্প্ৰদায়ৰ নেতাৰ পুনৰউদ্দীপন, স্বসংগঠিত অনুষ্ঠানৰ কাৰ্যসমূহ আৰু স্কুলীয়া শিক্ষাক প্ৰভাৱিত কৰা অন্য কাৰ্যসমূহ।
- স্কুল প্ৰকল্প আৰু জিলা শিক্ষাৰ বোৰ্ডক বিদ্যায়তনিক সমৰ্থন।
- কাৰ্যভিত্তিক গৱেষণা আৰু পৰীক্ষণীয় কাৰ্য।
- প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক লগতে অগতানুগতিক আৰু প্ৰাপ্তবয়স্ক শিক্ষাৰ কাৰ্যক্ৰমত মূল্যায়ণৰ কেন্দ্ৰ হিচাবে সেৱা আগবঢ়োৱা।
- শিক্ষক আৰু নিৰ্দেশকসকলৰ বাবে সম্পদ আৰু শিক্ষণ কেন্দ্ৰৰ সুবিধা।
- আলোচনা আৰু উপদেশ, উদাহৰণ স্বৰূপে জিলা শিক্ষা বোৰ্ড ।

১০.৫.৩ শিক্ষক সমৰ্থৰ বাবে থকা শিক্ষক শিক্ষাৰ অনুষ্ঠানসমূহ

শিক্ষকৰ গুণমান বৃদ্ধিৰ বাবে বৃত্তিগত শিক্ষা অপৰিহাৰ্য সেইবাবে কেন্দ্ৰীয় ৰাজ্যিক আৰু কিছুমান ব্যক্তিগত খণ্ডৰ অনুষ্ঠানে সকলো প্ৰকাৰৰ শিক্ষক শিক্ষাৰ অনুষ্ঠান গঢ়াৰ ক্ষেত্ৰত আগ্ৰহী। বিভিন্ন প্ৰকাৰৰ শিক্ষক শিক্ষাৰ অনুষ্ঠান প্ৰাক্ চাকৰিকালীন আৰু চাকৰিকালীন শিক্ষক শিক্ষাৰ বাবে গঢ়ি উঠিছে। নিয়মিত শিক্ষক প্ৰশিক্ষণ কাৰ্যসূচীৰ উপৰিও এনে অনুষ্ঠানসমূহে বিভিন্ন ধৰণৰ হ্ৰস্বকালীন পাঠ্যক্ৰমৰ ব্যৱস্থা প্ৰাথমিক স্তৰৰ শিক্ষকসকলৰ বাবে কৰে।

ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ [NCERT] ঃ

১৯৬১ চনত স্থাপিত হোৱা NCERT হৈছে ৰাষ্ট্ৰীয় পৰ্যায়ৰ অগ্ৰনী অনুষ্ঠান। ইয়াক প্ৰাথমিক আৰু মাধ্যমিক স্কুলৰ গৱেষণা আৰু প্ৰশিক্ষণৰ বাবে গঢ়ি তোলা হৈছে। ই ৰাজ্যৰ শিক্ষা বিভাগবোৰৰ সৈতে বিশ্ববিদ্যালয়ৰ সহযোগ আৰু স্কুলীয়া শিক্ষাৰ ভৱিষ্যত বিকাশৰ বাবে থকা অনুষ্ঠানবোৰৰ মাজত সম্পৰ্ক ৰক্ষা কৰে। NCERTয়ে গৱেষণা জৰিপকৰণ আদিৰ দ্বাৰা শিক্ষক শিক্ষাৰ উপযুক্ত পদ্ধতি উদ্ভাৱনৰ কাৰ্য কৰে। ই শিক্ষক আৰু শিক্ষক প্ৰশিক্ষাৰ্থীৰ বাবে শৈক্ষিক বিষয়ৰ বিষয়বস্তু প্ৰদান কৰে আৰু আলোচনাচক্ৰ আৰু পুনৰদ্দীপন পাঠ্যক্ৰম আয়োজন কৰে। তাৰ উপৰি ই একেধৰণৰ আন্তৰাষ্ট্ৰীয় সংগঠনসমূহৰ সৈতে সম্পৰ্ক ৰক্ষা কৰে। NCERT লেখীয়াকৈ বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰিয়শাসিত দেশসমূহত ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ (SCERT) স্থাপন কৰা হয়। SCERTয়ে প্ৰাথমিক স্কুলৰ শিক্ষকসকলৰ বাবে সময়ে সময়ে হ্ৰস্বকালীন আৰু দীৰ্ঘকালীন প্ৰশিক্ষণৰ ব্যৱস্থা কৰি আহিছে।

ৰাজ্যিক শিক্ষা অনুষ্ঠানসমূহ (SIE) ঃ

১৯৬৪ চনত কেন্দ্ৰীয় চৰকাৰৰ সহযোগত দেশৰ প্ৰধান ৰাজ্যসমূহত প্ৰাথমিক শিক্ষকসকলৰ বাবে ৰাজ্যিক শিক্ষা অনুষ্ঠানসমূহ স্থাপন কৰা হৈছিল। বৰ্তমান আমাৰ দেশত ৩০ খন এনে ৰাজ্যিক অনুষ্ঠান আছে। এই অনুষ্ঠানসমূহৰ প্ৰধান উদ্দেশ্য আৰু কাৰ্যাৱলীসমূহ হৈছে—

- প্ৰাথমিক স্কুলৰ পৰিদৰ্শকসকলৰ বাবে বা প্ৰাথমিক শিক্ষক শিক্ষাৰ বাবে বিভিন্ন পাঠ্যক্ৰমৰ ব্যৱস্থা কৰা।
- ৰাজ্যিক শিক্ষা বিষয়াসকলৰ বাবে আলোচনাচক্ৰ আৰু অধিবেশনৰ আয়োজন কৰা।
- প্ৰাথমিক শিক্ষাৰ অনুষ্ঠানসমূহৰ বিস্তৃত সেৱাৰ সুবিধা প্ৰদান।
- শিক্ষক শিক্ষা আৰু প্ৰাথমিক শিক্ষাৰ বাবে গৱেষণা সংগঠন কৰা।
- শিক্ষকলৈ দূৰবৰ্তী পাঠ্যক্ৰমৰ ব্যৱস্থা কৰা।
- প্ৰাথমিক শিক্ষাৰ স্তৰত বিভিন্ন পৰিকল্পনা আৰু এইবোৰৰ প্ৰয়োগত ৰাজ্যিক শিক্ষা বিভাগক সহযোগ কৰা।

জিলাশিক্ষা আৰু প্ৰশিক্ষণৰ অনুষ্ঠান (DIET) ঃ

১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিত উল্লেখ কৰা DIET সমূহে প্ৰাথমিক শিক্ষকৰ প্ৰাক্‌চাকৰিকালীন আৰু চাকৰিকালীন প্ৰশিক্ষণৰ ব্যৱস্থা কৰে আৰু অগতানুগতিক তথা প্ৰাপ্ত বয়স্ক শিক্ষাৰ সৈতে জড়িত ব্যক্তিসকলকো প্ৰশিক্ষণ দিয়ে।

DIET হৈছে তৃণমূল পৰ্যায়ৰ অনুষ্ঠান, প্ৰত্যেক জিলাৰ শৈক্ষিক পৰিকল্পনা, প্ৰয়োজন অনুসৰি বিভিন্ন কৌশলবোৰৰ অৱতাৰণা কৰে। DIETৰ লক্ষ্য হৈছে তৃণমূল পৰ্যায়ত বিদ্যায়তনিক আৰু সম্পদ সমৰ্থিত বিভিন্ন কৌশল আৰু কাৰ্যসূচীসমূহ প্ৰাথমিক পৰ্যায়ত আৰু প্ৰাপ্তবয়স্ক শিক্ষাত সফল কৰি তোলা। DIETয়ে দুটা ক্ষেত্ৰত গতি নিৰ্ধাৰক হিচাবে কাম কৰে, যেনে-

- অনুষ্ঠানৰ নিজ কাৰ্যত পাৰদৰ্শিতা,
- জিলাখনৰ প্ৰাথমিক আৰু প্ৰাপ্তবয়স্কৰ শৈক্ষিক ব্যৱস্থাক উৎকৰ্ষ লাভ কৰাত সহায় কৰে।

DIETৰ তিনিটা প্ৰধান কাৰ্য হৈছে —

- প্ৰাক্‌ চাকৰিকালীন আৰু চাকৰিকালীন দুয়োটা স্তৰতে প্ৰশিক্ষণ দিয়া।
- সম্পদ সমৰ্থিত যেনে - বিস্তৃত নিৰ্দেশনা, সম্পদশালী দিশৰ বিকাশ, সামগ্ৰী, মূল্যায়নৰ আহিলা, আৰু
- কাৰ্য গৱেষণা।

ইয়াৰ উপৰিও DIET যে মহিলা আৰু ছোৱালী শিক্ষাৰ উন্নতি, অনুসূচিত জাতি আৰু জনজাতি, সংখ্যালঘু, বিশেষভাবে সক্ষম আৰু অন্য শৈক্ষিক ভাবে পিচপৰা লোক আৰু কৰ্মৰত শিশু আৰু বস্তি অঞ্চলৰ পৰা অহা আদিৰ শিক্ষাৰ ক্ষেত্ৰত মনোযোগ দিব লাগে।

DIET য়ে নিজ লক্ষ্যত উপনীত হৈ ইয়াৰ কাৰ্যবোৰ কৰিবলৈ তলৰ সাতটা শাখা গঠন কৰিছিল।

- প্ৰাক্‌ চাকৰিকালীন শিক্ষক শিক্ষা (PSTE) শাখা, যিয়ে নিৰ্দিষ্ট স্তৰৰ প্ৰশিক্ষণ প্ৰদান কৰে। কৰ্ম অভিজ্ঞতা শাখা, যিয়ে বৃত্তীয় শিক্ষা আৰু কৰ্ম অভিজ্ঞতাৰ লগত জড়িত বিভিন্ন কাৰ্য সম্পাদন কৰে।

- জিলা সম্পদ গোট (DRU), বিকল্প শিক্ষা, অগতানুগতিক শিক্ষাত জড়িত ব্যক্তিবোৰক সহায় কৰি পৰিকল্পনা আৰু সহযোগী প্ৰশিক্ষণৰ আয়োজন কৰা।
- পাঠ্যক্ৰম, সামগ্ৰীৰ বিকাশ আৰু মূল্যায়ন (CMDE) শাখা যিয়ে পাঠ্যসূচীৰ গোট, শিক্ষাৰ্থীৰ অবিৰত আৰু গঠনাত্মক মূল্যায়নৰ পদ্ধতি আৰু নিৰ্দেশনা, চিনাক্তকৰণ অভীক্ষা আৰু প্ৰতিকাৰ মূলক কাৰ্যসূচীৰ মাপকাঠি আদিৰ বিকাশ কৰে।
- চাকৰিকালীন কাৰ্যসূচী, ক্ষেত্ৰ বিনিময় আৰু নতুনত্বৰ সহযোগ (IFIC) শাখা, যিয়ে জিলাৰ প্ৰাথমিক শিক্ষকৰ প্ৰয়োজন চিনাক্ত কৰে আৰু চাকৰিকালীন প্ৰশিক্ষণৰ ব্যৱস্থা কৰে।
- শিক্ষা প্ৰযুক্তিবিদ্যা (ET) শাখা, যি শাখাই প্ৰাথমিক শিক্ষা আৰু প্ৰাথমিক শিক্ষক শিক্ষাৰ সাধাৰণ, ফলপ্ৰসু আৰু কম খৰচী আহিলাৰ বিকাশ কৰে।
- পৰিকল্পনা আৰু পৰিচালনা শাখা (P&M) শাখা, যিয়ে. সাৰ্বজনীন প্ৰাথমিক শিক্ষাৰ লক্ষ্যত উপনীত হ'বলৈ আৰু ৰাষ্ট্ৰীয় শিক্ষা অভিযানত সফল কৰিবলৈ জিলা পৰ্যায়ত উপযুক্ত তথ্যসম্বলিত দিশৰ যোগান ধৰে।

শিক্ষক শিক্ষাৰ মহাবিদ্যালয়সমূহ (CTE) ঃ

শিক্ষক শিক্ষাৰ মহাবিদ্যালয়সমূহে সকলো স্তৰতে প্ৰশিক্ষণ প্ৰদান কৰে। ই বহু সংখ্যক শিক্ষক শিক্ষাৰ্থীক ল'ব পাৰে আৰু অধিক উপযুক্ত আৰু আৰ্থিকভাবে কম খৰচী। এই মহাবিদ্যালয়সমূহৰ কাৰ্যবোৰ হৈছে এনেধৰণৰ -

- মাধ্যমিক আৰু প্ৰাথমিক শিক্ষকৰ বাবে প্ৰাক্‌চাকৰিকালীন প্ৰশিক্ষণৰ ব্যৱস্থা কৰা।
- তিনি চাৰি সপ্তাহৰ বাবে বিষয় ভিত্তিক প্ৰাক্ চাকৰিকালীন প্ৰশিক্ষণৰ ব্যৱস্থা কৰা।
- স্কুলীয়া শিক্ষাত পৰীক্ষা আৰু নতুনত্ব অনা ।
- শৈক্ষিক দিশৰ নতুন ক্ষেত্ৰত প্ৰশিক্ষণ আৰু সম্পদ সমৰ্থিত দিশৰ সুবিধা প্ৰদান, যেনে মূল্যবোধ শিক্ষা, জনসংখ্যা শিক্ষা ইত্যাদি।
- শিক্ষক শিক্ষা কাৰ্যসূচীত সম্প্ৰদায়ৰ অংশগ্ৰহণত উৎসাহিত কৰা।

  ইয়াৰ স্পষ্ট ভূমিকা হৈছে প্ৰাথমিক শিক্ষাক সবল কৰি তোলা আৰু শিক্ষক শিক্ষাৰ গুণগত মান বৃদ্ধিত সম্প্ৰদায়ক জড়িত কৰি তোলা।

বুনীয়াদী প্ৰশিক্ষণ কেন্দ্ৰ (BTC) ঃ

এনেবোৰ অনুষ্ঠানে চাৰ্টিফিকেট আৰু ডিপ্ল'মা প্ৰদান কৰে, আৰু প্ৰধানকৈ ৰাজ্যিক শিক্ষা বিভাগৰ দ্বাৰা পৰিচালিত হয়। এই প্ৰশিক্ষণ হাইস্কুল শেষান্ত উত্তীৰ্ণ সকলক প্ৰদান কৰা হয় আৰু ইয়াৰ সময় হৈছে দুবছৰ। আমাৰ দেশত বৰ্তমান প্ৰাথমিক পৰ্যায়ৰ শিক্ষকক প্ৰশিক্ষণৰ বাবে ৯৬০খন অনুষ্ঠান আছে। এই স্কুলবোৰক নৰ্মাল স্কুল বুলিও জনা যায়। এনেবোৰ স্কুলক SCERT য়ে বিদ্যায়তনিক নিৰ্দেশনা প্ৰদান কৰে।

শিক্ষক শিক্ষাৰ ৰাষ্ট্ৰীয় পৰিষদ (NCTE) ঃ

সমগ্ৰ দেশত শিক্ষক শিক্ষাৰ মানদণ্ড উন্নত কৰিবলৈ এইটো অনুভৱ কৰা হৈছিল যে শিক্ষক শিক্ষাৰ লগত সম্পৰ্কিত বিষয়ত চৰকাৰক নিৰ্দেশনা দিবৰ বাবে শিক্ষক শিক্ষাৰ ৰাষ্ট্ৰীয় পৰিষদৰ প্ৰয়োজন। পঞ্চম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ আগতে ১৯৭৩ চনত ইয়াক গঠন কৰা হৈছিল। কিন্তু NCTE য়ে ১৯৯৫ চনৰ ১৭ আগষ্টতহে ই দায়িত্বভাৰ লয়, ইয়াৰ উদ্দেশ্যবোৰ আছিল শিক্ষক শিক্ষা ব্যৱস্থাৰ পৰিকল্পনা আৰু বিকাশ, শিক্ষক শিক্ষাৰ প্ৰকৃত মানদণ্ড বৰ্তাই ৰখা আৰু উপযুক্ত নিয়মৰ মাজেদি পৰিচালিত কৰা। এনেদৰে এই পৰিষদে প্ৰাক্ প্ৰাথমিক, প্ৰাথমিক আৰু মাধ্যমিক স্তৰৰ শিক্ষক শিক্ষাৰ অনুষ্ঠানৰ বাবে নীতি নিয়ম ধাৰ্য কৰে। ১৯৯৭-৯৮ চনৰ ভিতৰত শিক্ষক শিক্ষাৰ গুণমান উন্নত কৰি তুলিবলৈ বহুসংখ্যক আলোচনাচক্ৰ, কৰ্মশালা, সজাগতা সভা আৰু নথিপত্ৰ প্ৰস্তুত কৰিছিল। "শিক্ষক শিক্ষাৰ গুণমানৰ বাবে পাঠ্যক্ৰম ফ্ৰেমৱৰ্ক" (১৯৯৮,২০০৯ আৰু পুনৰীক্ষণ ২০১৪চন) বিশেষ স্পষ্ট নিৰ্দেশনা নীতি "পৰিবৰ্তন আৰু অবিৰত"বাবে চাকৰিস্থ শিক্ষা কাৰ্যসূচীৰ সুবিধা কৰিছিল। NCTE ৰ মতে চাকৰিকালীন শিক্ষাৰ কাৰ্যসূচীসমূহৰ উদ্দেশ্যসমূহ হৈছে —

- শিক্ষকৰ বৃত্তিগত সমৰ্থবোৰৰ উন্নীতকৰণ।
- নতুন ভূমিকাৰ বাবে শিক্ষকসকলক প্ৰস্তুত কৰা।
- পাঠ্যক্ৰমৰ পৰিবৰ্তনৰ সৈতে জনসম্পৰ্কিত জ্ঞান আৰু কৌশল প্ৰদান - যেনে পাঠ্যসূচী, প্ৰক্ৰিয়া আৰু মূল্যায়ন।
- প্ৰচলিত শিক্ষাৰ জটিল দিশ আৰু তথ্যসমূহৰ প্ৰতি শিক্ষকসকলক সচেতন কৰা।
- যদিহে প্ৰাক্চাকৰিকালীন শিক্ষাত অভাব থাকে তাক পূৰণ কৰা, আৰু
- চাকৰি থকা প্ৰশিক্ষণ প্ৰাপ্ত বা অপ্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ অৰ্হতা আৰু সামৰ্থৰ উন্নতি কৰা।

এই প্ৰশিক্ষণৰ অনুষ্ঠানবোৰৰ উপৰিও NCTE যে প্ৰাথমিক পৰ্যায়ৰ পৰা উচ্চ শিক্ষা লৈ দূ�ৰত্ব শিক্ষাৰ মাধ্যমেদি শিক্ষক প্ৰশিক্ষণৰ নিৰ্দেশনা প্ৰদান কৰে। কেন্দ্ৰীয় আৰু লগতে ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়সমূহে বিভিন্ন প্ৰশিক্ষণৰ কাৰ্যসূচী যেনে প্ৰাথমিক শিক্ষাৰ ডিপ্লমা, হ্ৰস্বকালীন প্ৰশিক্ষণ কাৰ্যসূচী চাকৰি শিক্ষকৰ বাবে, প্ৰাক্ চাকৰিকালীন আৰু চাকৰিস্থ শিক্ষকৰ বাবে বিশেষ BED কাৰ্যসূচী আদি প্ৰদান কৰে।

পৃথিৱীত বহুলভাবে দূৰত্ব শিক্ষাৰ যোগেদি শিক্ষক শিক্ষা আৰু প্ৰশিক্ষণৰ প্ৰচলন আছে কাৰণ আনুষ্ঠানিক ব্যৱস্থাতকৈ ইয়াত কিছুমান সুবিধা আছে। দূৰত্ব মাধ্যমৰ কিছুমান ব্যৱহাৰ তলত দিয়া ধৰণৰ —

- দূৰ্গম আৰু পিছপৰা অঞ্চৰ শিক্ষকক সুবিধা প্ৰদান কৰা আৰু তেওঁলোকক শিক্ষণৰ উপযুক্ত সুবিধা প্ৰদান কৰা।

- প্ৰচলিত মাধ্যমতকৈ প্ৰাথমিক আৰু অবিৰতভাবে দীৰ্ঘকালীন আৰু হ্ৰস্বকালীন গঠিত শিক্ষা আৰু প্ৰশিক্ষণ প্ৰদান কৰা।
  শিক্ষক প্ৰশিক্ষণৰ আৰম্ভণিৰ কাৰ্যসূচীত স্কুলভিত্তিক কাৰ্যসূচীক সমৰ্থন কৰা।
- শিক্ষকসকলৰ তথ্য আৰু শিক্ষণ সুবিধাৰ ধাৰা উন্নতি কৰি তেওঁলোকৰ কাৰ্য নিয়ন্ত্ৰণ কৰা।
- অপ্ৰশিক্ষণ প্ৰাপ্ত শিক্ষকক প্ৰয়োজনীয় শিকন অৰ্হতাৰ বাবে পথ দেখুওৱা আৰু প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকসকলক তেওঁলোকৰ অৰ্হতাৰ উন্নতি সাধন কৰা।
  ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয়ে (IGNOU) বিভিন্ন ধৰণৰ শিক্ষক প্ৰশিক্ষণৰ পাঠ্যক্ৰমৰ সংগঠিত কৰে যেনে বি এড, আৰু এম এড মাধ্যমিক স্কুলৰ শিক্ষকৰ বাবে আৰু প্ৰাথমিক শিক্ষাৰ চাৰ্টিফিকেট (CPE) আৰু প্ৰাথমিক শিক্ষকৰ বাবে প্ৰাথমিক শিক্ষাৰ ডিপ্লমা (DPE)।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ শিক্ষক শিক্ষাৰ প্ৰকাৰসমূহ উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৪ ঃ শিক্ষক শিক্ষাৰ অনুষ্ঠানৰ চাৰিটা কাৰ্য উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৫ ঃ ৰাষ্ট্ৰীয় স্তৰত শিক্ষক শিক্ষাৰ প্ৰধান সংগঠনৰ নাম লিখক।

.....

.....

প্ৰশ্ন নং ৬ ঃ DIETৰ প্ৰধান কাৰ্যসমূহ কি?

.....

.....

প্ৰশ্ন নং ৭ ঃ শিক্ষক শিক্ষাৰ বাবে IGNOU যে চলোৱা পাঠ্যক্ৰমবোৰ লিখক।

.....

.....

.....



১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলো

- প্ৰাচীন আৰু মধ্যবৰ্ত্তীকালত, ভাৰতত কোনো আনুষ্ঠানিক শিক্ষক প্ৰশিক্ষণ অনুষ্ঠান নাছিল। শিক্ষাৰ্থীসকলে পৰোক্ষভাবে তেওঁলোকৰ শিক্ষকৰ পৰা মনিটৰিয়েল প্ৰথাৰ যোগেদি প্ৰশিক্ষণ লাভ কৰিছিল। বৃটিছৰ সময়ছোৱাত ভাৰতবৰ্ষত আনুষ্ঠানিক শিক্ষক শিক্ষাৰ অনুষ্ঠান আৰম্ভ হয় আৰু এই অনুষ্ঠানবোৰক নৰ্মাল স্কুল বুলি জনা যায়।

- স্বাধীনতাৰ পৰবৰ্তী সময়ছোৱাত প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ প্ৰয়োজনীয়তা পূৰাবলৈ বহুতো শিক্ষক প্ৰশিক্ষণ অনুষ্ঠানৰ আৰম্ভণি হয়। এনে অনুষ্ঠানবোৰৰ মানদণ্ড ৰক্ষা কৰিবলৈ NCTEৰ প্ৰতিষ্ঠা কৰা হয় আৰ শিক্ষক প্ৰশিক্ষণৰ আৰু শিক্ষাৰ লগত জড়িত বিভিন্ন দিশবোৰো NCTEয়ে পৰিচালনা কৰে।

- শিক্ষক প্ৰশিক্ষণৰ অৰ্থ হৈছে বিভিন্ন নীতি আৰু পদ্ধতিসমূহ, যিবোৰ শিক্ষকৰ জ্ঞান, কৌশল আৰু সামৰ্থবোৰ বিকাশৰ বাবে তৈয়াৰ কৰা হয় আৰু স্কুল তথা বিদ্যালয়ৰশ্ৰেণীকোঠাত উপযুক্তভাবে নিজ কৰ্তব্য পালন কৰাৰ বাবে যোগ্য কৰি তোলে।

- শিক্ষকৰ বাবে প্ৰশিক্ষণৰ প্ৰয়োজন কাৰণ — (ক) শিক্ষাৰ্থীক ভালদৰে বুজি পাব পাৰি (খ) শিক্ষকৰ আত্মবিশ্বাস গঢ়ি তোলে (গ) শিক্ষণ কৌশলসমূহত পাৰ্গতালি অৰ্জনত সহায় কৰে (ঘ) শিকনৰ পদ্ধতিসমূহ বুজাত শিক্ষকক সহায় কৰে (ঙ) শিক্ষকৰ সাংগঠিক সামৰ্থ বৃদ্ধি কৰি তোলে (চ) বিদ্যালয়ৰ সংগঠনৰ সৈতে শিক্ষকক পৰিচিত কৰি তোলে (ছ) প্ৰয়োজন অনুসৰি শিক্ষকৰ জ্ঞান বৃদ্ধিৰ জড়িয়তে শিক্ষা গুণমান আৰু মানদণ্ড বৃদ্ধি কৰি তোলে (জ) শিক্ষকৰ সামাজিক অন্তদৰ্শন সৃষ্টি কৰা (ঝ) গণতান্ত্ৰিক দেশত শিকনৰ ক্ষেত্ৰত সহায় কৰে (ঞ) শিক্ষকতা বৃত্তিৰ প্ৰতি সন্তুষ্টিজনক মনোভাব গঢ়ি তোলে।

- প্ৰাথমিক স্কুলৰ শিক্ষকতা বৃত্তিৰ ক্ষেত্ৰত বিষয়বস্তুৰ জ্ঞান, জ্ঞানৰ যোগাযোগৰ সামৰ্থ, নিৰ্দেশাত্মক আহিলা বিকাশৰ সামৰ্থ, পাঠৰ পৰিকল্পনা আৰু সংগঠন, শিক্ষাৰ্থীৰ মান নিৰ্ধাৰণ আৰু মূল্যায়ন আৰু স্কুলত সহপাঠ্যক্ৰমৰ কাৰ্যসূচীৰ সংগঠন আৰু পৰিচালনা ইত্যাদি যথেষ্ট চাহিদা আছে।

- শিক্ষক সমৰ্থিত সেৱাৰ দুটা নিৰ্দিষ্ট দিশ আছে— প্ৰাক্ চাকৰিকালীন আৰু চাকৰিকালীন অৱস্থা।

- শিক্ষক শিক্ষাৰ কাৰ্যাৱলীয়ে অন্তৰ্ভুক্ত কৰা দিশবোৰ হৈছে প্ৰাক্চাকৰিকালীন আৰু চাকৰিকালীন শিক্ষা, অনুষ্ঠানৰ মূৰব্বীৰ প্ৰশিক্ষণ আৰু পুনৰীক্ষণ, বিদ্যালয় প্ৰকল্পৰ বিদ্যায়তনিক সমৰ্থন, জিলা শিক্ষাৰ বোৰ্ড, কাৰ্য গৱেষণা, প্ৰাপ্তবয়স্ক শিক্ষা, পৰিদৰ্শক আৰু নিৰ্দেশকৰ প্ৰশিক্ষণ ইত্যাদি।

- শিক্ষক সমৰ্থনৰ বিভিন্ন প্ৰকাৰৰ সংগঠনসমূহ হৈছে NCERT, SIE, DIET, Basic Training Centre, Normal School, Colleges of Teacher Education ইত্যাদি।



১০.৭ অধিক জানিবলৈ

১) যতীন বৰুৱা- আধুনিক শিক্ষাত নতুন চিন্তাধাৰা, বৰুৱা পাব্লিচিং, গুৱাহাটী-২১

২) যতীন বৰুৱা- ভাৰতৰ শিক্ষাৰ সমস্যাত দৃষ্টিপাত, হৰাইজন প্ৰিন্টার্চ



১০.৮ অগ্ৰগতি খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ শিক্ষক প্ৰশিক্ষণ হৈছে এক ব্যৱস্থা বা প্ৰক্ৰিয়া যিয়ে শিক্ষকক জ্ঞান, মনোভাব, আচৰণ আৰু কৌশল আদিৰ সৈতে শিক্ষকক জড়িত কৰে আৰু শ্ৰেণী কোঠাত উপযুক্ত পাৰদৰ্শিতা দেখুওৱাৰ বাবে শিক্ষকক এইবোৰৰ প্ৰয়োজন।

২ নং প্ৰশ্নৰ উত্তৰ ঃ শিক্ষক প্ৰশিক্ষণে উপযুক্ত শিকনত সহায় কৰে, ই শিক্ষকক বিভিন্নধৰণে সহায় কৰে যেনে (ক) শিক্ষাৰ্থীসকলক ভালদৰে বুজা (খ) শিক্ষকৰ আত্মবিশ্বাস গঢ়ি তোলা (গ) শিকন কৌশলত পাৰ্গতালি অৰ্জন কৰা (ঘ) শিকনৰ পদ্ধতি বুজাত সহায় কৰা (ঙ) শিক্ষকৰ সাংগঠনিক সামৰ্থৰ বিকাশ (চ) শিক্ষকৰ প্ৰয়োজন অনুযায়ী জ্ঞানৰ বিকাশৰ জৰিয়তে শিক্ষাৰ মানদণ্ড বৃদ্ধি কৰা (ছ) স্কুলৰ সংগঠনৰ সৈতে শিক্ষকক পৰিচিত কৰি তোলা (জ) শিক্ষকৰ সামাজিক অন্তদৰ্শন সৃষ্টি কৰা (ঝ) গণতান্ত্ৰিক দেশত শিকনত সহায় কৰা (ঞ) শিক্ষকতা বৃত্তিৰ প্ৰতি সন্তুষ্টিজনক মনোভাব সৃষ্টি কৰা।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰাক্‌চাকৰিকালীন, চাকৰিকালীন প্ৰশিক্ষণ।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) শিক্ষকসকলৰ বাবে প্ৰাক্ চাকৰিকালীন আৰু চাকৰিকালীন শিক্ষাৰ সংগঠন। (খ) প্ৰাপ্তবয়স্ক শিক্ষা, পৰিদৰ্শক আৰু নিৰ্দেশকৰ বাবে অবিৰত শিক্ষা (গ) অনুষ্ঠানৰ মূৰব্বীৰ বাবে প্ৰশিক্ষণ, সম্পদ আৰু পুনৰীক্ষণ (ঘ) কার্য গৱেষণা আৰু পৰীক্ষণীয় কার্য।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ শিক্ষক শিক্ষাৰ ৰাষ্ট্ৰীয় গৱেষণা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান (NCERT)।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰশিক্ষণ, সম্পদ সমৰ্থন, কার্য গৱেষণা।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰাথমিক শিক্ষাৰ চার্টিফিকেট (CPE) আৰু প্ৰাথমিক শিক্ষাৰ ডিপ্লা'মা (DPE)।



১০.৯ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখিব)

প্ৰশ্ন নং ১ ঃ পৃথিৱীৰ কোনখন দেশত পোনপ্ৰথমে আৰু কোন চনত শিক্ষক প্ৰশিক্ষণ অনুষ্ঠান স্থাপিত হৈছিল?

প্ৰশ্ন নং ২ ঃ ভাৰতবৰ্ষত কোন সময়ছোৱাত শিক্ষক শিক্ষাৰ আনুষ্ঠানিক ব্যৱস্থা আৰম্ভ হৈছিল?

প্ৰশ্ন নং ৩ ঃ শিক্ষক শিক্ষাৰ সকলো দিশৰ সৈতে জড়িত থকা উপদেষ্টামূলক পৰিষদ কোনখন?

প্ৰশ্ন নং ৪ ঃ গণতান্ত্ৰিক নাগৰিকত্বৰ বাবে শিক্ষা কিয় আৰু কিহৰ ভিত্তিত কৰিব লাগে?

প্ৰশ্ন নং ৫ ঃ শিক্ষকৰ বৃত্তিগত বিকাশৰ বাবে সাধাৰণতে কোনবোৰ বিষয় শিক্ষক প্ৰশিক্ষণত অন্তৰ্ভুক্ত কৰা হয়?

খ) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখিব)

প্ৰশ্ন নং ১ ঃ শিক্ষক প্ৰশিক্ষণ কি? শিক্ষক শিক্ষাৰ এটা উদাহৰণ দিয়ক।

প্ৰশ্ন নং ২ ঃ 'শিক্ষক জন্মে, গঢ়ি নুঠে'— এই উক্তিটো সদায়ে সত্যনে? ব্যাখ্যা কৰক।

প্ৰশ্ন নং ৩ ঃ প্ৰশিক্ষণে শিক্ষকৰ আত্মবিশ্বাস বৃদ্ধি কৰাত আৰু শিক্ষাৰ্থীক ভালদৰে বুজাত কেনেদৰে সহায় কৰে?

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখিব)

প্ৰশ্ন নং ১ ঃ শিক্ষক প্ৰশিক্ষণৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব ব্যাখ্যা কৰক।

প্ৰশ্ন নং ২ ঃ শিক্ষকৰ বাবে থকা প্ৰাক-চাকৰিকালীন আৰু চাকৰিকালীন শিক্ষাৰ বৰ্ণনা কৰক।

*** ***** ***

অধ্যায় ১১ ঃ নাৰী সবলীকৰণৰ বাবে শিক্ষা

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ নাৰী শিক্ষাৰ প্ৰয়োজন আৰু গুৰুত্ব

১১.৩.১ নাৰী শিক্ষাৰ অসুবিধাসমূহ

১১.৩.২ নাৰী সবলীকৰণৰ বিভিন্ন কৌশলসমূহ

১১.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.৫ অধিক জানিবলৈ

১১.৬ অগ্ৰগতিৰ খতিয়ান

১১.৭ আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা আৰু উপযোগিতাৰ কথা জানিব পাৰিব।
- নাৰী শিক্ষাৰ অসুবিধাবোৰ চিনাক্ত কৰিব পাৰিব।
- নাৰী সবলীকৰণৰ কৌশলবোৰ নিৰ্দিষ্ট কৰি দেখুৱাব পাৰিব।

১১.২ পৰিচয়

অতীত কালৰে পৰা মহিলাসকলে সমাজৰ উন্নতিৰ কাৰণে এক বিশেষ স্থান অধিকাৰ কৰি আহিছে। পৰিয়ালৰ মাজত মাতৃ হিচাপে, পত্নী হিচাপে, জী আৰু ভগ্নী হিচাপে মহিলাসকলৰ অৱদান যথেষ্ট। সমাজৰ উত্থান-পতনৰ ক্ষেত্ৰত মহিলাসকলে বিশেষভাৱে প্ৰতিনিধিত্ব কৰিব পাৰে। এখন সমাজত মহিলাসকলৰ মৰ্যাদা কেনেকুৱা তাৰ ওপৰত নিৰ্ভৰ কৰি এখন দেশৰ সামাজিক আৰু অৰ্থনৈতিক অৱস্থাৰ কথা মূল্যাংকন কৰিব পাৰি। এই ক্ষেত্ৰত শিক্ষা ব্যৱস্থাই বিশেষ সুবিধা আগবঢ়াই আহিছে। 'শিক্ষা' মানৰ সমাজৰ পৰিৱৰ্তনৰ লগতে সমাজখনৰ উন্নতিৰ এক বিশেষ সঁজুলি স্বৰূপ। ই বিভিন্ন জাতি-জনজাতি, শ্ৰেণীৰ লগতে বিভিন্ন দলসমূহৰ মাজত এটা সমভাৱ কঢ়িয়াই অনাত সহায় কৰি আহিছে। ক্ৰমাগতভাৱে লিংগ প্ৰকৰণ যদিও শিক্ষা ব্যৱস্থাৰ মাজত সোমাইছিল তথাপি বৰ্তমান সম শিক্ষাৰ ওপৰতেই প্ৰাধান্য দিয়া হৈছে, য'ত নাৰী-পুৰুষ সমান্তৰালভাৱে একেলগে শিক্ষা গ্ৰহণ কৰিব পাৰে। মহিলাসকলৰ ওপৰত নিৰ্ভৰ কৰি আমি এখন সমাজৰ মানদণ্ড নিৰূপণ কৰিব পাৰোঁ। ২০১১ চনৰ লোকপিয়লৰ মতে প্ৰায় ৪৯% ভাৰতত মহিলা আছে। বৈদিক যুগৰ আগৰ কালছোৱাত মহিলাসকলে সমাজত পুৰুষৰ সমস্থান অধিকাৰ কৰিছিল, কিন্তু সময়ৰ পৰিৱৰ্তনৰ লগে লগে ভাৰতত

মহিলাসকলৰ গুৰুত্ব লাহে লাহে কমি আহিবলৈ ধৰিলে। সমাজখনৰো লাহে লাহে পৰিৱর্তন ঘটিল য'ত পুৰুষৰ সমানে সমানে নহৈ মহিলাসকলৰ স্থান অৱনমিত হ'ল। মানৱ অধিকাৰৰ প্রতিষ্ঠিত আন্তঃ ৰাষ্ট্রীয় সভা আৰু নাৰী সবলীকৰণৰ নিয়ম নীতিবোৰো সমাজত প্রচলিত গোড়ামিৰ আগত হাৰ মানিব লগা হৈছিল। গতিকে একমাত্র নাৰীশিক্ষাই হ'ল নাৰী সবলীকৰণৰ প্রধান অস্ত্র। স্বাধীনতাৰ পিছত ভাৰতবর্ষত নেতৃত্বশীল আৰু চিন্তাবিদসকলে নাৰী শিক্ষাৰ ক্ষেত্রত যথেষ্ট গুৰুত্ব দিছিল। তেওঁলোকৰ মতে, নাৰী সাৱলীকৰণৰ বাবে নাৰী শিক্ষা অতি প্রয়োজনীয়। এই অধ্যায়টিত নাৰী শিক্ষাৰ প্রয়োজনীয়তা আৰু গুৰুত্বৰ বিষয়ে খৰচি মাৰি আলোচনা কৰা হ'ব।

১১.৩ নাৰী শিক্ষাৰ প্রয়োজনীয়তা আৰু গুৰুত্ব

যদিও প্রাচীন কালত ভাৰতত মহিলাসকলক সন্মানজনক স্থান দিয়া হৈছিল, কিন্তু সময়ৰ লগে লগে পুৰুষ আৰু মহিলাসকলৰ অসমতাই মহিলাসকলৰ স্থান দুর্বল কৰি তুলিলে। বৃটিছসকল অহাৰ লগে লগে শিক্ষাৰ ক্ষেত্রত হোৱা পৰিৱর্তনৰ কাৰণে নাৰী শিক্ষাৰ বিভিন্ন দিশে গুৰুত্ব লাভ কৰিছিল আৰু স্বাধীনতাৰ পিছত এই বিষয়টোৱে অন্যতম গুৰুত্ব লাভ কৰিবলৈ সক্ষম হ'ল। কিন্তু সঁচা অর্থত, দেশখন আর্থ সামাজিক উন্নতিৰ বিভিন্ন ক্ষেত্রত এতিয়াও প্রচুৰ পৰিমাণে লিংগ বৈষম্য থকা পৰিলক্ষিত হয়। শিক্ষাৰ ক্ষেত্রৰ লগতে কাৰিকৰী নিপুণতা আহৰণৰ ক্ষেত্রতো পুৰুষৰ তুলনাত মহিলাসকলে পিছপৰি থকা দেখা গৈছে। মহিলাসকলে পুৰুষৰ বিপৰীতে অর্থনৈতিক আৰু সামাজিক ভাৱে দুর্বল স্থিতি গ্রহণ কৰিছে আৰু সম-অধিকাৰ আৰু সম-সুবিধা ভোগৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে।

ভাৰতবর্ষৰ সংবিধানৰ অন্তর্গত সামাজিক ন্যায় ব্যৱস্থাটোৱে মহিলাসকলে যাতে পুৰুষৰ সমানে মানৱ অধিকাৰ আৰু সংবিধানৰ বিভিন্ন সুবিধাসমূহ দেশখনৰ নাগৰিক হিচাপে উপভোগ কৰিব পাৰে তাৰ বাবে দাবী জনায় আহিছে। তাৎপর্যপূর্ণ কথা যে, এখন দেশৰ জনসংখ্যাৰ প্রায় আধা অংশই মহিলা আৰু তেওঁলোকৰ পুৰুষৰ সমানে ফেৰ মাৰিব পৰাকৈ সম্পূর্ণ অধিকাৰ আছে। এইটো কথা প্রতিপন্ন কৰিবলৈ আমাৰ বুদ্ধিজীৱীসকলৰ লগতে ভাৰতৰ প্রধানমন্ত্রী পণ্ডিত জৱাহৰলাল নেহৰু দেৱে কৈছিল ---

"When you educate a man, you educate an individual and when you educate a woman you educate a whole family."

(যেতিয়া তুমি এজন পুৰুষক শিক্ষিত কৰিবা তেতিয়া কেৱল এজন ব্যক্তি শিক্ষিত হয়, কিন্তু যেতিয়া এগৰাকী মহিলাক শিক্ষিত কৰা হয় তেতিয়া এটা পৰিয়াল শিক্ষিত হয়।)

আমি জানো যে, শিক্ষা মহিলা সমাজৰ কাৰণে অতি প্রয়োজনীয় কাৰণ ই মহিলাসকলৰ সবলীকৰণৰ লগতে গোটেই সমাজখনৰ উন্নতি সাধন কৰিব পাৰে। এগৰাকী শিক্ষিত মাতৃয়ে পৰিয়ালটোৰ সু-শিক্ষাৰ লগতে সু-স্বাস্থ্য ব্যৱস্থাৰো উন্নতি সাধন কৰিব পাৰে, লগতে প্রযুক্তিকৰ আৰু বৃত্তিমূলক শিক্ষাৰ জৰিয়তে পৰিয়ালৰ আয়ৰ মাত্রাও বঢ়াই তুলিব পাৰে। প্রকৃত শিক্ষা আহৰণে নাৰীসকলক সমাজত চলি থকা বিভিন্ন শোষণৰ বিৰুদ্ধে মাত মতাৰ

বাবে সবল কৰি তোলে। সেয়েহে দেশৰ উন্নতিৰ কাৰণে নাৰী শিক্ষা এক প্ৰধান আহিলা হিচাপে গণ্য কৰা হৈছে।

বিশ্ববিদ্যালয় শিক্ষা আয়োগ ১৯৪৮-৪৯ [The University Education commission] ৰ মতে, [The university education commission (1948-49) has rightly observed. "There cannot be an educated people without educated women. If general education had to be limited to men or women for then it would most surely be passed on to the next generation. General education is very important not only for men but also for women; because it is the education that makes men's or women's living interesting and intelligent. It also makes a person good, useful and productive citizen of his/her society."]

নাৰী শিক্ষাৰ অবিহনে আমি মানুহ শিক্ষিত হোৱা বুলি ক'ব নোৱাৰোঁ, যদি সাৰ্বজনীন শিক্ষা কেৱল পুৰুষ বা মহিলাৰ মাজতে সীমাবদ্ধ হৈ থাকে তেতিয়াহ'লে নিঃসন্দেহে এই প্ৰবাহ পিছৰ প্ৰজন্মৰ মাজতো বৰ্তি থাকিব। সাৰ্বজনীন শিক্ষা পুৰুষ মহিলা উভয়ৰ কাৰণে অতি প্ৰয়োজনীয়, কাৰণ শিক্ষাই মানুহক বৌদ্ধিক দিশত আগবঢ়াই লৈ যাব পাৰে লগতে ই এজন মানুহক সমাজৰ আৰু দেশৰ উপযোগীকৈ উৎপাদনক্ষম হিচাপে গঢ় দিয়াত সহায় কৰে।

According to chabaud, "the education of women has become a world-wide meed. It is not a question of providing the rudiments of an education on humanitarian grounds: women must be given all the means of participating in the building of the world."

Chabaud ৰ মতে, নাৰী শিক্ষাই এতিয়া বিশ্বজুৰি প্ৰসাৰতা লাভ কৰিছে। নাৰী শিক্ষা এটা প্ৰশ্ন হ'ব নোৱাৰে; যি প্ৰশ্নই মানৱতা আৰু শিক্ষাৰ মূল সূত্ৰ কি তাৰ বিবেচনা কৰে। কেৱল মাত্ৰ মানৱতাৰ খাতিৰত নাৰীক শিক্ষা দিয়াতে সীমাবদ্ধ নাথাকি এখন সুস্থ-সবল বিশ্ব গঢ়ি তুলিবৰ বাবে প্ৰয়োজনীয় সকলো ক্ষেত্ৰতে মহিলাসকলক শিক্ষা দিয়াটো বাঞ্ছনীয়।

এখন লিংগ বৈষম্যহীন সমাজ গঢ়ি তুলিবৰ বাবে চৰকাৰী তথা বেচৰকাৰী অনুষ্ঠানসমূহে মহিলাসকলে যাতে সাধাৰণ শিক্ষাৰ লগতে কাৰিকৰী শিক্ষাত আহৰণ কৰিব পাৰে তাৰ বাবে মহিলাসকলক অনুপ্ৰেৰণা যোগাইছে। শিক্ষাৰ ওপৰত প্ৰতিষ্ঠিত চৰকাৰী বিভিন্ন সভা আৰু আয়োগবোৰেও নাৰী শিক্ষাৰ স্বকীয় প্ৰয়োজনীয়তা আৰু প্ৰকৃতিক গুৰুত্ব দি আহিছে। ভাৰতবৰ্ষত, সকলো ক্ষেত্ৰতে নাৰী পুৰুষৰ সম অধিকাৰ থকা যিটো সপোন তাক বাস্তৱ কৰিবৰ কাৰণে আমি বিভিন্ন সামাজিক আৰু পৰম্পৰাগত বাধাবোৰ পাৰ কৰ্ব্বি লাগিব, যিবোৰ বাধা মহিলাসকলৰ সবলীকৰণত হেঙাৰ হিচাপে থিয় দিছে। সেয়েহে শিক্ষাৰ আঁচনিসমূহত বিশেষকৈ নাৰীসকলৰ আগ্ৰহ আৰু প্ৰয়োজনীয়তাক গুৰুত্ব দিব লাগিব আৰু তাৰবাবে আমি প্ৰচলিত পাঠ্যক্ৰমৰ প্ৰয়োজনীয় সাল-সলনি কৰিব লাগিব, যি পাঠ্যক্ৰমে মহিলাসকলৰ ইচ্ছা, যোগ্যতা বৃদ্ধিৰ লগতে জীৱন নিৰ্বাহৰ বাবে প্ৰয়োজনীয় গুণ তথা কৌশলসমূহ আয়ত্ব কৰিব পাৰে। এখন দেশৰ উন্নতিৰ প্ৰকৃত মানদণ্ড দেশখনৰ শিক্ষা

ব্যৱস্থাৰ ওপৰত নির্ভৰ কৰে। জীৱনৰ লক্ষ্য কি, তাক অনুভৱ কৰিবলৈ মহিলাসকলক পুৰুষৰ সমানে আগবাঢ়িবলৈ সুযোগ দিব লাগিব। নাৰী শিক্ষা মাধ্যমিক স্তৰলৈ বাধ্যতামূলক কৰাৰ ক্ষেত্ৰত চৰকাৰে এক বিশেষ দায়িত্ব অৱলম্বন কৰিব লাগে। দেশৰ আমোলা বা শাসন কৰ্তাসকলেও দেশৰ উন্নতিৰ কাৰণে, মহিলাসকলৰ বাবে কাৰিকৰী বা প্ৰযুক্তিমূলক শিক্ষাৰ ব্যৱস্থা প্ৰচলন কৰাৰ ওপৰত গুৰুত্ব দিয়া উচিত। মহিলাসকলক শিক্ষাৰ প্ৰতি আকৰ্ষিত কৰিবৰ কাৰণে কিছুমান সা-সুবিধা আৰু বৃত্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে, যাতে আমি এখন বৰ্ণ বৈষম্যহীন সমাজ গঢ় দিব পাৰোঁ।

এই ক্ষেত্ৰত, মহিলাসকলেও নিজে যিখন সমাজত বাস কৰিছে তাৰ উন্নতি আৰু পৰিৱৰ্তনৰ কাৰণে কিছু খৰতকীয়া সহযোগিতা আগবঢ়াব লাগিব। কাৰ্যক্ষমতা, যোগাত্মক জ্ঞান তথা ব্যৱহাৰিক কৌশল অৰ্থনৈতিকভাৱে দুৰ্বল পৰিয়াল এটিক অৰ্থনৈতিকভাৱে স্বাৱলম্বী কৰি তুলিব পাৰে। গতিকে ক'বলৈ গ'লে মহিলাসকলে নিজৰ পৰিয়ালটোক দৰিদ্ৰতাৰ পৰা মুক্ত কৰাত এক বিশেষ ভূমিকা পালন কৰিব পাৰে। ইয়াৰ কাৰণে নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা অত্যাৱশ্যকীয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ নাৰী শিক্ষা বুলিলে কি বুজে?

.....

.....

প্ৰশ্ন নং ২ ঃ নাৰী শিক্ষাক কিয় গুৰুত্ব দিয়া উচিত?

.....

.....



চিন্তা চৰ্চা কৰক ১১.১

এগৰাকী নাৰীক শিক্ষিত কৰাৰ যুক্তিযুক্ততা ক'ত? আলোচনা কৰক।

.....

.....

১১.৩.১ নাৰী শিক্ষাৰ অসুবিধাসমূহ

বৰ্তমান সমাজলৈ লক্ষ্য কৰিলে দেখা যায়, সমাজৰ সকলো দিশেই প্ৰগতিৰ পথত আগবঢ়া। কিন্তু নাৰী-সবলীকৰণৰ যি লক্ষ্য তাক উপলব্ধি কৰাত এতিয়াও বহুতো সমস্যাৰ সন্মুখীন হ'বলগা হয়। উন্নয়নৰ সুফলসমূহ উপভোগ কৰাত পুৰুষৰ তুলনাত মহিলাসকল এতিয়াও বহুত পিছপৰি আছে। উদাহৰণ স্বৰূপে, এতিয়াও একেটা কামৰ বাবে আয় আৰু মজুৰিৰ ক্ষেত্ৰত পাৰ্থক্য আছে। আনকি মহিলাসকলে এতিয়াও শিক্ষাৰ ক্ষেত্ৰত বহুতো সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে। তলত সেই সমস্যাসমূহৰ বিষয়ে বিশ্লেষণ কৰা হওক-

- বৰ্তমানে প্ৰচলিত পাঠ্যক্ৰমসমূহত মহিলাসকলৰ জীৱন, দায়িত্ব বা ঘৰুৱা প্ৰয়োজনীয়তাসমূহৰ সম্পৰ্কে কোনো আলোচনা কৰা দেখা নাযায়। গতিকে সেই বিষয়সমূহ সম্পৰ্কে সম্যক গৱেষণাৰ লগতে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰা উচিত।
- মাধ্যমিক বা উচ্চস্তৰৰ শিক্ষানুষ্ঠানসমূহত ছাত্ৰীনিবাস থকাটো অতি প্ৰয়োজনীয়। উচ্চ মাধ্যমিক আৰু মহাবিদ্যালয় পৰ্য্যায়ত সমূহীয়া বা ছোৱালীৰ বাবে সুকীয়া অনুষ্ঠান এটা গঢ় দিয়াৰ ক্ষেত্ৰত পৰিচালনা সমিতি তথা অভিভাৱকসকলক পূৰ্ণ স্বাধীনতা প্ৰদান কৰা উচিত। এই ক্ষেত্ৰত অভিভাৱক বা সমাজৰ আন আন মানুহবোৰও আগবাঢ়ি আহিব লাগিব যাতে মহিলাসকলৰ বাবে সুকীয়া বিদ্যালয় স্থাপন কৰিব পাৰি।
- বহুতো গুৰুত্বপূৰ্ণ দিশত মহিলাসকলৰ শিক্ষাৰ বাবে ল'বলগীয়া বহল বা বিস্তাৰিত আঁচনিৰ অভাৱ হোৱা দেখা যায়। এই ক্ষেত্ৰত সু-যোগাযোগ আৰু সু-পৰিবহনৰ ব্যৱস্থাই মহিলাসকলক আগবাঢ়ি যোৱাত সহায় কৰিব পাৰে।
- নাৰী শিক্ষাৰ আন এটা সমস্যা হ'ল অৰ্থনৈতিক দূৰৱস্থা। গাঁৱলীয়া সমাজত অৰ্থনৈতিক দূৰৱস্থাই মহিলাসকলৰ শিক্ষাৰ ক্ষেত্ৰত বহু বাধাৰ সৃষ্টি কৰিছে। সেয়েহে বিনামূলীয়া সাজ-পোছাক আৰু বিনামূলীয়া পাঠ্যপুথিৰ বিতৰণ ব্যৱস্থা অতি প্ৰয়োজনীয়। আনকি মহিলাসকলে যাতে শিক্ষাৰ প্ৰতি আকৃষ্ট হয় তাৰবাবে চৰকাৰেও বিভিন্ন আঁচনিৰ সহায়ত বিভিন্ন সা-সুবিধাৰ ব্যৱস্থা কৰিব লাগিব।
- এতিয়াও গ্ৰামাঞ্চলত মহিলা শিক্ষাৰ প্ৰতি গুৰুত্ব কম দিয়া দেখা যায়। এই ক্ষেত্ৰত মহিলা সমিতি, ৰাজ্যিক মহিলা শিক্ষা পৰিষদ, বিভিন্ন জিলা সংস্থা আদিৰ মাজত এটা সু-সম্বন্ধ গঢ়ি তুলিব লাগিব। যাতে তেওঁলোকে একেলগে মহিলা শিক্ষাৰ গুৰুত্বতাৰ ক্ষেত্ৰত মাত মাতিব পাৰে লগতে জনসাধাৰণৰ মনত সচেতনতা জগাই তুলিব পাৰে।
- গাওঁ অঞ্চলত সুস্থ শিক্ষা পৰিৱেশৰ অভাৱ নাৰী শিক্ষা উন্নতিৰ আন এটি

সমস্যা। গতিকে চৰকাৰে প্ৰয়োজনীয় সা-সুবিধা যেনে-শৌচাগাৰ, প্ৰস্ৰাৱগাৰ, পানীৰ সু-ব্যৱস্থা আদি আগবঢ়োৱাৰ লগতে সবল পদক্ষেপ গ্ৰহণ কৰা উচিত।

- মহিলা শিক্ষাৰ আন এটি গুৰুত্বপূৰ্ণ সমস্যা হ'ল সুস্থ পৰিদৰ্শন আৰু পৰ্যবেক্ষণৰ লগতে উৎকৃষ্ট পৰামৰ্শৰ অভাৱ। গতিকে সময় অনুযায়ী স্কুলৰ পৰ্যবেক্ষণৰ লগতে মহিলাসকলৰ সৰ্বাহগীন উন্নতিৰ বাবে পৰামৰ্শ দানৰো ব্যৱস্থা কৰিব লাগে।
- মহিলা শিক্ষয়িত্ৰীৰ অভাৱ নাৰী শিক্ষাৰ আন এক অন্তৰায়। সেয়ে বিদ্যালয়সমূহত মহিলা শিক্ষয়িত্ৰীৰ নিয়োগেৰে ছাত্ৰীসকলৰ সমস্যাবোৰৰ অংশীদাৰ হোৱাৰ লগতে তেওঁলোকৰ সৰ্বাত্মক দিশৰ বিকাশ সাধনত সহায় কৰিব পাৰে।
- আন এটা গুৰুত্বপূৰ্ণ সমস্যা হ'ল আমাৰ সমাজত ছোৱালী সন্তান থকা অভিভাৱকসকলৰ যথোচিত সা-সুবিধা বা বৃত্তিৰ অভাৱৰ হেতুকে বিশেষকৈ নাৰীসকল শিক্ষাৰপৰা বঞ্চিত হ'ব লগা হয়। সেয়েহে চৰকাৰে কিছুমান বিশেষ আঁচনি গ্ৰহণ কৰিব লাগিব যাতে ল'ৰা-ছোৱালীৰ মাজত থকা প্ৰভেদসমূহ সমাজৰ পৰা আঁতৰ কৰিব পাৰিব।

১১.৩.২ নাৰী সবলীকৰণৰ বিভিন্ন কৌশলসমূহ

নাৰী পুৰুষৰ বৈষম্যতাত বহুতো কথাই ক্ৰিয়া কৰে। প্ৰাচীন কালৰ পৰাই সমাজত কিছুমান বিশেষ নিয়ম প্ৰচলিত হৈ আছে; যেনে - মহিলাসকলৰ গতিশীলতাৰ ওপৰত প্ৰতিবন্ধকতা, মহিলা শিক্ষাৰ প্ৰতিবন্ধকতা, সামাজিক প্ৰতিবন্ধকতা আদি। মহিলাসকলে যাতে পুৰুষৰ সমানে মৰ্যাদাপূৰ্ণ জীৱন-যাপন কৰিব পাৰে তাৰ একমাত্ৰ উপায় হ'ল- নাৰীক সবল কৰি তোলা। জ্ঞানৰ সক্ষতা, যোগ্যতা, ক্ষমতা, যুক্তিপূৰ্ণ বিশ্লেষণ, সংযমশীলতা আৰু আত্মবিশ্বাস আদিয়ে এজন ব্যক্তিক সবল কৰি তোলে। শিক্ষাইহে নাৰীসকলৰ বহুমুখী প্ৰতিভা আৰু দক্ষতাৰ বিকাশ সাধন কৰি নাৰীক সবল কৰি তুলিব পাৰে। তদুপৰি শিক্ষাই নাৰীক নিজ পৰিয়ালত বা সমাজত, পুৰুষৰ সমানে অধিকাৰ আৰু মৰ্যাদা পোৱাত সহায় কৰে। শিক্ষাৰ সবলীকৰণে ব্যক্তিয়ে নিজকে গঢ় দিয়াৰ লগতে সূক্ষ্ম বিশ্লেষণাত্মক দৃষ্টিভংগী গ্ৰহণ কৰিব পাৰে। ইয়াৰ উপৰি শিক্ষাই পৰম্পৰাগত ক্ষমতা গাঁথনিত থকা লিংগ বৈষম্যতাৰ বিষয়েও এজন পুৰুষ বা মহিলাক সচেতন কৰি তোলে।

শিক্ষাৰ দ্বাৰা নাৰীসমাজক সবল কৰি তোলাৰ কৌশল কিছুমান তলত আলোচনা কৰা হ'ল ---

- জনসংখ্যা নিয়ন্ত্ৰণত সুস্থিৰতা অনাৰ ক্ষেত্ৰত ভাৰত চৰকাৰে গ্ৰহণ কৰা দেশীয় জনসংখ্যা আয়োগ (The National Papulation Policy, 2000) এ মহিলা সবলীকৰণ আৰু লিংগভিত্তিক বিষয়সমূহক প্ৰাধান্য দিয়াত অধিক গুৰুত্ব দিছিল। সেয়েহে ১৯৯৪ চনত Cairo ত অনুষ্ঠিত হোৱা আন্তঃৰাষ্ট্ৰীয়

সম্মিলনত মহিলাসকলে জনসংখ্যা বৃদ্ধি নিয়ন্ত্রণত যাতে সচেতন হয় তাৰ প্রতি গুৰুত্ব আৰোপ কৰিছিল। অর্থাৎ এগৰাকী মহিলা যদি সবল হয় আৰু জন্ম নিয়ন্ত্রণৰ প্রতি সচেতন হয় তেন্তে সৰু পৰিয়াল এটিক সুচাৰুৰূপে চলাই নিয়াত সহায়ক হয় লগতে সন্তানৰ সুন্দৰ ভৱিষ্যত গঢ় দিয়াৰ বাট সুচল হৈ পৰে।

- ভাৰত চৰকাৰে National Literacy Mission (NLM) ১৯৮৮ চনত মহিলাসকলৰ বাবে বহল ভিত্তিত শিক্ষাৰ ওপৰত গুৰুত্ব দিছে যিয়ে মহিলাসকলৰ অর্থনৈতিক স্বচ্ছলতাৰ বাট মুচল কৰিব পাৰে। সবলীকৰণে সমাজত চলি থকা নাৰী পৰাধীনতা আৰু একঘেয়ামী ঘৰুৱা কামসমূহৰ পৰা মুক্ত কৰিবৰ বাবে প্রচেষ্টা লোৱাৰ উপৰি সমাজত নাৰীৰ স্থানৰ প্রতি সচেতনতাৰ ভাৱ জগাই তোলাৰ ওপৰত প্রাধান্য দিছিল।
- নাৰী সবলীকৰণে এগৰাকী মহিলাক সকলো ধৰণৰ সামাজিক হিংসা বা বেয়া পৰিস্থিতিৰ বিপৰীতে বলিষ্ঠ পদক্ষেপ গ্রহণৰ বাবে লগতে অর্থনৈতিক উন্নতিৰ ক্ষেত্রত নিজৰ ক্ষমতা প্রয়োগ কৰিব পাৰে তাৰ বাবে উৎসাহ-উদ্দীপনা আগবঢ়ায়।
- মহিলা শিক্ষাৰ লগত সন্তানৰ মৃত্যুৰ হাৰ বিশেষভাৱে জড়িত হৈ আছে। শিক্ষিত মাতৃয়ে নিজৰ সন্তানক পৰিষ্কাৰ পৰিচ্ছন্ন কৰি ৰখাৰ লগতে পৰিপুষ্টিৰ ওপৰতো বিশেষ গুৰুত্ব দিব পাৰে। ইয়াৰ লগতে সময় অনুযায়ী শিশুটিৰ বেমাৰ বিশেষে ডাক্তৰৰ পৰামর্শও সহজে ল'ব জানে। গঢ় হিচাপত ছয়বছৰতকৈ কম শিক্ষা থকা শিক্ষিত মহিলাৰ সন্তানৰ জন্ম হাৰ ১০০০ ৰ বিপৰীতে ১০০ টা আৰু অশিক্ষিত মাতৃৰ সন্তানৰ মৃত্যু হাৰ ১০০০ ৰ বিপৰীতে ১৭০ টা হোৱা দেখা যায়।
- শিক্ষিত মাতৃয়ে লিংগভেদ নির্বিশেষে নিজৰ সন্তানৰ শিক্ষাৰ ক্ষেত্রত যথেষ্ট গুৰুত্ব দিয়ে আৰু এনে ভাৱধাৰাই আমাৰ দেশৰ এশ শতাংশ মানুহক শিক্ষিত কৰাত যথেষ্ট ভূমিকা গ্রহণ কৰে।
- বর্তমান দূ�ৰ আৰু মুক্ত শিক্ষা ব্যৱস্থাই (ODL) নাৰী সবলীকৰণ কৰাৰ ক্ষেত্রত এক বিশেষ ভূমিকা গ্রহণ কৰিছে। গৃহিণীৰ লগতে বাহিৰত কাম কৰা মহিলাসকলেও নিজৰ শৈক্ষিক দিশ অগবঢ়াবৰ বাবে দূৰ আৰু মুক্ত শিক্ষাই বহু সুবিধা আগবঢ়াইছে। এই ক্ষেত্রত বিভিন্ন সংগঠন যেনে- ইন্দিৰা গান্ধী ৰাষ্ট্রীয় মুক্ত বিশ্ববিদ্যালয় (IGNOU), কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত শিক্ষা ব্যৱস্থাই বিভিন্ন পাঠ্যক্রম কৰি মহিলাসকলক বিশেষভাৱে সহায় কৰিছে। আমাৰ সমাজত গ্রামাঞ্চলৰ সৰহ সংখ্যক মহিলাই উচ্চশিক্ষিত নহয়। মুক্ত আৰু দূৰৱর্ত্তী শিক্ষাই উচ্চশিক্ষা গ্রহণ কৰাৰ বাবে উৎসাহী লোকসকলক অনুপ্রেৰণাৰ লগতে সুযোগ সুবিধা প্রদান কৰে যিটো সাধাৰণ আনুষ্ঠানিক শিক্ষাৰ বাবে সমাজৰ চুকে-কোনে শিক্ষা বিস্তাৰ কৰাটো সহজসাধ্য নহয়। অর্থাৎ এই শিক্ষা - ব্যৱস্থাৰ দ্বাৰা নাৰী শিক্ষাৰ প্রসাৰ কৰাৰ লগতে লিংগ বৈষম্যতাৰ চিন্তাধাৰা দূৰ কৰি সমাজৰ উন্নতি সাধন কৰিব পৰা যায়। মুক্ত আৰু দূৰ শিক্ষা

ব্যৱস্থাৰ দ্বাৰা মহিলাসকলক সময়ৰ সদ্ব্যৱহাৰ আৰু সামগ্ৰীৰ উপযুক্ত ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত বিশেষভাৱে পাৰ্গত বা নিপুন কৰি তুলিব পাৰি। তদুপৰি আনুষ্ঠানিক শিক্ষাৰ ক্ষেত্ৰত মহিলাসকলে দৈনন্দিন ঘৰুৱা কামত অহা সম্ভাৱনীয় বাধাৰোৱা সন্মুখীন হ'ব লগা হয়, সেয়া মুক্ত আৰু দূ�ৰ শিক্ষা ব্যৱস্থাত দেখা নাযায়। মুক্ত আৰু দূ�ৰৱৰ্ত্তী শিক্ষাই মহিলাসকলৰ ঘৰুৱা কামৰ লগতে সন্তানৰ চোৱা-চিতাৰ উপৰিও বৃত্তিত জড়িত থকা মহিলাসকলে নিজৰ কামত কোনো বাধা নোহোৱাকৈ শিক্ষা গ্ৰহণৰ সুবিধা লাভ কৰিব পাৰে। KKHSOU এ কৈছিল যে, দূৰ আৰু মুক্ত শিক্ষা ব্যৱস্থাই মহিলাসকলক সময়, ঠাই, সম্পদ আৰু আৰ্থ সামাজিক অসমতাৰ লগত জড়িত সমস্যাবোৰ দূৰ কৰাত সহায় কৰে। বেছিভাগ মহিলাই প্ৰচলিত আনুষ্ঠানিক উচ্চশিক্ষা পাবলৈ সমৰ্থ নহয়, কিন্তু মুক্ত আৰু দূৰ শিক্ষা ব্যৱস্থাই কম খৰছত মহিলাসকলক বিভিন্ন ডিগ্ৰী পোৱাৰ ক্ষেত্ৰত সহায় কৰিব পাৰে। গতিকে আমি ক'ব পাৰোঁ যে, মুক্ত আৰু দূ�ৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাই শিক্ষাৰদ্বাৰা নাৰী সবলীকৰণত এক বিশেষ ভূমিকা গ্ৰহণ কৰে। শিক্ষাৰ ক্ষেত্ৰত দেখা পোৱা বিভিন্ন ধৰণৰ কাম, সামাজিক বাধাসমূহ দূৰ কৰাৰ আন এক কৌশল হ'ল দূৰ আৰু মুক্ত শিক্ষা ব্যৱস্থা। মহিলা সবলীকৰণ ব্যৱস্থাত ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক সকলো দিশ সামৰি লোৱা উচিত, এই ক্ষেত্ৰত চৰকাৰ আৰু সামাজিক সংগঠন সমূহে মহিলা শিক্ষা, বিশেষকৈ কন্যা শিশুৰ স্বাস্থ্যৰ যত্ন লোৱা, মহিলাসকলক উচিত সংস্থাপনৰ ব্যৱস্থা কৰা আদি ক্ষেত্ৰত একেলগে বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰাটো অতি প্ৰয়োজনীয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ নাৰী শিক্ষাৰ দুটা প্ৰধান সমস্যা উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৪ ঃ নাৰী সবলীকৰণ বুলিলে কি বুজে?

.....

.....



চিন্তা চৰ্চা কৰক ১১.২

আমাৰ দেশৰ নাৰী শিক্ষাৰ ক্ষেত্ৰত দেখা দিয়া সমস্যাসমূহ দূৰীকৰণৰ কেইটামান পৰামৰ্শ আগবঢ়াওক।

.....

.....



১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সমাজত এগৰাকী মহিলাই মাতৃ, পত্নী, জী, ভগ্নী আদি বিভিন্ন ৰূপত আত্মপ্ৰকাশ কৰে।
- এখন দেশৰ মহিলাসকলৰ মৰ্যাদাই দেশ এখনৰ মৰ্যাদাৰ বিষয়ে জ্ঞান দিয়ে।
- নাৰী সবলীকৰণত শিক্ষাই এক বিশেষ ভূমিকা পালন কৰে, লগতে পিছপৰি থকা সমাজ এখনৰ অগ্ৰগতিৰ দিশত ইয়াৰ গুৰুত্ব আৱশ্যকীয়।
- অতীত কালৰ বিভিন্ন ধৰ্ম শাস্ত্ৰবোৰৰ পৰা জানিব পাৰোঁ যে, মহিলা সকলক সেই সময়ত সমাজত উচ্চ স্থান দিয়া হৈছিল। কিন্তু পৰৱৰ্ত্তী কালত লাহে লাহে সমাজত মহিলাসকলৰ স্থান অৱনমিত হ'ল। লিংগ বৈষম্যতা, সামাজিক আৰু পৌৰাণিক ৰীতি-নীতিয়েই সমাজত নাৰীৰ স্থান অৱনমিত হোৱাৰ প্ৰধান কাৰণ।
- মহিলাসকল অকল শিক্ষাৰ হিতাধিকাৰীয়েই নহয়, লগতে শিক্ষা ব্যৱস্থাত সক্ৰিয় ভূমিকাও গ্ৰহণ কৰিব পাৰিব লাগিব।
- এজন সমল ব্যক্তি জ্ঞান, কৌশল, প্ৰতিযোগিতামূলক মনোভাৱ, যুক্তিপূৰ্ণ বিশ্লেষণাত্মক ক্ষমতা, সংযত হোৱাৰ লগতে আত্মসন্মানৰ নিজস্ব বিচাৰ শৈলীৰে পৰিপূৰ্ণ হ'ব লাগিব। এগৰাকী সবল নাৰীয়ে এই গুণসমূহ আয়ত্ব কৰিব পাৰিব লাগিব আৰু এই ক্ষেত্ৰত শিক্ষাই ব্যক্তি এগৰাকীক সবলীকৰণত বিশেষ ভূমিকা গ্ৰহণ কৰে।



১১.৬ অধিক জানিবলৈ

১) ড° লক্ষহীৰা দাস - সম্পূৰ্ণ শিক্ষা, সঙ্গম প্ৰকাশন

২) যতীন বৰুৱা - আধুনিক শিক্ষাত নতুন চিন্তাধাৰা, বৰুৱা পাব্লিচিং, গুৱাহাটী-২১

৩) যতীন বৰুৱা - ভাৰতৰ শিক্ষাৰ সমস্যাত দৃষ্টিপাত, হৰাইজন প্ৰিন্টাৰ্চ

১১.৭ অগ্রগতি খতিয়ান

১ নং প্রশ্ন উত্তৰ ঃ নাৰী শিক্ষাৰ দ্বাৰা মহিলাসকলক সমাজত নিজস্ব মর্যাদা প্রতিপন্ন কৰিবৰ বাবে দিক্ষিত কৰা হয়। শিক্ষা নাৰী সবলীকৰণৰ প্রধান অস্ত্র যাৰ দ্বাৰা মহিলাসকলে জ্ঞান, দক্ষতা, কৌশল তথা প্রতিযোগিতামূলক ভাবধাৰা আহৰণ কৰিব পাৰে।

২ নং প্রশ্ন উত্তৰ ঃ প্রতিগৰাকী মহিলাকে উপযুক্ত শিক্ষা দিয়াটো অতি প্রয়োজনীয়। মহিলাসকলৰ সর্বাংগীন উন্নতি, সিদ্ধান্ত গ্রহণকাৰী প্রক্রিয়া আৰু লিংগ বৈষম্য দূৰ কৰিবৰ বাবে মহিলাসকলক শিক্ষিত কৰাটো নিতান্ত প্রয়োজনীয়।

৩ নং প্রশ্ন উত্তৰ ঃ নাৰী শিক্ষাৰ দুটা অসুবিধা হ'ল ---

১। কিছুমান ক্ষেত্রত বা ঠাইত মহিলাসকলৰ শিক্ষাৰ ক্ষেত্রত সঠিক পৰিকল্পনাৰ অভাৱ হোৱা দেখা যায়।

২। গ্রামাঞ্চত বিশেষকৈ অভিভাৱকৰ অর্থনৈতিক অৱস্থা সুচল নোহোৱাৰ বাবে অধিক সংখ্যক মহিলা শিক্ষাৰপৰা বঞ্চিত হ'ব লগা হয়।

৪ নং প্রশ্ন উত্তৰ ঃ মহিলা সবলীকৰণৰ অর্থ হ'ল, এগৰাকী নাৰীয়ে এজন পুৰুষৰ সমান মর্যাদা অনুভৱ কৰিব পৰা। জ্ঞানৰ দক্ষতা, যোগ্যতা, ক্ষমতা, যুক্তিপূর্ণ বিশ্লেষণ, সংযমশীলতা আৰু আত্মবিশ্বাস আদিয়ে এজন মানুহক সবল কৰি তোলে। শিক্ষাইহে নাৰীসকলৰ বহুমুখী প্রতিভা আৰু দক্ষতাৰ বিকাশ সাধন কৰি নাৰীক সবলীকৰণ কৰি তুলিব পাৰে। তদুপৰি ইয়াৰ জৰিয়তে নাৰীক নিজ পৰিয়ালত বা সমাজত পুৰুষৰ সমানে অধিকাৰ আৰু মর্যাদা পোৱাত সহায় কৰে। শিক্ষাৰ সবলীকৰণ ব্যক্তিয়ে নিজকে গঢ় দিয়াৰ সূক্ষ্ম বিশ্লেষণাত্মক দৃষ্টিভংগী গ্রহণ কৰিব পাৰে। ইয়াৰ উপৰি শিক্ষাই পৰম্পৰাগত ক্ষমতা গাঁথনিত থকা লিংগ বৈষম্যতাৰ বিষয়েও এজন পুৰুষ বা মহিলাক সচেতন কৰি তোলে। এনেদৰে শিক্ষাৰ জৰিয়তে সকলো দিশতে বিকাশ সাধন কৰি নাৰী গৰাকীক অগ্রগামিনী কৰি তোলাকে নাৰী সবলীকৰণ বুলি ক'ব পৰা যায়।

১১.৮ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন (৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ মহিলা সবলীকৰণ বুলিলে কি বুজে?

প্রশ্ন ২ ঃ মহিলা সবলীকৰণত শিক্ষা অতি গুৰুত্বপূর্ণ বুলি কিয় ভবা হয়?

প্রশ্ন ৩ ঃ ভাৰতৰ প্রথম প্রধান মন্ত্রী জৱাহৰলাল নেহৰুদেৱে মহিলা শিক্ষাৰ প্রয়োজনীয়তাৰ ওপৰত কেনেধৰণৰ মতবাদ আগবঢ়াইছিল?

প্ৰশ্ন ৪ ঃ ভাৰতবৰ্ষত মহিলা সবলীকৰণৰ ক্ষেত্ৰত দুটা প্ৰধান বাধা চিনাক্ত কৰি লিখক।

খ) **চুটি প্ৰশ্ন** (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ নাৰী সবলীকৰণৰ কাৰণে নাৰীসকলৰ বাবে শৈক্ষিক সুযোগ সুবিধাবোৰ সন্নিৱিষ্ট কৰাৰ মূল বা মৌলিক পৰিকল্পনা কি?

প্ৰশ্ন ২ ঃ সমাজত মহিলাসকলৰ অৰ্থনৈতিক আৰু সামাজিক মৰ্যাদা চিনাক্ত কৰিবৰ বাবে মুক্ত দূ�ৰৱৰ্ত্তী শিক্ষা ব্যৱস্থা এটা গুৰুত্বপূৰ্ণ মাধ্যম বুলি আপুনি কিয় ভাৱে?

প্ৰশ্ন ৩ ঃ নাৰী সবলীকৰণ কৰিবৰ বাবে প্ৰাথমিক বা মাধ্যমিক স্তৰত মহিলাসকলৰ কাৰণে সুকীয়া শিক্ষানুষ্ঠান থাকিব লাগে বুলি আপুনি ভাবে নেকি?

প্ৰশ্ন ৪ ঃ শিক্ষাই মহিলাসকলক সিদ্ধান্ত গ্ৰহণকাৰী প্ৰক্ৰিয়াত অংশ গ্ৰহণৰ বাবে অনুপ্ৰেৰণা দিয়ে বুলি ভাবেনে?

গ) **ৰচনাধৰ্মী প্ৰশ্ন** (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ৫ ঃ নাৰী শিক্ষা প্ৰয়োজনীয় বুলি আপুনি কিয় ভাৱে? বৰ্তমান সমাজত খাপখুৱাকৈ ইয়াৰ গুৰুত্বতাৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৬ ঃ নাৰী সবলীকৰণ মানে কি? নাৰী শিক্ষাৰ অন্তৰালত থকা বিভিন্ন সমস্যাসমূহ দূৰ কৰিবৰ বাবে কিছুমান পৰামৰ্শ আগবঢ়াওক।

*** ***** ***

অধ্যায় ১২ ঃ গ্রাম্য উন্নয়ন

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য

১২.২ পৰিচয়

১২.৩ সমাজ উন্নয়ন প্রকল্প

১২.৪ সংহত গ্রাম্য উন্নয়ন আঁচনি

১২.৪.১ সংহত গ্রাম্য উন্নয়ন আঁচনিৰ বিশেষ দিশ

১২.৫ ন্যূনতম প্রয়োজনীয়তাৰ আঁচনি

১২.৫.১ ৰাষ্ট্রীয় সাধাৰণ ন্যূনতম আঁচনি

১২.৬ গ্রাম্য সমাজত মহিলা আৰু শিশুৰ উন্নয়ন

১২.৬.১ অঞ্চলভিত্তিক সংপৃক্তকৰণ সেৱা

১২.৬.২ শিশুৰ যতন কার্য্যসূচী

১২.৬.৩ ৰাষ্ট্রীয় গ্রামীণ স্বাস্থ্য অভিযান

১২.৭ গ্রাম্য উন্নয়নত স্বেচ্ছাসেৱী সংগঠন আৰু ৰাইজৰ অংশগ্রহণ

১২.৭.১ গ্রাম্য এলেকাত স্বেচ্ছাসেৱী সংগঠন

১২.৭.২ গ্রাম্য উন্নয়নত ৰাইজৰ অংশগ্রহণ

১২.৮ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

১২.৯ অধিক জানিবলৈ

১২.১০ অগ্রগতিৰ নিৰীক্ষণ

১২.১১ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বিভিন্ন উন্নয়নমূলক এলেকা চিনাক্ত কৰিব পাৰিব
- সময়ে সময়ে ভাৰতত প্রৱর্তন কৰা বিভিন্ন গ্রাম্য উন্নয়নমূলক আঁচনিৰ আৰম্ভণি ব্যাখ্যা কৰিব পাৰিব
- স্বৰাজোত্তৰ কালত চৰকাৰে গ্রাম্য উন্নয়নৰ বাবে গ্রহণ কৰা বিভিন্ন আঁচনি আৰু কৌশল আলোচনা কৰিব পাৰিব
- দৰিদ্রতা নির্মূলকৰণৰ বাবে ভাৰতত বিভিন্ন সময়ত গ্রহণ কৰা গুৰুত্বপূর্ণ আঁচনিসমূহৰ বৈশিষ্ট্যসমূহ আলোচনা কৰিব পাৰিব।

১২.২ পৰিচয়

এই অধ্যায়ত আমি স্বৰাজোত্তৰ ভাৰতত গ্রাম্য উন্নয়নৰ বাবে গ্রহণ কৰা বিভিন্ন আঁচনিসমূহৰ সংক্ষিপ্ত আলোচনা কৰিম। স্বাধীনতা সংগ্রামৰ সময়ত জাতিৰ পিতা মহাত্মা গান্ধীয়ে কৈছিল এখন দেশৰ উন্নয়ন ইয়াৰ গাঁৱসমূহৰ উন্নতিৰ ওপৰত নির্ভৰশীল। তেওঁৰ মতে তৃণমূল পর্যায়ৰ পৰা উন্নতি হ'লেহে সমাজৰ সর্বাংগীন উন্নতি সম্ভৱ। নির্ধাৰিত দিশত পৰিৱর্তনৰ বাবেই দেশে উন্নয়নমূলক আঁচনিসমূহ প্রৱর্তন কৰে। গ্রাম্য উন্নয়নৰ বাবে গ্রহণ কৰা আঁচনি আৰু পৰিকল্পনাসমূহৰ লক্ষ্য গাওঁবাসীৰ জীৱনৰ মান উন্নত কৰা। এইখিনিতে উল্লেখ কৰিব লাগিব যে গ্রাম্য উন্নয়নৰ আওতাত কেৱল কৃষিয়ে নহয় ইয়াৰ লগতে সমাজ কল্যাণ যেনে, শিক্ষা, স্বাস্থ্য, দৰিদ্রতা নির্মূলকৰণ, বিশুদ্ধ খোৱাপানী যোগান, অনাময় ব্যৱস্থা, বৈদ্যুতিক যোগান, যুৱপ্রজন্মৰ নিযুক্তি, গ্রাম্য উদ্যোগ স্থাপন, যোগাযোগ আৰু পৰিবহণ ব্যৱস্থাৰ উন্নতি, বজাৰৰ সৈতে সংযোগৰ লগতে আন আন বিভিন্ন দিশক সামৰি লোৱা হৈছে।

ঔপনিৱেশিক সাম্রাজ্যবাদৰ ফলত ভাৰতে লাভ কৰা অনগ্রসৰ আৰু স্থবিৰ অর্থনীতিৰ কুফল স্বাধীনতাৰ সময়ত এক সন্ধিক্ষণ ৰূপে বিবেচিত হয়। এই প্রত্যাহ্বানৰ সৈতে মুখামুখি হোৱাৰ লগতে ভৱিষ্যতৰ বিকাশৰ লক্ষ্যৰে উন্নয়নৰ আঁচনি প্রস্তুত কৰা হৈছিল। সামগ্রিক দৃষ্টিভংগীৰে উন্নয়নৰ আঁচনি প্রস্তুত কৰি বিকাশ, সমৃদ্ধি আৰু জনতাৰ উন্নত জীৱনশৈলীৰ বাবে ইয়াক সকলো দিশৰ পৰা বলৱৎ কৰি আর্থ-সামাজিক দিশত বৃহৎ ৰূপান্তৰ ঘটোৱাতো সময়ৰ আহ্বান আছিল। গ্রাম্য উন্নয়নৰ ক্ষেত্রত দৰিদ্রতা, বৈষম্য আৰু নিবনুৱা সমস্যা নির্মূলকৰণক বিশেষ গুৰুত্ব দিয়াটো অনিবার্য।

গ্রাম্য উন্নয়নৰ প্রধান বিষয়সমূহ হ'ল-

জীৱনৰ মৌলিক প্রয়োজন ঃ মানুহৰ কিছুমান মৌলিক প্রয়োজন থাকে যাৰ অবিহনে জীৱন ধাৰণ অসম্ভৱ। এই মৌলিক প্রয়োজনসমূহ হৈছে খাদ্য, বস্ত্র, বাসস্থান, প্রাথমিক সাক্ষৰতা, প্রাথমিক স্বাস্থ্যসেৱাৰ লগতে জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা।

আত্ম-সন্মান ঃ প্রতিজন ব্যক্তি আৰু প্রতিখন ৰাষ্ট্রৰ সুকীয়া আত্ম-সন্মানবোধ বা সন্মান থাকে। এই আত্ম সন্মানবোধৰ অভাৱ বা নস্যাৎকৰণে উন্নয়নৰ অভাৱকে সূচায়।

স্বাধীনতা ঃ স্বাধীনতা মানে এইপ্রসংগতসামাজিক দাসত্বৰ পৰা ৰাজনৈতিক, ভাৱাদর্শীয় আৰু অর্থনৈতিক স্বাধীনতাক বুজোৱা হৈছে। এখন সমাজত যেতিয়ালৈকে প্রকৃতি, অন্য ব্যক্তি অথবা সংস্থাৰ ওচৰত মানুহে বশ্যতা স্বীকাৰ কৰি থকাৰ লগতে অজ্ঞতা আৰু আওপুৰণি ভাৱধাৰাৰে পৰিচালিত হ'ব তেতিয়ালৈকে সেইখন সমাজে উন্নয়নৰ জখলা বগাইছে বুলি দাবী কৰিব নোৱাৰে। যিকোনো ধৰণৰ দাসত্ব অনুন্নতিৰ পৰিচায়ক।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ গ্রামাঞ্চল বিকাশৰ বা উন্নয়নৰ মূখ্য উদ্দেশ্য কি ?

.....

.....

প্রশ্ন নং ২ ঃ গ্রাম্য উন্নয়নৰ প্রধান বিষয়সমূহ কি কি ?

.....

.....

১২.৩ সমাজ উন্নয়ন প্রকল্প

পৰিকল্পনা আয়োগে প্রথম পঞ্চবার্ষিক পৰিকল্পনাত সমাজ উন্নয়নৰ আঁচনিসমূহক এনে এক প্রক্রিয়া আখ্যা দিছিল যাৰ জড়িয়তে পঞ্চবার্ষিক পৰিকল্পনাই গ্রামাঞ্চলত সামাজিক আৰু অর্থনৈতিক পৰিৱর্তনৰ ধাৰাৰ সূচনা কৰিব পাৰে। ১৯৫২ চনৰ ২ অক্টোবৰৰ গান্ধী জয়ন্তীৰ দিনা সমাজ উন্নয়ন প্রকল্প (Community Development Project) দেশত প্রৱর্তন কৰা হৈছিল। প্রথম পঞ্চবার্ষিক পৰিকল্পনাত আৰম্ভ কৰা সমাজ উন্নয়নৰ প্রকল্পৰ জড়িয়তে আমি গ্রাম্য উন্নয়নৰ আৰম্ভনি হোৱা বুলি ক'ব পাৰো। এই আঁচনিৰ জড়িয়তে প্রধানকৈ গাঁৱসমূহৰ উন্নতি সাধন কৰিব বিচৰা হৈছিল। ইয়াৰ দ্বাৰা কৃষি আৰু সম্পর্কিত দিশৰ উন্নতিক বুজোৱা হৈছিল, যেনে-

- জলসিঞ্চন,
- যোগাযোগ,
- শিক্ষা,
- স্বাস্থ্য,
- অনুপূৰক নিযুক্তি,
- বাসস্থান,
- সমাজ কল্যাণ আৰু
- প্রশিক্ষণ।

সমাজ উন্নয়ন প্রকল্প আছিল সমতাৰ ওপৰত ভিত্তি কৰি কৃষি আৰু গ্রাম্য উন্নয়নৰ বাবে গ্রহণ কৰা দেশৰ সর্ববৃহৎ পৰিসৰৰ, সু-পৰিকল্পিত আৰু সংগঠিত পদক্ষেপ। সমাজ উন্নয়ন প্রকল্প হৈছে গ্রামাঞ্চলবাসীৰ সর্বাংগীন উন্নয়নৰ বাবে গ্রহণ কৰা এক বহুমুখী প্রকল্পৰ আঁচনি। এই আঁচনিৰ অধীনত কৃষি, পশুপালন, জলসিঞ্চন, সমবায়, জনস্বাস্থ্য, শিক্ষা, সামাজিক শিক্ষা, যোগাযোগ, গ্রাম্য উদ্যোগ আদি বিষয়ক অন্তর্ভুক্ত কৰা হৈছিল। ইয়াৰ লগতে কৃষি, জলসিঞ্চন, শিক্ষা আৰু পশুচিকিৎসা ক্ষেত্রত বিশেষজ্ঞৰ সেৱাও আগবঢ়াইছিল এই আঁচনিয়ে। বিনামূলীয়াকৈ এই সেৱা ৰাইজে লাভ কৰিব পাৰিছিল। ইয়াৰ বাহিৰেও সমাজ উন্নয়নৰ প্রকল্পই গাওঁবাসীক কম সুতত ঋণ প্রদানৰো ব্যৱস্থা কৰিছিল। সমাজ উন্নয়ন প্রকল্পৰ মূল লক্ষ্য আছিল গাওঁবাসীক আত্ম-নির্ভৰশীল কৰি তোলা। গাঁওবাসীয়ে নিজা প্রচেষ্টাত বিকাশ সাধন কৰিব আৰু তাৰ বাবে চৰকাৰে প্রয়োজনীয় বিশেষজ্ঞ সেৱা আৰু আর্থিক সাহার্য প্রদান কৰিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ সমাজ উন্নয়ন প্রকল্পৰ প্রধান লক্ষ্য কোন শ্রেণীৰ লোক আছিল?

.....

.....

প্রশ্ন নং ৪ ঃ সমাজ উন্নয়ন প্রকল্পই কোনবোৰ বিষয়ক সামৰি লয় ?

.....

.....

১২.৪ সংহত গ্রাম্য উন্নয়ন আঁচনি

ভাৰতত প্রধানকৈ সামাজিক ন্যায়ৰ ভিত্তিত বিকাশৰ লক্ষ্য গ্রহণ কৰা হয়। দৰিদ্রতাক ক্ষীপ্রগতিত কমাবলৈ আৰু ইয়াক সম্পূর্ণৰূপে নির্মূলকৰাটোৱেই ৰাষ্ট্রীয় লক্ষ্য। সংহত গ্রাম্য উন্নয়ন আঁচনিখন প্রথমবাৰ প্রৱর্তন কৰা হৈছিল ১৯৭৮-১৯৭৯ চনত। সমগ্র দেশৰ ২,৩০০ টা নির্বাচিত ব্লকত প্রথমবাৰ এই আঁচনি প্রৱর্তন কৰা হৈছিল আৰু পৰৱর্তী সময়ত ২ অক্টোবৰ, ১৯৮০ চনত এই আঁচনিৰ সমগ্র দেশতে প্রসাৰ ঘটোৱা হৈছিল। সংহত গ্রাম্য উন্নয়ন আঁচনি হৈছে আত্ম নিয়োজনৰ ক্ষেত্রত গ্রহণ কৰা আটাইতকৈ গুৰুত্বপূর্ণ পদক্ষেপ। বর্তমান সময়ত সমগ্র দেশতে প্রচলিত এই আঁচনিয়ে হৈছে একমাত্র বৃহৎ দৰিদ্রতা দূৰীকৰণৰ আঁচনি।

এই আঁচনিৰ লক্ষ্য গ্রামাঞ্চলৰ দৰিদ্র ৰাইজক আত্ম নিয়োজনৰ সুযোগ আৰু সুবিধা প্রদান কৰি তেওঁলোকক দৰিদ্র সীমাৰেখাৰ ওপৰলৈ অনাৰ ব্যৱস্থা কৰা। সংহত গ্রাম্য উন্নয়নৰ দ্বাৰা গ্রামাঞ্চলৰ দৰিদ্র ৰাইজৰ হকে সম্পদৰ সমবিতৰণ আৰু নিয়োগৰ সুবিধা প্রদান কৰি আয়ৰ ক্ষেত্রত থকা বৈষম্য দূৰ কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছিল। এয়া হৈছে এক সাহাযপ্রাপ্ত আঁচনি আৰু এইক্ষেত্রত কেন্দ্র আৰু ৰাজ্যই ৫০ঃ৫০ হাৰত পূঁজিৰ যোগান ধৰে। উন্নয়নৰ আটাইতকৈ গুৰুত্বপূর্ণ ক্ষেত্র যেনে-কৃষি, ক্ষুদ্র জলসিঞ্চন, মীন পালন, পশুপালন আৰু পশুচিকিৎসা, উদ্যোগ আৰু সেৱাৰ লগতে আন আঞ্চলিক ক্ষেত্রত সামগ্রিক আৰু সংহত আঁচনি গ্রহণ কৰি গ্রামাঞ্চলৰ দৰিদ্রতা দূৰ কৰাৰ প্রয়াস কৰা হয় এই আঁচনিত। নির্দিষ্ট একোটা গোটৰ পৰিয়ালসমূহৰ উপার্জন বৃদ্ধিৰ ক্ষেত্রত পূর্বৱর্তী আঁচনিসমূহে যেতিয়া যোগাত্মক প্রভাৱ পেলোৱাত ব্যর্থ হ'ল তেতিয়াই এনেধৰণৰ সামগ্রিক আঁচনিৰ প্রয়োজনীয়তা অনুভৱ কৰা হৈছিল। সংহত গ্রাম্য উন্নয়ন আঁচনিক চৰকাৰীভাবে দৰিদ্রতা নির্মূলকৰণৰ আটাইতকৈ বৃহৎ প্রক্রিয়া আখ্যা দিয়া হৈছে।

সংহত গ্রাম্য উন্নয়ন আঁচনিৰ বাবে যিসমূহত গোটক লক্ষ্যৰূপে নির্ধাৰণ কৰা হয় সেইসমূহ হৈছে অষ্টম পৰিকল্পনা অনুসৰি দৰিদ্র সীমাৰেখাৰ তলৰ অর্থাৎ বার্ষিক এঘাৰ হাজাৰ টকাতকৈ কম ধন উপার্জন কৰা ক্ষুদ্র কৃষক, কৃষি শ্রমিক আৰু গ্রাম্য কাৰিকৰসকল। এই আঁচনিৰ অধীনত প্রকৃততে যাতে সমাজৰ অৱহেলিত শ্রেণীয়ে লাভান্বিত হয় সেই কথা নিশ্চিত কৰিবলৈ উল্লেখ কৰা হৈছিল যে আঁচনিৰ সহায় লাভ কৰা শতকৰা পঞ্চাশ শতাংশ পৰিয়াল যাতে অনুসূচিত জাতি অথবা অনুসূচিত জনজাতিৰ হয়। ইয়াৰ লগতে কোৱা হৈছিল যে আঁচনিৰ হিতাধিকাৰীসকলৰ শতকৰা চল্লিশ শতাংশ মহিলা হ'ব লাগিব আৰু শতকাৰ তিনি শত্রাংশ হিতাধিকাৰী শাৰিৰীকভাৱে বাধাগ্রস্ত লোকক প্রতিনিধিত্ব কৰা হ'ব লাগিব। এনেধৰণে দেশৰ গ্রাম্যক্ষেত্রত আকাংক্ষিত আর্থ-সামাজিক পৰিৱর্তনৰ লক্ষ্য নির্ধাৰণ কৰা হৈছিল।

আঁচনি সংশোধনৰ বাবে কেইবাটাও পদক্ষেপ গ্রহণ কৰা হৈছিল। যেনে—

- কৃষি আৰু ইয়াৰ সম্পর্কিত অন্যান্য কার্যাৱলীৰ বাবে সুৰক্ষা বিহীন ঋণৰ উর্ধসীমা পাঁচহাজাৰ টকাৰ পৰা দহহাজাৰ টকালৈ বৃদ্ধি কৰা হৈছিল।
- ফলমূল সংশোধন, মীন পালন আদি নতুন আৰু উদ্ভাৱনামূলক কার্যাৱলীকো আঁচনিৰ অন্তর্ভুক্ত কৰা হৈছিল।
- জিলা গ্রাম্য উন্নয়ন সংস্থা (DRDA) আৰু কর্মসংস্থান কেন্দ্রৰ সৈতে নিয়োগৰ সুবিধাৰ বাবে ওচৰ সম্পর্ক ৰক্ষা কৰি কার্যাৱলী অব্যাহত ৰখাৰ লগতে আত্ম নিয়োজনৰ বাবে গ্রাম্য যুৱক-যুৱতীৰ প্রশিক্ষণৰ (TRYSEM, Training of Rural Youth for Self Employment) অধীনত প্রশিক্ষণ প্রদান কৰা। আত্ম নিয়োজনৰ বাবে গ্রাম্য যুৱক-যুৱতীৰ প্রশিক্ষণ (TRYSEM) হৈছে সংহত গ্রাম্য উন্নয়ন আঁচনিৰ (IRDP) এক আভ্যন্তৰীণ অংগ আৰু ইয়াৰ লক্ষ্য হৈছে আত্ম-নির্ভৰশীল হ'ব পৰাকৈ গাঁৱৰ যুৱচামক কৌশলগত জ্ঞান প্রদান।

৩.৬.১ সংহত গ্রাম্য উন্নয়ন আঁচনিৰ বিশেষ দিশ

সংহত গ্রাম্য উন্নয়ন আঁচনিৰ বহুকেইটা বিশেষ দিশ আছে। সেইসমূহ হৈছে ঃ

- গ্রামাঞ্চলৰ দৰিদ্র আৰু অৱহেলিত পৰিয়ালসমূহক সহায় কৰাই এই আঁচনিৰ লক্ষ্য আৰু ইয়াৰ দ্বাৰা দৰিদ্রতা আৰু বঞ্চিতকৰণ মূল কাৰণক নির্মূল কৰিব বিচৰা হয়।
- সংহত গ্রাম্য উন্নয়ন আঁচনি হৈছে মূলতঃ এক দৰিদ্রতাবিৰোধী আঁচনি। এই আঁচনিৰ জড়িয়তে দৰিদ্র পৰিয়ালসমূহক সহায় আগবঢ়োৱা হয় যাতে তেওঁলোকে উৎপাদনশীল সম্পদ, প্রযুক্তি আৰু কৌশল আহৰণ কৰি অর্থনৈতিক দিশত টনকীয়াল হ'ব পাৰে।
- সংহত গ্রাম্য উন্নয়ন আঁচনিৰ দ্বাৰা পৰিয়ালসমূহৰ কেৱল আর্থিক দিশতেই নহয় ইয়াৰ লগতে সামাজিক, শিক্ষামূলক আৰু পৰিপুষ্টিজনিত আদি দিশতো উন্নয়ন সাধন কৰিব বিচৰা হয়। এই আঁচনিৰ অধীনত হিতাধিকাৰীসকলে যাতে বিভিন্ন ধৰণৰ সেৱা যেনে পৰিপুষ্টি, বাধ্যতামূলক শিক্ষা, প্রাপ্তবয়স্কৰ শিক্ষা, পৰিয়াল কল্যাণ, শিশু আৰু মহিলা কল্যাণ আদিৰ সুফল লাভ কৰে সেইক্ষেত্রত গুৰুত্ব আৰোপ কৰা হয়। নিদিষ্ট বিভাগসমূহে এই সেৱা আগবঢ়াব লাগে।
- সংহত গ্রাম্য উন্নয়ন আঁচনিয়ে হিতাধিকাৰীসকলৰ বাবে বহুকেইখন ব্যক্তিগত গুৰুত্বপূর্ণ পদক্ষেপ গ্রহণ কৰে। ভূমি উন্নয়নমূলক বিভিন্ন ব্যৱস্থা, কৃষি সামগ্রী যোগান, ক্ষুদ্র জলসিঞ্চন, মীনপালন, দুগ্ধ উৎপাদন, ছাগলী-গাহৰি পালন, কাপোৰ চিলাই, বয়ন, উল গুঁঠা, ৰিক্সাচালক, মাছৰ জাল গুঁঠা, কমাৰ আদি এনেধৰণৰ পদক্ষেপৰ অন্তর্গত।
- আত্ম নিয়োজনৰ বাবে গ্রাম্য যুৱক-যুৱতীৰ প্রশিক্ষণ (TRYSEM) হৈছে সংহত গ্রাম্য উন্নয়ন আঁচনিৰ গুৰুত্বপূর্ণ দিশ। ইয়াৰ জড়িয়তে নির্বাচিত গ্রাম্য যুৱক-যুৱতীক বিভিন্ন নতুন আঁচনি, বৃত্তি, কৃষি আৰু ইয়াৰ সৈতে জড়িত কার্যাৱলীৰ আধুনিক প্রযুক্তি, উদ্যোগমূলক আঁচনি যেনে চিলাই, উল গুঁঠা, দুগ্ধপালন, কমাৰ, বয়নশিল্প আদি ক্ষেত্রত ছমাহৰ বাধ্যতামূলক প্রশিক্ষণ প্রদান কৰা হয়। এই প্রশিক্ষণৰ জড়িয়তে হিতাধিকাৰীসকলৰ কৌশল উন্নত হোৱাৰ লগতে বিশেষজ্ঞ দক্ষতা আৰু উৎপাদনক্ষমতাৰ বৃদ্ধি হ'ব বুলি আশা কৰা হয়।

সংহত গ্রাম্য উন্নয়ন আঁচনিৰ লক্ষ্যপূৰণৰ বাবে ইয়াৰ বিভিন্ন পর্যায়ত গ্রামাঞ্চলবাসীৰ সক্রিয় অংশগ্রহণ অতি প্রয়োজনীয়। কেৱল ইয়াৰ মাধ্যমতহে এই গ্রাম্য উন্নয়নৰ আঁচনিৰ উদ্দেশ্য সফল হ'ব পাৰে। এইক্ষেত্রত উন্নত জীৱনশৈলী আহৰণৰ বাবে গ্রাম্য যুৱক-যুৱতীসকলক অনুপ্রাণিত কৰি তুলিবলৈ চৰকাৰৰ ভূমিকা অতি

গুৰুত্বপূৰ্ণ। যিকোনো আঁচনিৰ সফলতা আৰু বিফলতাৰ মাপকাঠী নিৰ্ভৰ কৰে ইয়াক কিমান ভালদৰে পৰিচালনা আৰু সংগঠিত কৰা হৈছে সেই দিশৰ ওপৰত। সৰ্বোপৰি জনতাৰ সচেতনতা হৈছে যিকোনো আঁচনি সফল কৰাৰ আন এক গুৰুত্বপূণ কাৰক।

সংহত গ্রাম্য উন্নয়ন আচনিক প্রৱর্তন কৰে জিলা গ্রাম্য উন্নয়ন সংস্থা (District Rural Development Agency) নামৰ স্বায়ত্বশাসিত সংস্থাই। কেন্দ্রীয় পর্যায়ত সংহত গ্রাম্য উন্নয়ন আঁচনিৰপূঁজি মোকলাই দিয়া, নীতি প্রস্তুতকৰণ, সামগ্রিক নির্দেশনা, পৰিচালনা, পর্যৱেক্ষণ আৰু মূল্যায়নৰ দায়িত্ব গ্রাম্য উন্নয়ন মন্ত্রালয়ৰ (Ministry of Rural Development)। আঁচনি সুচাৰুৰূপে কার্যকৰী কৰিবলৈ গ্রাম্য উন্নয়ন মন্ত্রালয়ে সমৱর্তী মূল্যায়ন আৰু প্রভাৱৰ অধ্যয়নৰ পোষকতা কৰে। ৰাজ্য চৰকাৰসমূহক সময়ে সময়ে আঁচনিৰ মূল্যায়ন কৰিবলৈ পৰামর্শ দিয়া হয় যাতে আঁচনিৰ প্রভাৱ নিশ্চিতকৰণৰ লগতে আঁচনিত বিনিয়োগ কৰা পূঁজিৰ পৰা হিতাধিকাৰীসকলে প্রত্যক্ষভাৱে অতিৰিক্ত উপার্জন বা নিয়োগৰ সুবিধা কিমানদূৰলৈকে লাভ কৰিছে সেয়া জানিব পৰা হয়। যিমানদূৰ সম্ভৱ ৰাজ্য চৰকাৰসমূহে আঁচনিৰ সমৱর্তী মূল্যায়ন আৰু প্রভাৱ অধ্যয়নৰ বাবে নিজাববীয়া ব্যৱস্থা গ্রহণ কৰে অথবা ইয়াৰ দায়িত্ব এইক্ষেত্রত দক্ষতাসম্পন্ন নির্বাচিত শিক্ষা অথবা গৱেষণা প্রতিষ্ঠানকো ৰাজ্য চৰকাৰে অর্পণ কৰিব পাৰে।

ৰাষ্ট্রীয় পর্যায়ত সংহত গ্রাম্য উন্নয়ন আঁচনিৰ মূল্যায়নৰ অধ্যয়ন বহুসময়ত সম্পন্ন কৰি আহিছে কৃষি আৰু গ্রাম্য উন্নয়নৰ ৰাষ্ট্রীয় বেংক (NABARD), ৰিজার্ভ বেংক অব ইণ্ডিয়া (RBI), পৰিকল্পনা আয়োগৰ আঁচনি মূল্যায়ন সংস্থা (PEO) আৰু শিক্ষামূলক সংস্থাসমূহে। সংসদৰ ৰাজহুৱা হিচাপ পৰীক্ষণ কমিটিয়ে (PAC) সংহত গ্রাম্য উন্নয়ন আঁচনিক নতুন ৰূপ দিবৰ বাবে কিছু পৰামর্শ আগবঢ়াইছেঃ

- হিতাধিকাৰীসকলক দৰিদ্র সীমাৰেখাৰ ওপৰলৈ উন্নীত কৰিবৰ বাবে তেওঁলোকৰ উপার্জন বৃদ্ধিৰ লক্ষ্যৰে জনমূৰি বিনিয়োগ (ৰাজসাহার্য আৰু ঋণ) যথেষ্ট কম হোৱা পৰিলক্ষিত হৈছে।

- বিভিন্ন উপার্জনমুখী কার্যসূচীক সমর্থন জনাব পৰা আন্তঃগাঠনি অনুপযুক্ত।

- জিলা গ্রাম্য উন্নয়ন সংস্থাৰ প্রশাসনীয় গোটত সংশ্লিষ্ট সংস্থাসমূহৰ অনুপযুক্ত প্রতিনিধিত্ব।

- আঁচনিসমূহত ৰাইজৰ অংশগ্রহণৰ অনুপস্থিতি।

- নিম্ন পর্যায়ৰ বিষয়াৰ দুর্নীতিৰ ব্যাপক প্রভাৱ ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ শুদ্ধ নে অশুদ্ধ লিখক।

ক) গ্রাম্য সমাজত দৰিদ্রতা নির্মূলকৰণেই সংহত গ্রাম্য উন্নয়ন আঁচনিৰ লক্ষ্য।

.....

খ) সংহত গ্রাম্য উন্নয়ন সফল ৰূপায়নৰ বাবে ৰাইজৰ অংশগ্রহণ আটাইতকৈ গুৰুত্বপূর্ণ কাৰক।

.....

প্রশ্ন নং ৬ ঃ সংহত গ্রাম্য উন্নয়ন আঁচনিৰ লক্ষ্যসমূহ কি কি?

.....

.....

প্রশ্ন নং ৭ ঃ সংহত গ্রাম্য উন্নয়ন আঁচনিৰ গুৰুত্বপূর্ণ বিষয়সমূহ উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ৮ ঃ খালী ঠাই পূৰণ কৰক ঃ

ক) সংহত গ্রাম্য উন্নয়ন আঁচনি প্রৱর্তন কৰা হৈছিল ..... চনত।

খ) ..... হৈছে সংহত গ্রাম্য উন্নয়ন আঁচনিৰ এক গুৰুত্বপূর্ণ বিষয় যাৰ লক্ষ্য হৈছে গ্রাম্য যুৱক-যুৱতীক আত্ম নির্ভৰশীলতাৰ প্রশিক্ষণ প্রদান কৰা।

১২.৫ ন্যূনতম প্রয়োজনীয়তাৰ আঁচনি

পঞ্চম পঞ্চবার্ষিক পৰিকল্পনাৰ খচৰাত প্রথমবাৰলৈ ন্যূনতম প্রয়োজনীয়তাৰ আঁচনিৰ অধীনত সামাজিক সেৱা যেনে প্রাথমিক শিক্ষা, গ্রাম্য স্বাস্থ্য, পৰিপুষ্টি, খোৱাপানী, গাঁৱৰ ভূমিহীনসকলক আবাসগৃহ প্রদান, নগৰীয় বস্তি এলেকাৰ উন্নয়ন, গ্রাম্য পথ, গ্রাম্য বৈদ্যুতিকীকৰণক প্রাধান্য দি অন্তর্ভুক্ত কৰা হৈছিল। পঞ্চম পঞ্চবার্ষিক পৰিকল্পনাত প্রথমবাৰলৈ ন্যূনতম প্রয়োজনীয়তাৰ আঁচনি প্রৱর্তন কৰা হৈছিল। ইয়াৰ লক্ষ্য আছিল দেশৰ গ্রাম্য অঞ্চলত বসবাস কৰা সকলো শ্রেণীৰ লোকৰ বাবে এক প্রাথমিক মানবিশিষ্ট জীৱনশৈলী নিশ্চিত কৰা। এই পদক্ষেপৰ জড়িয়তে এক নির্ধাৰিত সময়সীমাৰ ভিতৰত ভিন্নমুখী সুযোগ-সুবিধা উপলব্ধ কৰাই কেতবোৰ বিশেষ সামাজিক সেৱাৰ গ্রহণযোগ্যতা নির্দিষ্ট পর্যায়লৈ উন্নীত কৰিবলৈ বিচৰা হৈছিল।

কেতবোৰ বিশেষ ৰাজহুৱা সেৱা, সুযোগ আৰু সুবিধাই জীৱনধাৰণৰ মান নির্ধাৰণ কৰে। গ্রাম্য জনসাধাৰণ বিশেষকৈ ৰাজহুৱা সুযোগ-সুবিধাৰ পৰা নগৰীয়া জনসাধাৰণতকৈ পিচ পৰি থাকে। এই সকলোবোৰ সুবিধা গঁঞা ৰাইজক দিবলৈ ভাৰত চৰকাৰে পঞ্চম পঞ্চবার্ষিক পৰিকল্পনাত নূন্যতম প্রয়োজনীয় আঁচনি আৰম্ভ কৰে। প্রথম অৱস্থাত ন্যূনতম প্রয়োজনীয়তাৰ আঁচনিত আঠটা বিষয়ক অন্তর্ভুক্ত কৰা হৈছিল। পৰৱর্তী ষষ্ঠ পৰিকল্পনাত প্রাপ্তবয়স্কৰ শিক্ষা নামৰ আন এটা বিষয় অন্তর্ভুক্ত কৰে। সপ্তম পঞ্চবার্ষিক পৰিকল্পনাত গ্রাম্য ৰন্ধন শক্তি, গ্রাম্য অনাময় আৰু ৰাজহুৱা বিতৰণ ব্যৱস্থা অন্তর্ভুক্তিৰে নূন্যতম প্রয়োজনীয় আঁচনিক আৰু বহলাই পেলাই। নূন্যতম প্রয়োজনীয়তাৰ আঁচনিৰ বিষয়সমূহ হ'ল—

- প্রাথমিক শিক্ষা
- প্রাপ্তবয়স্কৰ শিক্ষা
- গ্রাম্য স্বাস্থ্য
- গ্রাম্য পানী যোগান
- গ্রাম্য পথ
- গ্রাম্য আবাস
- গ্রাম্য বৈদ্যুতিকীকৰণ
- নগৰীয় বস্তি এলেকাৰ পৰিৱেশ উন্নীতকৰণ
- পৰিপুষ্টি
- গ্রাম্য ৰন্ধন শক্তি
- গ্রাম্য অনাময়
- ৰাজহুৱা বিতৰণ ব্যৱস্থা।

পূর্বৱর্তী আঁচনিসমূহৰ অভিজ্ঞতাৰ ভিত্তিত ন্যূনতম প্রয়োজনীয়তাৰ আঁচনিৰ ধাৰণাই গঢ় লৈ উঠে। এই অভিজ্ঞতাই প্রমাণ কৰি দেখুৱাইছিল যে পাৰস্পৰিক বুজাবুজিৰ অবিহনে বিকাশ অথবা সামাজিক গ্রহণযোগ্যতাৰ ধাৰণা গঢ়ি উঠিব নোৱাৰে অথবা বর্তি থাকিবও নোৱাৰে। ন্যূনতম প্রয়োজনীয়তাৰ আঁচনিৰ প্রধান উদ্দেশ্য আছিল গ্রাম্য জনসাধাৰণক বিশেষকৈ গ্রাম্য দৰিদ্রসকলক মৌলিক প্রয়োজনৰ অন্তর্গত কেতবোৰ বিশেষ সামাজিক সেৱা প্রদান কৰা। ইয়াৰ দ্বাৰা পৰিকল্পনা গ্রহণ কৰা হৈছিল যে আঁচনিৰ প্রতিটো বিষয়ক এক ৰাষ্ট্রীয় এক মানৰ আধাৰত দেশৰ প্রতিখন ঠাইত নির্ধাৰিত সময়সীমাৰ ভিতৰত প্রৱর্তন কৰিলে ৰাষ্ট্রীয় লক্ষ্য পূৰণ হ'ব। এই আঁচনিত নির্দিষ্ট সময়সীমাৰ ভিতৰত ৰাষ্ট্রীয় মানৰ আধাৰত নির্ধাৰণ কৰা সামাজিক সেৱা প্রদানৰ কৰাৰ ক্ষেত্রত গুৰুত্ব দিয়া হৈছিল। আঁচনিখনক অধিক সাফল্যমণ্ডিত কৰি তুলিবলৈ ন্যূনতম প্রয়োজনীয়তাৰ বাৰটা বিষয়ৰ সেৱাক নির্ধাৰিত এলেকা অথবা হিতাধিকাৰীৰ মাজত সামগ্রিক ৰূপত প্রৱর্তন কৰা হৈছিল। এই আঁচনিখন প্রকৃততে মানৱ সম্পদ উন্নয়নৰ এক পদক্ষেপ বুলিও ক'ব পৰা যায়। আঁচনিখনৰ প্রৱর্তনৰ দ্বাৰা ৰাজহুৱা সংস্থাসমূহৰ মাধ্যমত বিনামূলীয়া অথবা ৰাজসাহার্যযুক্ত সেৱা আগবঢ়াই দৰিদ্র সীমাৰেখাৰ

তলত বসবাস কৰা ৰাইজৰ মাজত সেৱাসমূহৰ গ্ৰহণযোগ্যতা বৃদ্ধি কৰাত গুৰুত্ব দিয়া হৈছিল। এই পদক্ষেপৰ জড়িয়তে গ্ৰাম্য আৰু নগৰীয় উভয় ঠাইৰ কৰ্মীৰ উৎপাদনশীলতাৰ দক্ষতা বৃদ্ধি হোৱাৰ আশা কৰা হৈছিল।

১২.৫.১ ৰাষ্ট্ৰীয় সাধাৰণ ন্যূনতম আঁচনি

২০০৪ চনৰ মে' মাহত সংযুক্ত প্ৰগতিশীল মৰ্চা চৰকাৰে গ্ৰাম্য এলেকাত জীৱনশৈলীৰ মান উন্নত কৰিবলৈ ৰাষ্ট্ৰীয় সাধাৰণ ন্যূনতম আঁচনি প্ৰৱৰ্তন কৰে। ৰাষ্ট্ৰীয় সাধাৰণ ন্যূনতম আঁচনিৰ অন্তৰ্গত তথা গ্ৰাম্যক্ষেত্ৰত প্ৰাসংগিক কেতবোৰ বিশেষ বিষয় হৈছে—

- *গ্ৰাম্য আন্তঃগাঠনি ঃ* গ্ৰাম্য আন্তঃগাঠনিৰ জলসিঞ্চন, খোৱাপানী, আবাস, পথ, টেলিফোন সেৱা আৰু বৈদ্যুতিকীকৰণ এই ছটা নিৰ্বাচিত এলেকাৰ লক্ষ্যত উপনীত হ'বলৈ গ্ৰহণ কৰা ভাৰত নিৰ্মাণ হৈছে এক চাৰি বছৰীয়া কাৰ্যসূচী (২০০৫-০৯)।
- *ইন্দিৰা আৱাস যোজনা ঃ* গ্ৰাম্য এলেকাত দৰিদ্ৰতা আৰু আৱাসগৃহৰ এক প্ৰত্যক্ষ সম্পৰ্ক আছে। বসবাসৰ বাবে সাধাৰণতে দৰিদ্ৰ লোকৰ আবাসগৃহ হয় নাথাকে অথবা সেয়া বসবাসৰ উপযোগী নহয়। সমাজ উন্নয়ন কাৰ্যসূচীৰ অধীনত গ্ৰাম্য আৱাসগৃহৰ আঁচনি ১৯৫৭ চনত প্ৰৱৰ্তন কৰা হৈছিল। ১৯৮৫ চনৰ জুন মাহত কেন্দ্ৰীয় বিত্ত মন্ত্ৰীয়ে এক বৈশিষ্ট্যপূৰ্ণ সিদ্ধান্তৰে কেন্দ্ৰৰ আৰ এল ই জি পি পুঁজিৰ এক নিৰ্দিষ্ট অংশ অনুসূচিত জাতি অথবা অনুসূচিত জনজাতিৰ লোক আৰু বন্ধোৱা শ্ৰমিকৰ (Bonder Labour) আবাসগৃহ নিৰ্মাণৰ বাবে আৱণ্টন কৰা ঘোষণা কৰে। ইন্দিৰা আৱাস যোজনা আঁচনি সেই ঘোষণাৰে ফল। ১৯৮৯ চনৰ এপ্ৰিল মাহত এই আঁচনি জে আৰ আই আঁচনিৰ অন্তৰ্গত হয়। এইক্ষেত্ৰত সমস্যা অনুধাৱন কৰি কেন্দ্ৰ চৰকাৰে 'সকলোৰে বাবে বাসগৃহ' এই লক্ষ্যৰে ১৯৯৮ চনত এক ৰাষ্ট্ৰীয় আবাস আৰু বসতি আঁচনি (NHHP) ঘোষণা কৰে। দশম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সমাপ্তিলৈকে চৰকাৰে আশ্ৰয়হীনতাৰ সকলো সমস্যা সমাধান কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছিল।
- *প্ৰধানমন্ত্ৰী গ্ৰাম চৰক যোজনাঃ* এই আঁচনিৰ প্ৰধান উদ্দেশ্য আছিল সকলো বতৰত উপযোগী পথ নিৰ্মাণৰ লগতে বছৰৰ প্ৰতিটো সময়ত ব্যৱহাৰযোগ্য প্ৰয়োজনীয় কালভাৰ্ট আৰু নলা-নৰ্দমাৰ নিৰ্মাণ। এই আঁচনিৰ জড়িয়তে এহাজাৰ বা ততোধিক লোকৰ বসতি থকা সকলো অসংযোজিত এলেকাক তিনি বছৰৰ ভিতৰত (২০০০-২০০৩), পাঁচশ বা ততোধিক লোকৰ বসতি থকা সকলো অংসযোজিত এলেকাক দশম পৰিকল্পনাৰ অন্তিম সময়সীমাৰ ভিতৰত (২০০৭) সামৰি লোৱাৰ পৰিকল্পনা গ্ৰহণ কৰা হৈছিল। আনহাতে সকলো পাহাৰীয়া ৰাজ্য (উত্তৰ-

পূৰ, ছিক্কিম, হিমাচল প্ৰদেশ, জম্মু-কাশ্মীৰ আৰু উত্তৰাখণ্ড), মৰুভূমি এলেকাৰ লগতে পঞ্চম অনুসূচীৰ অন্তৰ্গত এলেকাসমূহত ২৫০ জন বা ততোধিক লোকৰ বসতি থকা এলেকাক পথ যোগাযোগেৰে সংযোজিত কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছিল।

গ্ৰাম্য পথ যোগাযোগ ব্যৱস্থাৰ পৰিসৰ গ্ৰাম্য উন্নয়নৰ গুৰুত্বপূৰ্ণ দিশৰূপে কেৱল সামাজিক-আৰ্থিক সেৱাসমূহ উপলব্ধ কৰোৱাই কৃষি কাৰ্যৰ আয় বৃদ্ধি আৰু দেশত উৎপাদনক্ষম নিয়োগ সুবিধা সৃষ্টিতে সীমাৱদ্ধ নহয়, একেসময়তে এই ব্যৱস্থা হৈছে দৰিদ্ৰতা নিৰ্মূলকৰণৰ এক গুৰুত্বপূৰ্ণ পদক্ষেপ।

এনেধৰণে চৰকাৰে দৰিদ্ৰতা দূৰীকৰণগ লগতে এখন 'সমতাপূৰ্ণ সমাজ' গঢ়িবৰ বাবে বহু আঁচনি প্ৰৱৰ্তন কৰি আহিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৯ ঃ ন্যূনতম প্ৰয়োজনীয়তাৰ আঁচনি বুলি ক'লে আপুনি কি বুজে?

.....

.....

প্ৰশ্ন নং ১০ ঃ কি কি দিশক এই আঁচনিয়ে সামৰি লৈছে?

.....

.....

প্ৰশ্ন নং ১১ ঃ খালী ঠাই পূৰণ কৰক—

ক) ..... ক .....অংশৰূপে প্ৰৱৰ্তন কৰা হৈছিল।

খ) ৰাষ্ট্ৰীয় সাধাৰণ ন্যূনতম আঁচনিক গ্ৰহণ কৰা হৈছিল ..... ৰ বাবে।

গ) .....ক ..... ৰ এক গুৰুত্বপূৰ্ণ বিষয়ৰূপে প্ৰৱৰ্তন কৰা হৈছিল ..... পৰিকল্পনাত।

১২.৬ গ্ৰাম্য সমাজত মহিলা আৰু শিশুৰ উন্নয়ন

ভাৰতত মহিলা আৰু শিশুৰ উন্নয়নৰ ধাৰণা নতুন নহয়। দেশৰ সামগ্ৰিক উন্নয়নৰ বাবে মহিলা আৰু শিশুৰ উন্নয়নৰ দিশক পঞ্চবাৰ্ষিক পৰিকল্পনাসমূহ, চৰকাৰী আঁচনিসমূহৰ লগতে ৰাষ্ট্ৰীয় স্বাস্থ্য নীতি আৰু ৰাষ্ট্ৰীয় জনসংখ্যা নীতিত অগ্ৰাধিকাৰ প্ৰদান কৰা হয়। সমাজৰ সৰ্বাংগীন উন্নতিৰ বাবে মহিলা আৰু শিশুৰ স্বাস্থ্যৰ উন্নতিক যথেষ্ট প্ৰাধান্য দিয়া হয়। ১৯৪৩ চনত গঠন

কৰা প্ৰথম স্বাস্থ্য জৰীপ আৰু উন্নয়ন কমিটিয়ে পৰামৰ্শ আগবঢ়াইছিল যে স্বাস্থ্য উন্নয়নৰ যিকোনো আঁচনিত মহিলা আৰু শিশুৰ ৰোগ নিৰ্মূলকৰণ আৰু মৃত্যুহাৰ হ্ৰাস কৰাক অন্যতম গুৰুত্বপূৰ্ণ বিষয়ৰূপে গ্ৰহণ কৰিব লাগে। ১৯৬১ চনত গঠন কৰা স্বাস্থ্য জৰীপ আৰু পৰিকল্পনা কমিটিয়েও একে মতকে পোষণ কৰে। মহিলা আৰু শিশুৰ উন্নয়নৰ বাবে বিশেষকৈ গ্ৰাম এলেকাত চৰকাৰে গ্ৰহণ কৰা আঁচনিসমূহৰ ভূমিকা আলোচনা কৰো আহক-

সংহত গ্ৰাম্য উন্নয়ন আঁচনিৰ অংশৰূপে গ্ৰাম্য সমাজত মহিলা আৰু শিশুৰ উন্নয়নৰ (DWCRA) আঁচনিক গ্ৰহণ কৰা হৈছিল ১৯৮২ চনত। ইয়াৰ লক্ষ্য আছিল গ্ৰামাঞ্চলৰ দৰিদ্ৰ সীমাৰেখাৰ তলৰ মহিলাসকলে আত্ম নিয়োজনৰ মাধ্যমেৰে উপাৰ্জনমুখী বৃত্তি গ্ৰহণ কৰিব পৰাকৈ তেওঁলোকৰ সৱলীকৰণ কৰা। লগতে তেওঁলোকৰ মাজত আত্ম নিয়োজনৰ মাধ্যমত বহনক্ষম উপাৰ্জনমুখী কাৰ্যব্যৱস্থাৰ সৃষ্টি কৰা। গ্ৰামাঞ্চলৰ মহিলাৰ জীৱনশৈলী উন্নত কৰিবৰ বাবে গ্ৰহণ কৰা এনেধৰণৰ এইখনেই প্ৰথম আঁচনি। সংহত গ্ৰাম্য উন্নয়ন আঁচনিৰ অন্য দিশতকৈ ব্যতিক্ৰম এই আঁচনিত উপাৰ্জন বৃদ্ধি কৰাৰ লগতে স্বাস্থ্য, শিক্ষা, বিশুদ্ধ খোৱাপানী, অনাময়, পৰিপুষ্টি আৰু বহুকেইটা দিশত গুৰুত্ব দিয়া হৈছিল। গতিকে কেৱল আৰ্থিক উন্নয়নৰ লক্ষ্যই নহয় এই আঁচনিৰ জড়িয়তে সামাজিক উন্নয়নো সাধন কৰিব বিচৰা হৈছিল। এই আঁচনিৰ আন এক বৈশিষ্ট হ'ল ইয়াৰ দ্বাৰা সামূহিক কাম কাজত গুৰুত্ব প্ৰদান কৰা হৈছিল। ধাৰণা কৰা হৈছিল যে অনাগত সময়ত সজাগতা আৰু আত্ম নিৰ্ভৰশীলতাৰ মাধ্যমত গঢ়ি উঠা এক জাগৰণৰ ওপৰতহে আনি মহিলা সৱলীকৰণ নিৰ্ভৰ কৰিব।

এই আঁচনিৰ কিছু গুৰুত্বপূৰ্ণ দিশ হ'ল-

- গ্ৰাম্য সমাজত মহিলা আৰু শিশু উন্নয়ন আঁচনিৰ লক্ষ্য আছিল গ্ৰামাঞ্চলৰ দৰিদ্ৰ মহিলাসকলৰ আৰ্থ-সামাজিক স্থান উন্নীত কৰিবলৈ আত্মনিৰ্ভৰশীলতাৰ ওপৰত ভিত্তি কৰি উপাৰ্জনমুখী বৃত্তি গ্ৰহণ কৰিব পৰাকৈ মহিলাৰ গোট গঠন কৰা।

- এই আঁচনিৰ জড়িয়তে দৰিদ্ৰ মহিলাসকলক নিয়োগৰ সুবিধা, কৌশলৰ উন্নতি, প্ৰশিক্ষণৰ বাবে ঋণ আৰু অন্যান্য সহযোগিতাৰ সেৱা আগবঢ়াই আঁচনিৰ অধীনস্থ মহিলাসকলে যাতে গোট হিচাপে উপাৰ্জনমুখী বৃত্তি গ্ৰহণ কৰি উপাৰ্জন বৃদ্ধি কৰিব পাৰে তাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছিল।

- ব্যক্তিগত প্ৰচেষ্টাতকৈ সমূহীয়া কাৰ্যপন্থা অধিক ফলপ্ৰসূ হোৱাৰ বাবে সামূহিক কাৰ্যকলাপক উৎসাহ যোগোৱা। গ্ৰামাঞ্চলৰ মহিলাসকলৰ মাজত মোনাফা আৰু ঋণ ব্যৱস্থাক উৎসাহ যোগাই তেওঁলোকক আত্ম নিৰ্ভৰশীল কৰি তুলিব বিচৰা হৈছিল।

- ইয়াৰ দ্বাৰা গ্ৰামাঞ্চলৰ মহিলাসকলৰ মাজত স্বাস্থ্য, শিক্ষা, বিশুদ্ধ খোৱাপানী, অনাময়, পৰিয়াল কল্যাণ, স্বাস্থ্যৰ যতন, শিশুৰ যতন আদি সেৱা উপলব্ধ কৰোৱাই মহিলা আৰু শিশুৰ জীৱনধাৰণৰ সকলো দিশক উন্নত কৰি তুলিব বিচৰা হৈছিল।

উন্নয়নৰ ক্ষেত্ৰত মহিলাক অতি গুৰুত্বপূৰ্ণ বিবেচনা কৰি অৰ্থনৈতিক সৱলীকৰণক বিশেষ গুৰুত্ব দি গ্ৰহণ কৰা গ্ৰাম্য মহিলা আৰু শিশু উন্নয়ন আঁচনিয়ে এই সকলোবোৰ দিশত সেৱা আগবঢ়ায়। কেৱল গ্ৰামাঞ্চলৰ দৰিদ্ৰ মহিলাসকলৰ উপাৰ্জন বৃদ্ধি কৰাই নহয় ইয়াৰ দ্বাৰা শৃংখলাৱদ্ধ সংগঠিত সামূহিক গোটৰূপে মহিলাসকলৰ আত্ম নিৰ্ভৰশীলতা বৃদ্ধি কৰিবলৈ ঋণ, কৌশল উন্নীতকৰণ আৰু আন্তঃগাঠনিৰ সহযোগিতাও প্ৰদান কৰা হৈছিল। সংহত গ্ৰামৰ উন্নয়ন আঁচনিৰ সুফল যাতে প্ৰত্যক্ষভাৱে মহিলাসকলে লাভ কৰিব পাৰে তাৰবাবে গ্ৰাম্য মহিলা আৰু শিশু উন্নয়ন আঁচনি (DWCRA) প্ৰৱৰ্তন কৰা হৈছিল। ১৯৯৯ চনৰ এপ্ৰিল মাহৰ পৰা এই আঁচনিক স্বৰ্ণজ্যোতি গ্ৰাম স্বৰোজগাৰ যোজনাৰূপে (SGSY) সংহত গ্ৰাম্য উন্নয়ন আঁচনি (IRDP), আত্ম নিৰ্ভৰশীলতাৰ বাবে গ্ৰামাঞ্চলৰ যুৱক-যুৱতীৰ বিশেষ প্ৰশিক্ষণ (TRYSEM) আদি আঁচনিৰ সৈতে প্ৰৱৰ্তন কৰা হয়।

১২.৬.১ অঞ্চলভিত্তিক সংপৃক্তকৰণ সেৱা

সংহত গ্ৰাম্য উন্নয়ন আঁচনিৰ অধীনত ১৯৯১ চনত অঞ্চলভিত্তিক সংপৃক্তকৰণ সেৱা আৰম্ভ কৰা হৈছিল। ইয়াৰ উদ্দেশ্য আছিল গ্ৰাম সম্প্ৰদায়সমূহৰ মাজত সজাগতাৰ সৃষ্টি কৰি ৰাষ্ট্ৰই তেওঁলোকক প্ৰদান কৰা সামাজিক সেৱাসমূহ দাবী কৰিব পৰাকৈ সক্ষম কৰি তোলা আৰু লগতে সৰ্বাংগীন উন্নয়নৰ বাবে এই সেৱাসমূহৰ প্ৰৱৰ্তন আৰু পৰিচালনাৰ ক্ষেত্ৰত দায়িত্ব গ্ৰহণতো সক্ষম কৰি তোলা। পৰম্পৰাগত পদ্ধতি যেনে দৃশ্যাৱলী, নাটক, লোক সংস্কৃতি, পুতলা নাচ আদিৰ সহায়ত সম্প্ৰদায়সমূহৰ মাজত সজাগতাৰ সৃষ্টি কৰিব বিচৰা হয়। এই আঁচনিৰ জড়িয়তে গ্ৰামাঞ্চলৰ দৰিদ্ৰ মহিলাৰ সংগঠনক শক্তিশালী কৰি তোলাৰ লগতে মহিলাৰ অৰ্থনৈতিক সামাজিক মান উন্নত কৰি তোলাৰ লক্ষ্য গ্ৰহণ কৰা হৈছিল। শতকৰা এশ শতাংশ চৰকাৰী অনুদান অৰ্থাৎ প্ৰতিখন জিলাত ৫ লাখ টকাৰে ৰাজীৱ গান্ধী ৰাষ্ট্ৰীয় খোৱাপানী অভিযান, ৰাষ্ট্ৰীয় সাক্ষৰতা অভিযান, ICDS আঁচনি আদিক তৃণমূল পৰ্যায়ত ২৯৮খন জিলাৰ অঞ্চলভিত্তিক সংপৃক্তকৰণ সেৱাত সংপৃক্ত কৰিব বিচৰা হৈছিল।

১২.৬.২ শিশুৰ যতন কাৰ্যসূচী

১৯৯৫-৯৬ চনত গ্ৰাম্য মহিলা আৰু শিশু উন্নয়ন আঁচনিৰ (DWCRA) অন্তৰ্গত কৰা শিশুৰ যতন কাৰ্যসূচীৰ প্ৰধান উদ্দেশ্যসমূহ আছিল-

- গ্ৰাম্য মহিলা আৰু শিশু উন্নয়ন আঁচনিত (DWCRA) কৰ্মৰত মহিলাৰ শিশুৰ বাবে শিশু গৃহৰ(creche) ব্যৱস্থা কৰা।
- গ্ৰাম্য মহিলা আৰু শিশু উন্নয়ন আঁচনিৰ (DWCRA) নিৰক্ষৰ সদস্য আৰু শিক্ষা জীৱন আধৰুৱাকৈ বিদ্যালয় ত্যাগ কৰা কন্যা শিশুক গুৰুত্ব দি আঁচনিৰ অধীনত সাক্ষৰতা কেন্দ্ৰ স্থাপন কৰা ।

- কন্যা শিশুৰ সৈতে সংঘটিত শৈশৱৰ লিংগভিত্তিক বৈষম্য হ্ৰাস কৰাত বিশেষ গুৰুত্ব প্ৰদান কৰি গ্ৰাম্য মহিলা আৰু শিশু উন্নয়ন আঁচনিৰ (DWCRA) অধীনস্থ শিশুসকলৰ বিশেষকৈ কন্যা শিশুসকলৰ মাজত প্ৰতিষেধক প্ৰদান, পৰিপুষ্টি আদি ব্যৱস্থাৰ আঁসোৱাহ দূৰ কৰা ।
- গ্ৰাম্য মহিলা আৰু শিশু উন্নয়ন আঁচনিৰ সদস্যসকলৰ শাৰীৰিকভাৱে বাধাগ্ৰস্ত সন্তানৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা। কন্যা শিশুৰ সৈতে শাৰীৰিক নিৰ্যাতনৰ ঘটনা সংঘটিত হ'লে তাৎক্ষণিকভাৱে আইনী ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে উপযুক্ত ক্ষতিপূৰণ প্ৰদান কৰা।
- শিশুৰ যতন কাৰ্যসূচীয়ে ছবছৰ অথবা তাতোকৈ কম বয়সৰ শিশুক সামৰি লৈছে। প্ৰতিটো জিলা গ্ৰাম্য উন্নয়ন সংস্থাই (DRDA) শিশুৰ যতন কাৰ্যসূচী প্ৰৱৰ্তনৰ বাবে মুঠ ডেৰ লাখ টকা (কেন্দ্ৰীয় পুঁজিৰ পৰা একলাখ আৰু ৰাজ্যপুঁজিৰ পৰা পঞ্চাশহাজাৰ টকা) লাভ কৰিব।

১২.৬.৩ ৰাষ্ট্ৰীয় গ্ৰামীণ স্বাস্থ্য অভিযান, ২০০৫-২০১২

অৰ্থনৈতিক আৰু সামাজিক উন্নয়ন প্ৰক্ৰিয়াৰ লগতে জীৱনশৈলীৰ মান উন্নত কৰাৰ ক্ষেত্ৰত প্ৰধানকৈ গ্ৰাম্য এলেকাত স্বাস্থ্যৰ গুৰুত্ব উপলব্ধি কৰি ভাৰত চৰকাৰে ৰাষ্ট্ৰীয় গ্ৰামীণ স্বাস্থ্য অভিযান প্ৰৱৰ্তন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই আঁচনিৰ উদ্দেশ্য আছিল স্বাস্থ্য সেৱা প্ৰদানৰ ক্ষেত্ৰত উপযুক্ত কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰা। নিৰ্ধাৰিত সাতবছৰৰ সময়সীমাৰ (২০০৫-২০১২)ভিতৰত গ্ৰাম্য এলেকাত দ্ৰুত স্বাস্থ্য সেৱা প্ৰদান কৰাৰ লগতে ব্যক্তিসকলৰ স্বাস্থ্যৰ অৱস্থা উন্নত কৰিবৰ বাবে এই আঁচনি প্ৰৱৰ্তন কৰা হৈছিল।

এই অভিযানে এক সামগ্ৰিক দৃষ্টিভংগীৰে স্বাস্থ্যৰ সৈতে উন্নত স্বাস্থ্যসেৱাৰ বিভিন্ন কাৰক যেনে পৰিপুষ্টি, অনাময়, পৰিচ্ছন্নতা আৰু বিশুদ্ধ খোৱাপানী আদিৰ সম্পৰ্ক স্থাপন কৰিছিল। ইয়াৰ লগতে স্বাস্থ্যৰ যতনৰ বাবে ভাৰতীয় ঔষধ ব্যৱস্থাক মূল সূঁতিলৈ অনাৰ লক্ষ্য গ্ৰহণ কৰিছিল। এই আঁচনিৰ কৰ্মপৰিকল্পনাৰ অন্তৰ্গত বিষয়সমূহ হৈছে, স্বাস্থ্যক্ষেত্ৰত ৰাজহুৱা ব্যয় বৃদ্ধি কৰা, স্বাস্থ্যৰ আন্তঃগাঠনিৰ ক্ষেত্ৰত আঞ্চলিক বৈষম্য দূৰ কৰা, সাহাৰ্য বৃদ্ধি কৰা, সাংগঠনিক সংৰচনাৰ সংহতিকৰণ, স্বাস্থসেৱাৰ কৰ্মীৰ সংখ্যা বৃদ্ধি, স্বাস্থ্য কাৰ্যসূচীৰ বিকেন্দ্ৰিকৰণ আৰু জিলাভিত্তিত ইয়াক গ্ৰহণ কৰা, সম্প্ৰদায়সমূহৰ অংশগ্ৰহণ, জিলা স্বাস্থ্যসেৱালৈ পৰিচালনা আৰু বিত্তীয় সদস্য প্ৰেৰণ আৰু দেশৰ প্ৰতিটো ব্লকত ভাৰতীয় ৰাজহুৱা স্বাস্থ্য মান অনুসৰি সম্প্ৰদায়ত্তিক স্বাস্থ্যকেন্দ্ৰক পূৰ্ণাংগ চিকিৎসালয়লৈ উন্নীত কৰা। ৰাষ্ট্ৰীয় গ্ৰামীণ স্বাস্থ্য অভিযানত সৰ্বাধিক গুৰুত্ব দিয়া ওঠৰখন ৰাজ্য হৈছেঃ বিহাৰ, মধ্যপ্ৰদেশ, ৰাজস্থান, উত্তৰ প্ৰদেশ, ঝাৰখণ্ড, ছট্টিশগঢ়, উত্তৰাখণ্ড, উৰিষ্যা, হিমাচল প্ৰদেশ, ৰাজস্থান, জম্মু আৰু কাশ্মীৰ, মণিপুৰ, মেঘালয়, নাগালেণ্ড, অসম, অৰুণাচল প্ৰদেশ, ছিক্কিম আৰু মিজোৰাম।

➢ **প্রধান লক্ষ্য ঃ**

- ৰাষ্ট্ৰীয় গ্ৰামীণ স্বাস্থ্য অভিযানৰ মূল লক্ষ্য হৈছে বিশেষকৈ গ্ৰামাঞ্চলত বসবাস কৰা লোক, দৰিদ্ৰ, মহিলা আৰু শিশুক প্ৰাধান্য দি জনসাধাৰণৰ বাবে মানবিশিষ্ট স্বাস্থ্যসেৱা উপলব্ধ কৰোৱা। নৱজাতকৰ মৃত্যুহাৰ আৰু প্ৰসৱকালীন মৃত্যুহাৰ হ্ৰাস কৰাও এই আঁচনিৰ অন্যতম লক্ষ্য।
- মহিলাৰ স্বাস্থ্য, শিশুৰ স্বাস্থ্য, পানী, পৰিষ্কাৰ-পৰিচ্ছন্নতা, প্ৰতিষেধক আৰু পৰিপুষ্টি আদি স্বাস্থ্যক্ষেত্ৰৰ বিভিন্ন সেৱাক সাৰ্বজনীন ৰূপত উপলব্ধ কৰোৱা।
- সংক্ৰামক আৰু অসংক্ৰামক দুয়োধৰণৰ ৰোগৰ লগতে স্থানীয়ভাৱে সোঁচৰা ৰোগ নিয়ন্ত্ৰণ আৰু নিৰ্মূল কৰা।
- সংহত প্ৰাথমিক স্বাস্থ্যসেৱাৰ ব্যাপকহাৰত প্ৰসাৰ ঘটোৱা।
- জনসংখ্যা নিয়ন্ত্ৰণ, লিংগ আৰু জনসংখ্যাৰ ভাৰসাম্য ৰক্ষা কৰা।
- গ্ৰাম্য জনসাধাৰণক স্বাস্থ্যসম্মত জীৱনশৈলীৰ প্ৰতি উৎসাহী কৰি তোলা।
- ৰাষ্ট্ৰীয়, ৰাজ্যিক, ব্লক আৰু জিলা পৰ্যায়ত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ আঁচনিসমূহৰ সংহতিকৰণ।
- প্ৰতিখন গাঁও অথবা বৃহৎ বসতিস্থানত সমূহীয়া আৰু ৰাজহুৱা স্বাস্থ্যক্ষেত্ৰৰ মাজত সংযোগকাৰীৰূপে পঞ্চায়তৰ দ্বাৰা নিযুক্তিপ্ৰাপ্ত আৰু পঞ্চায়তৰ ওচৰত দায়বদ্ধ এগৰাকী মহিলা সামাজিক স্বীকৃত স্বাস্থ্যকৰ্মী (ASHA) থাকিব। এই 'আশা' কৰ্মীগৰাকীয়ে স্বেচ্ছাসেৱীৰূপে স্বাস্থ্যক্ষেত্ৰত দায়িত্ব পালন কৰে। সাৰ্বজনীন প্ৰতিষেধক ব্যৱস্থা, প্ৰজনন আৰু শিশুস্বাস্থ্য ক্ষেত্ৰত পৰামৰ্শকাৰী তথা সহকাৰী সেৱা, ঘৰে ঘৰে শৌচাগাৰ নিৰ্মাণ আৰু অন্যান্য স্বাস্থ্যসেৱাৰ কাৰ্যসূচীৰ প্ৰসাৰৰ ক্ষেত্ৰত নিজৰ প্ৰদৰ্শনৰ ভিত্তিত অনুদান লাভ কৰে।পঞ্চায়তৰ গ্ৰাম্য স্বাস্থ্য কমিটিৰ নেতৃত্বত 'আশা' কৰ্মীগৰাকীয়ে অংগনবাদী কৰ্মী, এ এন এম আৰু অন্য বিভাগৰ কাৰ্যকৰ্তা, আত্ম সহায়ক গোটৰ সদস্যৰ সহযোগিতাত গ্ৰাম্য স্বাস্থ্য আঁচনিৰ প্ৰস্তুতকৰণ আৰু প্ৰৱৰ্তনৰ ব্যৱস্থা গ্ৰহণ কৰে।
- সাধাৰণ ৰোগসমূহৰ বাবে ঔষধৰ টোপোলাসহ গাঁও পৰ্যায়ত প্ৰশিক্ষণপ্ৰাপ্ত অঞ্চলভিত্তিক কৰ্মীৰ উপস্থিতি। ৰাজহুৱা স্বাস্থ্যকেন্দ্ৰ আৰু সমূহীয়া স্বাস্থ্যকেন্দ্ৰত চিকিৎসকৰ উপস্থিতিৰ নিশ্চয়তা, ঔষধ মজুতকৰণ সহ উন্নত চিকিৎসালয় সেৱা উপলব্ধ কৰা। উন্নত চিকিৎসাসেৱাৰ বাবে অন্য চিকিৎসাকেন্দ্ৰলৈ স্থানান্তৰৰ সুব্যৱস্থা আৰু দৰিদ্ৰ সীমাৰেখাৰ তলৰ লোকৰ বাবে 'জননী সু�ৰক্ষা যোজনা'ৰ অধীনত উন্নত চিকিৎসাৰ বাবে সাহায্য প্ৰদান কৰা।

❍ অংগনবাদী পর্যায়ত এটা নির্দিষ্ট দিনত স্বাস্থ্যদিৱস উদযাপন কৰা। এই দিৱসত প্রতিষেধক, জন্মৰ পূর্বৰ আৰু পৰৱর্তী সময়ৰ স্বাস্থ্যপৰীক্ষাৰ লগতে মাতৃ তথা শিশুৰ পৰিপুষ্টি সম্পর্কীয় আৰু অন্যান্য স্বাস্থ্যসেৱা প্রদান কৰা।

পৰিকল্পিত উন্নয়নৰ যাঠী বছৰৰ পিছতো স্বাস্থ্যসেৱা ক্ষেত্রত ভাৰত এতিয়াও বহু পিছ পৰি আছে। বিশ্বৰ শতকৰা ষোল্ল শতাংশ লোকৰ জনসংখ্যাৰ দেশ ভাৰততে প্রসূতি আৰু নৱজাতকৰ মৃত্যুৰ হাৰ বিশ্বৰ শতকৰা ত্রিশ শতাংশ। ভাৰতত প্রসূতিৰ মৃত্যুৰ হাৰ যথেষ্ট অধিক। উন্নত দেশসমূহত জন্মৰ সময়ত প্রতিজন ব্যক্তিৰ সম্ভাৱিত গড় আয়ুস ৭৯ বছৰ ইয়াৰ বিপৰীতে ভাৰতত জন্মৰ সময়ত এজন ব্যক্তিৰ সম্ভাৱিত গড় আয়ুস মাত্র ৬৪ বছৰ। ভাৰতত অর্ধেকসংখ্যকতকৈও অধিক মহিলা ৰক্তহীনতাৰ সমস্যাত ভোগে যাৰ বাবে তেওঁলোক উচ্চহাৰত ৰোগত আক্রান্ত হয়। ভাৰতত তিনি বছৰৰ অধীন শিশুসকলৰ প্রায় অর্ধেকসংখ্যকেই ভিন্ন পর্যায়ৰ অপুষ্টিত আক্রান্ত হয়। এই অৱস্থা উপ-চাহাৰীয় দেশসমূহতকৈও নিকৃষ্ট। অর্থাৎ বুজা যায় যে প্রায় অর্ধেকসংখ্যক ভাৰতীয় শিশু বৃদ্ধিহীনতা, মানসিক প্রতিবন্ধকতা আৰু সংক্রামক ৰোগ আদি স্বাস্থ্যজনিত সমস্যাত আক্রান্ত হোৱাৰ আশংকা থাকে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১২ ঃ চমুকৈ উত্তৰ দিয়ক-

ক) কোন চনত গ্রাম্য সমাজত মহিলা আৰু শিশুৰ উন্নয়ন (DWCRA) আঁচনি প্রৱর্তন কৰা হৈছিল?

.....

.....

খ) গ্রাম্য সমাজত মহিলা আৰু শিশুৰ উন্নয়ন (DWCRA) আঁচনিৰ প্রধান লক্ষ্য কি আছিল?

.....

.....

গ) ৰাষ্ট্রীয় গ্রামীণ স্বাস্থ্য অভিযান কোন চনত আৰু প্রৱর্তন কৰাৰ উদ্দেশ্য কি?

.....

.....

প্রশ্ন নং ১৩ ঃ গ্রাম্য সমাজত মহিলা আৰু শিশুৰ উন্নয়ন (DWCRA) আঁচনিৰ প্রধান বিষয়সমূহ কি কি আছিল?

.....

.....

.....

প্রশ্ন নং ১৪ ঃ ৰাষ্ট্রীয় গ্রামীণ স্বাস্থ্য অভিযানে সামৰি লোৱা ৰাজ্যকেইখনৰ নাম তালিকাভুক্ত কৰক।

.....

.....

.....

প্রশ্ন নং ১৫ ঃ অর্থ বহলাই লিখক —

ক) NRHM খ) NHS গ) CBCS ঘ) JSY

ঙ) DWCRA চ) PPP ছ) ASHA

১২.৭ গ্রাম্য উন্নয়নত স্বেচ্ছাসেৱী সংগঠন আৰু ৰাইজৰ অংশগ্রহণ

এখন সমাজৰ সামগ্রিকভাৱে অর্থনৈতিক, সামাজিক, ৰাজনৈতিক আৰু প্রশাসনীয় সকলো দিশ সামৰি উর্ধগামী উন্নয়নক সূচোৱা গ্রাম্য উন্নয়ন হৈছে এক গতিশীল প্রক্রিয়া। ইয়াৰ মূল লক্ষ্য হৈছে উন্নয়নৰ সুফলৰ গ্রাম্য সমাজৰ অতি দৰিদ্র পৰিয়ালসমূহৰ মাজলৈ প্রসাৰ ঘটোৱা। উল্লেখযোগ্য যে কোনো এখন গ্রাম্য উন্নয়ন আঁচনিৰ সফলতা-বিফলতা আনকি এই আঁচনি বর্তি থকা-নথকা নির্ভৰ কৰে ইয়াৰ পৰিচালনাৰ ওপৰত। এনেধৰণৰ আঁচনিক উপযুক্তভাৱে পৰিচালনা নকৰিলে উন্নয়নৰ পথ ৰুদ্ধ হৈ পৰিব। তাৎপর্যপূর্ণ যে এইক্ষেত্রত ৰাইজৰ অংশগ্রহণ আৰু উপযুক্ত সজাগতাইহে তৃণমূল পর্যায়ত উন্নয়ন সাধন কৰিব পাৰে।

১২.৭.১ গ্রাম্য এলেকাত স্বেচ্ছাসেৱী সংগঠন

স্বেচ্ছাসেৱী সংগঠন অথবা বেচৰকাৰী স্বেচ্ছাসেৱী সংগঠনসমূহে গ্রাম্য উন্নয়নত অতি গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে। এই সংগঠনসমূহে গ্রাম্য জনসাধাৰণক উন্নয়নমূলক আঁচনিৰ পৰিকল্পনা অথবা প্রৱর্তনৰ ক্ষেত্রত উৎসাহ যোগাব পাৰে। গাঁৱৰ অধিকসংখ্যক লোক অশিক্ষিত হোৱাৰ বাবে তেওঁলোকে গাঁও পর্যায়ত প্রৱর্তন কৰা বিভিন্ন চৰকাৰী আঁচনিৰ সুফল উপলব্ধি কৰিব নোৱাৰে। এইক্ষেত্রত স্বেচ্ছাসেৱী অথবা বেচৰকাৰী স্বেচ্ছাসেৱী সংগঠনসমূহে তেওঁলোকক সজাগতামূলক শিবিৰ আৰু উপযুক্ত প্রশিক্ষণ ব্যৱস্থাৰে চৰকাৰী আঁচনিত অংশ ল'বলৈ অনুপ্রাণিত কৰি তুলিব পাৰে।

বর্তমান দেশত গ্রাম্য উন্নয়ন প্রকল্প সফলভাৱে প্ৰৱর্তন আৰু পৰিচালনা কৰিব পৰাকৈ প্রয়োজনীয় আন্তঃগাঁঠনি সম্পন্ন যথেষ্টসংখ্যক স্বেচ্ছাসেৱী সংগঠন আছে। ৰাষ্ট্রীয় স্তৰত গ্রাম্য উন্নয়নৰ বাবে স্বেচ্ছাসেৱী সংগঠনৰ প্রসাৰ ঘটাবলৈ দায়িত্বত থকা মূল সংস্থাটোৰ নাম হৈছে 'ৰাইজৰ কৰ্ম আৰু গ্রাম্য উন্নয়ন প্রযুক্তিৰ অগ্রগতি পৰিষদ' (CAPART, The Council for Advancement of People's Action And Rural Development Technology)। চছাইটিৰ সামাজিক পঞ্জীকৰণ আইনৰ (Societies Registration Act) অধীনত ১৯৮৬ চনৰ এক ছেপ্টেম্বৰত এই আঁচনিৰ পঞ্জীকৰণ কৰা হৈছিল। ইয়াৰ মুখ্য কার্যালয় অৱস্থিত নতুন দিল্লীত। গ্রাম্য উন্নয়নৰ বাবে স্বেচ্ছাসেৱী কার্যক উৎসাহ, প্রসাৰতা প্রদান আৰু সহযোগিতা আগবঢ়োৱাই পৰিষদৰ মূল লক্ষ্য।

উন্নয়নৰ বাবে বর্তমান অধিক উদ্যমেৰে বেচৰকাৰী স্বেচ্ছাসেৱী সংগঠনসমূহ আগবাঢি অহা দেখা যায়। পূঁজি যোগান ধৰা সংস্থাসমূহৰ সহযোগিতাৰ বাবে ডাঙৰ-সৰু সকলোধৰণৰ বেচৰকাৰী স্বেচ্ছাসেৱী সংগঠনে কাম কৰি যোৱাৰ অনুপ্রেৰণা লাভ কৰিছে। ইয়াৰ দ্বাৰা পূঁজি যোগান ধৰা সংস্থাসমূহেও পূর্বৰ তুলনাত অধিক সক্রিয় ভূমিকা গ্রহণ কৰাটো প্রয়োজনীয় হৈ পৰিছে। এনেধৰণৰ গৰিষ্ঠসংখ্যক সংস্থাই এতিয়া 'সম্পদৰ কেন্দ্র'ৰ ভূমিকা গ্রহণ কৰি আঁচনিসমূহ পৰিকল্পনা আৰু প্ৰৱর্তনৰ লগতে বেচৰকাৰী স্বেচ্ছাসেৱী সংগঠনৰ সক্রিয়তা বৃদ্ধিত অৰিহণা যোগায়। উচ্চ স্তৰত উন্নয়ন অনাৰ ক্ষেত্রত বেচৰকাৰী স্বেচ্ছাসেৱী সংগঠনৰ যোগ্যতাই ইতিমধ্যে স্বীকৃতি লাভ কৰিছে।

১২.৭.২ গ্রাম্য উন্নয়নত ৰাইজৰ অংশগ্রহণ

গ্রাম্য উন্নয়নৰ যিকোনো ক্ষেত্রত আটাইতকৈ গুৰুত্বপূর্ণ দিশটোৱে হৈছে 'ৰাইজ', যাৰ বাবে আঁচনিসমূহ প্ৰৱর্তন কৰা হয়। সেইবাবে গ্রাম্য জনসাধাৰণৰ সক্রিয় আৰু সর্বব্যাপী অংশগ্রহণ অবিহনে ৰাষ্ট্রীয় পৰিসৰত যিকোনো গ্রাম্য উন্নয়ন আঁচনিক প্ৰৱর্তন কৰাটো সম্ভৱ নহয়। গ্রাম্য উন্নয়নৰ আঁচনিক এনেধৰণে প্রণয়ন কৰিব লাগে যাতে এই পদক্ষেপে অধিকসংখ্যক লোকক আঁচনিত অংশগ্রহণৰ বাবে উৎসাহ যোগোৱাৰ লগতে আঁচনিৰ সফল প্ৰৱর্তনত তেওঁলোকক জড়িত কৰি তোলে।

গ্রাম্য উন্নয়ন আঁচনিত অংশগ্রহণৰ বাবে ৰাইজক উৎসাহী আৰু নিৰুৎসাহী কৰি তুলিব পৰা কেইবাটাও কাৰক আছে। সেইবাবে আঁচনি প্রস্তুতৰ দায়িত্বত থকা সকলে জনসাধাৰণে পৰিকল্পনাত অংশগ্রহণ কৰিবৰ বাবে আগ্রহী কাৰকসমূহ উলিয়াই বিশেষ কিছুমান কৌশল উদ্ভাৱন কৰিব লাগে। বিগত সময়ত পৰিকল্পনা প্রস্তুতকৰণ আৰু প্ৰৱর্তনত ৰাইজক অংশগ্রহণ কৰোৱাৰ বাবে ভাৰতে গ্রহণ কৰা প্রচেষ্টাক পর্যালোচনা কৰিলে দেখা পোৱা যায় যে পৰিকল্পনাৰ বিকেন্দ্রীকৰণ আৰু প্রশাসনীয় পদক্ষেপৰ ক্ষেত্রত জনসম্পর্কৰক্ষী সংস্থাসমূহে আশা কৰা মতে ফলাফল প্রদর্শন কৰিব পৰা নাই।

১৯৯২ চনত সংবিধানৰ ৭৩ সংখ্যক সংশোধনীৰ পিছত গ্রাম্য উন্নয়ন কার্যসূচীৰ পৰিকল্পনা আৰু প্ৰৱর্তনৰ ক্ষেত্রত ৰাইজৰ অংশগ্রহণ পূর্বতকৈ বৃদ্ধি হোৱাৰ আশা কৰা হৈছিল। কিন্তু বর্তমান সময়লৈকে দেখা যায় যে এই দৃশ্যপটৰ চকুত লগাকৈ পৰিৱর্তন হোৱা নাই। এতিয়া উন্নয়নৰ আঁচনিসমূহত বহুসংখ্যক লোক অংশগ্রহণৰ পৰা বিৰত আছে, ইয়াৰ কাৰণ এনেদৰে তুলি ধৰিব পাৰি-

- গ্রাম্য এলেকাত বসবাস কৰা লোকসকল সাধাৰণতে অশিক্ষিত অথবা অর্ধশিক্ষিত হয় বাবে তেওঁলোকে নিজৰ অংশগ্রহণৰ গুৰুত্ব উপলব্ধি নকৰে।
- প্রেৰণাৰ অভাৱো তেওঁলোকৰ সক্রিয় অংশগ্রহণৰ ক্ষেত্রত প্রতিবন্ধক হৈ দেখা দিয়ে।
- ৰাইজৰ বাবে গ্রহণ কৰা বিভিন্ন আঁচনি সন্দর্ভত অজ্ঞতাৰ বাবেও তেওঁলোকে আঁচনিসমূহত সক্রিয় অংশগ্রহণ কৰিবলৈ সক্ষম নহয়।
- সজাগতাৰ অভাৱৰ মাজতে এই কার্যসূচীসমূহ প্ৰৱর্তন কৰা হয়। অর্থাৎ নির্দিষ্ট কর্তৃপক্ষৰ পৰা ৰাইজৰ মাজলৈ তথ্য অতি কম পৰিমাণে সৰবৰাহ হয়।
- সাধাৰণতে সিদ্ধান্ত লোৱাৰ ক্ষেত্রত মহিলাসকলক আঁতৰাই ৰখা হয় বাবে তেওঁলোকৰ অংশগ্রহণৰ হাৰ নিম্নমানৰ হোৱা দেখা যায়।

অর্থাৎ 'গ্রাম্য উন্নয়ন' সংজ্ঞাৰ দ্বাৰা গ্রাম্য লোকসকলৰ জীৱনশৈলী উন্নত কৰাৰ লক্ষ্যৰে গ্রহণ কৰা সামগ্রিক উন্নয়নৰ ধাৰণাক বুজোৱা হয়। এই প্রসংগত ইয়াক এক সামগ্রিক আৰু বহুমাত্রিক ধাৰণা বুলি ক'ব পৰা যায় আৰু এই ব্যৱস্থাৰ দ্বাৰা গ্রাম্য এলেকাত কৃষিক্ষেত্র আৰু ইয়াৰ সৈতে সম্পর্কিত কার্যাৱলী, গ্রাম্য আৰু কুটিৰ উদ্যোগ, হস্তশিল্প, আর্থ-সামাজিক আন্তঃগাঠনি, সমূহীয়া সেৱা আৰু সুবিধাৰ লগতে সর্বোপৰি মানৱ সম্পদ উন্নয়নত গুৰুত্ব দিয়া হয়। গ্রাম্য উন্নয়নক এটা প্রক্রিয়া, এটা পৰিঘটনা, এটা কৌশল আৰু এক বিষয় ৰূপে ব্যাখ্যা কৰিব পৰা যায়। *প্রক্রিয়াৰূপে* ইয়ে নির্ধাৰিত ল ক্ষ্যত উপনীত হ'বলৈব্যক্তি, সম্প্রদায় আৰু ৰাষ্ট্রৰ কর্মব্যস্ততাক বুজায়। *পৰিঘটনাৰূপে* গ্রাম্য উন্নয়ন হৈছে বিভিন্ন অর্থনৈতিক, আর্থ-সামাজিক, সংস্থাগত, প্রযুক্তিগত আদি কাৰণৰ সহঅৱস্থানৰ অন্তিম ফলাফল। *কৌশলৰূপে* গ্রামাঞ্চলৰ দৰিদ্র ৰাইজৰ অর্থনৈতিক, সামাজিক উন্নতি সাধন কৰাৰ উদ্দেশ্যে গ্রাম্য উন্নয়নক গ্রহণ কৰা হয়। *বিষয় ৰূপে* গ্রাম্য উন্নয়নৰ প্রকৃতি আন্তঃবিষয়মূলক আৰু ইয়াত কৃষি, সামজিক, ব্যৱহাৰিক, অভিযান্ত্রিক আৰু পৰিচালনা বিজ্ঞান আদি সকলো বিষয় জড়িত হৈ আছে। গ্রাম্য উন্নয়নৰ সৈতে সম্পর্কিত কেতবোৰ লক্ষ্য হৈছে-

- জনমূৰি আয় বৃদ্ধি কৰা (অর্থনৈতিক বিকাশ)।
- আয় ব্যৱস্থাৰ বিতৰণৰ ক্ষেত্রত উন্নতি (সমতা)।
- সম্পদ, শিক্ষা, স্বাস্থ্যসেৱা, নিয়োগৰ সুবিধা আৰু ন্যায়ৰ ক্ষেত্রত সমান অধিকাৰ।

গতিকে ইয়াৰ পৰা ক'ব পৰা যায় যে তৃণমূল পর্যায়ৰ পৰা উন্নয়নৰ নির্ধাৰিত লক্ষ্য হৈছে ৰাষ্ট্রীয় সমৃদ্ধি। সেইবাবে উন্নয়নৰ ক্ষেত্রত এক সংহত দৃষ্টিভংগী গ্রহণ কৰাটো বিশেষকৈ গ্রাম্য জনসাধাৰণৰ ক্ষেত্রত অতি প্রয়োজনীয়। ইয়াৰ বাবে গ্রাম্য উন্নয়নৰ বাবে গ্রহণ কৰা যিকোনো চৰকাৰী আঁচনিৰ সফলতাৰ বাবে স্থানীয় ৰাইজৰ সক্রিয় অংশগ্রহণ অতি জৰুৰী। উন্নয়নমূলক আঁচনিত সাধাৰণ ৰাইজৰ অংশগ্রহণ বৃদ্ধি কৰ্ব্বিলৈ চৰকাৰে গ্রাম্য জনসাধাৰাণৰ মাজত সজাগতা আনিব পৰা বিশেষ ব্যৱস্থা গ্রহণ কৰিবই লাগিব। পর্যাপ্ত সজাগতা আৰু সামাজিক সচেতনতাৰ অবিহনে ৰাইজে তেওঁলোকৰ বাবে গ্রহণ কৰা বিভিন্ন আঁচনিৰ গুৰুত্ব সম্পূর্ণৰূপে উপলব্ধি কৰাত ব্যর্থ হ'ব। এনেদৰে উন্নয়নৰ এক উর্ধগামী দৃষ্টিভংগী থকাটো প্রয়োজনীয় যাৰ জড়িয়তে ৰাইজে উন্নয়নৰ প্রক্রিয়াত সক্রিয় অংশগ্রহণ কৰিব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১৬ ঃ শুদ্ধ নে অশুদ্ধ লিখক।

ক) কৌশলৰূপে গ্রাম্য উন্নয়নে গ্রাম্য জনসাধাৰণৰ জীৱনশৈলীৰ মান আৰু স্থানৰ উন্নতি সাধন কৰাকে বুজায়।

.....

খ) জনসাধাৰণৰ অংশগ্রহণ অবিহনে গ্রাম্য উন্নয়নৰ আঁচনি সফলভাৱে প্রৱর্তন কৰিব পৰা যায়।

.....

প্রশ্ন নং ১৭ ঃ খালী ঠাই পূৰণ কৰক ঃ

ক) যিকোনো .....ৰ আটাইতকৈ গুৰুত্বপূর্ণ দিশটো হৈছে ..... যাৰ বাবে আঁচনি গ্রহণ কৰা হৈছে।

খ) ..... প্রসাৰৰ বাবে দায়িত্ব গ্রহণ কৰা মূল সংস্থা হৈছে .....।

গ) ..... য়ে গ্রাম্য উন্নয়নত অতি গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে।



চিন্তা চর্চ্চা কৰক ১২.১

চৰকাৰে অসমত প্ৰৱৰ্তন কৰা গুৰুত্বপূৰ্ণ গ্ৰাম্য উন্নয়ন আঁচনিসমূহৰ ওপৰত এটা টোকা লিখক।

.....

.....

অসমত ৰাষ্ট্ৰীয় গ্ৰামীণ স্বাস্থ্য অভিযানৰ সফলতা-বিফলতা মূল্যায়ন কৰক।

.....

.....

দৰিদ্ৰতা আৰু নিবনুৱা সমস্যা উভয়ে উভয়ৰ কাৰণ আৰু ফলাফল উদাহৰণসহ ব্যাখ্যা কৰক।

.....

.....



১২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- 'গ্ৰাম্য উন্নয়ন' সংজ্ঞাৰ দ্বাৰা দৰিদ্ৰ গাওঁবাসীৰ জীৱনৰ মানৰ সামগ্ৰিক উন্নয়নকে বুজোৱা হয়।
- গ্ৰাম্য উন্নয়নৰ ক্ষেত্ৰত দৰিদ্ৰতা নিৰ্মূলকৰণকে সৰ্বাধিক গুৰুত্ব প্ৰদান কৰা হয়। অতীতৰে পৰা দৰিদ্ৰতা আৰু নিবনুৱা সমস্যাই দেশক ভাৰাক্ৰান্ত কৰি ৰাখিছে। উন্নয়নমূলক পৰিকল্পনাৰ আৰম্ভনিৰ পৰা এই দুই সমস্যাক নিৰ্মূল কৰাটোৱে হৈছে দেশৰ অন্যতম প্ৰধান লক্ষ্য। সেই অনুসৰি সময়ে সময়ে ভাৰত চৰকাৰে দৰিদ্ৰতা আৰু নিবনুৱা সমস্যা দূৰীকৰণৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ কৰিছে।
- গ্ৰাম্য উন্নয়নৰ আঁচনিসমূহৰ দ্বাৰা ৰাইজৰ কৰ্মস্থান আৰু বসতিস্থানৰ অৱস্থা উন্নত কৰাত গুৰুত্ব প্ৰদান কৰা হয়। ৰাইজে কি বিচাৰে তাৰ আধাৰত নিৰ্ভৰ কৰি আঁচনিসমূহৰ লক্ষ্য নিৰ্ধাৰণ কৰা হয়। আনহাতে আকাংক্ষিত পৰিৱৰ্তন অনাৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিব পাৰে বুলি ৰাইজে ধাৰণা কৰে তাৰ ভিত্তিত এইক্ষেত্ৰত উন্নয়নৰ ব্যৱস্থা গ্ৰহণ কৰা হয়।

- আন্তঃগাথঁনি উন্নয়নৰ বাবে গ্রহণ কৰা এক অন্যতম আঁচনি হৈছে ন্যূনতম প্রয়োজনীয়তাৰ আঁচনি।

- সমাজ উন্নয়ন আঁচনি আছিল সমতাৰ ওপৰত ভিত্তি কৰি কৃষি আৰু গ্রাম্য উন্নয়নৰ বাবে গ্রহণ কৰা দেশৰ সর্ববৃহৎ পৰিসৰৰ, সু-পৰিকল্পিত আৰু সংগঠিত পদক্ষেপ। সমাজ উন্নয়ন আঁচনিৰ মূল উদ্দেশ্য আছিল গ্রাম্য সমাজৰ বস্তুগত সম্পদ আৰু মানৱ সম্পদৰ সামগ্রিক উন্নয়ন সাধন কৰি স্থানীয় নেতৃত্ব আৰু স্বশাসনমূলক সংস্থাৰ বিকাশ ঘটোৱা যাতে গ্রামাঞ্চলবাসীৰ জীৱনৰ মান উন্নত হয়। ইয়ে কৃষি আৰু গ্রাম্য উন্নয়নমূলক আঁচনিৰ বাবে ভেঁটি স্থাপন কৰে।

- সংহত গ্রাম্য উন্নয়ন আঁচনি হৈছে আত্ম নিয়োজনৰ ক্ষেত্রত গ্রহণ কৰা আটাইতকৈ গুৰুত্বপূর্ণ পদক্ষেপ। বর্তমান সময়ত সমগ্র দেশতে প্রচলিত এই আঁচনিয়ে হৈছে একমাত্র বৃহৎ দৰিদ্রতা দূৰীকৰণৰ আঁচনি। এই আঁচনি হৈছে দেশত দৰিদ্রতা নির্মূলকৰণৰ বাবে অঞ্চলভিত্তিক উন্নয়নমূলক ব্লকত বর্তমানেও প্রচলিত একমাত্র বৃহৎ আঁচনি।

- চৰকাৰী আৰু বেচৰকাৰী সংগঠনসমুহে গ্রাম্য উন্নয়নৰ ক্ষেত্রত যথেষ্ট ভুমিকা পালন কৰে । গ্রাম্য উন্নয়নৰ বাবে এই সংগঠনসমুহে গ্রাম্যঞ্চলৰ ব্যক্তিসকলক অর্থবহ আঁচনি তৈয়াৰ কৰিবৰ বাবে অভিৰুচিত কৰাৰ লগতে আঁচনিসমুহৰ প্রয়োগৰ ক্ষেত্রতো বলিষ্ঠ পদক্ষেপ গ্রহণ কৰিব পাৰে ।



১২.৯ অধিক জানিবলৈ

1) Ahlawat, S.R.(ed.).(2008). *Economic Reforms and Social Transformation*. Jaipur : Rawat Publications.

2) Deogaonkar, S.G. (1994).*Tribal Administration and Development (With Ethnographic Profiles of Selected Tribes)*. New Delhi:Concept Publishing Company.

3) Mohanty, Manoranjan (ed.) (2010). *India:Social Development Report 2010:The Land Question and the Marginalized*.Council for Social Development.New Delhi:Oxford Publishing House.

4) Samanta, R.K(ed.), (1991). *Rural Development in North-East India: Perspectives, Issues and Experiences*.New Delhi: Uppal Publishing House.



১২.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ গ্রামাঞ্চলৰ ব্যক্তিসকলৰ জীবনধাৰণাৰ লাভৰ বাবে জনসাধাৰণৰ কল্যাণ সাধন কৰায়েই হ'ল গ্রাম্যঞ্চল বিকাশৰ মুখ্য উদ্দেশ্য । গ্রাম্য উন্নয়নৰ বাবে গ্রহণ কৰা আঁচনি আৰু পৰিকল্পনাসমূহৰ লক্ষ্য গাওঁবাসীৰ জীৱনৰ মান উন্নত কৰা। গ্রাম্য উন্নয়নৰ আওতাত কেৱল কৃষিয়ে নহয় ইয়াৰ লগতে সমাজ কল্যাণ যেনে, শিক্ষা, স্বাস্থ্য, দৰিদ্রতা নির্মূলকৰণ, বিশুদ্ধ খোৱাপানী যোগান, অনাময় ব্যৱস্থা, বৈদ্যুতিক যোগান, যুৱপ্রজন্মৰ নিযুক্তি, গ্রাম্য উদ্যোগ স্থাপন, যোগাযোগ আৰু পৰিবহণ ব্যৱস্থাৰ উন্নতি, বজাৰৰ সৈতে সংযোগৰ লগতে আন আন বিভিন্ন দিশ যেনে ব্যক্তিসকলৰ বাচনি প্রক্রিয়া প্রসাৰৰ লগতে সিদ্ধান্ত গ্রহন প্রক্রিয়াটো ৱ হুলভাবে জড়িত হো ৱা বিষয়কো সামৰি লোৱা হৈছে।

২ নং প্রশ্নৰ উত্তৰ ঃ গ্রাম্য উন্নয়নৰ প্রধান বিষয়সমূহ হ'ল-

জীৱনৰ মৌলিক প্রয়োজনঃ মানুহৰ কিছুমান মৌলিক প্রয়োজন থাকে যাৰ অবিহনে জীৱন ধাৰণ অসম্ভৱ। এই মৌলিক প্রয়োজনসমূহ হৈছে খাদ্য, বস্ত্র, বাসস্থান, প্রাথমিক সাক্ষৰতা, প্রাথমিক স্বাস্থ্যসেৱাৰ লগতে জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা।

আত্ম-সন্মানঃ গ্রাম্যঞ্চল বিকাশে সমাজৰ প্রতিজন ব্যক্তিৰে আত্মসন্মান সুৰক্ষিত আৰু উন্নতশীল কৰি তুলে । প্রতিজন ব্যক্তি আৰু প্রতিখন ৰাষ্ট্রৰ সুকীয়া আত্ম-সন্মানবোধ বা সন্মান থাকে। এই আত্ম সন্মানবোধৰ অভাৱ বা নস্যাৎকৰণে উন্নয়নৰ অভাৱকে সূচায়।

স্বাধীনতাঃ স্বাধীনতা মানে এই প্রসংগত সামাজিক দাসত্বৰ পৰা ৰাজনৈতিক, ভাৱাদর্শীয় আৰু অর্থনৈতিক স্বাধীনতাক বুজোৱা হৈছে। গ্রামাঞ্চল বিকাশে ব্যক্তিসকলৰ বাবে তেনেধৰণৰ স্বাধীনতাকে বুজায় যিয়ে বহল অর্থত সমাজখনৰ বা দেশখনৰ বৃদ্ধি আৰু বিকাশত অৰিহনা যোগায় ।

৩ নং প্রশ্নৰ উত্তৰ ঃ সমাজ উন্নয়ন আঁচনিৰ প্রধান লক্ষ্য আছিল গ্রামাঞ্চলৰ দৰিদ্রসকল।

৪ নং প্রশ্নৰ উত্তৰ ঃ সমাজ উন্নয়ন আঁচনিৰ মূল বিষয়সমূহ আছিলঃ কৃষি আৰু ইয়াৰ সম্পর্কিত বিষয়সমূহ, জলসিঞ্চন, যোগাযোগ, শিক্ষা, স্বাস্থ্য, অতিৰিক্ত নিযুক্তি, বাসগৃহ, সমাজ কল্যাণ আৰু প্রশিক্ষণ।

৫ নং প্রশ্নৰ উত্তৰ ঃ ক) শুদ্ধ।

খ) অশুদ্ধ।

৬ নং প্রশ্নৰ উত্তৰ ঃ সংহত গ্রাম্য উন্নয়ন আঁচনি হৈছে আত্ম নিয়োজনৰ ক্ষেত্রত গ্রহণ কৰা আটাইতকৈ গুৰুত্বপূর্ণ পদক্ষেপ । বর্তমান সময়ত সমগ্র দেশতে প্রচলিত এই আঁচনিয়ে হৈছে একমাত্র বৃহৎ দৰিদ্রতা দূৰীকৰণৰ আঁচনি। এই আঁচনিৰ লক্ষ্য গ্রামাঞ্চলৰ দৰিদ্র ৰাইজক আত্ম নিয়োজনৰ সুযোগ আৰু সুবিধা প্রদান কৰি তেওঁলোকক দৰিদ্র সীমাৰেখাৰ

ওপৰলৈ অনাৰ ব্যৱস্থা কৰা। সংহত গ্রাম্য উন্নয়নৰ দ্বাৰা গ্রামাঞ্চলৰ দৰিদ্র ৰাইজৰ হকে সম্পদৰ সমবিতৰণ আৰু নিয়োগৰ সুবিধা প্রদান কৰি আয়ৰ ক্ষেত্রত থকা বৈষম্য দূৰ কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছিল।

৭ নং প্রশ্নৰ উত্তৰ ঃ সংহত গ্রাম্য উন্নয়ন আঁচনিৰ জড়িয়তে দৰিদ্রতা নির্মূলকৰণৰ বাবে উন্নয়নৰ গুৰুত্বপূর্ণ দিশসমূহ যেনে কৃষি, ক্ষুদ্র জলসিঞ্চন, মীন পালন, পশুপালন আৰু পশুচিকিৎসা, উদ্যোগ আৰু সেৱা আৰু অন্যান্য আঞ্চলিক সেৱাসমূহক সাঙুৰি এক সামগ্রিক আৰু সংহত আঁচনি গ্রহণ কৰা হয়।

৮ নং প্রশ্নৰ উত্তৰ ঃ ক) ১৯৭৮-৭৯।

খ) আত্ম নিয়োজনৰ বাবে গ্রাম্য যুৱক-যুৱতীৰ প্রশিক্ষণ (TRYSEM)।

৯ নং প্রশ্নৰ উত্তৰ ঃ ন্যূনতম প্রয়োজনীয়তাৰ আঁচনি হৈছে চৰকাৰে দৰিদ্রতা নির্মূলকৰণৰ বাবে গ্রহণ কৰা অন্যতম গুৰুত্বপূর্ণ আঁচনি। গ্রামাঞ্চলত বসবাস কৰা সকলো শ্রেণীৰ লোকৰ বাবে এক মৌলিক মানবিশিষ্ট জীৱনশৈলী নিশ্চিতকৰাই আছিল ইয়াৰ লক্ষ্য। এক নির্দিষ্ট সময়সীমাৰ ভিতৰত এক গ্রহণযোগ্য সামাজিক মান লাভ কৰিব পৰাকৈ কেতবোৰ নির্ধাৰিত সেৱাক সামূহিকৰূপত উপলব্ধ কৰাটোৱে ইয়াৰ প্রধান দিশ।

১০ নং প্রশ্নৰ উত্তৰ ঃ ন্যূনতম প্রয়োজনীয়তাৰ অধীনস্থ বিষয়সমূহ হৈছে-

১) প্রাথমিক শিক্ষা।
২) প্রাপ্তবয়স্কৰ শিক্ষা।
৩) গ্রাম্য স্বাস্থ্য।
৪) গ্রাম্য পানী যোগান।
৫) গ্রাম্য পথ।
৬) গ্রাম্য আবাস।
৭) গ্রাম্য বৈদ্যুতিকীকৰণ।
৮) নগৰীয় বস্তি এলেকাৰ পৰিৱেশ উন্নীতকৰণ।
৯) পৰিপুষ্টি।
১০) গ্রাম্য বন্ধন শক্তি।
১১) গ্রাম্য অনাময়।
১২) ৰাজহুৱা বিতৰণ ব্যৱস্থা।

১১ নং প্রশ্নৰ উত্তৰ ঃ ক) সম্প্রদায় উন্নয়ন আঁচনিৰ অংশৰূপে গ্রাম্য আবাসগৃহৰ আঁচনিক ১৯৫৭ চনত প্রৱর্তন কৰা হৈছিল।

খ) ৰাষ্ট্রীয় সাধাৰণ ন্যূনতম আঁচনিক (NCMP) গ্রাম্য এলেকাৰ জীৱনশৈলীৰ মান উন্নত কৰিবলৈ গ্রহণ কৰা হৈছিল।

১২ নং প্রশ্নৰ উত্তৰ ঃ ক) গ্রাম্য সমাজৰ মহিলা আৰু শিশু উন্নয়ন আঁচনিক ১৯৫৭ চনত প্রৱর্তন কৰা হৈছিল।

খ) গ্রাম্য সমাজত মহিলা আৰু শিশুৰ উন্নয়ন (DWCRA) আঁচনিৰ প্রধান লক্ষ্য আছিল গ্রামাঞ্চলৰ দৰিদ্র সীমাৰেখাৰ তলৰ মহিলাসকলে আত্ম নিয়োজনৰ মাধ্যমেৰে উপার্জনমুখী বৃত্তি গ্রহণ কৰিব পৰাকৈ তেওঁলোকৰ সৱলীকৰণ কৰা। তেওঁলোকৰ মাজত আত্ম নিয়োজনৰ মাধ্যমত বহনক্ষম উপার্জনমুখী কার্যব্যৱস্থাৰ সৃষ্টি কৰা।

গ) ২০০৫ চনত গ্রামাঞ্চলৰ ৰাইজৰ স্বাস্থ্য সেৱা উন্নত কৰিবলৈ ৰাষ্ট্রীয় গ্রামীণ স্বাস্থ্য অভিযান আৰম্ভ কৰা হৈছিল।

১৩ নং প্রশ্নৰ উত্তৰ ঃ সংহত গ্রাম্য উন্নয়ন আঁচনিৰ অন্য দিশতকৈ ব্যতিক্রম এই আঁচনিত (DWCRA) উপার্জন বৃদ্ধি কৰাৰ লগতে স্বাস্থ্য, শিক্ষা, বিশুদ্ধ খোৱাপানী, অনাময়, পৰিপুষ্টি আৰু বহুকেইটা দিশত গুৰুত্ব দিয়া হৈছিল। গতিকে কেৱল আর্থিক উন্নয়নৰ লক্ষ্যই নহয় এই আঁচনিৰ জড়িয়তে সামাজিক উন্নয়নো সাধন কৰিব বিচৰা হৈছিল। এই আঁচনিৰ আন এক বৈশিষ্ট হ'ল ইয়াৰ দ্বাৰা সামূহিক কাম কাজত গুৰুত্ব প্রদান কৰা হৈছিল। ধাৰণা কৰা হৈছিল যে অনাগত সময়ত সজাগতা আৰু আত্ম নির্ভৰশীলতাৰ মাধ্যমত গঢ়ি উঠা এক জাগৰণৰ ওপৰতহে আনি মহিলা সৱলীকৰণ নির্ভৰ কৰিব।

১৪ নং প্রশ্নৰ উত্তৰ ঃ ৰাষ্ট্রীয় গ্রামীণ স্বাস্থ্য অভিযানত সর্বাধিক গুৰুত্ব দিয়া ওঠৰখন ৰাজ্য হৈছেঃ

বিহাৰ, মধ্যপ্রদেশ, ৰাজস্থান, উত্তৰ প্রদেশ, ঝাৰখণ্ড, ছত্তিশগঢ়, উত্তৰাখণ্ড, উৰিষ্যা, হিমাচল প্রদেশ, ৰাজস্থান, জম্মু আৰু কাশ্মীৰ, মণিপুৰ, মেঘালয়, নাগালেণ্ড, অসম, অৰুণাচল প্রদেশ, ছিক্কিম আৰু মিজোৰাম।

১৫ নং প্রশ্নৰ উত্তৰ ঃ ক) NRHM-National Rural Health Mission

খ) NHS-National Health Survey

গ) CBCS-Community Based Convergent Services

ঘ) JSY-Jawahar Rojgar Yojna

ঙ) DWCRA-Development of Women And Children in Rural Area

চ) PPP-Public Private Partnership

ছ) ASHA-Accredited Social Health Activist

১৬ নং প্রশ্নৰ উত্তৰ ঃ ক) শুদ্ধ। (খ) অশুদ্ধ।

১৭ নং প্রশ্নৰ উত্তৰ ঃ ক) যিকোনো গ্রাম্য উন্নয়ন আঁচনিৰ আটাইতকৈ গুৰুত্বপূর্ণ হৈছে জনসাধাৰণ যাৰ বাবে আঁচনি গ্রহণ কৰা হৈছে।

খ) গ্রাম্য উন্নয়নৰ বাবে স্বেচ্ছাসেৱী সংগঠনৰ প্রসাৰ ঘটাবলৈ দায়িত্বত থকা মূল সংস্থাটোৰ নাম হৈছে 'ৰাইজৰ কর্ম আৰু গ্রাম্য উন্নয়ন প্রযুক্তিৰ অগ্রগতি পৰিষদ।'

গ) স্বেচ্ছাসেৱী সংগঠনসমূহে গ্রাম্য উন্নয়নত অতি গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে।



১২.১১ আৰ্হি প্ৰশ্ন

ক) চুটি প্ৰশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ গ্ৰামাঞ্চল বিকাশ বুলিলে কি বুজে ?

প্ৰশ্ন ২ ঃ গ্ৰাম্য উন্নয়নৰ প্ৰধান বিষয়সমূহ কি কি ?

প্ৰশ্ন ৩ ঃ গ্ৰাম্য উন্নয়নৰ বাবে বিভিন্ন আঁচনি আৰু প্ৰকল্পসমূহৰ ৰূপায়ণৰ গুৰুত্ব আছে বুলি আপুনি কিয় ভাবে ?

প্ৰশ্ন ৪ ঃ নূন্যতম প্ৰয়োজনীয়তাৰ আঁচনিৰ প্ৰাসংগিকতা কি কি ?

প্ৰশ্ন ৫ ঃ চমুটোকা লিখক—

ক) বেচৰকাৰী স্বেচ্ছাসেৱী সংগঠন/স্বেচ্ছাসেৱী সংস্থা আৰু গ্ৰাম্য উন্নয়নত ইয়াৰ ভূমিকা।

খ) সংহত গ্ৰাম্য উন্নয়ন আঁচনি

প্ৰশ্ন ৬ ঃ সমাজ উন্নয়ন আঁচনিৰ মূল বৈশিষ্ট্যসমূহ তুলি ধৰক।

প্ৰশ্ন ৭ ঃ গ্ৰাম্য সমাজত মহিলা আৰু শিশু উন্নয়নআঁচনিৰ গুৰুত্বপূৰ্ণ দিশসমূহ কি কি ?

খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ বিগত সত্তৰ বছৰত ভাৰত চৰকাৰে বিভিন্ন উন্নয়নমূলক আঁচনি আৰু ব্যৱস্থা গ্ৰহণ কৰা স্বত্তেও ভাৰতৰ গ্ৰাম্য সমাজ তুলনামূলকভাৱে কিয় পিছপৰা আৰু অনুন্নত? এখন ৰচনা লিখক।

প্ৰশ্ন ২ ঃ গ্ৰাম্য উন্নয়নত ৰাইজক জড়িত কৰোৱাৰ সুবিধাসমূহ কি কি?

প্ৰশ্ন ৩ ঃ গ্ৰাম্য সমাজত মহিলা আৰু শিশু উন্নয়নৰ বাবে গ্ৰহন কৰা গ্ৰাম্য সমাজত মহিলা আৰু শিশু উন্নয়নৰ (DWCRA) আঁচনিৰ গুৰুত্বপূৰ্ণ প্ৰকল্পসমূহৰ বিষয়ে আলোচনা কৰক ।

প্ৰশ্ন ৪ ঃ অসমত ৰাষ্ট্ৰীয় গ্ৰামীন স্বাস্থ্য অভিযানৰ প্ৰভাৱৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ১৩ ঃ শিক্ষাত কৌশলৰ বিকাশ

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ কৌশলৰ বিকাশ ঃ ইয়াৰ অর্থ আৰু গুৰুত্ব
১৩.৩.১ কৌশলৰ বিভিন্ন প্রকাৰসমূহ
১৩.৪ শিক্ষাত NSQF ৰ পৰামর্শৰলী আৰু ইয়াৰ তাৎপর্যসমূহ
১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.৬ অধিক জানিবলৈ
১৩.৭ অগ্রগতিৰ খতিয়ান
১৩.৮ আৰ্হি প্রশ্নাৰলী

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- কৌশল, বিকাশৰ প্রয়োজনীয়তা আৰু গুৰুত্ব সম্পর্কে জানিব পাৰিব।
- কৌশল বিকাশৰ বিভিন্ন প্রকাৰৰ বিষয়ে বর্ণনা কৰিব পাৰিব।
- শিক্ষাত NSQFৰ পৰামর্শৰলী আৰু ইয়াৰ প্রভাৰ সম্পর্কে আলোচনা কৰিব পাৰিব।

১৩.২ পৰিচয়

ভাৰতবর্ষৰ দৰে এখন উন্নয়নশীল দেশৰ বাবে শিক্ষা গণতান্ত্রিকৰণ হোৱাতো নিতান্তই প্রয়োজন যাতে ইয়াৰ প্রত্যেক নাগৰিকে জীৱনৰ প্রতিটো পদক্ষেপতে সমান সুযোগ-সুবিধা আৰু ন্যায় পাব পাৰে। বর্তমান শতিকাত শিক্ষাই প্রতিটো দিশকে অন্তর্ভুক্তিকৰণ কৰাটো দৰকাৰ আৰু নতুন কৌশল ব্যৱহাৰেৰে শিক্ষা প্রদান তথা বিস্তৃত কৰাটো সময়ৰ এক আহ্বান স্বৰূপ। তদুপৰি বর্তমান কৌশলগত বিকাশে দেশৰ শৈক্ষিত নীতিবোৰৰ ক্ষেত্রত এক গুৰুত্বপূর্ণ স্থান অধিকাৰ কৰি আছে। দেশৰ দীর্ঘম্যাদী উপকাৰ তথা সামাজিক আৰু অর্থনৈতিক গতিশীলতাৰ স্থানান্তৰকৰণৰ সুবিধাৰ বাবে আৰু দেশত জ্ঞান সমৃদ্ধ জনসংখ্যাৰ সৃষ্টিৰ বাবে শিক্ষাৰ কৌশলগত বিকাশৰ প্রয়োজন। গুণগত শিক্ষাই শিক্ষার্থীক কর্মক্ষেত্রত অধিক সমর্থবান কৰি তোলে, তাৰ ফলত শিক্ষার্থীয়ে ৰাষ্ট্র বিকাশ প্রক্রিয়া অধিক অৰিহণা যোগাব পাৰে।

শিক্ষাই হৈছে এক জীৱনযোৰা প্রক্রিয়া। শিক্ষাই মানুহক জীৱ শ্রেষ্ঠ কৰি তুলিছে। ই

চিন্তা কৰাৰ ক্ষমতা বৃদ্ধি কৰে আৰু জীৱনৰ প্ৰতি জ্ঞানৰ ধাৰণা বিকশাই তোলে। প্ৰকৃততে শিক্ষাই মানুহক প্ৰয়োজন ভিত্তিক কৌশল আহৰণত সহায় কৰে আৰু শেষত মানুহে কৰা কাৰ্যৰ দক্ষতা এটা স্তৰলৈ বৃদ্ধি কৰি তোলে। এনেদৰে, শিক্ষা হৈছে জ্ঞান আহৰণ, কৌশল বৃদ্ধিকৰণ, মূল্যবোধ আৰু ভংগীৰ বিকাশ আদিৰ পূৰ্বচৰ্তস্বৰূপ। সেইবাবে মানুহ হিচাপে আমাক এনেকুৱা শিক্ষাৰ প্ৰয়োজন, যাৰ দ্বাৰা আমাৰ জ্ঞান আৰু কৌশলৰ বিকাশ ঘটে আৰু আমি এক অৰ্থপূৰ্ণ জীৱন কটাবলৈ সমৰ্থৱান হওঁ। প্ৰকৃততে বৰ্তমান সমাজত ***মানৱ সম্পদ*** (Human Capital) আৰু মানৱ শক্তিৰ বৃদ্ধিৰ চাহিদা বাঢ়ি আহিছে। শিক্ষাই সমাজ বা সমগ্ৰ দেশৰ বাবে মানৱ সম্পদৰ সৃষ্টি কৰে। ইয়াৰ পৰিপ্ৰেক্ষিতত, আমাক কাৰ্যকৰী শিক্ষাৰ প্ৰয়োজন যাতে জীৱন ধাৰণ প্ৰক্ৰিয়া উন্নত হয়। সেইবাবে প্ৰয়োজন ভিত্তিক শিক্ষাক আগবঢ়াই নিবলৈ শিক্ষানুষ্ঠানসমূহে কিছুমান প্ৰয়োজন ভিত্তিক আৰু কৌশলভিত্তিক পাঠ্যক্ৰমৰ অৱতাৰণা কৰিব লাগে; যিবোৰে শিক্ষাৰ্থীৰ প্ৰয়োজনীয়তাসমূহ পূৰণ কৰিব পাৰে।

এই অধ্যায়টিত আমি কৌশলভিত্তিক শিক্ষাৰ গুৰুত্ব, শিক্ষাই কেনেদৰে নতুন চামলৈ কাৰ্যকৰী স্বাক্ষৰতা আনে আৰু শেষত NSQFৰ শিক্ষাৰ ক্ষেত্ৰত পৰামৰ্শৱলী আৰু ইয়াৰ ভূমিকা সম্পৰ্কে আলোচনা কৰিম।

মানৱ সম্পদ ঃ চিকাগো বিশ্ববিদ্যালয়ৰ গ্ৰেৰী বেকাৰে মানৱ সম্পদৰ ধাৰণাটো জনপ্ৰিয়কৰণ কৰিছিল আৰু জেকব মিনচাৰে অৰ্থনৈতিক মূল্যবোধ উৎপন্নৰ বাবে মানৱ সম্পদক জ্ঞান, অভ্যাস, সামাজিক আৰু ব্যক্তিত্বৰ সংযোগ বুলি কোৱাৰ লগতে সৃজনাত্মক কৌশল বা শক্তি বুলি অভিহিত কৰিছে। ব্যক্তি এজনে আয়ত্ত কৰা কৌশল, জ্ঞান আৰু অভিজ্ঞতাসমূহকে মানৱ সম্পদ বুলি গণ্য কৰা

১৩.৩ কৌশলৰ বিকাশ ঃ শিক্ষাৰ ক্ষেত্ৰত ইয়াৰ গুৰুত্ব

জনসংখ্যাৰ গাঁথনিৰ দিশৰ পৰা ভাৰতবৰ্ষ হৈছে চহকী, কাৰণ ইয়াৰ জনসংখ্যাৰ ৫৪% লোক হৈছে ২৫ বছৰৰ তলৰ আৰু ৬৬% জনসংখ্যা হৈছে ৩৫ বছৰ বয়সৰ ভিতৰৰ (২০১১ চনৰ লোকপিয়লৰ মতে)। ইয়াৰ অৰ্থ হৈছে স্কুললৈ যোৱা ল'ৰা-ছোৱালী জনসংখ্যাৰ যুৱচামত অন্তৰ্গত আৰু এই বয়সৰ কাৰ্যক্ষম ব্যক্তিসকল হৈছে সমগ্ৰ দেশৰ বাবে সম্পত্তিস্বৰূপ যদি এনে দলৰ অন্তৰ্গত লোকসকলক উপযুক্তভাৱে কৌশল ভিত্তিক শিক্ষা প্ৰদান কৰা হয়, তেন্তে ইয়াৰ দ্বাৰা সামাজিক আৰু অৰ্থনৈতিক গতিশীলতাই সামাজিক আদান-প্ৰদানৰ ক্ষেত্ৰত এক ইতিবাচক সঁহাৰি আনিব আৰু দেশত জ্ঞান সমৃদ্ধ ব্যক্তিৰ সৃষ্টি কৰিব। সেইবাবে, এতিয়াই সকলোকে কৌশলভিত্তিক শিক্ষাৰ সুবিধা প্ৰদানৰ আৰু তেওঁলোকৰ উৎপাদনশীল ব্যক্তি হিচাপে গঢ়ি তোলাৰ উপযুক্ত সময়। সেইবাবে দেশৰ সকলো নাগৰিককে কৌশল ভিত্তিক শিক্ষা প্ৰদানেৰে দেশৰ উৎপাদনক্ষম ব্যক্তি হিচাপে গঢ় দিয়াৰ এইটোৱেই হৈছে উপযুক্ত সময়।

কৌশল বিকাশৰ অৰ্থ হৈছে ব্যক্তিৰ জ্ঞান, ভংগী আৰু কৌশলসমূহৰ বিকাশ, যাতে এজন নিপুণ ব্যক্তিয়ে সামাজিক বিকাশত অৱিহণা যোগাব পাৰে। তদুপৰি ইয়াৰ অৰ্থ হৈছে জীৱনৰ গুণগত বিকাশ সাধন, অৰ্থনৈতিক উন্নতি আৰু জনসাধাৰণৰ পছন্দৰ বিস্তৃতকৰণ কৰা (অৰ্থনৈতিক আৰু সামাজিক নিৰ্বাচনৰ বিস্তৃতকৰণ)। সেইবাবে মানুহক নিপুণ আৰু সমৰ্থবান কৰি তোলাৰ এতিয়াই হৈছে প্ৰকৃত সময়, যাতে উপযুক্ত উপাৰ্জনেৰে এক অৰ্থপূৰ্ণ জীৱন নিৰ্বাহ কৰিব পাৰে।

এনেদৰে 'কৌশল'ৰ অৰ্থ হৈছে জ্ঞানৰ প্ৰয়োগৰ সমৰ্থতা আৰু জ্ঞানক কাৰ্য সম্পাদন

তথা সমস্যা সমাধানৰ বাবে প্ৰয়োগ কৰা। কৌশলকসমূহ সংজ্ঞানাত্মকভাৱে (যৌক্তিক, বোধশক্তি আৰু সৃজনশীল চিন্তাৰ ব্যৱহাৰ) বা ব্যৱহাৰিকভাৱে (হাতৰ কামৰ দক্ষতা আৰু পদ্ধতি, আহিলা আৰু সঁজুলিৰ ব্যৱহাৰ) বিকাশ কৰা হয়।

প্ৰকৃততে, কৌশলগত শিক্ষা মানৱ সম্পদ বিকাশৰ উৎপাদনৰ সৈতে জড়িত। যিবোৰে ব্যক্তি প্ৰয়োজনীয় কৌশলৰ সৈতে জড়িত, তেনে ব্যক্তিয়ে বিকাশৰ প্ৰক্ৰিয়াত অৰিহণা যোগাব পাৰে। তেওঁলোক জীৱিকা উপাৰ্জনৰ ক্ষেত্ৰত স্বাৱলম্বী আৰু আত্মবিশ্বাসী হয়। এনে লোকসকল বৰ্তমান দেশৰ প্ৰয়োজনীয় আৰু চাহিদাৰ বাবে উপযোগী ব্যক্তি। কৌশলভিত্তিক শিক্ষণে কেৱল জীৱিকা উপাৰ্জনৰ ক্ষেত্ৰতেই নহয়, ই জনসাধাৰণক উপযুক্ত জীৱন ধাৰণৰ মান বজাই ৰাখি জ্ঞানী আৰু উৎপাদনকাৰী ব্যক্তি হিচাপে জীয়াই থকাত সহায় কৰে। চমুকৈ ক'বলৈ হ'লে দেশৰ প্ৰগতিত ই সহায় কৰে।

সেইবাবে বিকাশ সদায় কৌশলভিত্তিক শিক্ষাৰ সৈতে জড়িত। বিকাশৰ তিনিটা প্ৰধান উদ্দেশ্য আছে— প্ৰথমটো হৈছে খাদ্য, বাসস্থান, স্বাস্থ্য আৰু প্ৰতিৰোধৰ জৰিয়তে জীৱনৰ গুণগত মান উন্নত কৰা। ইয়াৰ দ্বিতীয় উদ্দেশ্যটো অৰ্থনৈতিক উন্নতিৰ সৈতে সম্পৰ্কিত আৰু ই জীয়াই থকাৰ স্তৰ, উচ্চ আয়, উন্নত শিক্ষা, সংস্থাপনৰ অধিক সুবিধা, সাংস্কৃতিক আৰু মানৱীয় মূল্যবোধ, যিবোৰে জাতীয় মৰ্যাদা বৃদ্ধি কৰে তেনেবোৰ দিশৰ সৈতে জড়িত। বিকাশ প্ৰক্ৰিয়াৰ তৃতীয়টো উদ্দেশ্য ব্যক্তি আৰু ৰাষ্ট্ৰৰ বিস্তৃত অৰ্থনৈতিক আৰু সামাজিক নিৰ্বাচনৰ সৈতে সম্পৰ্কিত, যিয়ে অজ্ঞতা আৰু কষ্টৰ কবলৰ পৰা মুক্ত হ'বলৈ স্বাধীনতা প্ৰদান কৰে। আকৌ কৌশলভিত্তিক শিক্ষা হৈছে আজিৰ পৃথিৱীৰ সৈতে সম্পৰ্কিত। সেইবাবে দেশত নিবনুৱা আৰু অৰ্ধনিবনুৱাৰ হাৰ বৃদ্ধি পোৱা দেখা যায়।

এনেদৰে শিক্ষাৰ সকলো স্তৰতে কৌশলভিত্তিক শিক্ষাৰ অন্তৰ্ভুক্তিয়ে উৎপাদনশীল শ্ৰমিক সৃষ্টিৰ দ্বাৰা দেশৰ অৰ্থনৈতিক অগ্ৰগতিত সহায় কৰে তাৰ লগতে নিয়োগৰ প্ৰচুৰ সুবিধা প্ৰদান কৰে। সেইবাবে শিক্ষাৰ প্ৰতিটো স্তৰতে শিক্ষাৰ্থীসকলৰ মানসিক সামৰ্থ বিবেচনা কৰি কৌশল ভিত্তিক পাঠ্যক্ৰম আৰু সহশিক্ষাৰ কাৰ্যসূচীসমূহ প্ৰবৰ্তন কৰিব লাগে। পাঠ্যক্ৰম এনেধৰণে প্ৰস্তুত কৰিব লাগে যাতে ই শিক্ষাৰ্থীৰ সংজ্ঞানাত্মক, আনুভূতিক আৰু মনোসঞ্চালনমূলক দিশসমূহ উন্নত কৰি তুলিব পাৰে। এনেদৰে, শিক্ষানুষ্ঠানসমূহে বৰ্তমান শিক্ষাৰ্থীসকলৰ নিপুণতা বৃদ্ধিৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি দেশৰ ভৱিষ্যতৰ উন্নতিত অৰিহণা যোগাব লাগে। আকৌ দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাই উচ্চ শিক্ষাত বিশেষভাৱে যোৰ দি কয় যে আধুনিক বিকাশমুখী অগ্ৰগতিৰ বাবে উচ্চ শিক্ষা প্ৰয়োজনীয় কাৰণ উচ্চ শিক্ষাই উঠি অহা যুৱ প্ৰজন্মক শ্ৰমিক বজাৰৰ বাবে প্ৰয়োজনীয় দক্ষতা আৰু সামাজিক গতিশীলতাৰ সুবিধা প্ৰদান কৰে। উচ্চ শিক্ষাই দেশৰ সকলো লোককে দায়িত্বশীল নাগৰিক হিচাপে গঢ়ি তোলে, যিসকল লোকে গণতন্ত্ৰৰ মূল্যবোধক স্বীকৃতি দিয়ে। এনেদৰে উচ্চ শিক্ষাই মানুহক মানৱ সম্পদ হিচাপে গঢ় দিয়ে আৰু এই শিক্ষা ব্যৱস্থাৰ দ্বাৰা ৰাষ্ট্ৰীয় লক্ষ্য, বিকাশৰ প্ৰাধান্যতা আৰু নাগৰিকৰ মূল্যবোধসমূহ পৰীক্ষা কৰি সংশোধন কৰিব পাৰি। (NHRD Report, 2013-14) ভাৰতত বহুত নীতি আৰু

কার্যসূচী থকা পিছতো জনসংখ্যাৰ ১৯ৰ পৰা ২৪ বছৰৰ বয়সৰ ভিতৰত মাত্র ৫% লোকে বিত্তীয় শিক্ষাৰ পৰা কিছুমান কৌশল আহৰণ কৰে। আনহাতে এইটো দিশত কোৰিয়াৰ দৰে দেশৰ হাৰ হৈছে ৯৬%। (দ্বাদশ পঞ্চবার্ষিক পৰিকল্পনা সামাজিক খণ্ড, Vol-III পৰিকল্পনা আয়োগ, ভাৰত চৰকাৰ)। সেইবাবে এনে দিশৰ নীতিসমূহ পুনঃ নিৰীক্ষণ কৰি কৌশলভিত্তিক শিক্ষাত উপযুক্ত গুৰুত্ব প্রদানেৰে প্রয়োগ কৰিব লাগে। এই ক্ষেত্রত ৰাষ্ট্রীয় জ্ঞান আয়োগে বিত্তীয় শিক্ষাৰ প্রসাৰ আৰু পুনঃনিৰীক্ষণেৰে গুণগত মান উন্নত কৰাৰ বাবে পৰামর্শ আগবঢ়াইছে।

অর্থনৈতিক ক্ষেত্রত প্রসাৰ লাভ কৰিবলৈ হ'লে কর্মী আৰু শ্রমিকসকল তথ্য আৰু যোগাযোগ ক্ষেত্রত উপযুক্তভাৱে প্রশিক্ষণপ্রাপ্ত হ'ব লাগিব। তদুপৰি শিক্ষা আৰু প্রশিক্ষণৰ অন্য দিশবোৰৰ দৰে বিত্তীয় শিক্ষা আৰু শিক্ষানুষ্ঠানৰ প্রশিক্ষণ মানৱ সম্পদ গঠনৰ বাবে অপৰিহার্য ভৱিষ্যতে ইতিবাচক বাহ্যিক আৰু শ্রমিকৰ উৎপাদন বঢ়ায়। প্রচলিত শিক্ষানুষ্ঠানসমূহৰ বাহিৰেও মুক্ত আৰু দূ�ৰ শিক্ষাৰ অনুষ্ঠানসমূহে মানৱ সম্পদ উন্নয়নৰ ক্ষেত্রত গধুৰ দায়িত্ব বহন কৰিব লাগে। এইটো সত্য যে মুক্ত আৰু দূৰ শিক্ষাৰ অনুষ্ঠানসমূহে ইয়াৰ শিক্ষাৰ ক্ষেত্রত থকা বয়স, সময় আৰু ঠাইৰ নমনীয়তাৰ বাবে প্রচলিত শিক্ষানুষ্ঠানসমূহতকৈ সকলোলৈ শিক্ষাৰ সুবিধা আগবঢ়োৱাৰ ক্ষেত্রত বেছি সুবিধা লাভ কৰে। আকৌ শিক্ষাৰ এক দ্রুত গতিত প্রসাৰ হোৱা মাধ্যম হিচাপে তথ্য আৰু যোগাযোগ প্রযুক্তি বিজ্ঞানে শিক্ষার্থীসকলক নিজ ইচ্ছা অনুযায়ী মুক্ত আৰু দূৰত্ব শিক্ষাৰ যোগেদি কৌশল ভিত্তিক শিক্ষাৰ প্রশিক্ষণৰ ক্ষেত্রত উৎসাহিত কৰে। সেয়েহে বর্তমান দেখা যায় যে সময়, ঠাই আৰু ব্যক্তি নির্বিশেষে ব্যক্তিৰ নিজ নিজ সমর্থৰ বিকাশ আৰু বৃদ্ধিৰ ক্ষেত্রত মুক্ত আৰু দূৰ শিক্ষাৰ অনুষ্ঠানসমূহে গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ কৌশলভিত্তিক শিক্ষা কিয় প্রয়োজনীয়?

.....

.....

প্রশ্ন নং ২ ঃ ভাৰতবর্ষৰ নিচিনা দেশ এখনক জনসংখ্যাৰ দিশৰ পৰা চহকী বুলি আপুনি কিয় ভাবে?

.....

.....

প্রশ্ন নং ৩ ঃ আপোনালোকে কিয় ভাবে যে মুক্ত আৰু দূৰ শিক্ষাৰ অনুষ্ঠানসমূহে শিক্ষার্থীসকলৰ বা ভাৰতীয় যুৱকসকলৰ নিপুণতাৰ উন্নয়ন কৰিছে?

.....

.....

১৩.৩.১ কৌশলৰ প্ৰকাৰসমূহ

মানুহ হিচাপে জীয়াই থাকিবলৈ আমাক কিছুমান মৌলিক নিপুণতা বা কৌশলৰ প্ৰয়োজন যেনে— লিখা, পঢ়া আৰু গণনা কৰা আদি। এইবোৰৰ উপৰি আমাক কিছুমান ব্যৱহাৰিক কৌশলৰো প্ৰয়োজন, যেনে— কেনেকৈ খাব লাগে, কাপোৰ পিন্ধিব লাগে, গাড়ী এখন চলাব লাগে, মৌলিক নিৰাপত্তা আৰু উপযুক্তভাৱে জীয়াই থকাৰ কৌশল ইত্যাদি। যোগাযোগৰ কৌশল, ভাষাৰ কৌশল, ব্যক্তিগত অভ্যাস, সংজ্ঞানাত্মক বা আবেগিক সহানুভূতি, সময়ৰ উপযুক্ত ব্যৱহাৰ, দলীয় কাৰ্য, নেতৃত্বৰ সংলক্ষণ আদিকো কৌশলতাৰ কৌশল হিচাপে অভিহিত কৰা হয়।

তলত ১০টা কোমলতাৰ কৌশল দাঙি ধৰা হ'ল, যাক ১০টা উপযুক্ত কাৰ্যকৰী সংবেদনৰ কৌশল হিচাপে অভিহিত কৰা হয়। এইসমূহ বৰ্তমানৰ কৰ্মক্ষেত্ৰত প্ৰয়োজনীয়, ইয়াক সংকলন কৰিছিল। ইষ্টাৰ্ণ কেন্টাকি বিশ্ববিদ্যালয়ে (Eastern Kentucky University.) বিকাশ কৰি তুলিছিল মাৰ্চেল এম. ৰ'বলছে (Marcel M. Robles) আৰু ইয়াৰ প্ৰকাশ কৰিছিল বিজনেচ কমিউনিকেচন কোৰ্বাৰটালি (Business Communication Quarterly, 75 (4) Pp 453-465) নামৰ পত্ৰখনে।

সৌজন্য— ব্যৱহাৰ, আনুষ্ঠানিক ব্যৱহাৰ, ব্যৱসায়িক ব্যৱহাৰ, দয়ালু, ধন্যবাদ জনোৱা, অনুগ্ৰহ কৰি কোৱা, সন্মান জনোৱা।

যোগাযোগ— মৌখিক, কথাকোৱাৰ সমৰ্থতা, লিখা, পৰিবেশন কৰা, শুনা।

নমনীয়তা— অভিযোজন, পৰিৱৰ্তনৰ ইচ্ছা কৰা, জীৱনযোৱা শিক্ষাৰ্থী, নতুন বস্তু গ্ৰহণ কৰা, সমাযোজন, সংবেদনশীলতা।

একতা— সাধুতা, নৈতিকতা উচ্চ নৈতিকতা, ব্যক্তিগত মূল্যবোধ, সদায় শুদ্ধ নীতি পালন কৰা।

আন্তঃ ব্যক্তিগত কৌশলসমূহ— ধুনীয়া, ব্যক্তিগত ৰসিকতা, বন্ধুত্বপূৰ্ণ প্ৰতিপালন কৰা, সহানুভূতিশীলতা, আত্ম নিয়ন্ত্ৰণ, ধৈৰ্য, সামাজিক, উষ্মতা, সামাজিক কৌশলসমূহ।

ইতিবাচক ভংগী— আশাবাদী, উৎসাহিত কৰা, অনুপ্ৰাণিত, সুখী, বিশ্বাস।

পেছাগত উৎকৰ্ষ— দক্ষ, উপযুক্ত সাজপাৰ, বাহ্যিক দৃষ্টি, ভাৰসাম্য ৰক্ষা কৰা।

দায়িত্ব— জবাবদিহি, নিৰ্ভৰযোগ্যতা, সম্পদশালী, আত্ম অনুশাসন, ভাল কৰিব বিচৰা, সাধাৰণ জ্ঞান, সতৰ্ক।

দলীয় কাৰ্য— সহযোগিতা, সহায়কাৰী, সন্মত হোৱা, আনৰ সৈতে সহযোগিতা, সহযোগ কৰা।

কাৰ্য নৈতিকতা— কামত কষ্ট কৰা, কাম কৰিবলৈ ইচ্ছা কৰা, অনুগত, আগভাগ লোৱা, আত্ম-অভিৰুচিত, সময়মতে চলা, ভাল উপস্থিতি।

যেতিয়াই মানৱ সম্পদৰ ক্ষেত্ৰত শিক্ষাৰ দায়িত্বৰ কথা আহে, তেতিয়া প্ৰকৃততে শিক্ষিত হ'বলৈ শিক্ষাৰ্থীসকলৰ কৌশলসমূহ উন্নয়নৰ প্ৰয়োজন আহি পৰে, উপযুক্তভাৱে স্বাস্থ্য ৰক্ষা কৰি নিজকে উপযুক্ত ক্ষেত্ৰত নিযুক্তিৰ কথা আহে। সেইবাবে উপযুক্ত মানেৰে জীয়াই থাকিবলৈ হ'লে শিক্ষাৰ্থীসকলৰ জীৱন দক্ষতাৰ কৌশলসমূহৰ বিকাশৰ প্ৰয়োজনীয়তা আছে, ইয়াৰ দ্বাৰা দেশৰ উৎপাদনৰ স্তৰো বৃদ্ধি পাব। জীৱন দক্ষতা শিক্ষাৰ ক্ষেত্ৰত, ২০০০ চনত চেনেগলৰ ডাকাৰত (Dakar, Senegal) WEF (World Education Forum) অনুষ্ঠিত হৈছিল। এই ফ'ৰামৰ প্ৰধান কাৰ্যসূচী আছিল ২০১৫ চনৰ ভিতৰত সকলোৰে বাবে (EFA) শিক্ষা সম্ভৱ কৰি তোলে। EFAৰ মুখ্য কাৰ্যসূচীৰ ভিতৰত, শিক্ষাক আগবঢ়াই নিয়াৰ দ্বাৰা শিক্ষাক সমাজ আৰু প্ৰাপ্তবয়স্কসকলৰ মাজত জনপ্ৰিয় কৰি তুলিবলৈ প্ৰচেষ্টা হাতত লোৱা হৈছিল (UNICEF, EFA, 2010), জীৱন দক্ষতা ভিত্তিক শিক্ষা হৈছে বৰ্তমান প্ৰযুক্তিৰ পৃথিৱীত নতুন প্ৰজন্মক সবলীকৰণ কৰাৰ এক অভিগমন হৈছে শিক্ষণ-শিকনৰ এক মধ্যৱৰ্তী প্ৰক্ৰিয়া, যিয়ে শিক্ষাৰ্থীক জ্ঞান আহৰণৰ দ্বাৰা বংগী আৰু কৌশল বিকাশত সহায় কৰে আৰু লগতে যিকোনো পৰিৱেশতে শিক্ষাৰ্থীক সমাযোজনত সহায় কৰে।

পৃথিৱীৰ স্বাস্থ্য সংগঠন (WHO)য়ে জীৱন দক্ষতাৰ সংজ্ঞা এনেদৰে দিয়ে— 'দৈনন্দিন জীৱনৰ চাহিদা আৰু প্ৰত্যাহ্বানসমূহৰ সন্মুখীন হ'বলৈ জীৱন দক্ষতা কৌশল হৈছে এক ইতিবাচক আৰু গ্ৰহণযোগ্য সমৰ্থ।' প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাত, জীৱন দক্ষতাই আধুনিক উদ্যোগিক জীৱনৰ বিশেষ প্ৰয়োজনীয়তাক বুজায়। উদাহৰণস্বৰূপে— মুদ্ৰা ব্যৱস্থাপনা, খাদ্য পৰিকল্পনা, স্বাস্থ্য বিধি, স্বাক্ষৰতা আৰু গণনা আৰু সাংগঠনিক কৌশলসমূহ।

জীৱন দক্ষতা হৈছে সংজ্ঞানাত্মক, ব্যক্তিগত আৰু আন্তঃব্যক্তিক সমৰ্থসমূহৰ সমষ্টি যিয়ে ব্যক্তিক সিদ্ধান্ত গ্ৰহণত, সমস্যা সমাধানত, জটিল চিন্তা আৰু সৃজনশীলতা, উপযুক্ত যোগাযোগ, সম্পৰ্ক ৰক্ষা, আনৰ প্ৰতি সহানুভূতি আৰু জীৱনটোক উপযুক্ত আৰু উৎপাদনশীল ব্যৱস্থাৰে সমাযোজন সহায় কৰা।

জীৱন দক্ষতাৰ প্ৰধান উপাদানসমূহ ঃ

শিক্ষাই হৈছে একমাত্ৰ পথ, যাৰ দ্বাৰা চাৰিটা মৌলিক উদ্দেশ্যত উপনীত হ'ব পাৰি। শিকনৰ শিক্ষা, কাৰ্যৰ শিক্ষা, শিক্ষা কি হ'ব লাগে আৰু একেলগে বাস কৰাৰ শিক্ষা। এইবোৰৰ দ্বাৰা তেওঁলোকৰ জ্ঞান আৰু জটিল চিন্তা কৰিব পৰা কৌশলসমূহ আৰু সমৰ্থবোৰৰ বিকাশ কৰে, ব্যৱহাৰিক কৌশল (কাৰ্যৰ শিক্ষণ); ব্যক্তিগত কৌশলসমূহ (শিক্ষণ কেনে হ'ব) আৰু সামাজিক কৌশলসমূহ (একেলগে বাস কৰাৰ শিকন) আদিৰ বিকাশ সাধন কৰে। ব্যৱহাৰিক কৌশলসমূহ কাৰ্য শিক্ষাৰ ভিতৰৰ হস্ত কৌশল আৰু আন মনোসামাজিক জীৱন দক্ষতাবোৰ জনাৰ শিক্ষণ, কিবা কৰাৰ শিক্ষণ আৰু একেলগে বসবাস কৰাৰ শিক্ষণৰ ভিতৰৰ। প্ৰকৃততে, জীৱন দক্ষতা শিক্ষাই

সেইবোৰ কৌশলৰ সৈতে পৰিচয় কৰাই দিয়ে (ব্যৱহাৰিক আৰু জীৱন দক্ষতাৰ কৌশলসমূহ) যিবোৰ বিশেষ দিশত আৰু নির্দিষ্টভাৱে প্রয়োজনীয়।

ইয়াৰ বাহিৰেও UNESCO, UNICEF আৰু WHOয়ে দহটা প্রধান জীৱন দক্ষতাৰ কৌশল আৰু পদ্ধতি যেনে— সমস্যা সমাধান, জটিল চিন্তা, উপযুক্ত যোগাযোগৰ কৌশল, সিদ্ধান্ত গ্রহণ, সৃজনীমূলক চিন্তা, আন্তঃব্যক্তিগত সম্পর্কৰ কৌশল, আত্মসজাগতা সৃষ্টিৰ কৌশল, অনুভূতি, চাপ আৰু আবেগৰ সৈতে সহযোগকৰণ। তথাপিও প্রত্যেক দেশৰ পাঠ্যক্রম প্রস্তুটিৰ নিজস্ব প্রয়োজন অনুযায়ী কৰে যাতে ইয়াৰ ব্যক্তিসকলৰ সমর্থসমূহৰ বিকাশ হয়।



জানি থোৱা ভাল

- UNICEF : ৰাষ্ট্রসংঘৰ আন্তর্জাতিক শিশু জৰুৰীকালীন ন্যাস ১৯৪৬ চনৰ ১১ ডিচেম্বৰত স্থাপিত হৈছিল। ইয়াৰ প্রধান কার্যালয় নিউয়র্কত অৱস্থিত। এই সংগঠনটোৱে উন্নয়নশীল দেশৰ শিশু আৰু মাতৃসকলক মানৱীয় আৰু বিকাশশীল সাহায্য প্রদান কৰে। ইয়াৰ কার্যাৱলীসমূহে শিশুৰ স্বাস্থ্য আৰু সমৃদ্ধিৰ বাবে সমসাজৰ উন্নয়নমূলক কার্যৰ ওপৰত যোৰ দিয়ে।

- UNESCO : ৰাষ্ট্রসংঘৰ শৈক্ষিক, বৈজ্ঞানিক আৰু সাংস্কৃতিক সংগঠন হৈছে ৰাষ্ট্রসংঘৰ এই বিশেষ শাখা, ই পেৰিচত অৱস্থিত। ১৯৪৫ চনৰ ১৬ নৱেম্বৰত ই স্থাপিত হৈছিল। UNESCOয়ে ইয়াৰ উদ্দেশ্যসমূহ পাঁচটা প্রধান কার্যৰ জৰিয়তে সমাপন কৰে। সেইকেইটা হ'ল প্রাকৃতিক বিজ্ঞান, সামাজিক/মানৱ বিজ্ঞান, সংস্কৃতি আৰু তথ্য/যোগাযোগ। UNESCOৰ লক্ষ্য হৈছে 'শান্তি ৰক্ষাৰ হকে অৰিহণা যোগোৱা দীর্ঘম্যাদী উন্নয়ন আৰু শিক্ষা, বিজ্ঞান, সংস্কৃতি, তথ্য আৰু যোগাযোগৰ দ্বাৰা বৌদ্ধিক উৎকর্ষ সাধন।'

- WHO : ৰাষ্ট্র সংঘৰ এক বিশেষ শাখা হৈছে বিশ্ব স্বাস্থ্য সংগঠন, ই আন্তর্জাতিক পর্যায়ত মানুহৰ স্বাস্থ্যৰ সৈতে সম্পর্কিত। এই সংগঠনটো ১৯৪৮ চনৰ ৭ এপ্রিলত স্থাপিত হৈছিল আৰু ইয়াৰ মুখ্য কার্যালয় জেনেভাত অৱস্থিত।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ UNESCO, UNICEF আৰু WHOৰ সম্পূর্ণ নাম লিখক আৰু এইসমূহৰ মৌলিক উদ্দেশ্যসমূহ কি কি?

.....

.....

প্ৰশ্ন নং ৫ ঃ কোমলতাৰ কৌশলসমূহ কি কি?

.....

.....

প্ৰশ্ন নং ৬ ঃ জীৱন দক্ষতা ভিত্তিক শিক্ষা কিয় শৈক্ষিক ব্যৱস্থাত প্ৰয়োজনীয় বুলি ভাবে?

.....

.....

.....

১৩.৪ শিক্ষাত NSQFৰ পৰামৰ্শৱলী আৰু ইয়াৰ তাৎপৰ্যসমূহ

সাধাৰণ মানুহৰ ক্ষেত্ৰত জীৱন দক্ষতা আৰু কোমলাতৰ কৌশলসমূহ বিকাশৰ একমাত্ৰ পথ হৈছে শিক্ষা। এই ক্ষেত্ৰত দেশৰ প্ৰচলিত শৈক্ষিক ব্যৱস্থা মূল্যায়নৰ পিছত ভাৰত চৰকাৰে সময়ে সময়ে বিভিন্ন কৌশল ভিত্তিক কাৰ্যসূচী ৰূপায়ণৰ বাবে বহুতো পদক্ষেপ হাতত লৈছে। ভাৰত চৰকাৰৰ মানৱ সম্পদ বিকাশ মন্ত্ৰালয়ে ২০১২ চনৰ ছেপ্টেম্বৰ মাহত ৰাষ্ট্ৰীয় বিত্তীয় শিক্ষা অৰ্হতাৰ কাৰ্যসূচীৰ (NVEQF) ঘোষণা কৰে, য'ত নমনীয় শিক্ষা আৰু প্ৰশিক্ষণ ব্যৱস্থাৰ প্ৰয়োগৰ দ্বাৰা ব্যক্তিৰ জ্ঞান আৰু কৌশলসমূহ একত্ৰিত কৰাৰ সুযোগ দিয়ে। বৰ্তমান ভাৰত চৰকাৰৰ ১৮টা মন্ত্ৰালয়ে কৌশলভিত্তিক কাৰ্যসূচীৰ প্ৰদান কৰে। ২০১৩ চনৰ ডিচেম্বৰত, অৰ্থ মন্ত্ৰালয়ৰ অৰ্থনৈতিক বিভাগে ৰাষ্ট্ৰীয় কৌশল অৰ্হতাৰ নক্সা (NSQF) ঘোষণা কৰে, যিটো ৰাষ্ট্ৰীয় কৌশল বিকাশ শাখা (NSDA) দ্বাৰা স্বীকৃত।

বিভিন্ন স্তৰত শিক্ষাৰ্থীৰ জ্ঞান, কৌশল আৰু অভিৰুচিসমূহৰ গুণগত দিশসমূহ পৰিমাপন NSQFৰ দ্বাৰা হয়। শিক্ষাৰ্থীৰ এই গুণগত স্তৰ শিক্ষণ ফলাফলৰ দ্বাৰা ধাৰ্য কৰা হয়, যিবোৰ শিক্ষাৰ্থীসকলে আনুষ্ঠানিক, অনানুষ্ঠানিক বা অগতানুগতিক শৈক্ষিক অনুষ্ঠানসমূহৰ পৰা আহৰণ কৰে। NSQFৰ প্ৰধান উপাদানসমূহ হৈছে ঃ

- বিভিন্ন স্তৰত আন্তৰ্জাতিক সমপৰ্যায় লাভৰ বাবে কৌশল নিপুণতা আৰু সমৰ্থতাৰ নীতিসমূহ।
- বিত্তীয় শিক্ষা, কৌশল প্ৰশিক্ষণ, সাধাৰণ শিক্ষা প্ৰযুক্তি শিক্ষা আৰু চাকৰিৰ বজাৰত অন্তৰ্ভুক্তি আৰু বিলুপ্তি।

- কৌশল অৰ্হতাৰ নক্সাৰ ক্ষেত্ৰত অগ্ৰগতিৰ আৰ্হি।
- জীৱনযোৰা শিক্ষা আৰু কৌশল বিকাশৰ সুযোগ।
- ঔদ্যোগৰ সৈতে সহযোগিতা।

প্ৰকৃততে বিভিন্ন স্তৰত কৌশল বিকাশৰ ক্ষেত্ৰত NSQF হৈছে স্বচ্ছ, বিশ্বাসযোগ্য আৰু নিৰ্ভৰশীল সংগঠন। স্কুল, বিত্তীয় শিক্ষা আৰু প্ৰশিক্ষণ দিওতা, উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহ, মূল্যায়নৰ কৰ্তৃপক্ষ আৰু লগতে উদ্যোগ, পেছাদাৰী সংগঠন আৰু অনুজ্ঞাপত্ৰ প্ৰদানৰ কৰ্তৃপক্ষ আদিৰ বাবে অৰ্হতাৰ গাঁথনি উপযোগী। অৰ্হতাৰ গাঁথনিৰ ক্ষেত্ৰত আটাইতকৈ ডাঙৰ উপযোগিতা হৈছে শিক্ষাৰ্থীসকলে তেওঁলোকে অৰ্জন কৰা অৰ্হতাৰ এটা বিশেষ স্তৰত তৎক্ষাণিক মূল্য পাব পাৰে আৰু তেতিয়া তেওঁলোকে নিজৰ জীৱিকা অৰ্জনৰ ক্ষেত্ৰত স্থিৰ সিদ্ধান্ত ল'ব পাৰে। ৰাষ্ট্ৰীয় কৌশল অৰ্হতাৰ গাঁথনিয়ে আইতা বেছি বুজিব পৰা আৰু স্বচ্ছ কৰি তোলাত সহায় কৰে।

ভাৰতবৰ্ষত, NSQFয়ে NSDAৰ আঁত ধৰি আহিছে আৰু ইয়াক প্ৰয়োগ কৰিছে ৰাষ্ট্ৰীয় কৌশল অৰ্হতা কমিটীয়ে (NSQC) যিখন গঠিত হৈছে, সংশ্লিষ্ট কৰ্তৃপক্ষৰদ্বাৰা যেনে— NSDAৰ সভাপতি, স্কুলীয়া শিক্ষা আৰু সাহিত্যৰ সচিব, মানৱ সম্পদ বিকাশ মন্ত্ৰালয়, উচ্চ শিক্ষা বিভাগ, পৰিকল্পনা আয়োগ, মিছন প্ৰযোজক আদি)। NSQCয়ে মান নিৰূপণ কৰে, বিশেষভাৱে সক্ষম শ্ৰেণীৰ বাবে নীতি নিৰ্ধাৰণ কৰে, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ লেখীয়া কৰিবলৈ আন্তঃগাঁথনিসমূহ পুনঃৰীক্ষণ কৰে।

ভাৰতবৰ্ষত NSQFৰ প্ৰয়োজনীয়তা ঃ

NSQFয়ে ফলাফল ভিত্তিক অভিগমনৰ সুবিধা প্ৰদান কৰে, যিটো মানুহে অৰ্জন কৰা জ্ঞানৰ তাৎক্ষণিকভাৱে নিৰ্ধাৰণ কৰাৰ বাবে প্ৰয়োজনীয়। আকৌ, ই প্ৰত্যেক অনুষ্ঠান, শিক্ষাৰ্থী আৰু কৰ্মচাৰীৰ নিজ সমৰ্থসমূহৰ অগ্ৰগতিৰ ক্ষেত্ৰত আত্মমূল্যায়ন কৰাত সহায় কৰে। উদাহৰণস্বৰূপে তেওঁলোকে NSQFত অন্তৰ্ভুক্তি পাঠ্যক্ৰম পঢ়াৰ পিছত কি কৰিব পাৰে আৰু কি কৰিব নোৱাৰে, এই দিশত সিদ্ধান্ত গ্ৰহণ কৰিব পাৰিব। এইবোৰৰ উপৰিও এইটোৱেই হৈছে একমাত্ৰ পাঠ্যক্ৰম, যাৰ দ্বাৰা পাঠ্যক্ৰমত অসময়ৰ সামঞ্জস্যতা থাকে, ইয়াত অন্তৰ্ভুক্তিৰ প্ৰয়োজনীয়তা আৰু লগতে দেশৰ সকলো ঠাইতে প্ৰযোজ্য হোৱা ডিগ্ৰী লাভ কৰিব পৰা যায়। এই পাঠ্যক্ৰমৰ আটাইতকৈ বেছি উপযোগিতা হৈছে ই আগতীয়া শিক্ষণৰ স্বীকৃতি (RPL)ৰ সুবিধা দিয়ে, যাৰ দ্বাৰা মানুহে প্ৰচলিত কৌশলসমূহৰ বাবে আনুষ্ঠানিক স্বীকৃতি পায়। ইয়াৰ ফলত তেওঁলোকে এনেবোৰ অনানুষ্ঠানিক কৌশল উৎপাদনৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিব পাৰে। যিবোৰ দ্বিপাক্ষিক আৰু বহুপাৰ্শ্বীয় চুক্তি থাকে তেনে দিশবোৰ NSQF য়ে ভাৰতীয় অৰ্হতাক আন্তঃৰাষ্ট্ৰীয় অৰ্হতাৰ সৈতে সমিল হোৱাত সহায় কৰে। এনেদৰে এই পদ্ধতিৰ জৰিয়তে ই দেশৰ সকলো লোকৰ মাজত জাতীয় আৰু আন্তঃৰাষ্ট্ৰীয় গতিশীলতাৰ ভাবৰ বিকাশ কৰিবলৈ চেষ্টা কৰে।

NSQFৰ নীতিয়ে NSDCৰ জৰিয়তে বিভিন্ন স্তৰৰ শিক্ষাৰ্থীৰ কিছুমান বৰ্ণনামূলক দিশৰ বিকাশ কৰিবলৈ প্ৰচেষ্টা চলায়। দশম শ্ৰেণীলৈকে কৌশল বিকাশৰ পৰিধি NSQFয়ে

নির্ধাৰণ কৰি লয় (ইয়াৰ বিষয়ে অধিক জানিবলৈ NSQFৰ website চাওক) প্রক্রিয়া, বিত্তীয় জ্ঞান, বিত্তীয় কৌশল, প্রাথমিক কৌশল আৰু দায়িত্বশীলতা। এই পাঁচোটা দিশক বর্ণনাকাৰী স্বৰূপে জনা যায়, যাৰ অর্থ হৈছে সামান্য জ্ঞান, কৌশল আৰু গুণসমূহ যিবোৰ শিক্ষার্থীয়ে সেইস্তৰৰ আয়ত্ত কৰিব লাগে। এনেদৰে NSQFয়ে মানুহৰ বিভিন্ন স্তৰত কৌশলসমূহ সৱলীকৰণৰ দ্বাৰা শক্তিশালী ৰাষ্ট্র গঢ়াৰ আঁচনি তৈয়াৰ কৰে।



জানি থোৱা ভাল

বর্ণনাকাৰীৰ স্তৰ ঃ বর্ণনাকাৰীৰ স্তৰৰ অন্তর্গত পাঁচোটা দিশ আছে। তলত

সেইকেইটা দাঙি ধৰা হ'ল—

(ক) প্রক্রিয়া (খ) বিত্তীয় জ্ঞান (গ) বিত্তীয় কৌশল

(ঘ) প্রাথমিক কৌশলসমূহ (ঙ) দায়িত্বশীলতা

(ক) প্রক্রিয়া ঃ প্রক্রিয়া হৈছে আন দিশ চাৰিটা সাধাৰণ সংক্ষিপ্তকাৰ

(খ) বিত্তীয় জ্ঞান ঃ বিত্তীয় জ্ঞান হৈছে শিক্ষার্থী নিজৰ বিষয়টোত যি জানিব

আৰু বুজিব লাগে। শিক্ষার্থীৰ নিজৰ বিষয়টোত গভীৰ জ্ঞান (সৰু বিষয়বস্তুৰ

পৰা বহুমুখী অঞ্চললৈ প্রসাৰ), জ্ঞানৰ প্রকাৰ (মূর্ত্তৰ পৰা বিমূর্ত্তলৈ) আৰু জ্ঞানৰ

জটিলতা (জ্ঞানৰ প্রকাৰ আৰু গভীৰতা) আদি থাকিব লাগে।

(গ) বিত্তীয় কৌশলসমূহ ঃ বিত্তীয় কৌশলসমূহ হৈছে সংজ্ঞানাত্মক আৰু সৃজনশীল কৌশল, যিবোৰে বোধশক্তিৰ কৌশল, যৌক্তিক আৰু চিন্তাৰ জটিলতা আদিক অন্তর্ভুক্ত কৰে। তদুপৰি ই যোগাযোগৰ কৌশলসমূহ যেনে— লিখিত, মৌখিক, সাহিত্য আৰু গণনা আৰু আন্তঃব্যক্তিসম্বন্ধীয় কৌশলসমূহক নির্দেশ কৰে।

(ঘ) প্রাথমিক কৌশলসমূহ ঃ প্রাথমিক কৌশলসমূহ হৈছে মৌলিক কৌশল— যিয়ে নিপুণতা আৰু পদ্ধতিৰ ব্যৱহাৰ, সঁজুলি, আহিলা আদিক কার্যসম্পাদনৰ বাবে ব্যৱহাৰ কৰে, নির্দিষ্ট স্তৰৰ বাবে প্রয়োজন হোৱা তথ্য প্রযুক্তি বিজ্ঞানক অন্তর্ভুক্ত কৰে।

(ঙ) দায়িত্বশীলতা ঃ দায়িত্বশীলতাই কামৰ প্রকৃতিৰ সম্পর্ক নির্ণয় কৰে, নিজৰ আৰু আনৰ বাবে দায়িত্বশীলতা স্তৰ, কার্যৰ পৰিৱর্তনৰ পৰিকল্পনা আৰু বিশ্বাসযোগ্যতা।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ শিক্ষা আৰু প্রশিক্ষণৰ জৰিয়তে কৌশলবিকাশৰ ক্ষেত্রত NSQFয়ে আগবঢ়োৱা পৰামর্শৱলী চমুকৈ লিখক।

.....

.....



১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতবর্ষৰ নিচিনা উন্নয়নশীল দেশত শিক্ষাৰ গণতান্ত্রিকতাৰ অতি প্রয়োজন, যাতে প্রত্যেকজন ব্যক্তিয়ে জীৱনৰ সকলো স্তৰতে সমান সা-সুবিধা আৰু ন্যায় লাভ কৰিব পাৰে।
- বর্তমান শতিকাতে শিক্ষাই সকলো দিশকে সামৰি ল'ব লাগে, সেইবাবে নতুন পথেৰে শিক্ষা আহৰণৰ সুবিধা ল'ব লাগে।
- দেশৰ শৈক্ষিক নীতিসমূহৰ ভিতৰত কৌশল বিকাশে এক বিস্তৃত অঞ্চল আৱৰি আছে।
- শিক্ষা হৈছে জ্ঞান আহৰণ, কৌশল বিকাশ ভংগী বিকাশ আৰু মূল্যবোধ আহৰণৰ পূর্ব-চর্ত বিশেষ। সেইবাবে, মানুহ হিচাপে আমাক সেই ধৰণৰ শিক্ষা লাগে, যি শিক্ষাই আমাক অর্থবহ জীৱন যাপন কৰোতে জ্ঞান আৰু কৌশল প্রদান কৰে। প্রকৃততে, বর্তমান সময়ত মানৱ সম্পদ আৰু মানৱ শক্তি বৃদ্ধিৰ চাহিদা বৃদ্ধি পাইছে।
- আকৌ, আমি এইটো মানত ৰাখিব লাগিব যে ভাৰতবর্ষ জনসংখ্যাৰ দিশৰ পৰা চহকী, কাৰণ ইয়াৰ জনসংখ্যাৰ ৫৪% লোক ২৫ বছৰ বয়সৰ তলৰ আৰু ৬৬% লোক ৩৫ বছৰ বয়সৰ ভিতৰৰ (লোকপিয়ল ২০১১ চনৰ মতে) ইয়াৰ অর্থ হৈছে স্কুললৈ যোৱা ল'ৰা-ছোৱালী জনসংখ্যাৰ যুৱ চামত অন্তর্গত আৰু এইবয়সৰ কার্যক্ষম ব্যক্তিসকল হৈছে সমগ্র দেশৰ বাবে সম্পত্তি স্বৰূপ।
- যদি এনে দলৰ অন্তর্গত লোকসকলক উপযুক্তভাৱে কৌশল ভিত্তিক শিক্ষা প্রদান কৰা হয়, তেন্তে ইয়াৰ দ্বাৰা সামাজিক দিশত ইতিবাচক সঁহাৰি পোৱা যাব।
- কৌশল বিকাশৰ অর্থ হৈছে ব্যক্তিৰ জ্ঞান, ভংগী আৰু কৌশলসমূহৰ বিকাশ, যাতে এগৰাকী ব্যক্তিয়ে সামাজিক বিকাশত অৰিহণা যোগাব পাৰে। তদুপৰি ইয়াৰ দ্বাৰা জীৱনৰ গুণগত দিশ, অর্থনৈতিক প্রগতি আৰু ব্যক্তিৰ পছন্দৰ বিকাশ ঘটে। (অর্থনৈতিক আৰু সামাজিক পছন্দৰ বিস্তাৰ)

- ‘কৌশল’ৰ অর্থ হৈছে জ্ঞানৰ প্রয়োগৰ সমর্থতা আৰু জ্ঞানক কার্য সম্পাদন তথা সমস্যা সমাধানৰ বাবে প্রয়োগ কৰা। কৌশলসমূহ সংজ্ঞানাত্মকভাৱে (যৌক্তিক, বোধশক্তি আৰু সৃজনশীল চিন্তাৰ ব্যৱহাৰ) বা ব্যৱহাৰিকভাৱে (হাতৰ কামৰ দক্ষতা আৰু পদ্ধতি, আহিলা আৰু সঁজুলিৰ ব্যৱহাৰ) বিকাশ কৰা হয়।
- শিক্ষাৰ সকলো স্তৰতে কৌশলভিত্তিক শিক্ষাৰ অন্তর্ভুক্তিয়ে উৎপাদনশীল শ্রমিক সৃষ্টিৰ দ্বাৰা দেশৰ অর্থনৈতিক অগ্রগতিত সহায় কৰে আৰু তাৰ লগতে নিয়োগৰ প্রচুৰ সুবিধা প্রদান কৰে।
- এনেদৰে শিক্ষাৰ প্রতিটো স্তৰতে শিক্ষার্থীসকলৰ মানসিক সামর্থ বিবেচনা কৰি কৌশলভিত্তিক পাঠ্যক্রম আৰু সহশিক্ষাৰ কার্যসূচীসমূহ প্রৱর্তন কৰিব লাগে। পাঠ্যক্রম এনেধৰণে প্রস্তুত কৰিব লাগে যাতে ই শিক্ষার্থীৰ সংজ্ঞানাত্মক, আনুভূতিক আৰু মনোসঞ্চালনমূলক দিশসমূহ উন্নত কৰি তুলিব পাৰি।
- প্রচলিত শিক্ষানুষ্ঠানসমূহৰ বাহিৰেও মুক্ত আৰু দূৰ শিক্ষাৰ অনুষ্ঠানসমূহে মানৱ সম্পদ উন্নয়নৰ ক্ষেত্রত গধুৰ দায়িত্ব বহন কৰিব লাগে। এইটো সত্য যে মুক্ত আৰু দূৰ শিক্ষাৰ অনুষ্ঠানসমূহে ইয়াৰ শিক্ষাৰ ক্ষেত্রত থকা বয়স, সময় আৰু ঠাইৰ নমনীয়তাৰ বাবে প্রচলিত শিক্ষানুষ্ঠান সমূহতকৈ সকলোলৈ শিক্ষা আগবঢ়োৱাৰ ক্ষেত্রত বেছি সুবিধা লাভ কৰে।
- আকৌ শিক্ষাৰ এক দ্রুতগতিত প্রসাৰ হোৱা মাধ্যম হিচাপে তথ্য আৰু যোগাযোগ প্রযুক্তি বিজ্ঞানে শিক্ষার্থীসকলক নিজ ইচ্ছা অনুযায়ী মুক্ত আৰু দূৰত্ব শিক্ষাৰ যোগেদি কৌশলভিত্তিক শিক্ষাৰ প্রশিক্ষণৰ ক্ষেত্রত উৎসাহিত কৰে।
- মানুহ হিচাপে জীয়াই থাকিবলৈ আমাক কিছুমান মৌলিক নিপুণতা বা কৌশলৰ প্রয়োজন, যেনে লিখা, পঢ়া আৰু গণনা কৰা আদি। এইবোৰৰ উপৰি আমাক কিছুমান ব্যৱহাৰিক কৌশলৰো প্রয়োজন, যেনে— কেনেকৈ খাব লাগে, কাপোৰ পিন্ধিব লাগে, কেনেকৈ গাড়ী চলাব লাগে, গণ যাতায়তৰ ব্যৱহাৰ, মৌলিক নিৰাপত্তাৰ দিশ আদি।● পৃথিৱীৰ স্বাস্থ্য সংগঠন (WHO)য়ে জীৱন দক্ষতাৰ সংজ্ঞা এনেদৰে দিয়ে— ‘দৈনন্দিন জীৱনৰ চাহিদা আৰু প্রত্যাহ্বানসমূহৰ সন্মুখীন হ’বলৈ জীৱন দক্ষতাৰ কৌশল হৈছে এক ইতিবাচক আৰু গ্রহণযোগ্য সমর্থ।’ প্রাথমিক আৰু মাধ্যমিক শিক্ষাত, জীৱন দক্ষতাই আধুনিক ঔদ্যোগিক জীৱনৰ বিশেষ প্রয়োজনীয়তাক বুজায়। উদাহৰণস্বৰূপে মুদ্রা ব্যৱস্থাপনা, খাদ্য পৰিকল্পনা, স্বাস্থ্য বিধি, স্বাক্ষৰতা আৰু সাংগঠনিক কৌশলসমূহ।
- জীৱন দক্ষতা শিক্ষাৰ প্রধান উপাদান হৈছে জ্ঞানৰ বিকাশ আৰু কঠিন চিন্তাৰ কৌশলসমূহ (জনাৰ শিক্ষণ), ব্যৱহাৰিক কৌশলসমূহ (কৰাৰ শিক্ষণ), ব্যক্তিগত কৌশলসমূহ (শিক্ষণ কেনে হ’ব) আৰু সামাজিক কৌশলসমূহ (এনে লাগে বাস কৰাৰ শিক্ষণ)।
- ভাৰত চৰকাৰৰ মানৱ সম্পদ বিকাশ মন্ত্রালয়ে ২০১২ চনৰ ছেপ্টেম্বৰ মাহত ৰাষ্ট্রীয়

বিত্তীয় শিক্ষা অৰ্হতাৰ আঁচনি (NVEQF) ঘোষণা কৰে, য'ত নমনীয় শিক্ষা আৰু প্ৰশিক্ষণ ব্যৱস্থাৰ প্ৰয়োগৰ দ্বাৰা ব্যক্তিৰ জ্ঞান আৰু কৌশলসমূহ একত্ৰিত কৰাৰ সুযোগ দিয়ে।

- প্ৰকৃততে বিভিন্ন শাখাত কৌশল বিকাশৰ ক্ষেত্ৰত NSQF হৈছে স্বচ্ছ, বিশ্বাসযোগ্য আৰু নিৰ্ভৰশীল সংগঠন। স্কুল, বিত্তীয় শিক্ষা আৰু প্ৰশিক্ষণ দিওতা, উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহ, মূল্যায়ন কৰ্তৃপক্ষ আৰু লগতে উদ্যোগ, পেছাদাৰী সংগঠন আৰু অনুজ্ঞাপত্ৰ প্ৰদানৰ কৰ্তৃপক্ষ আদিৰ বাবে অৰ্হতাৰ গাঁথনি উপযোগী। অৰ্হতাৰ গাঁথনিৰ ক্ষেত্ৰত আটাইতকৈ ডাঙৰ উপযোগিতা হৈছে শিক্ষাৰ্থীসকলে তেওঁলোকে অৰ্জন কৰা অৰ্হতাৰ এটা বিশেষ স্তৰত তাৎক্ষণিক মূল্য পাব পাৰে আৰু তেতিয়া তেওঁলোকে নিজৰ জীৱিকা অৰ্জনৰ ক্ষেত্ৰত এটা স্থিৰ সিদ্ধান্ত ল'ব পাৰে।

১৩.৬ অধিক জানিবলৈ

1) Lineo Clementina and Bothephana Makhakhane: Life Skills for National Development in Lesotho: Can ODL Do it? https://wikieducator.org/images/0/08Lineo_Clementina_Kolosoa.pdf
2) Mohan B Menon (2014): Strategy for Skill Development through Open Schooling in India, Wawasan Open University, Penang, Malaysia
3) NSQF Notification, MHRD, website:mhrd.gov.in/sites/upload_files/mhrd/files/upload.../NSQF-NOTIFICATION.pdf

১৩.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্ন উত্তৰ ঃ শিক্ষাৰ সকলো স্তৰতে কৌশল ভিত্তিক শিক্ষাৰ অন্তৰ্ভুক্তিয়ে উৎপাদনশীল শ্ৰমিক সৃষ্টিৰ দ্বাৰা দেশৰ অৰ্থনৈতিক অগ্ৰগতিত সহায় কৰে আৰু তাৰ লগতে নিয়োগৰ প্ৰচুৰ সুবিধা প্ৰদান কৰে। সেইবাবে শিক্ষাৰ প্ৰতিটো স্তৰতে শিক্ষাৰ্থীসকলৰ মানসিক সামৰ্থ্য বিবেচনা কৰি কৌশল ভিত্তিক পাঠ্যক্ৰম আৰু সহশিক্ষাৰ কাৰ্যসূচীসমূহ প্ৰৱৰ্তন কৰিব লাগে। পাঠ্যক্ৰম এনেধৰণে প্ৰস্তুত কৰিব লাগে যাতে ই শিক্ষাৰ্থীৰ সংজ্ঞানাত্মক, আনুভূতিক আৰু মনোসঞ্চালনমূলক দিশসমূহ উন্নত কৰি তুলিব পাৰে।

২ নং প্ৰশ্ন উত্তৰ ঃ জনসংখ্যাৰ গাঁথনিৰ দিশৰ পৰা ভাৰতবৰ্ষ হৈছে চহকী, কাৰণ ইয়াৰ জনসংখ্যা ৫৪% লোক হৈছে ২৫ বছৰ বয়সৰ তলৰ আৰু ৬৬% লোক হৈছে ৩৫ বছৰ বয়সৰ ভিতৰৰ (২০১১ চনৰ লোকপিয়ল অনুসৰি) আৰু এই বয়সৰ কাৰ্যক্ষম ব্যক্তিসকল হৈছে সমগ্ৰ দেশৰ বাবে সম্পত্তি স্বৰূপ। যদিহে এনে লোকসকলক উপযুক্তভাৱে কৌশলভিত্তিক শিক্ষা প্ৰদান কৰা হয়, তেন্তে ইয়াৰ দ্বাৰা সামাজিক আৰু অৰ্থনৈতিক

গতিশীলতাই সামাজিক আদান-প্রদানৰ ক্ষেত্রত এক ইতিবাচক সঁহাৰি আনিব আৰু দেশত জ্ঞান সমৃদ্ধ ব্যক্তিৰ সৃষ্টি কৰিব।

৩ নং প্রশ্ন উত্তৰ ঃ মুক্ত আৰু দূৰ শিক্ষাৰ অনুষ্ঠানসমূহে মানৱ সম্পদ বিকাশৰ ক্ষেত্রত বর্ধিত চাহিদা পূৰণ কৰিব পাৰে। এইটো সত্য যে মুক্ত আৰু দূৰ শিক্ষাৰ অনুষ্ঠানসমূহে ইয়াৰ শিক্ষাৰ ক্ষেত্রত থকা বয়স, সময় আৰু ঠাইৰ নমনীয়তাৰ বাবে প্রচলিত শিক্ষানুষ্ঠানসমূহতকৈ প্রত্যেকজন লোকলৈ শিক্ষাৰ সুবিধা আগবঢ়োৱাৰ ক্ষেত্রত বেছি সুযোগ পায়। আকৌ শিক্ষাৰ এক দ্রুতগতিত প্রসাৰ হোৱা মাধ্যম হিচাপে তথ্য আৰু যোগাযোগ প্রযুক্তি বিজ্ঞানে শিক্ষার্থীসকলক নিজ ইচ্ছা অনুযায়ী মুক্ত আৰু দূৰত্ব শিক্ষাৰ যোগেদি কৌশলভিত্তিক শিক্ষাৰ প্রশিক্ষণৰ ক্ষেত্রত উৎসাহিত কৰে।

৪নং প্রশ্ন উত্তৰ ঃ UNICEF ঃ ৰাষ্ট্রসংঘৰ আন্তর্জাতিক শিশু জৰুৰীকালীন ন্যাস ১৯৪৬ চনৰ ১১ ডিচেম্বৰত স্থাপিত হৈছিল। ইয়াৰ মৌলিক উদ্দেশ্য হৈছে শিশুৰ স্বাস্থ্য ৰক্ষা আৰু সুৰক্ষাৰ ওপৰত গুৰুত্ব দিয়া।

UNESCO ঃ ৰাষ্ট্রসংঘৰ শৈক্ষিক, বৈজ্ঞানিক আৰু সাংস্কৃতিক সংগঠন হৈছে ৰাষ্ট্রসংঘৰ এক বিশেষ শাখা, ই পেৰিছত অৱস্থিত। ই ১৯৪৫ চনৰ ১৬ নৱেম্বৰত স্থাপিত হৈছিল। UNESCOয়ে ইয়াৰে উদ্দেশ্যসমূহ পাঁচটা কার্যৰ দ্বাৰা সমাপন কৰে, সেইকেইটা হৈছে— প্রাকৃতিক বিজ্ঞান, সামাজিক/মানৱ বিজ্ঞান, সংস্কৃতি আৰু তথ্য/যোগাযোগ।

WHO ঃ ৰাষ্ট্রসংঘৰ এক বিশেষ শাখা হৈছে বিশ্ব স্বাস্থ্য সংগঠন, ১৯৪৮ চনৰ ৭ এপ্রিলত ই স্থাপিত হয়, ইয়াৰ মুখ্য কার্যালয় জেনেভাত অৱস্থিত। WHOৰ মুখ্য উদ্দেশ্য হৈছে আন্তর্জাতিক মানৱ স্বাস্থ্য ৰক্ষাত গুৰুত্ব দিয়া।

৫ নং প্রশ্ন উত্তৰ ঃ যোগাযোগৰ সামর্থ্য, ভাষা কৌশল, ব্যক্তিগত অভ্যাস, সংজ্ঞানাত্মক বা আবেগিক অনুভূতি, সময় ব্যৱস্থাপনা, দলীয় কার্য, নেতৃত্বৰ সংলক্ষণ, আদিবোৰক কোমলতাৰ অভিগমন বুলি কোৱা হয়। প্রকৃততে, কোমলতা আৰু কঠিনতা দুয়োটা অভিগমনে মানুহক উপযুক্ত কার্য কৰি নিজৰ লক্ষ্যত উপনীত হোৱাত সহায় কৰে।

৬ নং প্রশ্ন উত্তৰ ঃ জীৱন নিপুণতা ভিত্তিক শিক্ষা, শিক্ষার্থীৰ বাবে প্রয়োজনীয় কাৰণ, এই শিক্ষাই শিক্ষার্থীৰ জ্ঞান আহৰণ আৰু সকলো পৰিৱেশত সমাযোজন কৰিব পৰা কৰিবলৈ প্রয়োজন হোৱা কৌশলসমূহৰ বিকাশত সহায় কৰে। জীৱন দক্ষতা হৈছে সংজ্ঞানাত্মক, ব্যক্তিগত আৰু আন্তঃ ব্যক্তিক সমর্থনসমূহৰ সমষ্টি যিয়ে ব্যক্তিক সিদ্ধান্ত গ্রহণত, সমস্যা সমাধানত, জটিল চিন্তা আৰু সৃজনশীলতা, উপযুক্ত যোগাযোগ সম্পর্ক ৰক্ষা, আনৰ প্রতি সহানুভূতিশীল হোৱা আৰু জীৱনটোক উপযুক্ত আৰু উৎপাদনশীল ব্যৱস্থাৰে সমাযোজনত সহায় কৰা।

৭ নং প্রশ্ন উত্তৰ ঃ বিভিন্ন স্তৰত কৌশল বিকাশৰ ক্ষেত্রত NSQF হৈছে গুণগত মানৰ গাঁথনি, জ্ঞান, কৌশল আৰু ভংগীৰ গাঁথনিৰ সংগঠন। শিক্ষার্থীৰ এই গুণগত স্তৰ শিক্ষণ ফলাফলৰ দ্বাৰা ধার্য কৰা হয়, যিবোৰ শিক্ষার্থীসকলে আনুষ্ঠানিক, অনানুষ্ঠানিক বা অগতানুগতিক শৈক্ষিক অনুষ্ঠানসমূহৰ পৰা আহৰণ কৰে। NSQFৰ অন্তর্ভুক্ত কৰা প্রধান উপাদানসমূহ হৈছে—

- বিভিন্ন স্তৰত আন্তর্জাতিক সমপর্যায় লাভৰ বাবে কৌশল নিপুণতা আৰু সমর্থতাৰ নীতিসমূহ— বিত্তীয় শিক্ষা, কৌশল প্রক্রিয়া, সাদাৰণ শিক্ষণ, প্রযুক্তি শিক্ষা আৰু চাকৰিৰ বজাৰত অন্তর্ভুক্তি আৰু বিলুপ্তি।
- কৌশল অর্হতাৰ নক্সাৰ ক্ষেত্রত অগ্রগতিৰ আর্হি।
- জীৱনযোৰা শিক্ষা আৰু কৌশল বিকাশৰ সুযোগ।
- উদ্যোগৰ সৈতে সহযোগিতা।

তদুপৰি NSQCয়ে মূল্যায়নৰ মান নিৰূপণ কৰে, বিশেষভাৱে সক্ষম শ্রেণীৰ বাবে নীতি নির্ধাৰণ কৰে, আন্তঃৰাষ্ট্রীয় পর্যায়ৰ কৰিবলৈ আন্তঃগাঁথনিসমূহ পুনঃৰীক্ষণ কৰে।



১৩.৮ আর্হি প্রশ্ন

ক) **বস্তুধর্মী প্রশ্ন** (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ এখন সমাজৰ ব্যক্তিৰ বাবে শিক্ষা কিয় প্রয়োজনীয়?

প্রশ্ন ২ ঃ শিক্ষাত কিয় দক্ষতা বিকাশৰ পাঠ্যক্রম কিয় প্রয়োজনীয়?

প্রশ্ন ৩ ঃ দক্ষতা বা নিপুণতা বিকাশ মানে আপুনি কি বুজে?

প্রশ্ন ৪ ঃ কোমলতাৰ কৌশল কি?

প্রশ্ন ৫ ঃ জীৱন দক্ষতা কি?

প্রশ্ন ৬ ঃ কঠিনতাৰ কৌশল কি?

প্রশ্ন ৭ ঃ উপযুক্ত মানৰ জীৱন নির্বাহৰ বাবে জীৱন দক্ষতা কিয় প্রয়োজনীয় বুলি ভাবে?

প্রশ্ন ৮ ঃ ভাৰতীয় যুৱ সমাজ বা শিক্ষার্থীসকলক কেনেদৰে দূৰ আৰু মুক্ত শিক্ষাৰ দ্বাৰা কৌশল বিকাশ কৰিব পাৰি?

খ) **চুটি প্রশ্ন** (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ শিক্ষাত কৌশল বিকাশৰ পাঠ্যক্রমৰ গুৰুত্ব আৰু প্রয়োজনীয়তা কি কি? বর্ণনা কৰক।

প্রশ্ন ২ ঃ মুক্ত আৰু দূৰত্ব শিক্ষাই ভাৰতীয় যুৱ সমাজক কৌশল বিকাশ কৰিব পাৰিছে বুলি আপুনি ভাবেনে? আলোচনা কৰক।

প্রশ্ন ৩ ঃ ভাৰতবর্ষত NSQFৰ উদ্দেশ্যসমূহ চমুকৈ লিখক।

গ) **ৰচনাধর্মী প্রশ্ন** (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ কৌশলৰ বিভিন্ন প্রকাৰসমূহ কি কি? শিক্ষা ব্যৱস্থাত কৌশল ভিত্তিক শিক্ষা কিয় প্রয়োজনীয় বুলি আপুনি ভাবে?

প্রশ্ন ২ ঃ ভাৰতবর্ষত NSQFৰ (Descriptors) বিভিন্ন প্রয়োজনীয়তা সম্পর্কে আৰু বর্ণনাকাৰী সমূহৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৩ ঃ কৌশল ভিত্তিক শিক্ষা কি? বর্তমান পৃথিৱীত কৌশলভিত্তিক শিক্ষা কিয় প্রয়োজনীয় বুলি ভাবে? আলোচনা কৰক।

অধ্যায় ১৪ ঃ শিক্ষার্থীৰ অশান্তি

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ শিক্ষার্থীৰ অশান্তিৰ ধাৰণা
১৪.৪ শিক্ষার্থীৰ অশান্তিৰ কাৰণ
১৪.৪.১ শৈক্ষিক কাৰণ
১৪.৪.২ ৰাজনৈতিক কাৰণ
১৪.৪.৩ অর্থনৈতিক কাৰণ
১৪.৪.৪ অন্য কাৰণ
১৪.৫ শিক্ষার্থীৰ অশান্তি দূৰ কৰাৰ উপায়
১৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.৭ অধিক জানিবলৈ
১৪.৮ অগ্রগতিৰ খতিয়ান
১৪.৯ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- শিক্ষার্থীৰ অশান্তিৰ ধাৰণাটো ব্যাখ্যা কৰিব পাৰিব
- শিক্ষার্থীৰ অশান্তিৰ কাৰণবোৰ বর্ণনা কৰিব পাৰিব
- শিক্ষার্থীৰ অশান্তি দূৰ কৰাৰ কিছুমান উপায় আগবঢ়াব পাৰিব

১৪.২ পৰিচয়

বর্তমান সময়ত প্ৰায় প্ৰতিটো শৈক্ষিক অনুষ্ঠানৰ ক্ষেত্ৰতে শুনিবলৈ পোৱা বিষয়টো হৈছে 'শিক্ষার্থীৰ অশান্তি'। 'শিক্ষার্থীৰ অশান্তি' ধাৰণাটোৰে শিক্ষার্থীয়ে প্ৰদর্শন কৰা অনুশাসন ভংগকাৰী কার্যকলাপৰ কথা বুজোৱা হয়। ই এক বিশ্বজনীন সমস্যাৰূপে গা-কৰি উঠিছে। আজিৰ সমাজে বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয় আৰু অন্য শৈক্ষিক অনুষ্ঠানবোৰত শিক্ষার্থীয়ে সঘনাই কৰা ধর্মঘট, সমূহীয়া বিক্ষোভ প্ৰদর্শন, শ্ৰেণীবর্জন আৰু বিক্ষিপ্ত হিংসাত্মক আন্দোলনৰ প্ৰত্যক্ষদর্শী হ'বলগীয়া হৈছে। শিক্ষার্থীৰ অশান্তিক শিক্ষাব্যৱস্থা আৰু শৈক্ষিক বিকাশৰ প্ৰতি এক গুৰুতৰ ভাবুকি বুলি বিবেচনা কৰা হয়। সেয়েহে শিক্ষার্থীৰ মাজত ক্ৰমে বৃদ্ধি পোৱা অশান্তি তথা অনুশাসন ভংগকাৰী কার্যকলাপবোৰে যথেষ্ট উদ্বিগ্নতাৰ সৃষ্টি কৰিছে। বিগত কেইটামান বছৰত শিক্ষার্থীৰ অশান্তিয়ে এক গুৰুতৰ ৰূপ ধাৰণ কৰি আমাৰ সামাজিক উন্নয়নৰ প্ৰতি প্ৰচণ্ড ভাবুকিৰ সৃষ্টি কৰিছে। যদি এনে অবাঞ্ছিত কার্যকলাপ আৰু অনুশাসন ভংগৰ ঘটনাবোৰ প্ৰতিহত কৰিব পৰা নাযায় তেন্তে ই অতি সোনকালে সমগ্ৰ শিক্ষা ব্যৱস্থাটোকে পংগু কৰি তুলিব। কিন্তু শিক্ষার্থীসকলে কিয় নিজকে বিদ্রোহাত্মক কার্যকলাপত জড়িত কৰে?

এই গুৰুত্বপূর্ণ আৰু প্রাসংগিক প্রশ্নটোৰ উত্তৰ বাহিৰ কৰাটোও অতি আৱশ্যকীয় কথা। ইয়াৰ সৈতে খাপ খোৱা চিন্তা চিন্তা আৰু গুৰুত্ব সহকাৰে প্রশ্নটোৰ সৈতে জড়িত সমস্যাবোৰ সমাধান কৰাটো দৰকাৰ। এই অধ্যায়ত শিক্ষার্থীৰ অশান্তি শীর্ষক গুৰুতৰ সমস্যাটোৰ ধাৰণা, কাৰণ তথা প্রতিকাৰৰ উপায়বোৰ আলোচনা কৰা হৈছে।

১৪.৩ শিক্ষার্থীৰ অশান্তিৰ ধাৰণা

'অশান্তি'ৰ সমার্থক ইংৰাজী শব্দ 'Unrest'ৰ সৰল অর্থ হ'ল 'অশান্ত পৰিস্থিতি' (disturbed condition)। ই হ'ল 'মোহভংগ হোৱা আৰু অসন্তুষ্টত হৈ পৰা স্থিতি' (the state of disillusionment and dissatisfaction)। অশান্তিয়ে এনে এক পৰিস্থিতিৰ কথা বুজায় যিটো পৰিস্থিতিত মানুহ খঙাল হৈ পৰে আৰু প্রতিবাদ কৰি উঠাৰ নাইবা যুদ্ধত লিপ্ত হোৱাৰ সম্ভাৱনা থাকে। সামাজিক সমস্যা, বিশ্বাস আৰু আদর্শক লৈ হোৱা মতানৈক্যৰ ফলশ্রুতিকে অশান্তি বুলি ক'ব পাৰি। সামাজিক অশান্তি মানে হ'ল কোনো এক মানৱ গোট, সম্প্রদায় অথবা সমাজে সমূহীয়াভাৱে প্রদর্শন কৰা মোহভংগ ঘটা অৱস্থা, অসন্তুষ্টি আৰু হতাশা। সামাজিক অশান্তিৰ সবাতোকৈ গুৰুত্বপূর্ণ দিশটো হ'ল 'সমূহীয়া হতাশা'। সমাজৰ উমৈহতীয়া সামাজিক সমস্যাবোৰক লৈ সামাজিক গোটৰ মোহভংগ ঘটা অৱস্থাটোৱে সামাজিক অশান্তি সৃষ্টিৰ কাৰক।


শিক্ষার্থীৰ অশান্তি হ'ল সামাজিক অশান্তিৰেই এটা ৰূপ। সমাজৰ যুৱাচাম/শিক্ষার্থীসকলৰ সমূহীয়া হতাশাৰ প্রদর্শনকে শিক্ষার্থীৰ অশান্তি বুলি ক'ব পাৰি। যদি মাত্র এখন শিক্ষা প্রতিষ্ঠানৰ শিক্ষার্থীসকল কিবা কাৰণত অশান্ত হৈ পৰে তেন্তে ইয়াক 'শিক্ষার্থীৰ অশান্তি'ৰ সমস্যা বুলি ধৰা নহয়। কিন্তু যেতিয়া সমগ্র দেশৰ শিক্ষার্থী সমাজ কোনো উমৈহতীয়া সমস্যাক লৈ হতাশ হৈ পৰে তেতিয়া আমাৰ সমাজত শিক্ষার্থীৰ অশান্তিৰ সমস্যাটো আছে বুলি গণ্য কৰা হয়। শিক্ষার্থীৰ অশান্তি সৃষ্টি কৰিব পৰা কেইটামান উমৈহতীয়া সমস্যা হ'ল পাঠ্যক্রমত অন্তর্ভুক্ত পঠনীয় বিষয়ৰ সূচী, পৰীক্ষা ব্যৱস্থা, শিক্ষায়তনিক অভিকৰণবোৰত উপস্থাপন বিষয়ক বা প্রতিনিধি বিষয়ক সমস্যা ইত্যাদি। শিক্ষার্থীৰ অশান্তিৰ বৈশিষ্ট্য হ'ল "প্রচলিত স্বীকৃত ৰীতি-নীতিবোৰৰ পৰিবর্তনৰ বাবে শিক্ষানুষ্ঠান আৰু সংশ্লিষ্ট ক্ষেত্র (ৰাজহুৱা আৰু শিক্ষার্থী সমাজ)ত সৃষ্টি হোৱা সমূহীয়া অসন্তুষ্টি আৰু বিকলাৱস্থা।"

যেতিয়া যুৱাচাম নাইবা শিক্ষার্থী সমাজে ধৰি লয় যে সমাজত প্রচলিত স্বীকৃত ৰীতি-নীতিবোৰ অকার্যকৰী অথবা অপকাৰী তেতিয়াই শিক্ষার্থীৰ অশান্তি প্রকট হৈ পৰে। শিক্ষার্থীসকলে এনে ৰীতি-নীতি অমান্য কৰিবলৈ ধৰে, সিহঁতৰ মোহভংগ ঘটে আৰু অত্যন্ত বিৰক্ত হৈ পৰে। শিক্ষার্থী সমাজে এই ৰীতি-নীতিবোৰৰ পৰিবর্তনৰ প্রয়োজনীয়তা উপলব্ধি কৰে। সামাজিক শৃংখলা পৰিবর্তনৰ বাবে দিক্‌বিন্যাস ঘটা সমূহীয়া কার্যকলাপৰ সম্প্রসাৰণকে আন্দোলন বোলা হয়।

শিক্ষার্থী আন্দোলনৰ গুৰুত্বপূর্ণ কার্যাৱলী হ'ল ঃ

- সমূহীয়া সচেতনতাৰ সৃষ্টি কৰা আৰু দলীয় ভ্রাতৃত্ববোধ গঢ়ি তোলা।
- নতুন কার্যসূচী আৰু নতুন পৰিকল্পনাৰ হকে কাম কৰিবলৈ শিক্ষার্থীসকলক সংগঠিত কৰা আৰু
- শিক্ষার্থীক মনৰ ভাৱ প্রকাশৰ সুযোগ দিয়া আৰু পৰিবর্তন প্রক্রিয়াত কিছু প্রভাৱ পেলোৱা।

শিক্ষার্থীৰ আন্দোলনৰ লক্ষ্য কেতিয়াও মানুহক শাৰীৰিকভাৱে আঘাত কৰা অথবা ৰাজহুৱা সম্পত্তি নষ্ট কৰাটো নহয়। এনে আন্দোলনৰ লক্ষ্য হ'ল প্রতিবাদ কৰা।



চিত্র ঃ শিক্ষার্থীৰ অশান্তিৰ প্রদর্শন

ওপৰত কৰা শিক্ষার্থীৰ অশান্তি বিষয়ক ধাৰণাটোৰ আলোচনাৰ আধাৰত ক'ব পৰা যায় যে শিক্ষার্থীৰ অশান্তিৰ সৈতে তলত উল্লেখ কৰা বৈশিষ্ট্যকেইটা জড়িত—

- সমূহীয়া অসন্তুষ্টি (Collective discontent)
- বিকলাৱস্থা (Dysfunctional conditions)
- ৰাজহুৱা উদ্বিগ্নতা (Public concern)
- প্রচলিত স্বীকৃত ৰীতি-নীতিৰ পৰিবর্তনৰ প্রয়োজনীয়তা (the need for change in the existing norms)

শিক্ষার্থীৰ অশান্তিৰ সমস্যাটো কেৱল শৈক্ষিক প্ৰশাসনিক কৰ্তৃপক্ষৰ বাবেই চিন্তাৰ বিষয় নহয়; ই বৰ্তমান এক ৰাষ্ট্ৰীয় চিন্তাৰ বিষয় হৈ পৰিছে। দেশৰ বিভিন্ন অংশৰ পৰা শিক্ষার্থী সমাজত বিয়পি পৰা হতাশাৰ বাতৰি আহিবলৈ ধৰিছে। শিক্ষার্থী সমাজ ৰাষ্ট্ৰ নিৰ্মাণৰ এক ইতিবাচক শক্তিত পৰিণত হোৱাৰ সলনি ক্ৰমে এক ক্ষুব্ধ শক্তিত পৰিণত হৈছে। শিক্ষার্থী সমাজত গা-কৰি উঠা অশান্তিয়ে শিক্ষা ব্যৱস্থাটোক লৈ চলি থকা অসন্তুষ্টি, মোহভংগ হোৱাৰ অৱস্থা, হতাশা, নৈৰাশ্য আৰু উপায়হীনতাকে প্ৰতিফলিত কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ শিক্ষার্থীৰ অশান্তি বুলিলে কি বুজে?

.....

.....

.....

১৪.৪ শিক্ষার্থীৰ অশান্তিৰ কাৰণ

শিক্ষার্থীৰ অশান্তি প্ৰত্যক্ষ নকৰা দেশ পৃথিৱীত খুব কমেইহে আছে। বৰ্তমানৰ ভাৰতীয় সমাজৰ বাবে গুৰুতৰ উদ্বিগ্নতা সৃষ্টিকাৰী বিষয় এটা হৈছে শিক্ষার্থীৰ অশান্তি। কিয় এনে হৈছে? এই অশান্তিৰ নিশ্চয় কিবা আওকাণ কৰিব নোৱাৰা ধৰণৰ কাৰণ আছে। শিক্ষার্থীসকল সাধাৰণতে আৱেগিক প্ৰকৃতিৰ। সিহঁত কম-বেছি পৰিমাণে আদৰ্শবাদী। এই সময়ছোৱাত সিহঁত বিভিন্ন মহান আদৰ্শেৰে উদ্বুদ্ধ হয়। সিহঁত দেশৰ কল্যাণৰ বাবে প্ৰাণ আহুতি দিবলৈ সদায় সাজু হৈ থাকে। যদি এয়াই সঁচা তেন্তে আমি গভীৰভাৱে চিন্তা কৰি চাব লাগিব সিহঁতে কিয় অশান্তিৰ সৃষ্টি কৰাৰ দৰে কাম এটা কৰিবলৈ আগবাঢ়ি আহেহুঁ প্ৰতিগৰাকী চিন্তাশীল ব্যক্তিয়ে এই কথাটো গভীৰভাৱে ভাবি চোৱা আৰু অশান্তিৰ প্ৰকৃত কাৰণবোৰ বিচাৰি উলিওৱাৰ প্ৰয়াস কৰা উচিত। কাৰণবোৰ বিচাৰি উলিয়াব পাৰিলে সমস্যা সমাধানৰ পথো নিশ্চয় বিচাৰি উলিয়াব পৰা যাব। আমাৰ অধ্যয়ন মতে শিক্ষার্থীসকলৰ মনত বিভিন্ন কাৰণে ক্ৰিয়া কৰে। সিহঁতৰ প্ৰতিক্ৰিয়াই বৰ্তমানে গা-কৰি উঠা অশান্তিৰ মূল। হতাশা, ওজৰ-আপত্তি আৰু উদ্বেগেই হ'ল ভাৰতীয় শিক্ষার্থীৰ মাজত দেখা দিয়া অশান্তিৰ আঁৰৰ কাৰণ। তলত দেশৰ কেইগৰাকীমান বিখ্যাত তথা গুৰুত্বপূৰ্ণ ব্যক্তিয়ে শিক্ষার্থীৰ অশান্তিৰ কাৰণ বুলি চিহ্নিত কৰা বিষয় কেইটামান তুলি দিয়া হ'ল।

- হুমায়ুঁ কবীৰ (১৯৫৮)এ শিক্ষার্থীৰ অশান্তিৰ বাবে চাৰিটা প্ৰধান কাৰণক জগৰীয়া কৰিছে। কাৰণকেইটা হ'ল— শিক্ষকৰ গাত নেতৃত্ব দিবপৰা গুণৰ অভাৱ, অৰ্থনৈতিক অসুবিধা বৃদ্ধি, প্ৰচলিত পৰীক্ষা পদ্ধতিৰ আসোঁৱাহ আৰু আদৰ্শৰ সাধাৰণ নাটনি।

- ড° সম্পূর্ণানন্দৰ মতে ধর্মমূলক শিক্ষাৰ অভাৱ আৰু পৰিয়ালৰ আর্থিক সমস্যাৰ ফলতে শিক্ষার্থীৰ অশান্তিয়ে গা-কৰি উঠে। শিক্ষার্থী হৈ থাকিবলগীয়া কালছোৱাৰ দীর্ঘতা, ছাত্র সংগঠনবোৰৰ নেতিবাচক ভূমিকা আৰু পৰিয়ালবোৰ ভাগি যোৱাটোৱেই হ'ল শিক্ষার্থীৰ মাজত সৃষ্টি হোৱা অনুশাসনহীনতাৰ প্রধান কাৰণ।
- দেশৰ প্রাক্তন প্রধানমন্ত্রী ইন্দিৰা গান্ধীয়ে পুনে বিশ্ববিদ্যালয়ৰ ৰজত জয়ন্তী সমাৰোহত কৈছিল যে ৰাজনৈতিক উত্তেজনা আৰু অর্থনৈতিক অৱস্থাই হ'ল শিক্ষার্থীৰ অশান্তিৰ মূল কাৰণ।
- ৰাষ্ট্রীয় শিক্ষা নীতি (১৯৮৬)এ স্বীকৃত নীতি-নিয়মহীন শৈক্ষিক প্রতিষ্ঠান, অসাৱধান শিক্ষক, নিম্নমানৰ মূল্যাংকন ব্যৱস্থা, অনুশাসনৰ অভাৱ আৰু শিক্ষা ব্যৱস্থাত ৰাজনৈতিক, কূটনৈতিক আৰু অ-সামাজিক উপাদানৰ উপস্থিতিক শিক্ষার্থীৰ অশান্তিৰ মূল কাৰণ বুলি উল্লেখ কৰিছিল।
- ১৯৬০ চনত বিশ্ববিদ্যালয় অনুদান আয়োগে শিক্ষার্থীৰ অশান্তি আৰু আন্দোলনৰ আঁৰৰ কাৰণ হিচাপে দুটামান কথালৈ আঙুলিয়াই দেখাইছিল। কথাবোৰ হ'ল—
  - ➢ মাচুল হ্রাস তথা জলপানী বৃদ্ধিৰ দাবীৰ দৰে অর্থনৈতিক কাৰণবোৰ
  - ➢ নামভর্তি, পৰীক্ষা, শিক্ষণ আদিৰ সৈতে জড়িত থকা প্রচলিত স্বীকৃত নীতি-নিয়মবোৰ সলনি কৰাৰ দাবী।
  - ➢ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়বোৰৰ দুর্বল প্রশাসন নাইবা দুর্বল কার্য সম্পাদন পদ্ধতি।
  - ➢ শিক্ষার্থী আৰু শিক্ষকৰ মাজত থকা সংঘাতপূর্ণ সম্পর্ক। যেনে— মহিলা শিক্ষার্থী নাইবা ছাত্রনেতা/নেত্রীৰ সৈতে শিক্ষকৰ আচৰণ, পাঠদানৰ সংখ্যা কর্তন কৰা ইত্যাদি।
  - ➢ শিক্ষানুষ্ঠান পৰিসৰৰ ভিতৰত প্রয়োজনতকৈ কমসংখ্যক আবাস, আবাসত দিয়া নিম্নমানৰ খাদ্য, কেণ্টিনৰ অভাৱ আদিৰ দৰে অসুবিধাবোৰ আৰু,
  - ➢ ৰাজনীতিকে ছাত্রনেতা/নেত্রীবোৰক প্ররোচিত কৰা ইত্যাদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ বিশ্ববিদ্যালয় অনুদান আয়োগে আঙুলিয়াই দিয়া শিক্ষার্থীৰ অশান্তিৰ কাৰণসমূহৰ বিষয়ে চমুকৈ বর্ণনা কৰক।

.....

.....

ওপৰত উল্লেখ কৰা কাৰণবোৰৰ পৰা এটা কথা স্পষ্ট হৈ পৰে যে শিক্ষার্থীৰ অশান্তিৰ সমস্যাটো সমাজৰ আন সমস্যাবোৰৰ পৰা বিচ্ছিন্ন কৰি লৈ বিবেচনা কৰিব নোৱাৰি। ভাৰতৰ দৰে দেশ এখনত শিক্ষার্থীৰ অশান্তিৰ দৰে ভয়ানক পৰিঘটনাটো বিয়পি পৰাত বহুতো কাৰকৰ অৱদান আছে। তলত শিক্ষার্থীৰ অশান্তিৰ সৈতে জড়িত কাৰণ কেইটামান সাধাৰণ শিতানৰ অধীনত অলপ বহলাই আলোচনা কৰা হ'ল।

১৪.৪.১ শৈক্ষিক কাৰণ

শিক্ষার্থীৰ অশান্তিৰ শৈক্ষিক কাৰণবোৰ হ'ল —

- **আসোঁৱাহপূর্ণ শিক্ষা ব্যৱস্থা ঃ** শিক্ষার্থীৰ অশান্তি সৃষ্টি হোৱাৰ এটা প্ৰধান কাৰক হ'ল আমাৰ আওপুৰণি, অনুপ্ৰেৰণাহীন, অ-সংহত আৰু অপ্ৰাসংগিক শিক্ষাব্যৱস্থা। শিক্ষাৰ প্ৰকৃত লক্ষ্যবোৰ হ'ল শিক্ষার্থীৰ মেধা ব্যাপক কৰি তোলা, সিহঁতৰ মনবোৰৰ বিকাশ সাধন কৰা আৰু চিন্তাশক্তিক শৃংখলাবদ্ধ কৰি তোলা। বৰ্তমানৰ শিক্ষা ব্যৱস্থাই ইয়াৰে এটা লক্ষ্যও পূৰণ কৰিব নোৱাৰে। ইয়াৰ উপৰি এই ব্যৱস্থাই শিক্ষা সাং কৰাসকলক কোনো কৰ্মসংস্থাপন লাভ কৰিব পৰাকৈ কোনোধৰণৰ ব্যৱহাৰিক দক্ষতাৰে পুষ্ট কৰি নোতোলে। এই শিক্ষা ব্যৱস্থাটোৱে আমাৰ ৰাষ্ট্ৰীয় আৰু সামাজিক প্ৰয়োজনবোৰ পূৰাব নোৱাৰে। এই আসোঁৱাহপূর্ণ শিক্ষা ব্যৱস্থাটোৱে শিক্ষার্থীক অনুশাসনবদ্ধ আৰু দায়িত্বশীল কৰি তুলিব নোৱাৰে। ইয়াৰ পৰিণামস্বৰূপে শিক্ষার্থীসকলে নিজকে প্ৰতাৰিত হোৱা বুলি ভাবে, বিভ্ৰান্ত হয়, হতাশ হৈ পৰে আৰু এই অনুভৱবোৰ হিংসাত্মক কার্যকলাপ তথা অনুশাসন ভংগকাৰী কাম-কাজেৰে প্ৰকাশ কৰে। এই আটাইবোৰে মিলি শিক্ষার্থীৰ মনত বিদ্ৰোহী চিন্তাৰ জন্ম দিয়ে।

- **আসোঁৱাহপূর্ণ পৰীক্ষা ব্যৱস্থা ঃ** বৰ্তমানৰ শিক্ষা ব্যৱস্থাটোৰ একমাত্ৰ লক্ষ্য হ'ল পৰীক্ষাত উত্তীর্ণ হোৱা। ই কেৱল কিতাপত থকা জ্ঞান আৰু অনুমানসর্বস্ব হৈ পৰিছে। বৰ্তমানৰ শিক্ষা ব্যৱস্থাই শিক্ষার্থীৰ সহঃপাঠ্যক্ৰমকেন্দ্ৰিক কার্যকলাপত দেখুওৱা উৎকৃষ্টতা, সমাজ সেৱামূলক মনোভাৱ নাইবা নৈতিক চৰিত্ৰ আৰু আচৰণত প্ৰতিফলিত দৃঢ়তা বিচাৰ কৰি নাচায়। ই পৰীক্ষাৰ বাবে শেষ মুহূৰ্তলৈকে পঢ়া (cramming), যান্ত্ৰিক মুখস্থ শক্তি আৰু দৈৰিক সুযোগ আদিৰ ওপৰতহে মাত্ৰাধিক জোৰ দিয়ে। বৰ্তমানৰ শিক্ষা ব্যৱস্থাই পৰীক্ষাত নকল কৰা, প্ৰশ্ন কাকত ফাদিল হোৱা আদিৰ দৰে অসাধু অনুশীলনকহে উদগনি যোগাই আহিছে। বৰ্তমানৰ পৰীক্ষা ব্যৱস্থাটোত লুকাই থকা কেৰোণবোৰৰ বাবে সমগ্ৰ ব্যৱস্থাটো জহি-খহি গৈছে। পৰীক্ষা ব্যৱস্থাটোৰ বাবেই শিক্ষার্থীসকলে ভাবিবলৈ লৈছে যে এটা বছৰ ধৰি পঢ়ি থকাৰ কোনো প্ৰয়োজন নাই, পৰীক্ষাৰ সময়ত অলপ পঢ়িলেই যথেষ্ট। সেয়েহে সিহঁতে বছৰৰ বেছিভাগ সময়েই অর্থহীনভাৱে পাৰ কৰে। এই প্ৰৱণতাই শিক্ষার্থীসকলৰ বাবে অফুৰন্ত ব্যস্ততাহীন সময়ৰ সৃষ্টি কৰিছে।

এইবোৰ কাৰণতে সিহঁতে এই সময়খিনিত বিভিন্ন ধৰণৰ অনুশাসনহীন কার্যকলাপত লিপ্ত হোৱাৰ সুযোগ

- **অনুপ্রেৰণাবিহীন পাঠ্যক্রম ঃ** বর্তমানৰ শিক্ষা ব্যৱস্থাই শিক্ষার্থীসকলক এনে কোনো অর্হতা প্রদান কৰে যিটোৰ দ্বাৰা সিহঁতে নিজ ভৱিষ্যৎ সুৰক্ষিত কৰিব পাৰে নাইবা আর্থিকভাৱে স্বাৱলম্বী হৈ জীয়াই থাকিব পাৰে। শিক্ষা আৰু প্রশিক্ষণ সমাপ্ত হোৱাৰ পাচত উপযুক্ত সর্মসংস্থাপন লাভ কৰিব বুলি কোনো শিক্ষার্থীয়ে নিশ্চিতকৈ ক'ব নোৱাৰে। স্বাভাৱিকতেই সিহঁত ভৱিষ্যৎ সম্পর্কে অনিশ্চিত আৰু শংকিত হৈ থাকে। একেদৰে, কেৱল পাঠ্যক্রমভিত্তিক শিকণৰ জৰিয়তে ব্যক্তিত্বৰ সামঞ্জস্যপূর্ণ বিকাশ ঘটোৱাটো সম্ভৱ নহয়। ইয়াৰ বাবে বিভিন্ন ধৰণৰ সহঃপাঠ্যক্রমভিত্তিক কার্যকলাপৰ প্রয়োজন। এনে কার্যকলাপৰ মাজেদি শিক্ষার্থীৰ ব্যক্তিত্বৰ বিভিন্ন দিশ প্রতিভাত হয় আৰু সিহঁতে বিকাশৰ এক উচ্চ পর্যায়ত উপনীত হ'ব পাৰে। এনে কার্যকলাপৰ পর্যাপ্ত সুবিধা নথকাটোক শিক্ষার্থীৰ অশান্তি সৃষ্টিৰ অন্যতম কাৰক বুলি জগৰীয়া কৰিব পাৰি। ইয়াৰ অভাৱত বর্তমান সময়ত শিক্ষার্থীৰ অশান্তি তথা অনুশাসনহীনতাই চৰম সীমা পাইছেগৈ।
- **অনুপযুক্ত শিক্ষক ঃ** শিক্ষক আৰু শিক্ষার্থীৰ সম্পর্ক হ'ব লাগে মন অনুপ্রেৰণাদায়ী সম্পর্ক। কিন্তু বর্তমান এই সম্পর্কই এটা ব্যৱসায়ীক স্তৰলৈ অৱনমিত হৈছে। শিক্ষকৰ ব্যক্তিত্বই শিক্ষার্থীৰ মনত কোনো প্রভাৱ নেপেলায়। আজিকালিৰ বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়বোৰত এনে বহুতো শিক্ষক দেখা পোৱা যায় যিসকলৰ শিক্ষণ কার্যৰ প্রতি কোনো আগ্রহ নাই। শিক্ষকসকল নিজেই বিভিন্ন ধৰণৰ ধর্মঘট আৰু ধর্ণা কার্যসূচীত জড়িত হৈ থাকে নাইবা বিভাগীয় কর্তৃপক্ষবোৰক তেওঁলোকৰ বৈধ নাইবা অবৈধ যিকোনো ধৰণৰ দাবী মানি লোৱাৰ বাবে নানা প্রকাৰে ভীতি-ভাবুকি প্রদান কৰি থাকে। কেতিয়াবা শিক্ষকসকলক ন্যস্তস্বার্থ জড়িত ৰাজনীতি নাইবা বিভিন্ন ধৰণৰ হেৰফেৰত লিপ্ত থকা দেখা যায়। এনে শিক্ষকে নিজৰ আচাৰ-আচৰণৰ দ্বাৰা ভুল নিদর্শন দাঙি ধৰে। এনেধৰণৰ দূর্নীতিগ্রস্ত শিক্ষকে শিক্ষার্থীৰ অশান্তিৰ সমস্যাটো অধিক জটিল কৰি তুলিছে।
- **ত্রুটিপূর্ণ শিক্ষণ পদ্ধতি ঃ** আমাৰ বহুতো বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ শিক্ষণ পদ্ধতি ত্রুটিপূর্ণ হৈ পৰিছে। এই পদ্ধতিয়ে শিক্ষার্থীৰ মনত নতুন জ্ঞান আহৰণৰ প্রতি কোনো ধৰণৰ অনুসন্ধিৎসা সৃষ্টি কৰিব নোৱাৰে অথবা জ্ঞান বৃদ্ধি কৰিব নোৱাৰে। ইয়াৰ ফলস্বৰূপে শিক্ষার্থীয়ে শ্রেণীবোৰ ভাল নোপোৱা হয়। অৱশেষত পৰীক্ষাত উত্তীর্ণ হ'বৰ বাবে শিক্ষার্থীয়ে মুখস্থ, নকল, অনুমান নাইবা বজাৰত মুকলিকৈ বিক্রী হোৱা প্রশ্নকাকত কিনাৰ দৰে নানা উপায় অৱলম্বন কৰে। প্রয়োজনত শিক্ষার্থীয়ে পৰীক্ষকক ভাবুকি প্রদান কৰিবলৈকো কুণ্ঠাবোধ নকৰা দেখা পোৱা যায়।

- **একোটা শ্রেণীত মাত্রাধিক শিক্ষার্থীৰ উপস্থিতি ঃ** সাধাৰণতে শ্রেণীবোৰত শিক্ষকৰ তুলনাত শিক্ষার্থীৰ সংখ্যা মাত্রাধিক হোৱা দেখা যায়। ফলত শিক্ষক আৰু শিক্ষার্থীয়ে পৰস্পৰৰ সৈতে সম্পর্ক স্থাপন কৰাত ব্যর্থ হয়। শিক্ষকে প্রতিজন/জনী শিক্ষার্থীৰ ব্যক্তিগত অসুবিধাবোৰৰ উমান ল'ব নোৱাৰাৰ ফলত শিক্ষার্থীৰ অশান্তিৰ সমস্যাটো দুগুণে বৃদ্ধি পাইছে।
- **উপযুক্ত আন্তঃগাঁথনিৰ অভাৱ ঃ** মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়বোৰত বিভিন্ন সা-সুবিধাৰ অভাৱ হ'ল শিক্ষার্থীৰ অশান্তি বৃদ্ধিৰ অন্যতম কাৰণ। এনে বহুতো শৈক্ষিক অনুষ্ঠান আছে যিবোৰত উপযুক্ত সংখ্যক শ্রেণীকোঠা, গৱেষণাগাৰ, পুথিভঁৰাল আৰু শিক্ষকৰ অভাৱ। এনে পৰিস্থিতিত শিক্ষার্থীৰ মাজত অশান্তি নাইবা অনুশাসনহীনতাৰ সৃষ্টি হোৱাটো একো আচৰিত কথা নহয়।
- **দুর্বল প্রশাসনিক মান ঃ** সততে দেখিবলৈ পোৱা আন এটা সমস্যা হ'ল শৈক্ষিক অনুষ্ঠান/প্রতিষ্ঠানবোৰৰ প্রশাসনৰ দুর্বল মান। কেতিয়াবা এই সমস্যাই ইমানেই গুৰুতৰ ৰূপ ধাৰণ কৰে যে ইয়াৰ শুধৰণিৰ বাবে শিক্ষার্থীসকলে দীঘলীয়া আন্দোলন চলাবলগীয়া হয়। বিভিন্ন সময়ত শিক্ষার্থীসকলৰ ওজৰ-আপত্তিবোৰ ন্যায্য। কিন্তু প্রশাসনৰ নির্লিপ্ততা অথবা সহানুভূতিশীল আচৰণে শিক্ষার্থীসকলক আন বিভিন্ন ধৰণৰ বিদ্রোহী কার্যকলাপ হাতত ল'বলৈ বাধ্য কৰিব পাৰে। অর্থাৎ, প্রশাসনৰ ভুলকো শিক্ষার্থীৰ অশান্তি সৃষ্টি হোৱাৰ কাৰণ বুলি ক'ব পাৰি।
- **উপযুক্ত দিক্‌দর্শনৰ অভাৱ ঃ** শিক্ষার্থীৰ অশান্তিৰ সমস্যাটো বৃদ্ধি পোৱাৰ আন এক গুৰুত্বপূর্ণ কাৰণ হ'ল উপযুক্ত দিক্‌দর্শন আৰু শৈক্ষিক দিহা-পৰামর্শৰ অভাৱ। ইয়াৰ ফলত শিক্ষার্থীসকলে প্রত্যাশিত দিশত নিজৰ উৎসাহ তথা প্রাণচাঞ্চল্যক কামত লগাবলৈ প্রয়োজন হোৱা দিক্‌দর্সন আৰু মনোযোগৰ পৰা বঞ্চিত হয়। দিক্‌দর্শন আৰু শৈক্ষিক দিহা-পৰামর্শ প্রদানকাৰী সেৱাৰ অনুপস্থিতিত শিক্ষার্থীৰ অশান্তি বৃদ্ধিৰ সম্ভাৱনীয়তাও বাঢ়ি যায়।
- **আসোঁৱাহপূর্ণ নামভর্তি প্রক্রিয়া ঃ** নামভর্তিৰ সময়তো জাতি, স্বজনপ্রীতি, বংশভিত্তিক পক্ষপাত্বি আৰু উৎকোচ আদিৰ দৰে কু-কাৰকবোৰে অপ্রত্যাশিত ভূমিকা পালন কৰে। এইবোৰ কাৰকৰ বাবে বহুতো মেধাৱী আৰু যোগ্য শিক্ষার্থী বিভিন্ন শৈক্ষিক অনুষ্ঠানত নামভর্তিৰ পৰা বঞ্চিত হ'বলগীয়া হয়।

শিক্ষার্থীৰ অশান্তিৰ সৈতে জড়িত শৈক্ষিক কাৰণবোৰ চমুকৈ পুনৰ দোহৰা হ'ল— উপযুক্ত আন্তঃগাঁথনি নথকা শৈক্ষিক অনুষ্ঠান/প্রতিষ্ঠান, অনুপযুক্ত নামভর্তি প্রক্রিয়া, মাত্রাধিক শিক্ষার্থীৰে ভৰা শ্রেণীকোঠা, প্রয়োজনতকৈ কমসংখ্যক আৰু অনুপযুক্ত শিক্ষক, বৃত্তিমুখী শিক্ষাৰ অভাৱ আৰু শিক্ষক-শিক্ষার্থীৰ মাজৰ তিক্ত সম্পর্ক।

১৪.৪.২ ৰাজনৈতিক কাৰণ

বৰ্তমান যুগৰ সকলো শিক্ষার্থী কম-বেছি পৰিমাণে ৰাজনৈতিকভাৱে সচেতন। কোনেও নিজকে দেশৰ ৰাজনৈতিক গতিবিধিৰ পৰা সম্পূৰ্ণ বিচ্ছিন্ন কৰি ৰাখিব নোৱাৰে। কিছুমান ৰাজনৈতিক কাৰণেও শিক্ষার্থীৰ অশান্তি সৃষ্টিত ইন্ধন যোগাই আহিছে। আমি যদি ভাৰতত শিক্ষার্থীৰ অশান্তিৰ ইতিহাসলৈ মন কৰো তেন্তে দেখিম যে যিবোৰ ৰাজ্য ৰাজনৈতিকভাৱে সমস্যা জর্জৰিত নাইবা অস্থিৰ সেইবোৰ ৰাজ্যৰ শিক্ষার্থীসকল অধিক অশান্ত। বৰ্তমান কিছুমান শৈক্ষিক অনুষ্ঠান ৰাজনৈতিক কার্যকলাপৰ অভিকেন্দ্ৰ হৈ পৰিছে। বিভিন্ন ৰাজনৈতিক নেতাই নিজৰ লাভালাভৰ বাবে শিক্ষার্থী আৰু শিক্ষক উভয়ৰে সহায় লয়। শিক্ষার্থীৰ অশান্তি সৃষ্টি হোৱাৰ দুটামান ৰাজনৈতিক কাৰণ হ'ল—

- **দূৰ্নীতিপূৰ্ণ ৰাজনৈতিক আদর্শ ঃ** ৰাজনৈতিক নেতাসকল বহুতো ক্ষেত্ৰত অলপো নিষ্ঠাবান আৰু সৎ নহয়। তেওঁলোকে শিক্ষার্থী সমাজক মহৎ কাম কৰাৰ বাবে অনুপ্ৰেৰণা যোগাব নোৱাৰে। এই আটাইবোৰ কথাই মিলি শিক্ষার্থীৰ বাবে অসন্তুষ্টিৰ ভাৱনা সৃষ্টি কৰে। বৰ্তমানৰ শিক্ষার্থীৰ অশান্তিক এই অসন্তুষ্টিৰে এক অভিব্যক্তি বুলিব পাৰি। শিক্ষার্থী সমাজে নিজৰ ওজৰ-আপত্তি নাইকিয়া কৰিবলৈ নানা আন্দোলন চলাবলৈ বাধ্য হয়।
- **ছাত্ৰ একতা সভাবোৰত ৰাজনৈতিক প্ৰভাৱ ঃ** বিভিন্ন শৈক্ষিক অনুষ্ঠান/প্ৰতিষ্ঠানত শিক্ষার্থীসকলক সংগঠিত কৰি ৰাখিবলৈ ছাত্ৰ/ছাত্ৰী একতা সভা থাকে। কিন্তু এনে একতা সভাবোৰ সংগঠিত কৰা আৰু সভাৰ প্ৰতিনিধি বাচনি কৰা নির্বাচনবোৰত বিভিন্ন ৰাজনৈতিক দল, শিক্ষক, ৰাজনৈতিক নেতাই ন্যস্তস্বার্থ জড়িত কাৰণত প্ৰভাৱ বিস্তাৰৰ চেষ্টা চলায়। ৰাজনৈতিক উপাদানৰ হস্তক্ষেপে একতা সভাবোৰৰ প্ৰকৃতি বিভিন্ন দিশৰ পৰা সলনি কৰে আৰু শিক্ষার্থীৰ মাজত অনুশাসনহীনতা সৃষ্টিত হাত উজান দিয়ে।
- **ৰাজনৈতিক কাৰণত শিক্ষার্থীৰ ব্যৱহাৰ ঃ** কেতিয়াবা ৰাজনৈতিক নেতাসকলে শিক্ষার্থীৰ অশান্তি দুগুণে বৃদ্ধি হোৱাত ইন্ধন যোগায়। তেওঁলোকে স্বার্থপৰ কাৰণত আৰু পক্ষপাতিত্বমূলক ৰাজনৈতিক লক্ষ্যত উপনীত হ'বলৈ শিক্ষার্থীসকলৰ অপব্যৱহাৰ কৰে, শিক্ষার্থীসকলক বিপথে পৰিচালিত কৰে। ৰাজনীতিৰ বৃত্তিত জড়িত এইসকল লোকে শিক্ষার্থীক নিজ আহিলাৰূপে ব্যৱহাৰ কৰে আৰু সিহঁতক বিপথে যাবলৈ দিয়ে।
- **ৰাজনৈতিক প্ৰভাৱৰ দ্বাৰা শিক্ষক নিযুক্তি ঃ** কেতিয়াবা শৈক্ষিক অনুষ্ঠান/প্ৰতিষ্ঠানবোৰে ৰাজনৈতিক পৃষ্ঠপোষকতা আৰু খাটিৰৰ ওপৰত ভিত্তি কৰি শিক্ষক নিযুক্তি দিবলগীয়া হয়। এনেবোৰ ক্ষেত্ৰত শিক্ষক পদৰ প্ৰার্থীসকলৰ শৈক্ষিক সফলতা তথা মেধাক গুৰুত্ব দিয়া নহয়। শিক্ষা ক্ষেত্ৰত এনেদৰে ৰাজনৈতিক পৃষ্ঠপোষকতাত নিযুক্তি পোৱা শিক্ষকৰ পয়োভৰে বেমেজালিৰ সৃষ্টি কৰিছে। ই একপ্ৰকাৰৰ শিক্ষক প্ৰদূষণ ঘটাইছে বুলি ক'ব পৰা যায়।

১৪.৪.৩ অর্থনৈতিক কাৰণ

শিক্ষার্থীৰ অশান্তিৰ বাবে আংশিকভাৱে অর্থনৈতিক কাৰণকো জগৰীয়া কৰিব পাৰি। যেনে—

- **দৰিদ্রতা ঃ** শিক্ষার্থীৰ অশান্তি সৃষ্টি হোৱাৰ এটা প্রধান কাৰণ হ'ল দৰিদ্রতা। Poverty, Progress and Development নামৰ গ্রন্থখনত (২০১২ চনত প্রকাশিত) এ.এছ. পটেলে কৈছে ঃ "দৰিদ্রতা হৈছে শিক্ষার্থীৰ অশান্তি সৃষ্টিৰ মূল কাৰণ। উচ্চ বুদ্ধিমত্তাৰ গৰাকীসকলে নিম্ন বুদ্ধিমত্তৰা গৰাকীসকলক শোষণ কৰাৰ ফলতেই শিক্ষার্থীৰ অশান্তিৰ সৃষ্টি হয়।" দৰিদ্রতাই কোঙা কৰা পৰিয়ালবোৰৰ ল'ৰা-ছোৱালী উপযুক্ত ঘৰ, খাদ্য আৰু পোছাক-পৰিচ্ছদ অবিহনেই ডাঙৰ হয়। অধিকাংশ শিক্ষার্থীৰ জীৱনেই অর্থনৈতিক অসমতা, শোষণ আৰু হতাশাৰ কাহিনীৰে ভৰা। সিহঁতৰ বাবে ভৱিষ্যৎ অন্ধকাৰ। জীৱনত লাভ কৰা অভিজ্ঞতাবোৰৰ বাবে সিহঁতৰ মোহভংগ ঘটে আৰু ভৱিষ্যৎ সম্পর্কে হতাশাবাদী মনোভাৱ পোষণ কৰে। দুখীয়া পৰিয়ালৰ ল'ৰা-ছোৱালী উচ্চ শিক্ষাৰ সুবিধা লাভৰ পৰা বঞ্চিত হয়। এনেবোৰ কথাই স্বাভাৱিকতে সিহঁতক বিদ্রোহী কৰি তোলে।
- **নিবনুৱা সমস্যা ঃ** আমাৰ দেশত কর্মসংস্থাপনহীনতা এটা গুৰুতৰ সমস্যা। শিক্ষিত যুৱক-যুৱতীৰ বাবে কর্মসংস্থাপনৰ নাটনি হোৱাৰ সমস্যাটো অভূতপূর্বভাৱে বাঢ়িছে। সেয়েহে জীৱিকা সন্দর্ভত শিক্ষার্থীসকল অনিশ্চয়তাত ভুগিছে। ইয়াৰ ফলত সিহঁতৰ নিজৰ ওপৰত থকা আত্মবিশ্বাস আৰু শিক্ষা ব্যৱস্থাৰ ওপৰত থকা আস্থা কমিছে। এইবোৰ কথাই শিক্ষার্থীসকলক আগতকৈ অধিক অস্থিৰ কৰি তুলিছে।



চিন্তা-চর্চা কৰক ১৪.১

আমাৰ ৰাজ্যখনৰ অর্থনৈতিক আৰু ৰাজনৈতিক পটভূমিৰ বাবে সৃষ্টি হোৱা শিক্ষার্থীৰ অশান্তিৰ দুটা ঘটনা ব্যাখ্যা কৰক।

.....

.....

.....

১৪.৪.৪ অন্য কাৰণ

শিক্ষার্থীৰ অশান্তি সৃষ্টিৰ অন্য কাৰণ দুটামান হ'ল—

- **পৰিয়ালৰ অন্য সদস্যৰ নির্লিপ্ত মনোভাৱ ঃ** কোমল মনৰ ল'ৰা-ছোৱালীক অনুশাসন নমনা কৰি তোলাৰ এক প্রধান কাৰণ হ'ল মাক-দেউতাকৰ আগ্রহৰ অভাৱ। আজিকালিৰ মাক-দেউতাকসকল ইমানেই ব্যস্ত যে তেওঁলোকৰ ল'ৰা-

ছোৱালীৰ সৈতে কটাবলৈ সময়ৰ অভাৱ। যত্নহীন আৰু নিৰ্লিপ্ত ঘৰুৱা পৰিৱেশে ল'ৰা-ছোৱালীক অনুশাসনহীন কৰি তোলে। কোৱা বাহুল্য যে ঘৰৰ ডাঙৰসকলে যেতিয়ালৈকে ল'ৰা-ছোৱালীৰ প্ৰতি থকা দায়িত্ব পালন নকৰিব তেতিয়ালৈকে অনুশাসনহীনতাৰ সমস্যাটো চলি থাকিব। শিক্ষার্থীৰ অনুশাসনহীনতাই অশান্তি তথা অসন্তুষ্টিৰ সৃষ্টি কৰে আৰু ইয়াক প্ৰশমিত কৰাটো এক জটিল কার্য।

- **সংযোগ স্থাপনত আহি পৰা ব্যৱধান ঃ** শিক্ষক-শিক্ষার্থীৰ মাজত, পিতৃ-মাতৃ আৰু সন্তানৰ মাজত বুজাবুজিৰ অভাৱ আৰু সংযোগ স্থাপনৰ ব্যৱধানেও শিক্ষার্থীৰ অশান্তি বৃদ্ধিত অৰিহণা যোগাইছে।
- **দূৰ্নীতি ঃ** আমাৰ সাম্প্ৰতিক জীৱনৰ সকলো দিশতে দূৰ্নীতি শিপাইছে। শিক্ষার্থীসকলে নিজৰ চৌদিশে চলি থকা ঘটনাৰাজি নেদেখা-নুশুনাকৈ থাকিব নোৱাৰে। শ্ৰেণীকোঠাত সিহঁতক শুদ্ধপথৰ গুণবোৰৰ কথা শিকোৱা হয়। কিন্তু বাহিৰৰ ৰাজহুৱা জীৱনত সিহঁতে কেৱল ভণ্ডামি আৰু দূৰ্নীতি দেখে। সমাজৰ নেতৃস্থানীয়সকলে শিক্ষার্থীসকলক উদ্বুদ্ধ কৰি তুলিব পৰা সজ আদর্শ দেখুওৱাত ব্যর্থ হৈছে। সেয়েহে শিক্ষার্থীসকলে স্বাভাৱিকভাৱেই অন্যৰ জীৱনক জনাৰ সক্ৰিয় আগ্ৰহ প্ৰদর্শন কৰিছে আৰু নিজৰ মতামত ব্যক্ত কৰিবলৈ আগবাঢ়ি আহিছে। এক দৃষ্টিৰে চালে ইয়াক অনুশাসন ভংগকাৰী কার্য বুলি ক'ব পৰা নাযায়।
- **নৈতিক অৱক্ষয় ঃ** আমি সমাজৰ নৈতিক অৱক্ষয় ঘটাৰ ছবিখন স্পষ্টকৈ দেখিছো। আদর্শ আৰু অনুশীলনৰ মাজত থকা বৃহৎ ব্যৱধানো আমাৰ চকুত পৰিছে। প্ৰতিষ্ঠিত নৈতিক প্ৰমূল্য আৰু বিশ্বাসবোৰে নিজৰ গৰিমা হেৰুৱাই পেলাইছে। ইয়াৰ লগে লগে মানুহৰ আধ্যাত্মিক দিশটোও ম্লান হৈ পৰিছে। ইয়াৰ ফলস্বৰূপে এক শিপাবিচ্ছিন্ন প্ৰজন্মৰ সৃষ্টি হৈছে। এই প্ৰজন্মৰ অতীত সম্পর্কে কোনো জ্ঞান নাই আৰু সিহঁতৰ ভৱিষ্যৎ অনিশ্চিত। আমাৰ বিদ্যালয় আৰু মহাবিদ্যালয়বোৰে ভাল মানুহ গঢ়ি তোলাত ব্যর্থতাৰ পৰিচয় দিছে। আজিৰ শিক্ষাই একোটা জীৱিকা গোটাই লোৱাত সহায় কৰিব পাৰে যদিও ভালদৰে জীৱন যাপন কৰাৰ কলা শিকাত সহায় কৰিব নোৱাৰে। অন্য অর্থত, বর্তমানৰ শিক্ষাই শিক্ষার্থীৰ চৰিত্ৰ বিকাশত সহায় নকৰে।
- **সমাজত বিয়পি পৰা অনুশাসনহীনতা আৰু বিশৃংখলতাৰ উপাদানবোৰ ঃ** বর্তমানৰ সমাজখনত বিয়পি পৰা অনুশাসনহীনতা আৰু বিশৃংখলতাৰ উপাদানবোৰ শিক্ষার্থীৰ অনুশাসনহীন আচৰণত প্ৰতিফলিত হয়। আমাৰ সমাজৰ যুৱা প্ৰজন্ম বর্তমান এক যুগসন্ধিত ৰৈ আছে। কোনদিশে আগুৱাব তাক লৈ সিহঁতৰ মনত বিভ্ৰান্তিৰ সৃষ্টি হৈছে। ইয়াৰ পৰিণামত সিহঁত লক্ষ্যহীন, অসন্তুষ্ট হৈ পৰাৰ লগতে বিপথে পৰিচালিত হৈছে।
- **প্ৰত্যাশা আৰু সফলতাৰ মাজৰ ব্যৱধান ঃ** শিক্ষার্থীসকলৰ নিজ প্ৰত্যাশা আৰু উচ্চাকাংক্ষা থাকিব পাৰে। অসম্পূর্ণ আৰু অবাস্তৱ প্ৰত্যাশা কৰা শিক্ষার্থীসকল

স্বাভাৱিকতে হতাশা আৰু অস্থিৰতাৰ বলি হোৱাৰ সম্ভাৱনা থাকে। কেতিয়াবা বহুতো শিক্ষার্থীৰ মাজত দৃঢ় সংকল্পৱদ্ধতা আৰু ইচ্ছাশক্তিৰ অভাৱ ঘটা দেখা পোৱা যায়। এনে শিক্ষার্থীয়ে অইনক অনুসৰণ কৰে। ফলত অন্য শিক্ষার্থীয়ে সিহঁতক সহজে ব্যৱহাৰ কৰিব পাৰে।

বর্তমানৰ শিক্ষার্থীসকলে উদ্দেশ্য আৰু দিশবোধ হেৰুৱাই পেলোৱাৰ উপক্রম হৈছে। সিহঁত প্রায়েই বিভ্রান্ত হ'বলৈ ধৰিছে। বহুতো সময়ত সংবাদ মাধ্যমবোৰেও শিক্ষার্থীৰ অস্থিৰ প্রৱণতা বৃদ্ধিত অৰিহণা যোগায়। এই কাৰকবোৰৰ লগতে যুৱা সমাজৰ বিদ্রোহ আৰু দুঃসাহসিক কার্যকলাপ কৰি দেখুওৱাৰ সহজাত প্রৱণতাৰ ফলতেই হতাশাগ্রস্ত অস্থিৰ আন্দোলনকাৰীৰ ৰূপত শিক্ষার্থীসকলে আত্মপ্রকাশ কৰিবলৈ লৈছে।



জনি থোৱা ভাল

শিক্ষার্থীৰ অশান্তিক তিনিটা দৃষ্টিকোণেৰে বিচাৰ কৰি চাব পাৰি ঃ

- যুৱ সমাজত দেখা দিয়া অশান্তি
- যুৱ সমাজৰ বাবে সৃষ্টি হোৱা অশান্তি তথা
- দেশৰ সামাজিক অস্থিৰতা আৰু যুৱ সমাজত ইয়াৰ প্রভাৱ



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ শিক্ষার্থীৰ অশান্তিৰ কাৰণসমূহ উল্লেখ কৰক বিশেষকৈ

(ক) শৈক্ষিক কাৰণ।

(খ) ৰাজনৈতিক কাৰণ।

(গ) অর্থনৈতিক আৰু অন্য কিছুমান কাৰণ।

.....

.....

১৪.৫ শিক্ষার্থীৰ অশান্তি দূৰ কৰাৰ উপায়

ভাৰতৰ শিক্ষার্থী সমাজত দেখা দিয়া অশান্তি হ'ল অসন্তুষ্টিৰ এক প্রকাশ মাত্র। এই অসন্তুষ্টি 'পুলিচ পদ্ধতি' (Police Method)ৰ দ্বাৰা আঁতৰাব নোৱাৰি। অর্থাৎ, অস্ত্রধাৰী বিদ্রোহী আৰু শিক্ষার্থী নিয়ন্ত্রণ কৰাৰ নিয়ম একে হ'ব নোৱাৰে। কিন্তু শিক্ষার্থীৰ অনুশাসনহীনতা নাইবা আইন উলংঘাকাৰী কার্যকলাপকো কোনেও সমর্থন নাইবা সহ্য নকৰে। এনে পৰিস্থিতি কঠোৰ

হাতেৰে দমন কৰা উচিত। অৰাজক পৰিস্থিতি নিয়ন্ত্রণ কৰাৰ আগতে তেনে পৰিস্থিতিৰ প্রকৃত কাৰণ বিচাৰি উলিয়াই সেই কাৰণ নির্মূলৰ চেষ্টা কৰা উচিত।

- **শিক্ষা-ব্যৱস্থা ঃ** অধিক উদ্দেশ্যমুখী কৰি তুলিবলৈ শিক্ষাৰ পুনর্দিকবিন্যাস কৰাৰ প্রয়োজন হৈছে। ই শিক্ষার্থীসকলক নিজ নিজ জীৱনক একোটা অভিযান হিচাপে ল'বলৈ শিকাব; এলানি প্রমূল্যৰ অধিকাৰী কৰি তুলিব। এনে বোধ আৰু প্রমূল্যই শিক্ষার্থীৰ জীৱন যাত্রাত দিক্‌নির্দেশকৰ ভূমিকা ল'ব। এই কথাবোৰ চাকৰি লাভৰ বাবে শিক্ষানবীচ হিচাপে লাভ কৰা অভিজ্ঞতাৰ উর্দ্ধত থকা উচিত। এই কথাবোৰে শিক্ষার্থীসকলক প্রকৃত অর্থত জীৱন যাপন কৰিবলৈ শিকোৱা উচিত। শিক্ষার্থীসকলক পর্যাপ্ত শিকণ সামগ্রী আৰু শিকণ অনুকূল পৰিৱেশ দিয়াৰ সময়ো আহি পৰিছে। শ্রেণীকোঠাত প্রদান কৰা পাঠদান স্বচ্ছ হোৱা উচিত, শিক্ষার্থীৰ শিকণ তথা পৰীক্ষাভিত্তিক অগ্রগতি সম্পর্কে সঘনাই মতামত আগবঢ়োৱা উচিত। শৈক্ষিক অনুষ্ঠানবোৰত শিক্ষার্থীৰ ভিৰ নিয়ন্ত্রণ কৰা উচিত আৰু প্রতিভাৰ বিজ্ঞানসন্মত শ্রেণীবিভাজন কৰি শিক্ষার্থীক উপযুক্ত দিশত আগবাঢ়ি যোৱাত সহায় কৰা উচিত।
- **উপযুক্ত অৱসৰকালীন কার্যকলাপৰ সুবিধা ঃ** শিক্ষার্থীসকল হ'ল এখন দেশৰ প্রকৃত শক্তি আৰু ভৱিষ্যৎ। সিহঁত অফুৰন্ত উদ্যমৰ গৰাকী। এই প্রাণচাঞ্চল্যৰ উপযুক্ত দিক্‌বিন্যাস আৰু প্রয়োগ কৰি অসম্ভৱ বুলি ভবা কার্যও সম্পাদন কৰিব পৰা যায়। শিক্ষার্থীসকলক সৃজনশীল, সুফলদায়ক, প্রাসংগিক, সামাজিক তথা শৈক্ষিক কার্যকলাপত ব্যস্ত ৰখা উচিত। সিহঁতৰ মনত কেতিয়াও আলস্যৰ ভাৱ আহিবলৈ দিব নালাগে।
- **কর্মসংস্থাপনৰ সুযোগ ঃ** শিক্ষার্থীৰ বাবে উপযুক্ত কর্মসংস্থাপন সুযোগ সৃষ্টি কৰা উচিত। শিক্ষার্থীসকলক বিভিন্ন ধৰণৰ চাকৰিমুখী পাঠ্যক্রম শিকাৰ সুযোগ দিয়াৰ প্রয়াস চলোৱা উচিত। সিহঁতৰ মনত আত্মনির্ভৰশীলতাৰ মনোভাৱ গঢ় লৈ উঠাৰ অনুকূল পৰিৱেশ সৃষ্টি হ'ব লাগিব।
- **আত্মসংযমৰ বিকাশ ঃ** শিক্ষার্থীৰ মনত আত্মসংযম গঢ়ি তুলিবলৈ সিহঁতক উপযুক্ত সহায় আগবঢ়োৱা উচিত। সিহঁতক নিজ অধিকাৰবোৰ অনুশীলন কৰিব পৰাকৈ মুক্ত পৰিৱেশ এটা দিয়া উচিত। কিন্তু সিহঁতে যাতে নিজৰ স্বতন্ত্রতাৰ অপব্যৱহাৰ কৰিব নোৱাৰে তালৈও লক্ষ্য ৰখা উচিত। আজিৰ শিক্ষার্থী কাইলৈৰ নেতা। সেয়েহে সিহঁত আত্মসংযমী হোৱাটো অতি প্রয়োজনীয় কথা। তেতিয়াহে সিহঁত নেতৃত্ব দিব পৰা গুণবোৰৰ গৰাকী হৈ আগবাঢ়ি যাব পাৰিব।
- **উপযুক্ত নেতৃত্ব ঃ** কিছুমানে ক'ব খোজে যে আমাৰ দেশৰ নেতাসকল শিক্ষার্থী সমাজৰ আগত কিছুমান নিদর্শন দাঙি ধৰিব লাগে, যেনে— দেশপ্রেম, চাৰিত্রিক দৃঢ়তা আৰু নিঃস্বার্থ সেৱা। এনে নিদর্শনবোৰে শিক্ষার্থীসকলক দৃঢ় চৰিত্র গঢ়ি তুলিবলৈ নিশ্চয় অনুপ্রেৰণা যোগাব।

- **আর্থ-সামাজিক অৱস্থাৰ উন্নতি ঃ** শিক্ষার্থীৰ মনত আশাৰ সঞ্চাৰ কৰিবলৈ বর্তমানৰ আর্থ-সামাজিক অৱস্থাটোৰ উন্নতি সাধন কৰিব লাগিব। অভাৱী আৰু দুখীয়া পৰিয়ালৰ শিক্ষার্থীক বিভিন্ন জলপানি, বিনামূলীয়া শিক্ষালাভৰ সুযোগ, শিক্ষা ঋণ, বিনামূলীয়াকৈ ছাত্রী/ছাত্র নিবাসত থকাৰ সুবিধা, বিভিন্ন ধৰণৰ ভাট্টা আদিৰে সহায় আগবঢ়াব লাগিব। একাংশ লোকৰ মতে শিক্ষার্থীসকলে পঢ়ি থকা সময়ছোৱাত হাতখৰছ উলিয়াব পৰা কাম কৰাৰো সুবিধা পোৱা উচিত। এনে সুবিধাই সিহঁতক আর্থিক সমস্যাবোৰৰ জোৰা মৰাত অলপ হ'লেও সহায় কৰিব আৰু সিহঁতৰ মনবোৰ অনাকাংখিত কার্যকলাপৰ পৰা আঁতৰাই ৰাখিব।
- **সমস্যাবোৰ সহানুভূতিপূর্ণ বিবেচনা ঃ** শিক্ষার্থীৰ সৈতে জড়িত সকলোবোৰ সমস্যাই সন্তোষজনকভাৱে সমাধান কৰিব পৰা যায়। কিন্তু তাৰবাবে প্রথমে শিক্ষার্থীসকলক বিশ্বাসত ল'ব আৰু সিহঁতৰ সমস্যাবোৰ সহানুভূতিৰে বিবেচনা কৰি চাব লাগিব। সংশ্লিষ্ট কর্তৃপক্ষবোৰে শিক্ষার্থীসকলক নিজৰ সমস্যাবোৰো বুজাব পাৰিব লাগিব। সমস্যাবোৰৰ প্রতি প্রকৃত উদ্বিগ্নতা সৃষ্টি হ'লেহে সেইবোৰ সহানুভূতি তথা সৌহার্দপূর্ণতাৰে সমাধান কৰিব পৰা যাব।
- **উপযুক্ত প্রশাসনিক ব্যৱস্থা ঃ** শিক্ষার্থীৰ অশান্তি তথা অনুশাসনহীন সমস্যা আঁতৰ কৰিবলৈ সিহঁতৰ সঁচা ওজৰ-আপত্তিবোৰ নিষ্পত্তি কৰিব পৰাকৈ একো একোটা উপযুক্ত প্রশাসনিক ব্যৱস্থা থকা উচিত।
  - ➢ সংশ্লিষ্ট কর্তৃপক্ষই শিক্ষার্থীৰ অভিযোগবোৰ ধৈর্য আৰু সহানুভূতি সহকাৰে শুনা উচিত; যুক্তিসংগত ওজৰ-আপত্তিবোৰ পলম নকৰাকৈ আঁতৰোৱাৰ চেষ্টা কৰা উচিত।
  - ➢ প্রশাসনে উপযুক্ত অনুসন্ধান নকৰাকৈ কোনো সিদ্ধান্ত গ্রহণ কৰিব নালাগে। শিক্ষার্থীসকলক সংগঠন, শিক্ষার্থী আৰু প্রশাসনৰ মাজৰ সংযোগ ব্যৱস্থাটো উন্নততৰ কৰি তোলা দৰকাৰ।
  - ➢ সিদ্ধান্ত গ্রহণ প্রক্রিয়া আৰু অন্য বিষয়বোৰত শিক্ষার্থীক জড়িত কৰোৱাৰ মাত্রা বৃদ্ধি পোৱা উচিত। প্রশাসনে শিক্ষার্থী তথা শিক্ষকবৃন্দৰ বাবে আলোচনা চক্র আৰু দিক্‌বিন্যাস কার্যসূচীৰ আয়োজন কৰি বিভিন্ন মঞ্চ আৰু মুক্ত আলোচনাৰ পৰিৱেশ গঢ়ি তুলিব পাৰে।
  - ➢ শৈক্ষিক অনুষ্ঠানবোৰৰ প্রশাসনিক ব্যৱস্থাটো উন্নত হোৱা উচিত, উপযুক্ত সা-সুবিধা গঢ়ি তোলা উচিত, পিতৃ-মাতৃ/অভিভাৱক আৰু শিক্ষকৰ মাজত ঘনিষ্ঠ সহযোগিতামূলক সম্পর্ক স্থাপন হোৱা উচিত।
- **শিক্ষার্থী-শিক্ষকৰ সৌহার্দপূর্ণ সম্পর্ক ঃ** শিক্ষক আৰু শিক্ষার্থীৰ মাজত সৌহার্দপূর্ণ সম্পর্ক গঢ়ি উঠিব লাগে। এগৰাকী শিক্ষক শিক্ষার্থী সমাজৰ বাবে প্রকৃত শিকণৰ নির্ভেজাল অনুপ্রেৰণাৰ স্বলন্ত উদাহৰণ হোৱা উচিত। তেওঁ কেৱল দিনহাজিৰা উপার্জন

কৰা পুতৌজনক ব্যক্তিত্বৰ গৰাকী হ'ব নোৱাৰিব। প্ৰতিজনী/জন শিক্ষার্থীয়ে শিক্ষকৰ পৰা উপযুক্ত মনোযোগ লাভ কৰিব লাগিব।

- **দিক্‌দৰ্শন আৰু পৰামৰ্শদান সেৱা ঃ** অশান্তি সৃষ্টিৰ সম্ভাৱনা হ্ৰাস কৰিবলৈ শৈক্ষিক অনুষ্ঠানবোৰে চৌহদৰ ভিতৰত শিক্ষার্থীসকলৰ বাবে দিক্‌দৰ্শন আৰু পৰামৰ্শদান সেৱা গঢ়ি তুলিব লাগে আৰু এনে সেৱাৰ মান উন্নত কৰি তোলাৰ চেষ্টা চলাব লাগে।
- **ৰাজনৈতিক হস্তক্ষেপ নাইকিয়া কৰণ ঃ** সকলো শৈক্ষিক অনুষ্ঠানৰ পৰা সকলো ধৰণৰ ৰাজনৈতিক কার্যকলাপ আঁতৰ কৰিব লাগে। শৈক্ষিক বিষয়বোৰত কোনো ধৰণৰ ৰাজনৈতিক হস্তক্ষেপ থাকিবলৈ দিয়া অনুচিত। শিক্ষার্থীসকল ৰাজনৈতিকভাৱে সচেতন হোৱা উচিত। কিন্তু ৰাজনৈতিক কার্যকলাপত সিহঁতৰ সক্ৰিয় অংশগ্ৰহণ নিয়ন্ত্ৰণ কৰা উচিত। মহাত্মা গান্ধীৰ ভাষাত "শিক্ষার্থীৰ বাবে কোনো দলীয়া ৰাজনীতি থকা অনুচিত। শিক্ষার্থীৰ মাজত কোনো সমাজবাদী, সাম্যবাদী, কংগ্ৰেছপন্থী নাইবা অন্য গোট থাকিব নালাগে। সিহঁত আটায়েই প্ৰথম আৰু শেষ পর্যন্ত কেৱল শিক্ষার্থী। সিহঁত যিমান পাৰে সিমান জ্ঞান আহৰণ কৰিবলৈ দৃঢ়সংকল্প হোৱা উচিত। এনে জ্ঞান চাকৰি পাবৰ বাবে নহয়, জনগণৰ সেৱাত লগাবৰ বাবে আহৰণৰ কৰিব লাগে।" শিক্ষার্থীসকলৰ নেতা, শিক্ষক আৰু শৈক্ষিক প্ৰশাসন আটায়ে মিলি শিক্ষাব্যৱস্থা তথা শৈক্ষিক অনুষ্ঠানবোৰক অবাঞ্ছিত ৰাজনীতিৰ প্ৰভাৱৰ পৰা মুক্ত কৰাৰ অভিযান চলোৱা উচিত।

শিক্ষার্থীৰ অশান্তিৰ সমস্যাটোৱে বিপদসীমা অতিক্ৰম কৰাৰ আগতেই ইয়াৰ প্ৰতি উচিত মনোযোগ দিয়াটো জৰুৰী। শিক্ষানুষ্ঠানৰ নীতি-নিয়মবোৰ কঠোৰ কৰি তোলাৰ লগে লগে প্ৰতিক্ৰিয়াৰ সৃষ্টি হ'ব আৰু সমস্যাটোৱে পূৰ্বতকৈ জটিল ৰূপ ধাৰণ কৰিব। সমস্যাটো যদি আগ্ৰহ আৰু দৃঢ়সংকল্পৰদ্ধতাৰে সমাধান কৰিব খোজা হয় তেন্তে ফলপ্ৰসূ সমাধান ওলাবই। এই সমাধানে যুৱা সমাজক অশান্তিৰ পথ লোৱাৰ পৰা উদ্ধাৰ কৰিব। পৰিঘটনাটোৰ বিস্তৃত বিশ্লেষণ কৰাৰ সময়ত আমি বর্তমান কটাই থকা সময়ছোৱাৰ কথা, যুৱাসমাজৰ স্বাভাৱিক প্ৰৱণতাবোৰ আৰু সিহঁতৰ আচৰণক প্ৰভাৱিত কৰা বাহ্যিক কাৰকবোৰ বিবেচনা কৰি চাব লাগিব।



জনি থোৱা ভাল

ছাত্ৰবৃত্তি (Scholarship) আৰু মুক্তবৃত্তি (Freeship)ৰ মাজৰ পার্থক্য ছাত্ৰবৃত্তি হ'ল ছাত্ৰ-ছাত্ৰীক শিক্ষালাভৰ বাবদ পৰিশোধ কৰিবলগীয়া মাচুল আদায় দিয়াত সহায় কৰিব পৰাকৈ আগবঢ়োৱা বিত্তীয় অনুদান। প্ৰাক্‌-স্নাতক পর্যায়ৰ শিক্ষালাভত সহায়ক হোৱাকৈ ছাত্ৰবৃত্তি আগবঢ়োৱা হয়। আনহাতে, মুক্তবৃত্তি হ'ল শিক্ষানুষ্ঠানৰ মাচুল সম্পূৰ্ণ নাইবা অর্ধ ৰেহাই দি ছাত্ৰ-ছাত্ৰীক শিক্ষালাভত সহায় কৰা বিত্তীয় সাহায্য।

ইয়াৰ (মুক্তবৃত্তি) সাধাৰণ অর্থ হ'ল শিক্ষার্থীৰ টিউচন মাচুল আদায়ৰ পৰা ৰেহাই দিয়া। শিক্ষালাভত উৎকৃষ্ট ফলাফল প্রদর্শন কৰা মেধাৱী ছাত্র-ছাত্রীক সাধাৰণতে ছাত্রবৃত্তি দিয়া হয়। অর্থাৎ, ছাত্রবৃত্তিয়ে মেধাৱী ছাত্র-ছাত্রীক উৎসাহিত কৰা বানচৰূপে কাম কৰে। কিন্তু আর্থিক দিশত দুর্বল ছাত্র-ছাত্রীকহে সাধাৰণতে মুক্তবৃত্তি আগবঢ়োৱা হয়। মহাবিদ্যালয়ৰ কার্যালয়ত দুর্বল আর্থিক অৱস্থা প্রমাণ কৰিব পৰা উপযুক্ত নথি-পত্র জমা দি মুক্তবৃত্তিৰ বাবে আবেদন কৰিব পাৰি। চৰকাৰে আন কিছুমান নির্দিষ্ট শিতানতো মুক্তবৃত্তিৰ সুবিদা আগবঢ়ায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ শিক্ষার্থীৰ অশান্তি দূৰ কৰাৰ উপায় কিছুমানৰ বিষয়ে বর্ণনা কৰক।

.....

.....

.....



১৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- শিক্ষার্থীৰ অশান্তিৰ পৰিঘটনাটোৱে এক বিপদজনক ৰূপ ধাৰণ কৰিছে। ইয়াক লৈ গভীৰভাৱে চিন্তা কৰাৰ সময় আহি পৰিছে।
- শিক্ষার্থীৰ অশান্তিয়ে ছাত্র-ছাত্রীৰ মাজত বিয়পি পৰা অসন্তুষ্টি, মোহভংগতা, নৈৰাশ্য, অৱজ্ঞা আৰু আশাহীনতাক প্রতিফলিত কৰে। আমি এই সমস্যাবোৰক পৰস্পৰৰ পৰা বিচ্ছিন্ন বুলি ধৰিব নোৱাৰো।
- শিক্ষানুষ্ঠানৰ নীতি-নিয়মবোৰ কঠোৰ কৰি তুলিলে প্রতিক্রিয়াৰহে সৃষ্টি হ'ব আৰু সমস্যাটোৱে পূর্বতকৈ গুৰুতৰ ৰূপ ধাৰণ কৰিব।
- ভাৰতত শিক্ষার্থীৰ অশান্তিৰ পৰিঘটনাটো সৃষ্টি হোৱাৰ আঁৰত বহুতো কাৰক আছে।
- শিক্ষার্থীৰ অশান্তিৰ সমস্যাটোৱে বিপদসীমা অতিক্রম কৰাৰ আগতেই ইয়াৰ প্রতি উচিত মনোযোগ দিয়াটো জৰুৰী। সমস্যাটো যদি আগ্রহ আৰু দৃঢ়সংকল্পৰদ্ধতাৰে সমাধান কৰিব খোজা হয় তেন্তে ফলপ্রসূ সমাধান ওলাবই।



১৪.৭ অধিক জানিবলৈ

1) Aggarwal J. C. *Development and planning of Modern Education.* New Delhi: Vikas Publishing House Pvt. Ltd.

2) Bhushan, Vidya, & Sachdeva D. R. *An Introduction to Sociology.* Allahabad: Kitab Mahal



১৪.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্ন উত্তৰ ঃ শিক্ষার্থীৰ অশান্তি সামাজিক অশান্তিৰেই এটা ৰূপ। ই মোহভংগ, অসন্তুষ্টি আৰু হতাশাৰ বহিঃপ্রকাশ। পাঠ্যবিষয়ত সন্নিৱিষ্ট বিষয়সূচী, পৰীক্ষা ব্যৱস্থা, শৈক্ষিক অভিকৰণবোৰৰ দুর্বল প্রতিনিধিত্ব, শিক্ষানুষ্ঠানৰ বিকলাৱস্থা, আন্দোলন আদি বিভিন্ন কাৰণত শিক্ষার্থীৰ অশান্তিয়ে দেখা দিব পাৰে। পৰিৱর্তিত সামাজিক বিধি-বিধানেও শিক্ষার্থীৰ অশান্তি সৃষ্টিত প্রভাৱ পেলায়।

২ নং প্রশ্ন উত্তৰ ঃ ১৯৬০ চনত বিশ্ববিদ্যালয় অনুদান আয়োগ (UGC)ৰ কমিটি এখনে শিক্ষার্থীৰ অশান্তি আৰু আন্দোলনৰ কেইটামান কাৰণ বিচাৰি উলিয়াইছিল। কাৰণকেইটা হ'ল—

- অর্থনৈতিক— মাচুল ৰেহাইৰ দাবী, ছাত্রবৃত্তিৰ পৰিমাণ বৃদ্ধি ইত্যাদি।
- নামভর্তি, পৰীক্ষা আৰু শিক্ষাদানৰ প্রচলিত বিধি-বিধানৰ পৰিবর্তন সাধনৰ দাবী তথা নামভর্তিৰ প্রক্রিয়া সলনি কৰাৰ দাবী।
- মহাবিদ্যালয় তথা বিশ্ববিদ্যালয়বোৰৰ দুর্বল প্রশাসন নাইবা কার্যসম্পাদন পদ্ধতি।
- ছাত্র-শিক্ষকৰ মাজৰ সংঘাতময় সম্পর্ক; যেনে— সাধাৰণ ছাত্রতকৈ ছাত্রী নাইবা ছাত্রনেতাৰ সৈতে শিক্ষকৰ আচৰণত থকা পার্থক্য, পাঠদান কৰিবলগীয়া শ্রেণীৰ সংখ্যা কর্তন ইত্যাদি।
- শিক্ষানুষ্ঠান পৰিসৰত সা-সুবিধাৰ অভাৱ; যেনে ছাত্রাবাস-ছাত্রীনিবাসৰ নাটনি, ছাত্রাবাস/ছাত্রীনিবাসত যোগান ধৰা নিম্নমানৰ আহাৰ, কেণ্টিন সুবিধাৰ অভাৱ ইত্যাদি।

  আৰু
- ৰাজনীতিকে ছাত্রনেতাসকলক প্রৰোচিত কৰা কার্য।

৩ নং প্রশ্ন উত্তৰ ঃ শিক্ষার্থী অশান্ত হৈ পৰাৰ বিভিন্ন কাৰণ থাকিব পাৰে। এই কাৰণবোৰ মূলতঃ শৈক্ষিক, ৰাজনৈতিক, অর্থনৈতিক আৰু সামাজিক সমস্যা হ'ব পাৰে।

শৈক্ষিক কাৰণ ঃ আসোঁৱাহপূর্ণ শিক্ষাব্যৱস্থা, আসোঁৱাহপূর্ণ পৰীক্ষা নীতি, অনুপ্রেৰণাহীন পাঠ্যক্রম, অনুপযুক্ত শিক্ষক, আসোঁৱাহপূর্ণ শিক্ষাদান পদ্ধতি, শ্রেণীত প্রয়োজনাধিক সংখ্যক ছাত্র-ছাত্রী, দুর্বল আন্তঃগাঁথনি, দুর্বল প্রশাসন, উপযুক্ত দিক্‌দর্শনৰ

অভাৱ ইত্যাদি হ'ল শিক্ষার্থীৰ অশান্তি সৃষ্টিকাৰী কেইটামান শৈক্ষিক কাৰণ। ইয়াৰ উপৰি, সমাজত প্ৰচলিত জাতিপ্ৰথা, সন্তান নাইবা বংশ-পৰিয়ালক অগ্ৰাধিকাৰ দিয়াৰ ব্যৱস্থা, প্ৰীতিবাদ আৰু উৎকোচ আদিৰ দৰে কু-প্ৰথাবোৰে শিক্ষার্থীৰ নামভৰ্তিৰ সময়ত প্ৰভাৱ বিস্তাৰ কৰে। ফলত, বহুতো মেধাবী ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়ত উপযুক্ত পদ্ধতিৰে নামভৰ্তি কৰাত ব্যৰ্থ হয়। এনেবোৰ কাৰণতো শিক্ষার্থীৰ অশান্তি সৃষ্টি হ'ব পাৰে। শিক্ষার্থীৰ অশান্তি সৃষ্টি কৰা শৈক্ষিক কাৰণ কেইটামান হ'ল পৰ্যাপ্ত আন্তঃগাঁথনিমূলক সা-সুবিধা নথকা শিক্ষানুষ্ঠান, অনুপযুক্ত নামভৰ্তি ব্যৱস্থা, প্ৰয়োজনাধিক সংখ্যক ছাত্ৰ-ছাত্ৰী থকা শ্ৰেণীকোঠা, অনুপযুক্ত আৰু অদক্ষ শিক্ষক, বৃত্তিমুখী শিক্ষাৰ অভাৱ, শিক্ষক-শিক্ষার্থীৰ তিক্ত সম্পৰ্ক ইত্যাদি।

ৰাজনৈতিক কাৰণ ঃ দূৰ্নীতিগ্ৰস্ত ৰাজনৈতিক আদৰ্শ, ছাত্ৰ একতা সভাবোৰত থকা ৰাজনৈতিক প্ৰভাৱ, শিক্ষার্থীক ৰাজনৈতিক কাৰণত ব্যৱহাৰ কৰা, শিক্ষকক ৰাজনৈতিক প্ৰভাৱ খটুৱাই নিযুক্তি দিয়া, ব্যক্তিগত লাভালাভৰ বাবে ৰাজনীতি ব্যৱহাৰ কৰিবলৈ শিক্ষার্থীক ভুল নিৰ্দেশনা দিয়া আদি কাৰণে বিদ্যালয়বোৰত শিক্ষার্থীৰ অশান্তি সৃষ্টিত অৰিহণা যোগায়।

অৰ্থনৈতিক কাৰণ ঃ দৰিদ্ৰতা, অৰ্থনৈতিক অসমতা, শোষণ, আত্মবিশ্বাসৰ অভাৱ আদি কাৰণৰ বাবে ছাত্ৰ-ছাত্ৰী হতাশাগ্ৰস্ত হৈ পৰে আৰু মানসিক অৱসাদত ভোগে। কৰ্মসংস্থাপনহীনতা আন এক গুৰুতৰ সমস্যা। কৰ্মসংস্থাপনৰ নাটনিৰ বাবে ছাত্ৰ-ছাত্ৰী বহু সময়ত অসুৰক্ষাৰ ভাৱনাত আক্ৰান্ত হয়। ফলত কেতিয়াবা সিহঁত বিভিন্ন অসামাজিক কামত লিপ্ত হৈ পৰে।

অন্য কাৰণ ঃ পৰিয়ালৰ অন্য সদস্যৰ নিৰ্লিপ্ততা, শিক্ষক-শিক্ষার্থীৰ মাজত থকা সংযোগ ব্যৱধান, দূৰ্নীতি, নৈতিক অৱক্ষয়, সমাজত বৰ্তি থকা অনুশাসনহীনতা আৰু খেলিমেলি পৰিৱেশ, শিক্ষার্থীৰ প্ৰত্যাশা তথা প্ৰাপ্তিৰ মাজত থকা ব্যৱধান আদিৰ বাবে শিক্ষার্থী হতাশা আৰু অস্থিৰতাৰ বলি হয়। এনেবোৰ কাৰণতো শিক্ষার্থীয়ে অশান্তি সৃষ্টিকাৰী আচৰণ কৰিব পাৰে।

৪ নং প্ৰশ্ন উত্তৰ ঃ উদ্দেশ্যপূৰ্ণ শিক্ষা ব্যৱস্থা, উপযুক্ত অৱসৰকালীন কাৰ্যকলাপত জড়িত হোৱাৰ সুবিধা, উপযোগী সহঃপাঠ্যক্ৰমভিত্তিক কাৰ্যকলাপ, কৰ্মসংস্থাপনৰ সুবিধা, সংযমৰ বিকাশ, ছাত্ৰবৃত্তি আৰু মুক্তবৃত্তিৰ জৰিয়তে শিক্ষার্থীৰ আৰ্থ-সামাজিক অৱস্থা উন্নত কৰাৰ প্ৰচেষ্টা, শিক্ষার্থীৰ ধাৰণা আৰু মনোভাৱ বুজাত শিক্ষকে প্ৰদৰ্শন কৰা মনোবৈজ্ঞানিক আকলন দক্ষতা, উপযুক্ত প্ৰশাসনিক ব্যৱস্থা, শিক্ষক-শিক্ষার্থীৰ মাজৰ সৌহাৰ্দপূৰ্ণ সম্পৰ্ক, বিদ্যালয়ত দিক্‌নিৰ্দেশনা আৰু পৰামৰ্শদান সেৱা আগবঢ়াব পৰা সুবিধাৰ সৃষ্টি, বিদ্যালয়ৰ শৈক্ষিক বিষয়বোৰত কোনো ধৰণৰ ৰাজনৈতিক হস্তক্ষেপ মানি নোলোৱা ইত্যাদি হ'ল কেইটামান প্ৰতিকাৰমূলক ব্যৱস্থা। এই ব্যৱস্থাবোৰে বিদ্যালয়ৰ লগতে সমাজতো বহু পৰিমাণে শিক্ষার্থীৰ অশান্তি সৃষ্টিকাৰী আচৰণ হ্ৰাস কৰিব পাৰে।



১৪.৯ আৰ্হি প্ৰশ্ন

(ক) **চুটি প্ৰশ্ন** (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখিব)

প্ৰশ্ন নং ১ ঃ শিক্ষার্থীৰ অশান্তিৰ ধাৰণাৰ বিষয়ে বৰ্ণনা কৰক।

প্ৰশ্ন নং ২ ঃ শিক্ষার্থীৰ অশান্তি প্ৰকট হোৱাৰ প্ৰক্ৰিয়াসমূহৰ বিষয়ে লিখক।

প্ৰশ্ন নং ৩ ঃ শিক্ষার্থীৰ অশান্তিৰ সৈতে জড়িত শৈক্ষিক কাৰণসমূহ কি কি?

প্ৰশ্ন নং ৪ ঃ শিক্ষার্থীৰ অশান্তিৰ সৈতে জড়িত ৰাজনৈতিক কাৰণবোৰ কি কি?

প্ৰশ্ন নং ৫ ঃ শিক্ষার্থীৰ অশান্তিৰ সৈতে জড়িত অৰ্থনৈতিক কাৰণবোৰ ব্যাখ্যা কৰক।

প্ৰশ্ন নং ৬ ঃ শিক্ষার্থীৰ অশান্তি আঁতৰ কৰিবলৈ গ্ৰহণ কৰিব পৰা কিছুমান প্ৰশাসনিক ব্যৱস্থাৰ বিষয়ে পৰামৰ্শ আগবঢ়াওক।

(খ) **ৰচনাধৰ্মী প্ৰশ্ন** (৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন নং ১ ঃ শিক্ষার্থীৰ অশান্তিৰ ধাৰণাটো ব্যাখ্যা কৰক। শিক্ষার্থীৰ অশান্তি সৃষ্টিৰ পৰিঘটনাটোৰ সৈতে জড়িত কাৰণবোৰ বৰ্ণনা কৰক।

প্ৰশ্ন নং ২ ঃ শিক্ষার্থীৰ অশান্তিৰ সমস্যাসমূহ সমাধান কৰিব পৰা কেইটামান ব্যৱস্থা সম্পৰ্কে পৰামৰ্শ আগবঢ়াওক।

প্ৰশ্ন নং ৩ ঃ শিক্ষার্থীৰ অশান্তিৰ সমস্যা সমাধান কৰিব পৰা প্ৰশাসনিক ব্যৱস্থা দুটামানৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ১৫ ঃ শিক্ষার্থীৰ অনুশাসনহীনতা

অধ্যায় গাঁথনি

১৫.১ উদ্দেশ্য
১৫.২ পৰিচয়
১৫.৩ অনুশাসনহীনতাৰ অর্থ আৰু ধাৰণা
১৫.৪ বিদ্যালয়ত অনুশাসন বর্তাই ৰখাৰ প্রয়োজনীয়তা
১৫.৫ অনুশাসনহীন আচৰণৰ প্রকাৰ
১৫.৬ শিক্ষার্থীৰ অনুশাসনহীনতাৰ কাৰণ
১৫.৭ বিদ্যালয়ত অনুশাসন কেনেদৰে বর্তাই ৰাখিব পাৰি
১৫.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৫.৯ অধিক জানিবলৈ
১৫.১০ অগ্রগতিৰ খতিয়ান
১৫.১১ আৰ্হি প্রশ্ন

১৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অনুশাসনহীনতাৰ অর্থ আগবঢ়াব পাৰিব
- শিক্ষার্থীৰ অনুশাসনহীনতাৰ ধাৰণাটো ব্যাখ্যা কৰিব পাৰিব
- বিদ্যালয়ত অনুশাসন বর্তাই ৰখাটো কিয় প্রয়োজনীয় সেয়া ব্যাখ্যা কৰিব পাৰিব
- শিক্ষার্থীৰ অনুশাসনহীনতাৰ সমস্যাটো ইয়াৰ কাৰণবোৰ বর্ণনা কৰিব পাৰিব
- শিক্ষার্থীৰ অনুশাসনহীনতা নিয়ন্ত্রণ কৰিবলৈ প্রতিকাৰৰূপে আগবঢ়োৱা কৌশলবোৰ কেনেদৰে প্রয়োগ কৰিব লাগে সেয়া শিকিব পাৰিব।

১৫.২ পৰিচয়

শেহতীয়া বছৰবোৰত বিদ্যালয়ত অধ্যয়নৰত ছাত্র-ছাত্রীৰ মাজত গা কৰি উঠা আৰু ক্রমবর্ধমান অনুশাসনহীনতাৰ সমস্যাটোৱে শৈক্ষিক প্রশাসক, শিক্ষক তথা পিতৃ-মাতৃসকলৰ সন্মুখত জটিল প্রত্যাহ্বানৰূপে থিয় দিছে। এখন বিদ্যালয় সুচাৰুৰূপে চলাই নিবলৈ বিদ্যালয়ত অনুশাসন আৰু শৃংখলাবদ্ধ পৰিৱেশ এটা বর্তাই ৰখাটো হ'ল সবাতোকৈ প্রয়োজনীয় চর্ত। এক বহল অর্থত শিক্ষা মানেই হ'ল অনুশাসন। বিদ্যালয়ত প্রদান কৰা শিক্ষাৰ প্রধান উদ্দেশ্য হ'ল ছাত্র-ছাত্রীক জীৱনত অনুশাসন মানি চলাৰ প্রশিক্ষণ দিয়া। ছাত্র-ছাত্রীক একোটা অনুশাসনপূর্ণ

জীৱন যাপনৰ প্ৰশিক্ষণ দিবলৈ বিদ্যালয়বোৰে বিভিন্ন ধৰণৰ পদ্ধতি আৰু উপায় অৱলম্বন কৰাৰ পাছতো সময়ে সময়ে দেখা দিয়া শিক্ষার্থীৰ অনুশাসনহীন আচৰণে সমস্যাৰ সৃষ্টি কৰি আহিছে। এই অধ্যায়টোত আপোনাক অনুশাসনহীনতাৰ ধাৰণাটোৰ সৈতে পৰিচয় কৰাই দিয়া হ'ব। বিদ্যালয়ত অনুশাসনৰ প্ৰয়োজনীয়তা হ'ল অধ্যায়টিত আলোচিত আন এটা গুৰুত্বপূৰ্ণ বিষয়।

১৫.৩ অনুশাসনহীনতাৰ অৰ্থ আৰু ধাৰণা

'অনুশাসনহীনতা' (Indiscipline)ৰ সাধাৰণ অৰ্থটো হ'ল যিকোনো ধৰণৰ শৃংখলা উলংঘা কৰা কাৰ্য। এই অৰ্থটো পৰিসৰ আৰু বহল কৰিলে ই সামাজিক শৃংখলা ভংগ কৰা, নৈতিক চৰিত্ৰৰ ক্ষেত্ৰত আপোচ নাইবা সামাজিকভাৱে স্বীকৃত বিধি-বিধানৰ পৰা হোৱা যিকোনো ধৰণৰ বিচ্যুতিক সামৰি ল'ব। সামাজিক অনুমোদন লাভ কৰা প্ৰমূল্যবোৰৰ বিপৰীতে মানি চলা স্ব-গৃহীত আৰু স্বকীয়ভাৱে বৰ্তাই ৰখা সামাজিক প্ৰমূল্যবোৰকো অনুশাসনহীনতা বুলি ধৰা হয়। 'শিক্ষার্থীৰ অনুশাসনহীনতা' বোলা কথাষাৰে ছাত্ৰ-ছাত্ৰীৰ মাজত দেখা দিয়া বিশেষ ধৰণৰ অনুশাসনহীনতাৰ কথা বুজায়। অনুশাসনহীন ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয় কৰ্তৃপক্ষই জাপি দিয়া নিয়ম-নীতিবোৰ মানি চলিব নোখোজে।


সাধাৰণভাৱে অনুশাসনহীনতা মানে অনুশাসন সমস্যাত ভোগা কিছুমান মানুহে নিয়ন্ত্ৰিত আচৰণ কৰিব নোৱৰা অৱস্থা এটাৰ কথা বুজোৱা হয়। 'লংমেন' (২০১০)ৰ সংজ্ঞা মতে অনুশাসনহীনতা মানে হ'ল মানুহৰ গোট এটাৰ আচৰণৰ ওপৰত থকা নিয়ন্ত্ৰণহীনতা যিটোৰ পৰিণতিত তেওঁলোকে বেয়াকৈ আৰু অগ্ৰহণযোগ্য আচৰণ কৰি দেখুৱায়। লেভিন আৰু ন'লানে (১৯৯৬) কৈছিল যে ছাত্ৰ-ছাত্ৰীৰ মাজত দেখা দিয়া অনুশাসনতজনিত সমস্যা এটাই ছাত্ৰ-ছাত্ৰীৰ এনে আচৰণবোৰৰ কথা বুজায়। যিবোৰ আচৰণে (ক) শিক্ষণ কাৰ্যত হস্তক্ষেপ কৰে; (খ) অন্যৰ শিকাৰ অধিকাৰত হস্তক্ষেপ কৰে; (গ) মনোবৈজ্ঞানিক অথবা শাৰীৰিক দিশেৰে অসুৰক্ষাৰ সৃষ্টি কৰে; আৰু/নাইবা (ঘ) সম্পত্তি ধ্বংস কৰে।

এফ'লেবি (১৯৯৮)ৰ মতে অনুশাসন মানে হ'ল 'ব্যক্তিৰ ভদ্ৰ আৰু মাৰ্জিত আচৰণ, কৰ্তৃত্বৰ প্ৰতি সন্মান, উচ্চ দায়িত্ববোধ, শৃংখলাবদ্ধতাৰ প্ৰতি প্ৰেম, তাৎক্ষণিক আৰু ফলপ্ৰসূভাৱে কৰ্তব্য সম্পাদন কৰাৰ আগ্ৰহ প্ৰদৰ্শনৰ প্ৰতি থকা সন্তুষ্টমতা নাইবা ইচ্ছা।' যেতিয়া এগৰাকী ব্যক্তিয়ে ওপৰত উল্লেখ কৰা এই বৈশিষ্ট্যবোৰ পালন কৰাত ব্যৰ্থ হয় তেতিয়াই অনুশাসনহীনতাৰ সৃষ্টি হোৱা বুলি ধৰা হয়।

কিছুমান ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা অসামাজিক কাৰ্যকলাপ সংঘটিত হোৱাটো নোহোৱা-নোপোজা কথা নহয়। এনে ছাত্ৰ-ছাত্ৰীক প্ৰায়েই বিভিন্ন অপৰাধত অপৰাধী বুলি গম পোৱা যায়। পাঠদান গ্ৰহণ নকৰি অনাই বনাই ফুৰা, চৌৰ্যবৃত্তি, মিছা কথা কোৱা, পৰীক্ষাত নকল কৰা, মাৰপিট কৰা, যৌন আতিশয্য, মাদক দ্ৰব্য সেৱন, বিদ্যালয়ৰ সম্পত্তি নষ্ট কৰা ইত্যাদি হ'ল ছাত্ৰ-ছাত্ৰীৰ অনুশাসনহীনতাই সৃষ্টি কৰা কিছুমান সমস্যা।

১৫.৪ বিদ্যালয়ত অনুশাসন বর্তাই ৰখাৰ প্রয়োজনীয়তা

ওপৰৰ শিতানত উল্লেখ কৰা হৈছে যে অনুশাসন হ'ল শিক্ষাৰ বহল ধাৰণাটোৰ অন্তর্গত এক উপাদান। ***অনুশাসন*** কেৱল প্রয়োজনীয়ই নহয় ই ল'ৰা-ছোৱালীৰ নিজস্ব ব্যক্তিত্বৰ বিকাশ ঘটাত সহায় কৰা সবাতোকৈ গুৰুত্বপূর্ণ উপাদান। অনুশাসনে ল'ৰা-ছোৱালীৰ মনত সুৰক্ষাৰ ভাবনা সৃষ্টি কৰে, সিহঁতক আত্মবিশ্বাসী কৰি তোলে আৰু স্বাধীনতাৰ সীমা বিষয়ক জ্ঞানেৰে সমৃদ্ধ কৰি তুলি সিহঁতক জীৱন উপভোগ কৰিবলৈ সামর্থ কৰি তোলে। মানুহৰ জীৱনত অনুশাসন থকাটো অতি প্রয়োজনীয়। অনুশাসনৰ জৰিয়তেই ব্যক্তিয়ে নিজৰ স্বাভাৱিক প্রবণতাবোৰ বিকশিত কৰাৰ সামর্থ অর্জনৰ বাবে প্রয়োজনীয় ক্ষমতাৰ গৰাকী হ'ব পাৰে। এৰিষ্ট'টলে কৈছিল— 'পাহাৰ-পর্বত আৰু গছ-গছনিয়ে এখন ৰাষ্ট্র নির্মাণ নকৰে, নাগৰিকৰ চৰিত্রইহে ৰাষ্ট্র নির্মাণ কৰিব পাৰে।' এই উক্তিটো সম্পূর্ণ সত্য। এজন/এজনী অনুশাসন মানি চলা ছাত্র-ছাত্রী সুচৰিত্রৰ অধিকাৰী হোৱাৰ লগতে মন, কথা আৰু কামত পবিত্রতাৰ পৰিচয় দিয়ে। পি. চি. ৰেনৰ ভাষাত, 'সামৰিক বাহিনী, নৌসেনা নাইবা ৰাষ্ট্রৰ দৰে বিদ্যালয়বোৰবো অস্তিত্ব বর্তাই ৰখাৰ পূর্বচর্ত আৰু একমাত্র চর্তটো হ'ল অনুশাসন।' অনুশাসনৰ অভাৱত বিদ্যালয় এখনৰ সমগ্র কার্যসম্পাদন ব্যৱস্থাটো ক্ষতিগ্রস্ত হ'ব আৰু বিদ্যালয়খন কোনোপধ্যে সুচাৰুৰূপে চলাই থাকিব পৰা নাযাব। অনুশাসন সু-প্রশাসনৰো এক প্রয়োজনীয় চর্ত। এই কথা স্পষ্ট যে শৈক্ষিক প্রশাসন এটাৰ প্রধান কাম হ'ল অনুশাসন বর্তাই ৰখা। বিদ্যালয়ৰ অনুশাসন সমাজৰ বাবেও প্রয়োজন। গঠনমূলক আৰু উপযুক্ত অনুশাসন অবিহনে সমাজৰ লক্ষ্য আৰু প্রত্যাশাবোৰক বাস্তৱ ৰূপ দিব নোৱাৰি। সেয়েহে আমি ক'ব পাৰো যে অনুশাসন হ'ল এনে এক শক্তি যিটোৰ সহায়ত এগৰাকী ব্যক্তি, এখন সমাজ, এখন দেশ আৰু এখন বিদ্যালয়ে অগ্রগতি তথা উন্নয়নৰ সঠিক পথেৰে আগবাঢ়ি যাব পাৰে।



***অনুশাসন* (Discipline) ঃ** অনুশাসন বুজোৱা ইংৰাজী শব্দ 'discipline'ৰ মূল হ'ল লেটিন শব্দ 'Discipulus'। ইয়াৰ অর্থ হ'ল 'শিক' (to learn)।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ' অনুশাসন' বুলিলে কি বুজে?

.....

.....

প্রশ্ন নং ২ ঃ বিদ্যালয়ত অনুশাসন কিয় প্রয়োজনীয়?

.....

.....

১৫.৫ অনুশাসনহীন আচৰণৰ প্রকাৰ

আমাৰ বিদ্যালয় আৰু সমাজবোৰত বর্তমান চলি থকা অনুশাসনহীন অৱস্থাটোৱে বিভিন্ন ৰূপত বিভিন্ন সমস্যাৰ সৃষ্টি কৰিছে। ই ছাত্র-ছাত্রীৰ মাজতো সকলো ধৰণৰ সমাজবিৰোধী

আচৰণৰ জন্ম দিছে। যৌন আতিশয্য, মাৰপিট, চৌর্যবৃত্তি, প্ৰবঞ্চনা, মিছা কথা কোৱা, মাদক দ্ৰব্য সেৱন, পৰীক্ষাত নকল কৰা, অনাই-বনাই ফুৰা, বিদ্যালয়ৰ সম্পত্তি নষ্ট কৰা আদি কামৰ জৰিয়তে অনুশাসনহীনতাৰ প্ৰকাশ ঘটে। তলত এনে দুটামান আচৰণ চমুকৈ আলোচনা কৰা হ'ল—

- **চৌর্যবৃত্তি (Stealing) ঃ** কিছুমান ছাত্ৰ-ছাত্ৰীয়ে সহপাঠীৰ পৰা পেঞ্চিল, কিতাপ, কলম, বহী আৰু অন্য সামগ্ৰী চুৰি কৰাৰ ঘটনা আমি প্ৰায়েই শুনিবলৈ পাওঁ। ই এক ধৰণৰ অনুশাসনহীনতা। সাধাৰণতে প্ৰতিটো চুৰি কাৰ্যৰ আঁৰত ছাত্ৰ নাইবা ছাত্ৰীৰ কিছুমান অপূৰ্ণ প্ৰয়োজনীয়তা থাকে।

- **মাদক দ্ৰব্য সেৱন (Drug Abuse) ঃ** ছাত্ৰ-ছাত্ৰীৰ মাদক দ্ৰব্য সেৱন আৰু চোৰাং সৰবৰাহৰ অভ্যাসে এক বিপদজনক অৱস্থা পাইছে। ই পিতৃ-মাতৃৰ লগতে চৰকাৰৰ বাবেও তীব্ৰ প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। ছাত্ৰ-ছাত্ৰীৰ মাজত দেখা দিয়া আন এক বদ্‌অভ্যাস হ'ল সুৰাপান। অধিকাংশ ছাত্ৰ-ছাত্ৰীকে 'সুৰাসক্ত' বুলি ক'ব নোৱাৰি যদিও 'সমস্যা সৃষ্টিকাৰী সুৰাসেৱী' বুলি ক'ব পাৰি। কাৰণ, মদ্যপান কৰাৰ পাছত এনে ছাত্ৰ-ছাত্ৰীয়ে নিজৰ লগতে পিতৃ-মাতৃ আৰু সমাজৰ বাবে বিভিন্ন ধৰণৰ সমস্যাৰ সৃষ্টি কৰে।

- **যৌন আতিশয্য (Sexual Assault) ঃ** অসমৰ ক্ষমতাৰ ছাত্ৰ-ছাত্ৰীৰ মাজত গঢ় লৈ উঠা সম্পৰ্কৰ পটভূমিত যৌন প্ৰবণতাৰ অবাঞ্ছিত বলপূৰ্বক প্ৰয়োগেই হ'ল যৌন আতিশয্য। বয়ঃসন্ধিৰ ছাত্ৰ-ছাত্ৰীৰ মাজত ধৰা পৰা যৌন বিসংগতিৰ ৰূপ কেইটামান হ'ল সমকামিতা, গণিকাবৃত্তি, ধৰ্ষণ ইত্যাদি।

- **পৰীক্ষাত অসৎ উপায় অৱলম্বন (Examination Malpractices) ঃ** দেশৰ বিভিন্ন শিক্ষানুষ্ঠানৰ বৃহৎসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত অসৎ উপায় অৱলম্বন কৰিবলৈ ধৰা কথাটোৱে লাহে লাহে অসৎ উপায়বোৰকেই স্বাভাৱিক অনুশীলনৰ ৰূপ দিবলৈ ধৰিছে। প্ৰশ্ন কাকত আগতীয়াকৈ ফাদিল হোৱা, পৰীক্ষা গৃহত উত্তৰ লিখা কাকতবোৰ বিনিময় কৰা, কিতাপৰ পৰা নকল কৰা, নিজৰ স্থানত পৰীক্ষা দিবলৈ অন্য লোকক ভাৰ কৰা আদি হ'ল পৰীক্ষাত অৱলম্বন কৰা সততে ধৰা পৰা কেইটামান অসৎ উপায়।

- **অনাই-বনাই ফুৰা (Trauncy) ঃ** অনাই-বনাই ফুৰা (ধিতিঙালি কৰি ফুৰা) হ'ল এটা চিন্তনীয় লক্ষণ। শিশু এটিক তেতিয়াই 'ধিতিংগা'/'ধোদ'/'পলৰীয়া' বুলি কোৱা হয় যেতিয়া সি/তাই বিদ্যালয়লৈ নোযোৱাকৈ থাকি অনাই-বনাই ঘূৰি ফুৰে। এনে শিশু শিক্ষকৰ উপযুক্ত মনোযোগ লাভ কৰাৰ পৰা বঞ্চিত হ'ব পাৰে। ধিতিঙালি কৰি ফুৰাৰ মানসিকতা গঢ় লোৱাৰ আঁৰত সহোদৰৰ সৈতে থকা শত্ৰুতা, শাৰীৰিক আৰু মানসিক বিসংগতি, বিদ্যালয়ৰ পৰা পোৱা অযুক্তিকৰ হেঁচা, শিক্ষকৰ কঠোৰ আচৰণ ইত্যাদি কাৰণ থাকিব পাৰে।

- **বিদ্যালয়ৰ সম্পত্তি নষ্ট কৰা (Damage to School Property) ঃ** কেতিয়াবা ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়ৰ দুৱাৰ-খিৰিকী, চকী-মেজ, পৰীক্ষাগাৰ, প্ৰস্ৰাৱগাৰৰ সামগ্ৰী আদি ভাঙি বিদ্যালয়ৰ সম্পত্তি নষ্ট কৰে। এই কাৰ্যক গুৰুতৰ অপৰাধ বুলি গণ্য কৰা হয়। অনুশাসন মানি চলা ছাত্ৰ-ছাত্ৰীয়ে এনে কাম কেতিয়াও নকৰে। বিদ্যালয় কৰ্তৃপক্ষই প্ৰায়েই এনে পৰিস্থিতিৰ মোকাবিলা কৰিবলগীয়া হয়। বিদ্যালয়ৰ সম্পত্তি নষ্ট কৰা সমস্যাটোৰ কোনো সহজ সমাধান এতিয়াও বাহিৰ হোৱা নাই।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ বিভিন্ন প্ৰকাৰৰ অনুশাসনহীনতাৰ বিষয়ে চমুকৈ বৰ্ণনা কৰক।

.....

.....

১৫.৬ শিক্ষার্থীৰ অনুশাসনহীনতাৰ কাৰণ

ছাত্ৰ-ছাত্ৰী অনুশাসনহীন হৈ পৰে কিয় ? সিহঁতে কিয় উদণ্ড আচৰণ কৰে ? কিয় সিহঁতে ইমান সমাজবিৰোধী কাম কৰে ? শিক্ষার্থীৰ অনুশাসনহীনতাৰ সমস্যাটো আলোচনা কৰাৰ সময়ত এই প্ৰশ্নবোৰ প্ৰায়েই আমাৰ মনলৈ আহে। বিদ্যালয় আৰু সমাজত অনুশাসনহীনতাৰ সৃষ্টি কৰা প্ৰধান কাৰণবোৰ নিৰ্ণয় কৰাটো সহজ কাম নহয়। একাংশ লোকৰ মতে অনুশাসনহীনতাৰ বাবে দায়ী কৰিব পৰাকৈ কেৱল এটা কাৰক নাই। ব্যক্তিৰ অনুশাসনহীন আচৰণৰ আঁৰত বহুতো কাৰণ তথা কাৰক থাকিব পাৰে। শিক্ষার্থীৰ অনুশাসনহীনতাৰ আঁৰত তলত দিয়া কাৰণবোৰকে প্ৰধানকৈ জগৰীয়া কৰা হয়—

- শিক্ষার্থীৰ অনুশাসনহীনতাৰ সবাতোকৈ গুৰুত্বপূৰ্ণ কাৰণটো হ'ল আমাৰ প্ৰচলিত শিক্ষা ব্যৱস্থা। এই শিক্ষা ব্যৱস্থাই শিক্ষার্থীৰ মাজত অসন্তুষ্টিৰহে সৃষ্টি কৰে। আমি আটায়ে জানো যে শিক্ষাৰ প্ৰকৃত লক্ষ্য হ'ল বুদ্ধিৰ দিগন্ত সম্প্ৰসাৰিত কৰা, মনৰ বিকাশ সাধন কৰা আৰু চিন্তাক শৃংখলাবদ্ধ কৰা। এইবোৰ দিশত গুৰুত্ব দিয়াৰ সলনি আমাৰ সমগ্ৰ শিক্ষা ব্যৱস্থাটো পৰীক্ষাকেন্দ্ৰিক হৈ পৰিছে। আমাৰ শিক্ষানুষ্ঠান আমাৰ শিক্ষানুষ্ঠানবোৰৰ উদ্দেশ্য হৈছে উৎকৃষ্ট ফলাফল প্ৰদান কৰা। অৰ্থাৎ বেছি নম্বৰ লাভ কৰি পা�ৰদৰ্শিতা উন্নত কৰা। পৰীক্ষাত আশা কৰা ধৰণে নম্বৰ নোপোৱা শিক্ষার্থীসকল হতাশ হৈ পৰে আৰু ইয়াৰ ফলস্বৰূপে সিহঁতে অনুশাসনহীন আচৰণ কৰিবলৈ ধৰে।

- শ্রেণীত ছাত্র-ছাত্রীৰ পৰিমাণ প্রয়োজনতকৈ অধিক হোৱাটোও অনুশাসনহীনতাৰ এটা কাৰণ। এনে শ্রেণীত শিক্ষকে প্রতিজন/জনী শিক্ষার্থীৰ ওপৰত উপযুক্ত ব্যক্তিগত মনোযোগ দিব নোৱাৰে। ছাত্র-ছাত্রীক শিকাৰ প্রতি আগ্রহী কৰি তুলিবলৈ শিক্ষকৰ অনুপ্রাণিত তথা উদ্বুদ্ধ কৰিব পৰা গুণৰ নাটনি বাবে বিদ্যালয়ৰ পৰিৱেশ অনুপ্রেৰণাহীন আৰু শিকন প্রতিকূল হৈ পৰে। ইয়েই এসময়ত গৈ অনুশাসনহীন কার্যকলাপ পোখা মেলাৰ উর্ব্ব পথাৰত পৰিণত হয়।

- বিদ্যালয়ৰ পাঠ্যক্রমবোৰ অধিক বেজাৰ ভাৰত আক্রান্ত। পাঠ্যসূচীত উদ্ভাৱনৰ নাটনি আৰু উপযুক্ত শিক্ষণ পদ্ধতিৰ অভাৱত শ্রেণীবোৰ আকর্ষণহীন আৰু বিৰক্তিকৰ হৈ পৰে। লগতে বিদ্যালয়বোৰে শিক্ষার্থীৰ ব্যক্তিগত প্রভেদৰ নীতিটো আওকাণ কৰে। অন্যধৰণে সক্ষম, মধ্যমীয়া তথা মন্থৰ শিক্ষার্থীৰ বাবে বেলেগ বেলেগ পাঠ্যক্রমৰ সুবিধা আমাৰ শিক্ষা ব্যৱস্থাত নাই।

- পাঠ্যক্রমত প্রয়োগসাধ্য নাইবা ব্যৱহাৰিক শৈক্ষিক উপাদানবোৰক আওকাণ কৰি তাত্ত্বিক আৰু পুথিগত বিদ্যাক অপ্রয়োজনীয়ভাৱে গুৰুত্ব দিয়া হয়। তথ্য আৰু সংখ্যা মুখস্থ কৰাত অধিক গুৰুত্ব দিয়া হয়, কিন্তু শিক্ষার্থীৰ মন বিকশিত কৰিব পৰা কথা শিকোৱাত গুৰুত্ব দিয়া নহয়। এনে শিক্ষাই শিক্ষার্থীৰ উচ্চ শিক্ষা লাভৰ পথ প্রশস্ত কৰে কিন্তু শিক্ষার্থীক ব্যক্তিগত আগ্রহ জড়িত কোনো হস্তকলা নাইবা জীৱিকামুখী বৃত্তি শিকাৰ সুযোগ নিদিয়ে।

- শিক্ষক আৰু শিক্ষার্থীৰ মাজৰ সম্পর্কটো দুটা মনৰ বাবে অনুপ্রেৰণাদায়ী সম্পর্ক হোৱা উচিত। কিন্তু আমাৰ শিক্ষা ব্যৱস্থাত এই সম্পর্কটো অধিক নৈর্ব্যক্তিক হৈ পৰিছে। শেহতীয়াভাৱে শিক্ষক সমাজত শিক্ষার্থীক ব্যক্তিগতভাৱে ঘৰুৱা শিক্ষকৰূপে পঢ়ুওৱাৰ প্রৱণতা বৃদ্ধি পাইছে। শিক্ষার্থীৰ সৈতে অর্থনৈতিক সম্পর্ক স্থাপন কৰাৰ পাছত শিক্ষকসকলে শিক্ষার্থীৰ ওপৰত কর্তৃত্ব খটুওৱাৰ অধিকাৰ হেৰুৱাই পেলায়।

- শিক্ষার্থীৰ অনুশাসনহীনতাৰ আন এটা কাৰণ হ'ল বিদ্যালয়ৰ অধ্যক্ষ/প্রধান শিক্ষকৰ নেতৃত্ব দিব পৰা গুণবোৰ অৱনমিত হোৱাটো। এখন বিদ্যালয় অথবা মহাবিদ্যালয়ৰ প্রকৃত নেতাগৰাকী হ'ল প্রধান শিক্ষক/অধ্যক্ষগৰাকী। তেওঁ শিক্ষক আৰু শিক্ষার্থী দুয়োৰে পথ প্রদর্শক। কিন্তু অধিকাংশ প্রধান শিক্ষক/অধ্যক্ষৰে নেতৃত্ব দিব পৰা ক্ষমতা নাথাকে। তেওঁলোকে নিজ নিজ শিক্ষানুষ্ঠানত শিক্ষক তথা শিক্ষার্থীৰ বাবে অনুকূল বৌদ্ধিক পৰিৱেশ এটা গঢ়ি তোলাত ব্যর্থতাৰ পৰিচয় দিয়ে।

- শিক্ষানুষ্ঠানত বিভিন্ন সা-সুবিধাৰ অভাৱ আৰু প্ৰশাসনৰ পুতৌজনক স্থিতিয়ে প্ৰায়েই শিক্ষার্থীৰ প্ৰতিবাদৰ পথ ল'বলৈ বাধ্য কৰে। ইয়াৰ উপৰি শিক্ষানুষ্ঠানবোৰত পৰ্যাপ্ত শিক্ষক, অন্য বিষয়া-কৰ্মচাৰীৰ অভাৱ হোৱা দেখা যায়। সঘনাই বিষয়া-কৰ্মচাৰী সলনি কৰা, শিক্ষকৰ অনুপস্থিতি আদিয়েও শিক্ষার্থীৰ বাবে সমস্যা সৃষ্টি কৰে।

- টেলিভিছন, কথাছবি আদিৰ দৰে গণমাধ্যমবোৰত প্ৰদৰ্শিত অপৰাধ, হত্যা, নৃশংসতা, অনুশাসনহীন আচৰণৰ অনুষ্ঠানবোৰেও শিক্ষার্থীৰ চিন্তা আৰু আচৰণত নেতিবাচক প্ৰভাৱ পেলায়। মোবাইল ফোন, বিশেষকৈ স্মাৰ্টফোনৰ অবাধ ব্যৱহাৰকো সমস্যা সৃষ্টিকাৰী আচৰণৰ আন এক উৎস বুলিব পাৰি। এই আটাইবোৰ কাৰকে শিক্ষার্থীক অন্যৰ সৈতে আগ্ৰাসী আচৰণ কৰিবলৈ উদগনি যোগায়।

- বৈষয়িক দৃষ্টিভংগীৰ আধিপত্য তথা জীৱনৰ প্ৰমূল্যবোৰৰ প্ৰতি আমাৰ মনোভাবলৈ এক বৈপ্লৱিক পৰিৱৰ্তন আহিছে। বৰ্তমান সময়ত শিক্ষা লাভৰ বাবে বিদ্যালয় তথা মহাবিদ্যালয়লৈ যাবলৈ ওলোৱা প্ৰজন্মটোত এনে বহুতো ল'ৰা-ছোৱালী আছে যাৰ পৰিয়ালৰ সদস্য দুৰ্নীতি, চোৰাং ব্যৱসায়, ক'লা বজাৰ আৰু উৎকোচ লেন-দেন আদিৰ দৰে কাৰ্যত জড়িত। গতিকে নীতিহীন আচৰণ, অপমানজনক আচৰণ অথবা অনৈতিক দৃষ্টিভংগীৰে পৰিচালিত পৰিয়ালবোৰত ডাঙৰ হোৱা ল'ৰা-ছোৱালীয়ে স্বাভাৱিকভাৱেই অনুশাসনহীনতাৰ পৰিচয় দিব বুলি ক'ব পাৰি।

- শিক্ষার্থীৰ অনুশাসনহীনতাৰ আন এটা কাৰণ হ'ল ভাৰতৰ অস্পষ্ট পৰীক্ষা ব্যৱস্থা। বৰ্তমান প্ৰচলিত পৰীক্ষা ব্যৱস্থাটোৱে ইয়াৰ নীতি-নিৰ্দেশনা সহিতে শিক্ষার্থীৰ মেধা উপযুক্তভাৱে জোখাত ব্যৰ্থতাৰ পৰিচয় দিছে। অসাধাৰণ বুদ্ধিমত্তা আৰু প্ৰতিভাৰ গৰাকী শিক্ষার্থী এজন/এজনীক কেতিয়াও পাঠ্যপুথিৰ সংকীৰ্ণ পৰিসৰত আবদ্ধ কৰি ৰাখিব নোৱাৰি। কাৰণ এনে শিক্ষার্থীৰ সম্ভাৱনাৰ দিগন্ত অতি বিশাল। কিন্তু বৰ্তমানৰ পৰীক্ষা ব্যৱস্থাটোৱে এনে শিক্ষার্থীক নিজৰ মেধা পাঠ্যপুথি আৰু নিৰ্দিষ্ট পাঠ্যক্ৰমতে সীমাবদ্ধ কৰি ৰাখিবলৈ বাধ্য কৰে। আনহাতে মধ্যমীয়া অথবা দুৰ্বল বুদ্ধিবৃত্তিৰ শিক্ষার্থীৰ মনত পৰীক্ষাক লৈ সদায়েই এটা ভয় থাকে। কাৰণ এনে শিক্ষার্থীৰ পৰীক্ষা প্ৰস্তুতি কেতিয়াও সন্তোষজনক নহয়। সেয়েহে এনে শিক্ষার্থীয়ে পৰীক্ষা গৃহত উদ্বিগ্নতাৰ বলি হয় আৰু আশানুৰূপে পাৰদৰ্শিতা দেখুৱাব নোৱাৰে। পৰীক্ষকসকলেও তুলনামূলকভাৱে কম সময়ৰ ভিতৰত যথেষ্টসংখ্যক উত্তৰবহী পৰীৰক্ষা কৰিব লাগে। সময়ৰ নাটনিৰ বাবে তেওঁলোকেও উত্তৰৰ সমৰূপ মূল্যাংকন দিশত ন্যায় কৰিব নোৱাৰে। ইয়াৰ উপৰি বিভিন্ন পৰিস্থিতিত পৰীক্ষকৰ মেজাজ কেনেধৰণৰ আছিল কেতিয়াবা মূল্যাংকনত তাৰ প্ৰতিফলনো দেখিবলৈ পোৱা যায়।

- বেছিভাগ শিক্ষানুষ্ঠানতে লগাতকৈ কমকৈ থকা মৌলিক সা-সুবিধাবোৰৰ বাবেই প্ৰথমে শিক্ষার্থী সমাজে অসন্তুষ্টি প্ৰকাশ কৰে আৰু এসময়ত ইয়েই গৈ ভয়াবহ অনুশাসনহীনতাৰ ৰূপ ধাৰণ কৰে। বিদ্যালয়বোৰত প্ৰয়োজনতকৈ অধিক শিক্ষার্থীৰ নামভর্তি, ভৰনৰ বাবে পর্যাপ্ত স্থানৰ অভাৱ, মৌলিক সা-সুবিধা নথকা ভৰন আদিয়েও বহু সমস্যাৰ সৃষ্টি কৰে। ইয়াৰ উপৰি নিম্নমানৰ শিক্ষণ হ'ল বেছিভাগ বিদ্যালয়ৰে উমৈহতীয়া সমস্যা। কিছুমান বিদ্যালয়ত শিক্ষক-কর্মচাৰীৰ নাটনি হোৱাৰ বিপৰীতে কিছুমানত প্ৰয়োজনতকৈ অধিক শিক্ষক-কর্মচাৰী ভর্তি হৈ থাকে। বর্তমান সময়ৰ বিদ্যালয় পৰিচালক কর্তৃপক্ষই অধিক উপার্জনৰ আশাত প্ৰয়োজনাধিক শিক্ষার্থীৰ নামভর্তি কৰে। ই শিক্ষানুষ্ঠানবোৰক বাণিজ্যিক কেন্দ্ৰত পৰিণত কৰিছে।

ওপৰত উল্লেখ কৰা আটাইবোৰ কাৰণকে শিক্ষানুষ্ঠানবোৰত দেখিবলৈ পোৱা শিক্ষার্থীৰ অবাধ অনুশাসনহীনতাৰ বাবে মূলতঃ দায়ী বুলি ক'ব পৰা যায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ যুৱসমাজত দেখা দিয়া অনুশাসনহীনতাৰ কাৰণবোৰ বিচাৰি উলিয়াওক।

.....

.....

১৫.৭ বিদ্যালয়ত অনুশাসন কেনেদৰে বর্তাই ৰাখিব পাৰি

শিক্ষাৰ এটা অনুশাসনাবদ্ধ ব্যৱস্থাইহে শিক্ষার্থীৰ মনতো অনুশাসনবোধৰ জন্ম দিব পাৰে। এখন বিদ্যালয়ৰ মুৰব্বী আৰু শিক্ষকবৃন্দৰ প্ৰধান দায়িত্ব হ'ল বিদ্যালয়ত এক অনুশাসনপূর্ণ পৰিৱেশ সৃষ্টি কৰা আৰু ছাত্ৰ-ছাত্ৰীৰ অনুশাসন বর্তাই ৰখা। এই ক্ষেত্ৰত ল'ব পৰা ব্যৱস্থাবোৰৰ ৰূপৰেখা তলত উল্লেখ কৰা হ'ল ঃ

- **শিক্ষকৰ প্ৰভাৱ ঃ** এগৰাকী শিক্ষকে শিক্ষার্থীৰ জীৱনত সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলাব পাৰে। সেয়েহে এগৰাকী শিক্ষকে নিজৰ ছাত্ৰ-ছাত্ৰীৰ চিন্তা প্ৰক্ৰিয়া, অনুভৱ আৰু কার্যকলাপত ইতিবাচক প্ৰভাৱ পেলোৱাৰ ঐকান্তিক প্ৰয়াস কৰিব লাগে। শিক্ষক-শিক্ষার্থীৰ বাবে প্ৰেৰণাৰ উৎস আৰু আদর্শ ব্যক্তি হোৱা উচিত। তেতিয়াহে শিক্ষার্থীয়ে শিক্ষকৰ কথা মানি চলাৰ আৰু শিক্ষকে দেখুৱাই দিয়া পথ অনুসৰণ কৰাৰ প্ৰতি আগ্ৰহ দেখুৱাব।

- **ব্যক্তিগত যত্ন ঃ** শিক্ষার্থীৰ প্ৰতি শিক্ষকে প্ৰদৰ্শন কৰা সহানুভূতিপূৰ্ণ ব্যৱহাৰে নিশ্চিতভাৱে শিক্ষার্থীৰ অন্তৰ জয় কৰিব। শিক্ষকে যিমান পাৰে প্ৰতিজন/জনী শিক্ষার্থীৰ সৈতে ব্যক্তিগত যোগাযোগ ৰখাৰ লগতে প্ৰত্যেককে বুজাৰ চেষ্টা কৰা উচিত। উচ্চ শিক্ষা আয়োগৰ নিৰীক্ষণ অনুসৰি, 'আমাৰ পুনর্সংগঠিত বিদ্যালয় ব্যৱস্থাত এগৰাকী উত্তম শিক্ষকে নিজৰ ছাত্ৰ-ছাত্ৰীৰ পৰা মৰম-ভালপোৱা লাভ কৰিব আৰু ছাত্ৰ-ছাত্ৰীক আত্মবিশ্বাসী কৰি তুলিব। তেওঁ ছাত্ৰ-ছাত্ৰীৰ সমস্যাবোৰ নিষ্ঠা, সংযম, কঠোৰ পৰিশ্ৰম আৰু সহানুভূতিৰে সমাধান কৰাৰ চেষ্টা চলাই নিজৰ মর্যাদা প্ৰতিষ্ঠা কৰিব।' এনে এক পৰিৱেশত অনুশাসনে গণতান্ত্ৰিক উপায়ৰ ৰূপ ল'ব। শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ প্ৰতি কঠোৰ আৰু সহানুভূতিহীন আচৰণ প্ৰদৰ্শন কৰাৰ বাবেও বহুতো সমস্যাৰ সৃষ্টি হয়।

- **ছাত্ৰ-ছাত্ৰীক দায়িত্ব অর্পণ ঃ** বিদ্যালয়ত প্ৰয়োগ কৰা অনুশাসনৰ আৰ্হিটো ছাত্ৰ-ছাত্ৰীক যিমান পাৰি সিমান অধিক দায়িত্ব অর্পণ কৰিব পৰাকৈ যুগুত কৰি লোৱা উচিত। উচ্চ শিক্ষা আয়োগৰ মতে, 'বিদ্যালয়ৰ অনুশাসন কেতিয়াও শিক্ষকৰ কর্তৃত্বৰ জৰিয়তে বলপূৰ্বক জাপি দিয়া তথা বলপূৰ্বক মানি চলিবলৈ বাধ্য কৰা নীতি-নির্দেশনা হ'ব নালাগে। এনে নীতি-নির্দেশনাবোৰ ছাত্ৰ-ছাত্ৰীয়ে পুৰস্কাৰৰ আশাত নাইবা শাস্তিৰ ভয়তহে পালন কৰে। ছাত্ৰ-ছাত্ৰীক বিভিন্ন সভা-সমিতি আয়োজন কৰাৰ আৰু নিজৰ মাজতে গঠিত বিভিন্ন কমিটীৰ জৰিয়তে বিভিন্ন ধৰণৰ বিদ্যালয়ভিত্তিক কার্যকলাপ পৰিচালনা কৰাৰ সম্পূর্ণ স্বাধীনতা দিব লাগে। এইদৰে সামাজিক গোটবোৰৰ দ্বাৰা বর্তাই ৰখা অনুশাসনে লাহে লাহে শিক্ষার্থীৰ মনত আত্ম-অনুশাসনৰ বিকাশ ঘটাব।'

- **বিদ্যালয়ৰ বিষয়া-কর্মচাৰীৰ মাজৰ অনুশাসন ঃ** ছাত্ৰ-চাত্ৰীৰ মাজত তেতিয়াহে অনুশাসন বর্তি থাকিব যেতিয়া শিক্ষা বৃত্তিৰ লগত জড়িত বিদ্যালয়ৰ প্ৰতিগৰাকী বিষয়া-কর্মচাৰীৰ মাজত অনুশাসন বিৰাজ কৰিব। শিক্ষকসকলে এই কথা উপলব্ধি কৰা উচিত যে ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ সকলোবোৰ কার্যকলাপ লক্ষ্য কৰি থাকে। সেয়েহে শিক্ষকে নিজৰ ব্যক্তিগত আচাৰ-আচৰণ, নিজৰ সমস্যাবোৰৰ প্ৰতি দেখুওৱা সাধাৰণ মনোভাৱ আদিৰ প্ৰতি সদায়চ সচেতন হোৱা উচিত। শিক্ষকে এই কথাও বুজি পাব লাগিব যে তেওঁ শিক্ষকতা বৃত্তিটোৰ সর্বোত্তম স্বার্থৰ খাতিৰত নিজৰ সীমাবদ্ধতাৰ ভিতৰত কাম কৰি যাব লাগিব।

- **অৱসৰ বিনোদনমূলক কার্যসূচীৰ সুবিধা ঃ** বিদ্যালয়বোৰত জিৰণিৰ সময়ত কৰিব পৰা বিভিন্ন শিক্ষামূলক কাম-কাজে ছাত্ৰ-ছাত্ৰীক অনুশাসনহীন হৈ পৰাত বাধা দিয়ে। সেয়েহে বিদ্যালয়ত সহ-পাঠ্যক্ৰমভিত্তিক কার্যকলাপৰ বহুল প্ৰয়োগ ঘটা উচিত। শিবিৰ পতা, পদভ্ৰমণ, বাগিছা পতা, চাইকেল চলোৱা, পর্বতাৰোহণ আদিৰ দৰে কার্যকলাপে ছাত্ৰ-ছাত্ৰীৰ মনত সেৱাৰ মনোভাৱ, পর্যবেক্ষণ,

কষ্টসহিষ্ণুতা, দৃঢ়সংকল্পবদ্ধতা আৰু সাহসৰ দৰে জীৱনত সফলতা লাভৰ বাবে প্ৰয়োজনীয় মৌলিক গুণবোৰৰ বিকাশ ঘটায়। নৃত্য, নাট্যাভিনয়, মাটিৰ সামগ্ৰী নিৰ্মাণ, কাগজ কটাৰ কলা, ছবি আঁকা, দলীয় গীত, কাঠৰ কাম, সূতা কটা, কাপোৰ বোৱা আদিৰ দৰে দলীয় কাৰ্যকলাপে ছাত্ৰ-ছাত্ৰীৰ বাবে আনন্দদায়ক শিকন সুযোগ আগবঢ়ায়, বিৰক্তিবোধ নোহোৱা কৰে আৰু উদ্ভাৱন, উদ্যম তথা আবেগিক নিয়ন্ত্ৰণ সামৰ্থৰ বিকাশ ঘটায়।


- **কাৰ্যস্থলীৰ বৈষয়িক অৱস্থা ঃ** আমাৰ বিদ্যালয়বোৰৰ এটা সাধাৰণ সমস্যা হ'ল উপযুক্ত শিক্ষামূলক সা-সুবিধাৰ অভাৱ। ভাল আচবাব-পত্ৰ, পূৰ্ণাংগ পুথিভঁৰাল, পৰীক্ষাগাৰ, উপযুক্ত শ্ৰেণীকোঠা, পোহৰৰ সু-ব্যৱস্থা, খেলপথাৰ, পানীৰ ব্যৱস্থা, বায়ুচ চলাচল কৰিব পৰা সুবিধা, অনাময় ইত্যাদি আদিয়ে মিলি এক শিকন অনুকূল বাতাবৰণৰ সৃষ্টি কৰে। শিকাৰ এক আকৰ্ষণীয় পৰিৱেশে বিদ্যালয়লৈ ছাত্ৰ-ছাত্ৰীক আকৰ্ষিত কৰে। ই অনুশাসনহীনতাৰ প্ৰবণতা হ্ৰাস কৰে।

- **দিক্-নিৰ্দেশনা আৰু পৰামৰ্শদান সেৱা ঃ** ছাত্ৰ-ছাত্ৰীৰ দৈনন্দিন জীৱনত সৃষ্টি হোৱা নানা ধৰণৰ সমস্যা সমাধানৰ উপায় আগবঢ়াবলৈ বিদ্যালয়বোৰত ফলপ্ৰসূ দিক্ নিৰ্দেশনা প্ৰদানকাৰী তথা পৰামৰ্শদান সেৱা থকা উচিত। এনে সেৱাবোৰে ছাত্ৰ-ছাত্ৰীক জীৱনৰ বিভিন্ন পৰিস্থিতিত খাপ খাই চলাৰ সামৰ্থ্য আহৰণত সহায় কৰা উচিত। ইয়াৰ উপৰি দিক্ নিৰ্দেশনা আৰু পৰামৰ্শদান সেৱাবোৰৰ দ্বাৰা সিহঁতে নিজৰ সামৰ্থ্য আৰু সক্ষমতাবোৰৰ বিষয়ে সচেতন হ'ব, অৰ্থবহ কামত নিজেক ব্যস্ত ৰাখিব আৰু অনুশাসনমূলক অভ্যাসবোৰ আয়ত্ত কৰিব।

- **নৈতিক শিক্ষা ঃ** এক মাৰ্জিত আৰু সুসামঞ্জস্যপূৰ্ণ জীৱনৰ বাবে বিদ্যালয়ত নৈতিক তথা আধ্যাত্মিক শিক্ষাৰ কাৰ্যসূচী একোখন থকাটো অতি প্ৰয়োজনীয়। ইয়াক আটাইবোৰ পাঠ্যবিষয় আৰু কাৰ্যকলাপতে সংলগ্ন কৰিব পৰাকৈ সামগ্ৰিক পাঠ্যক্ৰমৰ অবিচ্ছেদ্য অংগ কৰি লোৱা উচিত।

- **পিতৃ-মাতৃ আৰু শিক্ষকৰ সহযোগিতা ঃ** পিতৃ-মাতৃ আৰু শিক্ষকৰ যুটীয়া সহযোগত শিক্ষাৰ্থীৰ অনুশাসনহীনতাৰ সমস্যাটো ফলপ্ৰসূভাৱে সমাধান কৰিব পাৰি। বিদ্যালয় কৰ্তৃপক্ষবোৰে পিতৃ-মাতৃ আৰু শিক্ষকৰ সংস্থা গঠনত আগভাগ লোৱা উচিত। এনে সংস্থাৰ বৈঠকবোৰত পাৰস্পৰিক সমস্যাবোৰ আলোচনা কৰি উমৈহতীয়া কাৰ্যকৌশল আৰু পৰিকল্পিত কামেৰে সমস্যাবোৰ সমাধান কৰাৰ উপায় বাহিৰ কৰা উচিত।

- **যুক্তিসংগত শাস্তি ঃ** মানুহৰ আচৰণ সম্বোধন কৰাৰ বাবে ব্যৱহৃত শাস্তি হ'ল এটা মনোবৈজ্ঞানিক ধাৰণা। কিন্তু শাস্তি সদায় অত্যন্ত সাৱধানতা সহকাৰে, মিতব্যয়ীভাৱে আৰু যুক্তিসংগত ৰূপত প্ৰয়োগ কৰা উচিত। আন সকলোবোৰ গঠনমূলক চিন্তা-চৰ্চাই সুফল দিব নোৱাৰিলেহে একেবাৰে শেষত শাস্তি ব্যৱহাৰ কৰা উচিত। শাস্তিৰ প্ৰকৃতি শাৰীৰিক আৰু ইচ্ছাকৃত হোৱাৰ সলনি মনোবৈজ্ঞানিক আৰু সংস্কাৰমূলক হোৱা উচিত।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ বিদ্যালয়ত শিক্ষার্থীৰ অনুশাসনহীনতা হ্রাস কৰিব পৰা ব্যৱস্থা কেইটামানৰ বিষয়ে লিখক।

.....

.....



১৫.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- 'অনুশাসনহীনতা' বোলা অভিধাটোৰে সামাজিক শৃংখলা তথা ভাল নৈতিক আচৰণ উলংঘাকাৰী কার্যৰ লগতে কোনো ব্যক্তিয়ে স্বকীয়ভাৱে গ্রহণ কৰা আৰু নিজেই বর্তাই ৰখা জীৱনৰ সামাজিক প্রমূল্যবোৰৰ কথা বুজোৱা হয়।

- এটি শিশুৰ স্বকীয় ব্যক্তিত্বৰ বিকাশ ঘটোৱাত ইয়াক সুৰক্ষাবোধ প্রদান কৰাত, আত্মবিশ্বাস গঢ়াত আৰু ব্যক্তিগত স্বাধীনতাৰ পৰিসীমাৰ জ্ঞান আয়ত্ত কৰাত অনুশাসনে সহায় কৰে।

- অনুশাসনহীনতা যৌন আতিশয্য, মাৰপিট, চৌর্যবৃত্তি, প্রবঞ্চনা, মিছা কথা কোৱা, মাদক দ্রব্য সেৱন, পৰীক্ষাত অসৎ উপায় অৱলম্বন, অনাই-বনাই ফুৰা, বিদ্যালয়ৰ সম্পত্তি ধ্বংস কৰা আদি কার্যৰ জৰিয়তে প্রকাশ ঘটে।

- শিক্ষার্থীৰ মাজত অনুশাসনহীনতাৰ সৃষ্টি হোৱাৰ বহুতো কাৰক থাকে। যেনে— শিক্ষাৰ আসোঁৱাহপূর্ণ ব্যৱস্থা আৰু নীতি, আসোঁৱাহপূর্ণ পৰীক্ষা ব্যৱস্থা, শিক্ষকৰ নেতৃত্ব দিব পৰা গুণৰ অভাৱ, পিতৃ-মাতৃ আৰু শিক্ষকৰ মাজত সহযোগিতাৰ অভাৱ, জৰিণিৰ সময়ত কৰিব পৰা কার্যকলাপৰ নাটনি ইত্যাদি।

- বিদ্যালয় আৰু মহাবিদ্যালয়ৰ শিক্ষার্থীৰ অনুশাসনহীনতাৰ মাত্রা হ্রাস কৰিবলৈ বহুকেইটা প্রতিকাৰৰ উপায় বাহিৰ কৰা হৈছে। তেনেকেইটামান গুৰুত্বপূর্ণ উপায় হ'ল—

  - বিদ্যালয় প্রশাসন, পিতৃ-মাতৃ আৰু শিক্ষকবৃন্দই ছাত্র-ছাত্রীৰ আগত ভাল উদাহৰণ দাঙি ধৰিব লাগিব। কাৰণ ছাত্র-ছাত্রীয়ে তেওঁলোকৰ আচৰণ নকল কৰে।
  - বিদ্যালয় প্রশাসন, পিতৃ-মাতৃ আৰু শিক্ষকবৃন্দই তদাৰকৰ ব্যৱস্থা উন্নত কৰি অনুশাসনহীনতাৰ পৰিমাণ কম কৰিব পাৰে। যদি শ্রেণীত ছাত্র-ছাত্রীৰ সংখ্যা অধিক হয় তেন্তে শ্রেণীকোঠাৰ তত্ত্বাৱধান লোৱা কার্যত শিক্ষকক সহায় কৰিবলৈ সহায়ক কর্মচাৰী নিয়োগ কৰিব লাগে।

- গুৰুতৰ ধৰণৰ অনুশাসনহীন আচৰণৰ ক্ষেত্ৰত ছাত্ৰ অথবা ছাত্ৰীৰ পিতৃ-মাতৃক বিদ্যালয় প্ৰশাসনে মতাই আনি সমস্যাটো আলোচনা কৰিব লাগে।
- সুচৰিত্ৰ গঠনৰ প্ৰশিক্ষণ দিবলৈ বিদ্যালয়ৰ পাঠ্যক্ৰমত নৈতিক শিক্ষাৰ অন্তৰ্ভুক্তিত জোৰ দিয়া উচিত।
- শিশুক নৈতিক প্ৰশিক্ষণ দিয়াৰ দায়িত্বত থকা পিতৃ-মাতৃ, বিদ্যালয় তথা ধৰ্মীয় অভিকৰণবোৰে শিশুৱে যাতে সুস্থ নৈতিক শিক্ষা আহৰণ কৰিব পাৰে সেয়া সুনিশ্চিত কৰিব লাগে।

১৫.৯ অধিক জানিবলৈ

১) ড° লক্ষহীৰা দাস - সম্পূৰ্ণ শিক্ষা, সঙ্গম প্ৰকাশন

২) যতীন বৰুৱা - আধুনিক শিক্ষাত নতুন চিন্তাধাৰা, বৰুৱা পাব্লিচিং, গুৱাহাটী-২১

৩) যতীন বৰুৱা - ভাৰতৰ শিক্ষাৰ সমস্যাত দৃষ্টিপাত, হৰাইজন প্ৰিন্টাচ

১৫.১০ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্ন উত্তৰ ঃ 'অনুশাসনহীনতা' বোলা অভিধাটোৰে সামাজিক শৃংখলা তথা ভাল নৈতিক আচৰণ উলংঘাকাৰী কাৰ্যৰ লগতে কোনো ব্যক্তিয়ে স্বকীয়ভাৱে গ্ৰহণ কৰা আৰু নিজেই বৰ্তাই ৰখা জীৱনৰ সামাজিক প্ৰমূল্যবোৰৰ কথা বুজোৱা হয়।

২ নং প্ৰশ্ন উত্তৰ ঃ এটি শিশুৰ স্বকীয় ব্যক্তিত্বৰ বিকাশ ঘটাই, শিশুটিক সুৰক্ষাবোধ প্ৰদান কৰি, আত্মবিশ্বাস গঢ়ি তুলি আৰু ব্যক্তিগত স্বাধীনতাৰ পৰিসীমাৰ জ্ঞান আয়ত্ত কৰাত সহায় কৰি অনুশাসনে শিশুটিক জীৱনত সম্পূৰ্ণ সফলতা লাভ কৰিব পৰাকৈ সামৰ্থ কৰি তোলে।

৩ নং প্ৰশ্ন উত্তৰ ঃ যৌন আতিশয্য, মাৰপিট, চৌৰ্যবৃত্তি, প্ৰবঞ্চনা, মিছা কথা কোৱা, মাদক দ্ৰব্য সেৱন, পৰীক্ষাত অসৎ উপায় অৱলম্বন, অনাই বনাই ফুৰা, বিদ্যালয়ৰ সম্পত্তি ধ্বংস কৰা আদি হ'ল শিক্ষার্থীয়ে প্ৰদৰ্শন কৰা বিভিন্ন প্ৰকাৰৰ অনুশাসনহীনতা।

৪ নং প্ৰশ্ন উত্তৰ ঃ শিক্ষার্থীৰ মাজত অনুশাসনহীনতাৰ সৃষ্টি হোৱাৰ বিভিন্ন কাৰণ আছে। যেনে— পৰিয়ালৰ পৃষ্ঠভূমি, পৰিৱেশৰ অভাৱ আৰু সামাজিক দাবী। ইয়াৰ উপৰি অনুশাসনহীনতা সৃষ্টিৰ আঁৰৰ আন দুটামান গৌণ কাৰণ হ'ল শিক্ষাৰ আসোঁৱাহপূৰ্ণ নীতি, শিক্ষার্থীৰ অধ্যয়নৰ প্ৰতি অনীহা, শিক্ষকৰ নেতৃত্ব দিব পৰা গুণৰ অভাৱ, পিতৃ-মাতৃ আৰু শিক্ষকৰ মাজত সহযোগিতাৰ অভাৱ, সহপাঠীৰ নেতিবাচক প্ৰভাৱ, জিৰণিৰ সময়ত কৰিব পৰা কাৰ্যকলাপৰ নাটনি, বিদ্যালয় কৰ্তৃপক্ষৰ অৱহেলা, যুৱা মানসিকতা ইত্যাদি।

৫ নং প্ৰশ্ন উত্তৰ ঃ বিদ্যালয়ত শিক্ষার্থীৰ অনুশাসনহীনতাৰ সমস্যাটো প্ৰশমিত কৰিবলৈ ল'ব পৰা ব্যৱস্থা কেইটামান হ'ল— শিক্ষকৰ ইতিবাচক মনোভাৱ, ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিগত যত্ন লোৱা, ছাত্ৰ-ছাত্ৰীক নানা ধৰণৰ দায়িত্ব অৰ্পণ কৰা, শিক্ষক আৰু অন্য বিষয়া-কৰ্মচাৰীৰ মাজত অনুশাসন বৰ্তাই ৰখা, আজৰি সময়ত কৰিব পৰা বিভিন্ন কাৰ্যকলাপৰ প্ৰচলন কৰা, বিদ্যালয়ৰ আন্তঃগাঁথনিমূলক সা-সুবিধাবোৰ উন্নত কৰা, দিক্ নিৰ্দেশনা আৰু পৰামৰ্শদান সেৱা আগবঢ়োৱা, নৈতিক শিক্ষা, পিতৃ-মাতৃ আৰু শিক্ষকৰ মাজৰ সহযোগিতা বৃদ্ধি তথা যুক্তিসংগত আদান-প্ৰদানৰ ব্যৱস্থা ইত্যাদি।



১৫.১১ আৰ্হি প্ৰশ্ন

ক) **বস্তুধৰ্মী প্ৰশ্ন** (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ শিক্ষার্থীৰ অনুশাসনহীনতা মানে কি?

প্ৰশ্ন ২ ঃ বিদ্যালয়ৰ শিক্ষার্থীসকলৰ মাজত দেখা পোৱা সাধাৰণ অনুশাসনহীনতাৰ উদাহৰণবোৰ কি কি?

প্ৰশ্ন ৩ ঃ শিক্ষার্থীৰ মাজত গা কৰি উঠা অনুশাসনহীনতাৰ কাৰণবোৰ কি কি?

প্ৰশ্ন ৪ ঃ বিদ্যালয়ত শিক্ষার্থীৰ অনুশাসনহীনতা হ্ৰাস কৰিব পৰা ব্যৱস্থা কেইটামান উল্লেখ কৰক।

খ) **চুটি প্ৰশ্ন** (১৫০টা শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ অনুশাসন বিদ্যালয় নাইবা শৈক্ষিক অনুষ্ঠানবোৰৰ কিয় এক অবিচ্ছেদ্য উপাদান হোৱা উচিত বুলি আপুনি ভাবে? চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ বিদ্যালয় নাইবা শিক্ষানুষ্ঠানবোৰক শিক্ষার্থীয়ে প্ৰদৰ্শন কৰা বিভিন্ন ধৰণৰ অনুশাসনহীনতা সম্পৰ্কে চমুকৈ ব্যাখ্যা কৰক।

গ) **ৰচনাধৰ্মী প্ৰশ্ন** (৩০০-৫০০টা শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ বৰ্তমান বিদ্যালয়সমূহত শিক্ষার্থীসকলৰ মাজত ক্ৰমে বাঢ়িবলৈ ধৰা অনুশাসনহীনতাৰ সম্ভাব্য কাৰণসমূহৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ আমাৰ সমাজত শিক্ষার্থী আৰু যুৱচামৰ মাজত গা কৰি উঠা আৰু ক্ৰমে বাঢ়িবলৈ ধৰা অনুশাসনহীনতাৰ সমস্যাটো আপুনি কেনেকৈ ৰোধ কৰিব পাৰিব বুলি ভাবে? ব্যাখ্যা কৰক।

*** ***** ***



প্ৰসঙ্গ পুথি

১) যতীন বৰুৱা- আধুনিক শিক্ষাত নতুন চিন্তাধাৰা, বৰুৱা পাব্লিচিং, গুৱাহাটী-২১
২) অজন্তা বৰদলৈ দত্ত- ভাৰতৰ শিক্ষা বুৰঞ্জী, লয়ার্চ বুক ষ্টল, গুৱাহাটী-১
৩) যতীন বৰুৱা- ভাৰতৰ শিক্ষা ইতিহাসৰ অধ্যয়ন, লয়ার্চ বুক ষ্টল, গুৱাহাটী
৪) তৰুণ শৰ্মা - আধুনিক ভাৰতৰ শিক্ষাৰ ইতিহাস আৰু সমস্যাসমূহ, বনলতা, গুৱাহাটী-১
৫) যতীন বৰুৱা - ভাৰতৰ শিক্ষাৰ সমস্যাত দৃষ্টিপাত, হৰাইজন প্ৰিন্টার্চ
৬) বীৰেন্দ্ৰ ডেকা আৰু অন্যান্য - ভাৰতৰ শিক্ষাৰ ইতিহাস, অসম বুক ডিপো, পানবজাৰ, গুৱাহাটী
৭) ড° লক্ষহীৰা দাস- অসমৰ শিক্ষা ব্যৱস্থা
৮) ড° লক্ষহীৰা দাস- সম্পূৰ্ণ শিক্ষা, সঙ্গম প্ৰকাশন
৯) যতীন বৰুৱা- আধুনিক শিক্ষাত নতুন চিন্তাধাৰা, বৰুৱা পাব্লিচিং, গুৱাহাটী-২১
১০) যতীন বৰুৱা - ভাৰতৰ শিক্ষাৰ সমস্যাত দৃষ্টিপাত, হৰাইজন প্ৰিন্টার্চ